PGSO S1 02
(DSC)

দুই বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

সমাজতাত্ত্বিক দৃষ্টিভংগী আৰু সিদ্ধান্তসমূহ

সমাজতত্ত্ব

প্ৰথম ষাণ্মাসিক

সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক চন্দন কুমাৰ শর্মা, তেজপুৰ বিশ্ববিদ্যালয়
ড° সঞ্জয় বৰবৰা, টাটা ইনষ্টিটিউট অফ্ চ'চিয়েল চায়েঞ্চেছ, গুৱাহাটী

সমন্বয়ৰক্ষীঃ ড° ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাৰ্গৱ লিগিৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	**কৃতাঞ্জলী জয়ছোৱাল,** জি আই এম টি, গুৱাহাটী	সুস্মিতা ডেকা
২	**মূর্চ্ছনা কৌশিক,** গুৱাহাটী	সুস্মিতা ডেকা
৩, ৯, ১৪	**ডেনিম ডেকা,** মঃশ্রীঃশঃবিঃ, নগাঁও	হোমেন বৰুৱা (অধ্যায় ৩) বৰষা বৰুৱা (অধ্যায় ৯) মানসী বৰুৱা (অধ্যায় ১৪.)
৪, ৫	**ড° প্রার্থনা বৰা,** কটন বিশ্ববিদ্যালয়	সৃষ্টিপর্ণা ৰাজখোৱা (অধ্যায় ৪) নীতিশ দুৱৰা (অধ্যায় ৫.)
৬	**প্রণতি বাগলাৰী,** জে. এন. ইউ., নতুন দিল্লী	নীতিশ দুৱৰা
৭, ১১	**মৈত্রেয়ী পাটৰ,** তেজপুৰ বিশ্ববিদ্যালয়	বৰষা বৰুৱা (অধ্যায় ৭.) মানসী বৰুৱা (অধ্যায় ১১)
৮, ১০, ১৩, ১৫	**অনুশীলা বৰুৱা,** জে. এন. ইউ., নতুন দিল্লী	বৰষা বৰুৱা (অধ্যায় ৮) সুস্মিতা ডেকা (অধ্যায় ১০) উজ্জ্বল গোহাঁই (অধ্যায় ১৩) অনন্যা কলিতা (অধ্যায় ১৫)
১২	**মৃদুস্মিতা দত্ত,** তেজপুৰ বিশ্ববিদ্যালয়	উজ্জ্বল গোহাঁই

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা	ঃ	ড° সঞ্জয় বৰবৰা, টাটা ইনষ্টিটিউট অফ্ চ'চিয়েল চায়েঞ্চেছ, গুৱাহাটী
ভাষা সম্পাদনা	ঃ	ড° অভিজ্ঞান প্রসাদ, বি. বৰুৱা কলেজ, গুৱাহাটী
অসমীয়া ভাষা সম্পাদনা	ঃ	ড° বিকাশ ডেকা, ডিব্রুগড় বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	ভাৰ্গৱ লিগিৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জানুৱাৰী, **চন্দ্রচপ্ত** ISBN : 978-93-48100-74-0

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক **চ্ছু.ভ্ম** লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

আমি জানো যে, যিকোনো বিষয়ৰে আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান হৈছে বিষয়টোৰ তাত্ত্বিক দৃষ্টিভংগীসমূহ। এই দিশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি এই পাঠ্যবিষয়ৰ যোগেদি শিক্ষার্থীসকলক প্রধান সমাজতাত্ত্বিক দৃষ্টিভংগী আৰু তত্ত্ব বা সিদ্ধান্তসমূহৰ সৈতে পৰিচয় কৰাই দিব বিচৰা হৈছে। এই পাঠ্যবিষয়ত শিক্ষার্থীসকলক সমাজতত্ত্বৰ উৎপত্তিত অৰিহণা যোগোৱা অগ্রণী সমাজতত্ত্ববিদসকলৰ তাত্ত্বিক অৱদানসমূহৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে সমাজতত্ত্বৰ কিছুমান মৌলিক ধাৰণা বা দৃষ্টিভংগীৰ সম্পর্কে সম্যক ধাৰণা দিয়াৰ প্রয়াস কৰা হৈছে।

এই পাঠ্যবিষয়ত সর্বমুঠ পোন্ধৰটা অধ্যায় আছে। প্রথম অধ্যায়টোৰে এক পৃথক বিষয় হিচাপে সমাজতত্ত্বৰ বিকাশত জ্ঞানোদয় আৰু শিল্প বিপ্লৱৰ অৱদান সম্পর্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ে সমাজতত্ত্বৰ বিকাশত প্রাচীন আৰু মধ্যযুগীয় দর্শনৰ বৰঙণি আলোচনা কৰিছে। লগতে, সমাজতত্ত্বৰ বিকাশৰ আঁৰত নিহিত হৈ থকা বিভিন্ন সামাজিক কাৰক আৰু কিছুমান অগ্রণী দার্শনিকৰ বিষয়েও অধ্যায়টোৰে ব্যাখ্যা দাঙি ধৰিছে। তৃতীয় অধ্যায়টোৰে সমাজতত্ত্বৰ প্রকার্যবাদী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিছে। অধ্যায়টোৰে বিভিন্ন প্রকার্যবাদী দার্শনিকে সমাজৰ বিষয়ে অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা বিভিন্ন দৃষ্টিভংগীও সামৰি লৈছে। চতুর্থ অধ্যায়টোৰে ৰেডক্লিফ ব্রাউন আৰু লেভি-ষ্ট্রাউছৰ কামৰ আধাৰত সমাজ সম্পর্কীয় সংৰচনাত্মক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিছে। অধ্যায়টোৰে লগতে শিক্ষার্থীসকলক উত্তৰ-সংৰচনাত্মকবাদ আৰু গঠন প্রণালী তত্ত্বৰো প্রাৰম্ভিক ধাৰণা দিবলৈ চেষ্টা কৰিছে। পঞ্চম অধ্যায়টোৰে সংঘাত চিন্তাধাৰাৰ অন্তর্গত জর্জ চিমেল, লুইছ ক'জাৰ, ৰালফ ডাহৰেণ্ডর্ফ, ৰেণ্ডেল ক'লিন্সৰ দৰে চিন্তাবিদসকলৰ দৃষ্টিভংগীৰ বিষয়ে ব্যাখ্যা কৰিছে। ষষ্ঠ অধ্যায়টোৰে সাধাৰণতে ব্যষ্টিবাদী বা সূক্ষ্ম স্তৰৰ দৃষ্টিভংগী হিচাপে পৰিচিত ব্যক্তিৰ দৈনন্দিন জীৱন আৰু ক্রিয়াৰ লগত জড়িত প্রতীকী আন্তঃক্রিয়াবাদ আৰু গঠন প্রণালী তত্ত্বৰ দৰে দৃষ্টিভংগীসমূহ সাঙুৰি লৈছে। অনুৰূপধৰণে, সপ্তম অধ্যায়টোৰেও একে ধৰণৰ আন এক দৃষ্টিভংগী, অর্থাৎ প্রপঞ্চতত্ত্বৰ বিষয়ে আলোচনা কৰিছে। অষ্টম অধ্যায়টোৰে সমাজতত্ত্বৰ অন্যতম প্রতিষ্ঠাপক পিতৃস্বৰূপ ইমাইল ডুৰখেইমৰ অৱদানসমূহৰ সম্পর্কে আলোচনা কৰিছে। নৱম অধ্যায়ত সমাজতাত্ত্বিক ক্ষেত্রখনলৈ মেক্স ৱেবাৰৰ অৱদানসমূহ আলোচনা কৰা হৈছে। দশম অধ্যায়টোৰে কার্ল মার্ক্সৰ তত্ত্বসমূহ ব্যাখ্যা কৰিছে। একাদশ অধ্যায়ত সমাজতত্ত্বৰ ফ্রেংকফ'র্ট স্কুল বা চিন্তাধাৰাৰ চিন্তাবিদসকলৰ অৱদানৰ বিষয়ে আভাস দিয়া হৈছে। দ্বাদশ অধ্যায়টোৰে শিক্ষার্থীসকলক এণ্টনিঅ' গ্রামচিয়ে আগবঢ়োৱা তত্ত্ব আৰু ধাৰণাসমূহৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্রয়াস কৰা হৈছে। ত্রয়োদশ অধ্যায়টোৰে লুইছ আলথুছাৰৰ গুৰুত্বপূৰ্ণ ধাৰণাসমূহৰ বিষয়ে বিশদ ব্যাখ্যা আগবঢ়াইছে। চতুর্দশ অধ্যায়টোৰে পিটাৰ বার্গাৰ আৰু থমাছ লাকমেনে বিকশিত কৰা ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰিছে। পঞ্চদশ অধ্যায়টোৰে পিয়েৰ বৌর্ডিউৰ উল্লেখনীয় ধাৰণাসমূহৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে।

এটা অধ্যায়ৰ মাজেৰে যোৱাৰ সময়ত, আপুনি কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে, যিবোৰ আপোনাক কিছুমান কঠিন শব্দ আৰু পৰিভাষা জানিবলৈ সহায় কৰিবলৈ অন্তর্ভুক্ত কৰা হৈছে। আপুনি পাঠটোৰ লগত থকা 'অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ'ত কিছুমান প্রাসংগিক ধাৰণাৰ বিষয়েও পঢ়িবলৈ পাব। প্রতিটো অধ্যায়ত 'অগ্রগতি নিৰীক্ষণ'ত কিছুমান প্রশ্ন দিয়া হৈছে। এইবোৰ আপোনাৰ অধ্যয়নৰ অগ্রগতি নিজাকৈ পৰীক্ষা কৰিবৰ বাবে অন্তর্ভুক্ত কৰা হৈছে। এই প্রশ্নবোৰৰ উত্তৰ অধ্যায়টোৰ শেষত দিয়া হৈছে। আমি পৰামর্শ দিওঁ যে আপুনি এই প্রশ্নবোৰ উল্লেখ থকা অংশটো পঢ়ি শেষ কৰাৰ লগে লগে প্রশ্নবোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰক। আমি 'অধিক জানিবলৈ'ত কেইবাখনো কিতাপ অন্তর্ভুক্ত কৰিছো যি আপোনাৰ বাবে সহায়ক হ'ব। অধ্যায়সমূহ প্রস্তুত কৰাৰ সময়ত সহায় লোৱা প্রসঙ্গ পুথিসমূহ পাঠ্যবিষয়ৰ শেষত যোগ কৰা হৈছে। অৱশ্যে, এই স্ব-শিক্ষণ সামগ্রী বিষয়বস্তুৰ সম্পূর্ণ আভাস দিব পৰাকৈ পর্যাপ্ত নহয় আৰু সেয়ে শিক্ষার্থীসকলেক বিশদভাৱে জানিবলৈ প্রসঙ্গ পুথিকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ সমাজতাত্ত্বিক তত্ত্বৰ বিকাশ-১ ৭-১৮

তত্ত্বৰ অর্থ, সমাজতাত্ত্বিক তত্ত্বৰ অর্থ, জ্ঞানোদয়ৰ পটভূমিত সমাজতাত্ত্বিক তত্ত্বৰ বিকাশ, ঔদ্যোগিক বিপ্লৱ,ঔদ্যোগিক বিপ্লৱৰ মুখ্য বৈশিষ্ট্যসমূহ, সমাজত ঔদ্যোগিক বিপ্লৱৰ প্ৰভাৱ।

অধ্যায় ২ ঃ সমাজতাত্ত্বিক তত্ত্বৰ বিকাশ-২ ১৯-৩১

পৰিচয়, মধ্যযুগীয় সামাজিক দর্শন, প্রাচীন সামাজিক দর্শন, সমাজতত্ত্বৰ বিকাশৰ আঁৰৰ সামাজিক শক্তি, সমাজতত্ত্বৰ কিছুমান পথপ্রদর্শক চিন্তাবিদ।

অধ্যায় ৩ ঃ প্রকার্যবাদ ৩২-৪৩

সংৰচনাত্মক প্রকার্যবাদ, টালকট পার্চনৰ সমাজ সম্পর্কীয় প্রণালীবদ্ধ দৃষ্টিভংগী, ৰবার্ট কে. মার্টনৰ সমাজ সম্পর্কীয় প্রণালীবদ্ধ দৃষ্টিভংগী, সংৰচনাত্মক প্রকার্যবাদ মুখ্য সমালোচনা, নব্য-প্রকার্যবাদ।

অধ্যায় ৪ ঃ সংৰচনাত্মকবাদ ৪৪-৫৬

আধিভৌতিক ধাৰণা হিচাপে সংৰচনাত্মকবাদ, পদ্ধতি হিচাপে সংৰচনাত্মকবাদ, এ. আৰ. ৰেডক্লিফ ব্রাউনৰ সংৰচনাত্মক পদ্ধতি, লেভি ষ্ট্রাউছৰ সংৰচনাত্মকবাদ দৃষ্টিভংগী, সংৰচনাত্মকবাদৰ সমালোচনা, উত্তৰ সংৰচনাত্মকবাদ, গঠন প্রণালী তত্ত্ব।

অধ্যায় ৫ ঃ সংঘাতৰ দৃষ্টিভংগীসমূহ ৫৭-৬৯

জর্জ চিমেলৰ সংঘাতৰ দৃষ্টিভংগী, লুইছ ক'জাৰৰ সংঘাত প্রকার্যবাদ,ৰালফ ডাহৰেণ্ডর্ফৰ দ্বান্দ্বিক সমাজতত্ত্ব, ৰেণ্ডেল কলিন্সৰ বিশ্লেষণাত্মক সংঘাত তত্ত্ব।

অধ্যায় ৬ ঃ প্রতীকী আন্তঃক্রিয়াবাদ আৰু নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান ৭০-৮১

প্রতীকী আন্তঃক্রিয়াবাদ, প্রতীকী আন্তঃক্রিয়াবাদৰ উপাদান আৰু মূল নীতি, প্রতীকী আন্তঃক্রিয়াবাদ সম্পর্কে মিডৰ দৃষ্টিভংগী, প্রতীকী আন্তঃক্রিয়াবাদ সম্পর্কে ব্লুমাৰৰ দৃষ্টিভংগী, প্রতীকী আন্তঃক্রিয়াবাদৰ সমালোচনা, গার্ফিংকেলৰ নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান সম্পর্কীয় দৃষ্টিভংগী।

অধ্যায় ৭ ঃ প্রপঞ্চতত্ত্ব ৮২-৯১

প্রপঞ্চতত্ত্ব ঃ সংজ্ঞা আৰু বৈশিষ্ট্য, প্রপঞ্চতত্ত্ব ঃ মূল চিন্তাবিদ, পদ্ধতি হিচাপে প্রপঞ্চতত্ত্ব।

অধ্যায় ৮ ঃ ইমাইল ডুৰখেইমৰ সমাজতাত্ত্বিক অৱদানসমূহ ৯২-১০৫

ইমাইল ডুৰখেইমঃ প্রাৰম্ভিক জীৱন, বিজ্ঞান হিচাপে সমাজতত্ত্ব, শ্রমবিভাজন আৰু সংহতিৰ ৰূপসমূহ, আত্মহত্যাৰ অধ্যয়ন, শ্রেণীবিভাজনৰ পদ্ধতি, ধর্মৰ তত্ত্ব।

অধ্যায় ৯ ঃ মেক্স ৱেবাৰৰ সমাজতাত্ত্বিক অৱদানসমূহ **১০৬-১১৮**

মেক্স ৱেবাৰঃ প্ৰাৰম্ভিক জীৱন, সমাজতাত্ত্বিক তত্ত্বলৈ ৱেবাৰৰ অৱদান, সামাজিক ক্ৰিয়া, পৰম্পৰাগততা আৰু যুক্তিবাদ, কৰ্তৃত্বৰ তত্ত্ব, ক্ষমতাৰ তত্ত্ব, ধৰ্মৰ তত্ত্ব।

অধ্যায় ১০ ঃ কার্ল মার্ক্সৰ সমাজতাত্ত্বিক অৱদানসমূহ **১১৯-১৩১**

কার্ল মার্ক্স ঃ জীৱনীমূলক বৰ্ণনা, দ্বান্দ্বিক বস্তুবাদ, বিচ্ছিন্নতা আৰু পুঁজিবাদ, পণ্য উৎপাদন, পুঁজিবাদ আৰু স্বাধীনতা।

অধ্যায় ১১ ঃ ফ্ৰেংকফৰ্ট স্কুল **১৩২-১৪৪**

সমালোচনাত্মক তত্ত্বঃ সংজ্ঞা আৰু বৈশিষ্ট্য, ফ্ৰেংকফৰ্ট স্কুলৰ চিন্তাবিদসকলঃ থিঅ'ডৰ এডোৰ্ণো, জাৰ্গেন হেবাৰমাছ, মেক্স হৰখেইমাৰ।

অধ্যায় ১২ ঃ এণ্টনিঅ' গ্ৰামচি **১৪৫-১৫৫**

গ্ৰামচিৰ কাম আৰু চিন্তা, গ্ৰামচিৰ তত্ত্বৰ মূল ধাৰণাসমূহ, গ্ৰামচিৰ শ্ৰেণী সংগ্ৰামৰ তত্ত্ব।

অধ্যায় ১৩ ঃ লুই আলথুছাৰ **১৫৬-১৬৭**

ৰাষ্ট্ৰৰ তত্ত্ব, পুনৰ উৎপাদন, বিপ্লৱ বিজ্ঞান, ৰাজনীতি, আপেক্ষিক স্বাযত্ত্বতা, অত্যাধিক নিৰ্ধাৰণ তত্ত্ব।

অধ্যায় ১৪ঃ পিটাৰ বাৰ্গাৰ আৰু থমাছ লাকমেন **১৬৮-১৭৮**

বাস্তৱতাৰ সামাজিক নিৰ্মাণ ঃ অৰ্থ আৰু সংজ্ঞা, দৈনন্দিন জীৱনত জ্ঞানৰ ভেঁটি, বস্তুনিষ্ঠ বাস্তৱ হিচাপে সমাজ, বিষয়নিষ্ঠ বাস্তৱ হিচাপে সমাজ।

অধ্যায় ১৫ঃ পিয়েৰ বৌর্ডিউ **১৭৯-১৮৫**

সামাজিক পুঁজি, অভ্যাস।

প্ৰসঙ্গ পুথি **১৮৬**

অধ্যায় ১ ঃ সমাজতাত্ত্বিক তত্ত্বৰ বিকাশ ঃ ১

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ তত্ত্বৰ অর্থ

১.৪ সমাজতাত্ত্বিক তত্ত্বৰ অর্থ

১.৫ জ্ঞানোদয়ৰ প্রেক্ষাপটত সমাজতাত্ত্বিক তত্ত্বৰ বিকাশ

১.৫.১ জ্ঞানোদয়

১.৬ ঔদ্যোগিক বিপ্লৱ

১.৬.১ ঔদ্যোগিক বিপ্লৱৰ মূল বৈশিষ্ট্য

১.৬.২ সমাজৰ ওপৰত ঔদ্যোগিক বিপ্লৱৰ প্রভাৱ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- তত্ত্বৰ অর্থ বুজিব পাৰিব
- সমাজতাত্ত্বিক তত্ত্বৰ দিশসমূহ ব্যাখ্যা কৰিব পাৰিব
- সমাজতাত্ত্বিক তত্ত্বৰ বিকাশৰ বিষয়ে জানিব পাৰিব
- জ্ঞানোদয়ৰ বিষয়ে আভাস পাব
- ঔদ্যোগিক বিপ্লৱ আৰু সমাজত ইয়াৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।

১.২ পৰিচয়

আমি এই অধ্যায়টোত প্রথমে সমাজতাত্ত্বিক তত্ত্বৰ উত্থানৰ আলোচনাৰ পৰা আৰম্ভ কৰি জ্ঞানোদয় আৰু ঔদ্যোগিক বিপ্লৱে সমাজতত্ত্বক এটা বিষয় হিচাপে উত্থানত কেনেদৰে অৰিহণা যোগাইছিল সেই বিষয়ে আলোচনা জানিবলৈ চেষ্টা কৰিম। কিন্তু সেই বিষয়ে জানিবলৈ যোৱাৰ আগতে আমি প্রথমে তত্ত্বৰ বিষয়বস্তু আৰু সমাজতাত্ত্বিক তত্ত্বৰ অর্থ কি সেয়া বুজিবলৈ চেষ্টা কৰিম। এই মৌলিক প্রশ্নবোৰৰ পৰা আমি সমাজতত্ত্বক এটা বিষয় হিচাপে লৈ তত্ত্বৰ গুৰুত্ব পৰীক্ষা কৰিম আৰু গুৰুত্বপূর্ণ কথাটো হ'ল যে সমাজতত্ত্বৰ তত্ত্বসমূহ কেনেকৈ বিকশিত হৈছে আৰু আমি বাস কৰা সামাজিক আৰু সাংস্কৃতিক জগতখনৰ বর্ণনা, সংজ্ঞা আৰু ব্যাখ্যাত ইহঁতে

কৰা কামৰ সৈতে কেনেদৰে সম্পৰ্কিত হৈছে, সেই বিষয়ে পৰীক্ষা কৰিম। আমি জানো যে, সমাজতত্ত্বই ঊনবিংশ শতিকাত এক সুকীয়া শৈক্ষিক বিষয় হিচাপে আত্মপ্রকাশ কৰিছিল যদিও বহু সময় আগৰ পৰাই সমাজতাত্ত্বিক চিন্তাৰ ক্রমবিকাশ হৈ আহিছে। জ্ঞানোদয় যুগতেই সমাজৰ বিষয়ে নতুন নতুন চিন্তাধাৰাৰ আৰিৰ্ভাৱ হ'বলৈ ধৰিলে। বৌদ্ধিক অনুসন্ধানৰ এক নতুন সমালোচনাত্মক পদ্ধতিৰ বিকাশ ঘটিল যিয়ে সামাজিক প্রক্রিয়াসমূহক বুজিবৰ বাবে নির্দিষ্ট বৈজ্ঞানিক পদ্ধতিৰ ভেটি প্রদান কৰিলে। এই অধ্যায়ত আমি ঊনবিংশ শতিকাৰ আৰম্ভণিতে বিশেষভাৱে জ্ঞানোদয় আৰু ইয়াৰ বিকাশৰ লগতে ঔদ্যোগিক বিপ্লৱে সমাজতত্ত্বক কেনেকৈ এক সুকীয়া বিষয় হিচাপে বিকাশৰ পথ প্রশস্ত কৰিছে সেই বিষয়ে আলোচনা কৰিম।

১.৩ তত্ত্বৰ অর্থ

দুটা বা তাতকৈ অধিক ধাৰণাৰ মাজত থকা সম্পৰ্কৰ সমষ্টিক তত্ত্ব বোলে। অর্থাৎ কোনো পৰিঘটনা কিয় বা কেনেকৈ ঘটে তাৰ বর্ণনাক তত্ত্ব বোলে। ই হৈছে বৈজ্ঞানিকভাৱে প্রমাণিত আন্তঃসম্পৰ্কীয় ধাৰণাসমূহৰ এটা গোট যি মানুহ আৰু তেওঁলোকৰ আচৰণসমূহৰ বিষয়ে স্পষ্টকৈ বুজিবলৈ সহায় কৰে। তত্ত্ব অবিহনে বিজ্ঞান নিষ্ফল হ'লহেতেন।

তত্ত্ববোৰ সদায় বিমূর্ত, আৰু বিষয়বস্তু বা বিষয় নির্দিষ্ট নহয়। তত্ত্বসমূহ সেইটো পৰিসৰত হে পৰিৱর্তন হ'ব যি পৰিসৰলৈকে ধাৰণাগতভাৱে বিকশিত আৰু পৰীক্ষামূলকভাৱে প্রমাণিত হ'ব। "বৈধতা" তত্ত্বৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। ষ্টিফেন টার্নাৰে তেওঁৰ "তত্ত্বৰ বিকাশ" (Theory Development) ৰ অধ্যায়ত উল্লেখ কৰা অনুসৰি সমাজ বিজ্ঞানৰ তত্ত্বসমূহক আর্হি হিচাপে ভালদৰে বুজা যায়, যিয়ে সার্বজনীনভাৱে ধৰি ৰখা প্রযোজ্য হোৱা বিজ্ঞানৰ নীতিতকৈ সীমিত পৰিসৰৰ পৰিৱেশত কাম কৰে।

তত্ত্ব অতি গুৰুত্বপূর্ণ কাৰণ ই পর্যবেক্ষণসমূহ সাধাৰণীকৰণ কৰে আৰু ই এক আন্তঃসম্পৰ্কীয়, সুসংহত ধাৰণা আৰু আর্হিৰ গোটৰে গঠিত। সাধাৰণতে তত্ত্ববোৰ বর্ণনাত্মক আৰু ব্যাখ্যামূলকঃ দুয়োধৰণৰ। অর্থাৎ তত্ত্ব এটাত পর্যবেক্ষণ কৰা পৰিঘটনা সমূহ বর্ণনা কৰাৰ ক্ষমতা থাকিব লাগে আৰু পৰিঘটনা সংঘটনৰ কাৰণগত ব্যাখ্যা দিব লাগে।

১.৪ সমাজতাত্ত্বিক তত্ত্বৰ অর্থ

সমাজতাত্ত্বিক তত্ত্ব হৈছে সামাজিক ক্রিয়াৰ প্রকৃতি, ৰূপ বা বিষয়বস্তুৰ ব্যাখ্যা বা ব্যাখ্যাৰ ৰূপত সংগঠিত অনুমান, দাবী আৰু প্রস্তাৱৰ এক সংহতি।

সমাজতাত্ত্বিক তত্ত্ব সামাজিক তত্ত্বৰ অন্যান্য ৰূপৰ সৈতে ঘনিষ্ঠভাৱে সম্পৰ্কিত। আমি দেখিম যে ঊনবিংশ শতিকাৰ শেষৰ ফালে সমাজতত্ত্ব এক শৈক্ষিক বিষয় হিচাপে উদ্ভৱ হৈছিল। আৰম্ভণিৰে পৰাই ই আন আন সামাজিক তত্ত্বকে ধৰি অন্যান্য ধৰণৰ ব্যাখ্যাৰ বিপৰীতে নিজকে সংজ্ঞায়িত কৰাৰ চেষ্টা কৰিছিল। অৱশ্যে, আমি এই সমগ্র পাঠ্যক্রমত দেখা পাম যে, সমাজতাত্ত্বিক

তত্ত্ব অন্যান্য সামাজিক আৰু মানৰ বিজ্ঞানৰ অসংখ্য চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈ আহিছে। ই সদায়ে কৰাৰ দৰে, বিশ্বৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাত চলি থকা পৰিৱৰ্তনৰ প্ৰতি গভীৰ সঁহাৰি দিয়ে।

মানৰ সমাজৰ উৎপত্তি আৰু প্ৰকৃতি সম্পৰ্কে দাৰ্শনিক, বিজ্ঞানী আৰু অন্যান্য বুদ্ধিজীৱীসকলৰ মাজত জ্ঞানোদয় যুগত আৰম্ভ হোৱা ধাৰাবাহিক বিতৰ্কৰ পৰা সমাজতত্ত্ব এক পৃথক বিষয় হিচাপে উদ্ভৱ হৈছিল। ইয়াত আমি বুজি পোৱা গুৰুত্বপূৰ্ণ কথাটো হ'ল যে কেইবাটাও বিতৰ্কৰ পৰা সমাজতাত্ত্বিক চিন্তাধাৰাৰ উদ্ভৱ হৈছিল। জ্ঞানোদয় যুগত সমাজ কি আৰু ই কেনেদৰে কাম কৰে; ব্যক্তি আৰু সমাজৰ মাজৰ সম্পৰ্কৰ বিষয়ে, আৰু সামাজিক পৰিৱৰ্তনৰ বিষয়ে প্ৰশ্ন কৰা আৰম্ভ হৈছিল। অৱশ্যে, এই প্ৰশ্নবোৰে তৎক্ষণাত এটা সিদ্ধান্তত উপনীত হোৱা নাছিল। ইয়াৰ পৰিৱৰ্তে, এই প্ৰশ্নবোৰৰ উত্তৰত বিভিন্ন দৃষ্টিভংগী আৰু বিভিন্ন ধাৰণাৰ উদ্ভৱ হৈছিল আৰু এইবোৰক লৈ প্ৰায়ে বিপৰীত দৃষ্টিভংগী থকা লোকসকলৰ মাজত তীব্ৰ বিতৰ্ক হৈছিল। আজিও এইটোৱেই হৈ আছে আৰু এই কথাটো বুজি পোৱাটো গুৰুত্বপূৰ্ণ কিয়নো ই আমাক স্বীকাৰ কৰিবলৈ অনুমতি দিয়ে যে জটিল প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ প্ৰণালীবদ্ধ প্ৰচেষ্টাই বিভিন্ন সমাধানলৈ লৈ যাব পাৰে, অন্য শব্দত সমাজ কি আৰু সেইবোৰে কেনেদৰে কাম কৰে তাৰ বিভিন্ন তত্ত্বলৈ লৈ যাব পাৰে।

১.৫ জ্ঞানোদয়ৰ পটভূমিত সমাজতত্ত্বৰ বিকাশ

সমাজতাত্ত্বিক তত্ত্বৰ উৎপত্তিৰ মূল বুজিবলৈ আমি সমাজ আৰু ধাৰণাৰ মাজৰ সম্পৰ্কটো জানিব লাগিব। কোনো এক সময়ত উদ্ভৱ হোৱা আৰু প্ৰভাৱশালী হৈ পৰা ধাৰণাৰ লগত সেই সময়ৰ সামাজিক পৰিস্থিতিৰ সদায় এক যোগসূত্ৰ আৰু সম্পৰ্ক থাকে। বৌদ্ধিক শক্তিবোৰ হৈছে এক গুৰুত্বপূৰ্ণ কাৰক যিয়ে সমাজতাত্ত্বিক তত্ত্বৰ উৎপত্তিত এক কেন্দ্ৰীয় ভূমিকা পালন কৰিছিল। এতিয়া আমি সমাজতাত্ত্বিক তত্ত্বৰ বিকাশত জ্ঞানোদয় আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিম।

১.৫.১ জ্ঞানোদয়

জ্ঞানোদয় আছিল এক দাৰ্শনিক আন্দোলন যি মূলতঃ ১৭ শতিকাৰ শেষৰ ফালে আৰু ১৮ শতিকাৰ আৰম্ভণিতে ইউৰোপত আৰু পিছলৈ উত্তৰ আমেৰিকাত সংঘটিত হৈছিল। ই আছিল উল্লেখযোগ্য বৌদ্ধিক বিকাশ আৰু দাৰ্শনিক চিন্তাধাৰাৰ পৰিৱৰ্তনৰ সময়। জ্ঞানোদয়ৰ মৌলিক বৈশিষ্ট্যসমূহৰ ভিতৰত **বৈজ্ঞানিক পদ্ধতি, যুক্তি আৰু স্বাধীনতাৰ** দৰে কিছুমান ধাৰণাৰ উত্থান আছিল অন্যতম। এইটো সেই যুগ আছিল যেতিয়া সামাজিক জীৱনৰ সৈতে সম্পৰ্কিত কিছুমান পৰম্পৰাগত ধাৰণা আৰু বিশ্বাসক উৎখাত কৰি সলনি কৰা হৈছিল। ইয়াৰ লগত জড়িত আটাইতকৈ বিশিষ্ট

চিন্তাবিদসকল আছিল ফৰাচী দার্শনিক চার্লছ মন্টেস্কিউ (Charles Montesquieu) (১৬৮৯-১৭৫৫) আৰু জ্যাঁ জেক ৰুছো (Jean Jacques Rousseau) (১৭১২-১৭৭৮)। সমাজতাত্ত্বিক তত্ত্বৰ উৎপত্তিৰ ক্ষেত্ৰত জ্ঞানোদয়ে এক নতুন দিশৰ সন্ধান দিছিল। যদি কোনো ব্যক্তিয়ে সমাজতাত্ত্বিক তত্ত্বৰ উৎপত্তিৰ অধ্যয়নত আগ্ৰহী হয় তেন্তে বিভিন্ন কাৰণত ই এক সুযোগ প্ৰদান কৰিব।

প্ৰথমতে, জ্ঞানোদয়ৰ চিন্তাবিদসকলে প্ৰাকৃতিক বিজ্ঞানৰ পদ্ধতি ব্যৱহাৰ কৰি **বৈজ্ঞানিক দৃষ্টিভংগী** প্ৰয়োগৰ ওপৰত অধিক গুৰুত্ব দিছিল। তেওঁলোকে ইচ্ছাকৃতভাৱে মানুহ, তেওঁলোকৰ প্ৰকৃতি আৰু সমাজক বিশ্লেষণ আৰু অধ্যয়ন কৰিবলৈ বৈজ্ঞানিক নীতিবোৰ প্ৰয়োগ কৰিছিল। তদুপৰি, জ্ঞানোদয়ৰ চিন্তাবিদসকলে তেওঁলোকৰ ধাৰণাসমূহ বাস্তৱ জগতৰ পৰা আহৰণ কৰিব বিচাৰিছিল আৰু সেইবোৰ সামাজিক জগতৰ বাবে, বিশেষকৈ সমালোচনামূলক বিশ্লেষণৰ ক্ষেত্ৰত উপযোগী হোৱাটো বিচাৰিছিল।

দ্বিতীয়তে, জ্ঞানোদয়ৰ চিন্তাবিদসকলে **যুক্তিক** সামাজিক সংস্থাসমূহক বিচাৰ কৰাৰ এক ব্যৱস্থা হিচাপে ন্যায্যতা প্ৰদান কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে মানুহ সাধাৰণতে যুক্তিবাদী আৰু এই যুক্তিসংগততাই তেওঁলোকক চিন্তা আৰু কৰ্মৰ স্বাধীনতাৰ দিশে লৈ যাব পাৰে। জ্ঞানোদয়ৰ চিন্তাবিদসকলে উন্নত আৰু অধিক যুক্তিসঙ্গত এখন সমাজৰ সৃষ্টিৰ বাবে কাম কৰিবৰ বাবে সামাজিক জগতখনে কেনেদৰে কাম কৰে সেই কথা এবাৰ মানুহে বুজি পোৱাটো প্ৰয়োজনীয় আছিল।

তৃতীয়তে, জ্ঞানোদয়ৰ দার্শনিকসকলে যুক্তিৰ ওপৰত গুৰুত্ব দি, স্বাধীনতা বা উদাৰতাৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু পৰম্পৰাগত কৰ্তৃত্বৰ ওপৰত থকা বিশ্বাস নস্যাৎ কৰিছিল। যেতিয়া এই চিন্তাবিদসকলে পৰম্পৰাগত ব্যৱস্থা আৰু মূল্যবোধৰ সংস্থাসমূহ অধ্যয়ন কৰিছিল, তেওঁলোকে প্ৰায়ে সেইবোৰ অযৌক্তিক, অৰ্থাৎ মানৱ প্ৰকৃতিৰ বিপৰীত আৰু মানৱ বিকাশৰ বাবে এক বাধা হিচাপে ধাৰণা কৰিছিল। জ্ঞানোদয়ৰ চিন্তাবিদসকলৰ উদ্দেশ্য আছিল এই অযৌক্তিক ব্যৱস্থাবোৰ নাইকিয়া কৰা।

এই সকলোবোৰৰ বাহিৰেও, জ্ঞানোদয় চিন্তাধাৰা কিছুমান নীতিৰ ওপৰত আধাৰিত আছিল। হেমিল্টনৰ মতে, জ্ঞানোদয় চিন্তাধাৰা এক বিস্তৃত দৃষ্টান্ত বা নক্সা (Paradigm) ৰ ভিতৰত সংঘটিত হৈছিল য'ত কিছুমান মৌলিক নীতি গ্ৰহণ কৰা হৈছিল। দৃষ্টান্ত বা নক্সা হৈছে আন্তঃসংযুক্ত ধাৰণা, মূল্যবোধ, নীতি আৰু তথ্যৰ এক সংহতি যাৰ ভিতৰত সুসংগত তত্ত্ব (পৰিঘটনা বৰ্ণনা আৰু কৰাৰ প্ৰচেষ্টা) বিকশিত কৰা হয়।

হেমিল্টনৰ মতে জ্ঞানোদয় দৃষ্টান্তৰ মূল দিশসমূহ হ'ল ঃ

১) **যুক্তি বা কাৰণ ঃ** জ্ঞান সংগঠিত কৰাৰ উপায় হিচাপে যুক্তি আৰু কাৰণৰ মৌলিক গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল।

২) **অভিজ্ঞতাবাদ** (Empiricism) ঃ এই ধাৰণা মতে, প্ৰাকৃতিক আৰু সামাজিক

জগতৰ সকলো চিন্তা আৰু জ্ঞান আমি আমাৰ ইন্দ্রিয়ৰ জৰিয়তে কি আয়ত্ত কৰিব পাৰোঁ তাৰ ওপৰত আধাৰিত হয়। বহু জ্ঞানোদয় চিন্তা যুক্তিসংগত আৰু অভিজ্ঞতা দুয়োটা পদ্ধতি ব্যৱহাৰৰ ওপৰত নির্ভৰ কৰিছিল।

৩) **বিজ্ঞান ঃ** এই ধাৰণা মতে সপ্তদশ শতিকাৰ 'বৈজ্ঞানিক বিপ্লৱ'ৰ সময়ত প্রস্তুত কৰা বিভিন্ন পদ্ধতিবোৰেই (পৰীক্ষামূলক ইত্যাদি) হ'ল মানুহৰ জ্ঞান সম্প্রসাৰণৰ একমাত্র উপায়।

৪) **সার্বজনীনতাবাদ** (Universalism) ঃ যুক্তি আৰু বিজ্ঞান সকলো পৰিস্থিতিত প্রযোজ্য আৰু এইবোৰে সকলো পৰিস্থিতিত সকলো পৰিঘটনাৰ বাবে ব্যাখ্যা প্রদান কৰিব পাৰে। বিশেষকৈ বিজ্ঞানে সার্বজনীন নিয়মসমূহ উন্মোচন কৰে বুলি ভবা হৈছিল।

৫) **প্রগতি** (Progress) ঃ ই জ্ঞানোদয়ৰ এটা মূল ধাৰণা। ইয়াত বিশ্বাস কৰা হৈছিল যে যুক্তি আৰু বিজ্ঞানৰ প্রয়োগৰ জৰিয়তে মানুহে নিজৰ প্রাকৃতিক আৰু সামাজিক অৱস্থা উন্নত কৰিব পাৰে। ইয়াৰ ফলস্বৰূপে সুখ আৰু সুস্থতাৰ স্তৰ ক্রমাগতভাৱে বৃদ্ধি পাব।

৬) **ব্যক্তিবাদ** (Individualism) ঃ এগৰাকী ব্যক্তি সর্বোচ্চ আৰু তেওঁৰ ব্যক্তিগত যুক্তি কোনো উচ্চ (সম্ভৱতঃ অযৌক্তিক) কর্তৃত্ব (যেনে গীর্জা) বা পৰম্পৰাগত জ্ঞানৰ অধীন হ'ব নোৱাৰে।

৭) **সহনশীলতা** (Toleration) ঃ এই ধাৰণা মতে সকলো মানুহ মূলতঃ একে আৰু অন্য সংস্কৃতি বা 'প্রজাতি'ৰ বিশ্বাস ইউৰোপীয় খ্রীষ্টান ধর্মৰ বিশ্বাসতকৈ নিকৃষ্ট নহয়।

৮) **স্বাধীনতা** (Freedom) ঃ বিশ্বাস, অভিব্যক্তি, বাণিজ্য, সামাজিক আন্তঃক্রিয়া আদিৰ ওপৰত থকা পৰম্পৰাগত বাধাসমূহৰ বিৰোধিতা।

৯) **ধর্মনিৰপেক্ষতা** (Secularism) ঃ ধর্মনিৰপেক্ষতা জ্ঞানোদয় চিন্তাধাৰাৰ আন এটা গুৰুত্বপূর্ণ দিশ, ই হৈছে পৰম্পৰাগত ধর্মীয় জ্ঞান আৰু অধিবিদ্যামূলক (Metaphysical) অনুমানৰ বিৰোধিতা।

১০) **ধর্ম-বিৰোধিতা** (Anti-clericalism) ঃ গীর্জা, সংগঠিত ধর্ম, অন্ধবিশ্বাস আৰু ধর্মীয় উৎপীড়নৰ বিৰোধিতা।

১১) **প্রযুক্তিগত আৰু চিকিৎসাৰ প্রগতিৰ বাবে উৎসাহ** (Enthusiam for technological and medical progress) ঃ প্রযুক্তি আৰু ঔষধৰ ক্ষেত্রত বৈজ্ঞানিক আৱিষ্কাৰ আৰু ইয়াৰ ব্যৱহাৰিক প্রয়োগৰ বাবে অপৰিসীম উৎসাহ।

১২) **ৰাজনৈতিক পৰিৱর্তন আৰু সংস্কাৰৰ ইচ্ছা** (A desire for political change and reform) ঃ জ্ঞানোদয় চিন্তাবিদসকল গণতান্ত্রিক নাছিল, কিন্তু তেওঁলোকে বাস কৰা ৰাষ্ট্রত সাংবিধানিক আইনী সংস্কাৰ হোৱাটো বিচাৰিছিল।

১৩) **পৰীক্ষামূলক, বস্তুবাদী জ্ঞানৰ প্ৰাধান্যৰ ওপৰত বিশ্বাস** (A belief in the pre-eminence of empirical, materialist knowledge) ঃ সমাজে কেনেদৰে কাম কৰে তাৰ প্ৰকৃত কাৰণবোৰ উন্মোচন কৰাৰ বাবে ব্যৱহাৰ কৰা আৰ্হিটো প্ৰাকৃতিক বিজ্ঞানৰ পৰা আহৰণ কৰা হৈছিল।

ওপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট যে জ্ঞানোদয়ৰ সময়ছোৱাত বিশ্ব বা সমাজৰ বিষয়ে চিন্তা পদ্ধতিত এক বৃহৎ পৰিৱৰ্তন ঘটিছিল। জ্ঞানোদয়ৰ চিন্তাবিদসকলৰ নতুন দৰ্শনে মানুহক বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰত স্থাপন কৰিছিল আৰু যুক্তিবাদ বা যুক্তিক মানুহৰ কেন্দ্ৰীয় বৈশিষ্ট্য হিচাপে প্ৰতিষ্ঠা কৰিছিল। যুক্তিসংগতভাৱে আৰু সমালোচনামূলকভাৱে চিন্তা কৰাৰ ক্ষমতাই মানুহক সকলো জ্ঞানৰ উদ্ভাৱক আৰু ব্যৱহাৰকাৰীলৈ ৰূপান্তৰিত কৰিছিল। তদুপৰি, জ্ঞানোদয়ৰ চিন্তাবিদসকল দুটা বৌদ্ধিক ধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈছিল— প্ৰচলিত দৰ্শন আৰু বিজ্ঞান। অন্য অৰ্থত, তেওঁলোকে অভিজ্ঞতামূলক গৱেষণাক যুক্তিৰ সৈতে একত্ৰিত কৰিবলৈ চেষ্টা কৰিছিল আৰু বিজ্ঞান আছিল তেওঁলোকৰ প্ৰাথমিক আৰ্হি। গতিকে, আমি বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগৰ উত্থান দেখিছোঁ। জ্ঞানোদয়ৰ সময়ছোৱাত উদ্ভৱ হোৱা এই নতুন চিন্তাধাৰাই সমাজতাত্ত্বিক জ্ঞানৰ ক্ষেত্ৰত যথেষ্ট অৱিহণা যোগাইছিল। জ্ঞানোদয়ৰ সময়ৰ পৰাই কেইবাজনো চিন্তাবিদে সমাজ আৰু সামাজিক পৰিঘটনাক বৈজ্ঞানিকভাৱে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিছিল আৰু সমাজতত্ত্বৰ মূল (core) গঠন কৰা তত্ত্ব আৰু ধাৰণাসমূহ বিকশিত কৰিছিল।

১.৬ ঔদ্যোগিক বিপ্লৱ (INDUSTRIAL REVOLUTION)

অষ্টাদশ শতিকাৰ শেষৰ ফালে আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিতে ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল। ইয়াৰ ফলত মানুহৰ জীৱনলৈ ব্যাপক পৰিৱৰ্তন আহিছিল। ঔদ্যোগিক বিপ্লৱৰ এটা প্ৰধান দিশ আছিল ঔদ্যোগিক উৎপাদনত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰণালীবদ্ধ প্ৰয়োগ, বিশেষকৈ নতুন যন্ত্ৰৰ আৱিষ্কাৰ। উৎপাদন পদ্ধতিত বহুতো পৰিৱৰ্তন ঘটিছিল যিয়ে প্ৰথমে ইংলেণ্ডত, তাৰ পিছত ইউৰোপৰ আন দেশসমূহত আৰু পিছত আন মহাদেশত মানুহৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত বৃহৎ পৰিৱৰ্তন সাধন কৰিছিল।

ঔদ্যোগিক বিপ্লৱৰ সময়ত নতুন সঁজুলি, যন্ত্ৰ আৰু কৌশল উদ্ভাৱন কৰা হৈছিল যিয়ে বৃহৎ পৰিসৰত সামগ্ৰী উৎপাদন কৰিব পাৰিছিল আৰু কাৰখানা ব্যৱস্থা আৰু সামগ্ৰীৰ ব্যাপক উৎপাদনৰ সূচনা কৰিছিল। কাৰখানাবোৰ নগৰ অঞ্চলত স্থাপন কৰা হৈছিল আৰু সেইবোৰ গ্ৰাম্য অঞ্চলৰ পৰা কামৰ সন্ধানত প্ৰব্ৰজন কৰি চহৰলৈ অহা শ্ৰমিকসকলেৰে ভৰি পৰিছিল। সেয়েহে, সামন্তবাদৰ পৰা পুঁজিবাদী উৎপাদন পদ্ধতিলৈ অৰ্থনীতিৰ গাঁথনিত এক নতুন পৰিৱৰ্তনে দেখা দিছিল। এটা পুঁজিবাদী শ্ৰেণীৰ উদ্ভৱ হৈছিল যিয়ে কাৰখানা ব্যৱস্থাত উৎপাদন পদ্ধতি নিয়ন্ত্ৰণ কৰিছিল।

ঔদ্যোগিক বিপ্লবৰ সময়ত কিছুমান উল্লেখযোগ্য যন্ত্ৰৰ আবিষ্কাৰ হৈছিল। উদাহৰণস্বৰূপে, ১৭৬৪ চনত জেমছ হাৰ্গ্ৰিভছে **'স্পিনিং জেনি'** আৰু ১৭৬৮ চনত ৰিচার্ড আৰ্কৰাইটে **'ৰাটাৰ-ফ্ৰেম'** নিৰ্মাণ কৰিছিল। তাৰ পিছত, ক্ৰমান্বয়ে ক্ৰম্পটনৰ **'মিউল স্পিনাৰ'** (mule spinner) আৰু কার্টৰাইটৰ **'পাৱাৰ-লুম'**ৰ দৰে আন কিছুমান উদ্ভাৱন দ্ৰুতভাৱে হৈছিল। 'ভাপ ইঞ্জিন'ৰ আবিষ্কাৰে মানুহক যন্ত্ৰশক্তিৰ দ্বাৰা যন্ত্ৰ চলাবলৈ সক্ষম কৰি তুলিছিল। এইদৰে, এই সকলোবোৰৰ লগতে আন কিছুমান উদ্ভাৱনে ইউৰোপীয় সমাজৰ ঔদ্যোগিক বিকাশত অৰিহণা যোগাইছিল।

১.৬.১ ঔদ্যোগিক বিপ্লৱৰ মুখ্য বৈশিষ্ট্যসমূহ

ঔদ্যোগিক বিপ্লৱৰ মুখ্য বৈশিষ্ট্যসমূহ তলত সংক্ষেপে উল্লেখ কৰিব পাৰি ঃ

১) ইংৰাজ বিজ্ঞানীসকলৰ দ্বাৰা হোৱা যান্ত্ৰিক উদ্ভাৱন।

২) কাৰখানাবোৰে বাষ্প, তেল আৰু বিদ্যুতৰ দৰে যান্ত্ৰিক শক্তিৰ দ্বাৰা চলোৱা যন্ত্ৰৰ সহায়ত সামগ্ৰী উৎপাদন কৰিবলৈ আৰম্ভ কৰিছিল।

৩) কাৰখানা স্থাপনৰ বাবে বৃহৎ পৰিমাণৰ মূলধনৰ প্ৰয়োজন হৈছিল যিয়ে উদ্যোগত দুটা শ্ৰেণীৰ জন্ম দিছিল ঃ পুঁজিপতি আৰু শ্ৰমিক।

৪) নতুনকৈ উদ্ভাৱন কৰা যন্ত্ৰৰ ব্যৱহাৰৰ দ্বাৰা সামগ্ৰীৰ বৃহৎ পৰিমাণৰ উৎপাদন আৰু প্ৰমাণীকৰণ সম্ভৱ হ'ব পাৰে।

৫) কাৰখানা ব্যৱস্থাই বৃহৎ সংখ্যক লোকক নিযুক্তি প্ৰদান কৰিছিল যিয়ে কিছুমান শ্ৰমিক সমস্যাৰো সৃষ্টি কৰিছিল।

১.৬.২ ঔদ্যোগিক বিপ্লৱৰ প্ৰভাৱ

অৰ্থনীতিৰ ৰূপৰ পৰিৱৰ্তনৰ লগে লগে সমাজে কিছুমান নতুন আৰু আমূল পৰিৱৰ্তনৰ সন্মুখীন হৈছিল। পুঁজিবাদৰ এক জটিল আৰু নতুন ৰূপৰ উদ্ভৱ হৈছিল। সেয়েহে, বেংক, বীমা কোম্পানী আৰু বিত্তীয় নিগমৰ দৰে কেইবাটাও নতুন অৰ্থনৈতিক প্ৰতিষ্ঠানৰ সৃষ্টি হৈছিল আৰু সমাজত শ্ৰমিক, ব্যৱস্থাপক আৰু পুঁজিপতিৰ দৰে নতুন শ্ৰেণীৰ উদ্ভৱ হৈছিল। তদুপৰি, ঔদ্যোগিক বিপ্লৱৰ ফলত সমাজত কেইবাটাও পৰিৱৰ্তন দেখা গৈছিল, সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কিছুমান হ'ল—

(ক) অৰ্থনৈতিক পৰিৱৰ্তন ঃ

ঔদ্যোগিক বিপ্লৱে নিম্নলিখিত অৰ্থনৈতিক পৰিৱৰ্তন সাধন কৰিছিল ঃ

- কৃষি অৰ্থনীতিৰ ঠাইত উদ্যোগিক অৰ্থনীতিৰ সৃষ্টি হৈছিল আৰু উৎপাদন পদ্ধতিত মানুহৰ স্থান যন্ত্ৰই লৈছিল।
- ইয়াৰ ফলত ঔদ্যোগিক পুঁজিবাদৰ উত্থান ঘটিছিল য'ত দুটা সামাজিক শ্ৰেণীৰ লোক আছিল ঃ পুঁজিবাদী আৰু শ্ৰমিক।
- কাৰখানাবোৰ উৎপাদনৰ কেন্দ্ৰত পৰিণত হোৱাৰ লগে লগে বৃহৎ সংখ্যক

নিয়োগ সম্ভৱপৰ হৈ উঠিছিল।

- মহিলা আৰু শিশুসকলেও উৎপাদন ব্যৱস্থাত শ্রমিক হিচাপে জড়িত হৈছিল।
- শ্রমিকসকল তেওঁলোকৰ অধিকাৰ আৰু স্বার্থ সুৰক্ষিত কৰাৰ বাবে যথেষ্ট সচেতন হৈ পৰিছিল যিয়ে শ্রমিক সংঘৰ (trade union) ধাৰণাটোৰ জন্ম দিছিল।
- ই জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ডৰ ওপৰত এক ইতিবাচক প্রভাৱ পেলাইছিল কাৰণ কাৰখানাবোৰে জনসাধাৰণৰ ব্যৱহাৰৰ বাবে কম দামত উন্নত মানদণ্ডৰ সামগ্রী উৎপাদন কৰিছিল।

(খ) সামাজিক পৰিৱর্তনসমূহ ঃ

- ইয়াৰ ফলত গাঁৱৰ পৰা নগৰলৈ প্রব্রজন হৈছিল যাৰ ফলত চহৰসমূহৰ সম্প্রসাৰণ আৰু নগৰীকৰণ হৈছিল। এইদৰে, কিছুমান সামাজিক সমস্যাও বৃদ্ধি পাইছিল যেনে প্রব্রজন (migration), আৱাসৰ সমস্যা (housing problems), দুর্বল অনাময় ব্যৱস্থা (poor sanitization), বস্তি এলেকা আদি।
- নতুন ঔদ্যোগিক অর্থনীতি, অর্থাৎ পুঁজিবাদৰ ফলত দুটা নতুন শ্রেণীৰ উদ্ভৱ হৈছিলঃ পুঁজিবাদী আৰু শ্রমিক শ্রেণী। এই পুঁজিবাদেও ধনী আৰু দুখীয়াৰ মাজত এক বৃহৎ ব্যৱধানৰ সৃষ্টি কৰিছিল।
- দৰিদ্র আৰু অনুন্নত দেশসমূহক শোষণ কৰিবলৈ ঔপনিৱেশিকতাৰ ধাৰণাটো আৰম্ভ হৈছিল।
- শ্রমিকসকলক কম মজুৰি দিয়া হৈছিল আৰু কিছুমান প্রতিকূল কর্ম পৰিস্থিতিত কাম কৰিবলৈ বাধ্য কৰা হৈছিল। আনকি তেওঁলোকক দীঘলীয়া সময়ৰ বাবে কাম কৰিবলৈও বাধ্য কৰা হৈছিল।
- পৰিয়ালৰ সংৰচনা যুটীয়া পৰিয়ালৰ পৰা একক পৰিয়াললৈ সলনি হৈছিল। গাঁও, মাটি আৰু পৰিয়ালৰ সৈতে মানুহৰ সম্পর্কৰ বিঘটন হৈছিল। ইয়াৰ ফলত ব্যক্তিবাদৰ উত্থান ঘটিছিল।

গ) ৰাজনৈতিক পৰিৱর্তন ঃ

- ফ্রান্স, জার্মানী, ইংলেণ্ড, ইটালী, পর্তুগাল আদিৰ দৰে উন্নত পশ্চিমীয়া দেশসমূহে সমগ্র বিশ্বতে শাসন কৰিবলৈ আৰম্ভ কৰিছিল আৰু ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিকভাৱে আধিপত্য বিস্তাৰ কৰিছিল।
- কেঁচা সামগ্রী আৰু নতুন বজাৰ বিচাৰিবলৈ ঔপনিৱেশিকতাবাদৰ প্রতিষ্ঠা হৈছিল আৰু ই বিশ্বৰ ৰাজনৈতিক গাঁথনি সলনি কৰিছিল।
- কিছুমান পুঁজিবাদী ৰাষ্ট্র সাম্রাজ্যবাদী (imperialist) ৰাষ্ট্রত পৰিণত হৈছিল, যিয়ে আন দেশ বা ভূখণ্ডত তেওঁলোকৰ শাসন সম্প্রসাৰিত কৰিছিল, যাৰ ফলত প্রত্যক্ষভাৱে প্রথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধ সংঘটিত হৈছিল।

➢ এক শিথিল নীতি বা মুক্ত বজাৰ অর্থনীতিয়ে (laissez-faire policy) ব্যৱসায়বাদৰ স্থান লৈছিল য'ত চৰকাৰৰ কোনো হস্তক্ষেপ নাছিল।

ঔদ্যোগিক বিপ্লৱৰ সময়ছোৱাত, নতুন ঔদ্যোগিক সমাজত শ্ৰমিক শ্ৰেণীয়ে অতি দৰিদ্ৰ আৰু অস্বাস্থ্যকৰ পৰিৱেশত বাস কৰি আছিল। জনসংখ্যা বৃদ্ধিৰ ফলত চহৰ আৰু নগৰীয়া অঞ্চলৰ সংখ্যা বৃদ্ধি পাইছিল য'ত আর্থ-সামাজিক বৈষম্য অতি বেছি আছিল; শ্ৰমিকসকল একঘেয়ামীধৰণৰ আৰু বিৰক্তিকৰ কামত জড়িত আছিল, য'ত তেওঁলোকে তেওঁলোকৰ কাম উপভোগ কৰিব নোৱাৰিছিল (মার্ক্সৰ মতে, বিচ্ছিন্নতা)। তদুপৰি, ৰক্ষণশীল (Conservative) আৰু পৰিৱর্তনকামী (Radical) চিন্তাবিদসকলো এই পৰিৱর্তনসমূহৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ৰক্ষণশীল চিন্তাবিদসকলে আশংকা কৰিছিল যে এনে পৰিস্থিতিয়ে সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰিব যদিও এঙ্গেলছৰ দৰে পৰিৱর্তনকামী চিন্তাবিদসকলে অনুভৱ কৰিছিল যে এনে পৰিস্থিতিয়ে এক নতুন সামাজিক পৰিৱর্তন আনিব। যদিও চিন্তাবিদ সকলৰ বিচাৰৰ বিভিন্ন মত পোৱা গৈছিল কিন্তু সেই সময়ৰ সামাজিক চিন্তাবিদসকলে এটা কথাত একমত হৈছিল যে ঔদ্যোগিক বিপ্লৱে সমাজত যুগান্তকাৰী প্ৰভাৱ পেলাইছিল।

এইদৰে আমি এইটো কৈ সামৰণি মাৰিব পাৰো যে ঔদ্যোগিক বিপ্লৱৰ ফলত হোৱা পৰিৱর্তনে সামাজিক চিন্তাবিদসকলৰ আগ্ৰহ আকর্ষণ কৰিছিল আৰু এই পৰিৱর্তনবোৰ বৈজ্ঞানিকভাৱে পৰীক্ষা আৰু বিশ্লেষণ কৰিবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰিছিল। ই সামগ্ৰিকভাৱে সমাজতত্ত্বক এক পৃথক বিষয় হিচাপে গঢ়ি উঠাত যথেষ্ট অৱিহণা যোগাইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তত্ত্ব কি?

.....

.....

প্ৰশ্ন ২ ঃ সমাজতাত্ত্বিক তত্ত্ব কি?

.....

.....

প্ৰশ্ন ৩ ঃ জ্ঞানোদয় বুলিলে কি বুজা?

.....

.....

প্ৰশ্ন ৪ ঃ জ্ঞানোদয়ৰ মৌলিক বৈশিষ্ট্যসমূহ কি কি?

.....

.....

প্ৰশ্ন ৫ ঃ ঔদ্যোগিক বিপ্লৱ প্ৰথমে ক'ত আৰু কেতিয়া সংঘটিত হৈছিল ?

.....

.....

প্ৰশ্ন ৬ ঃ ঔদ্যোগিক বিপ্লৱৰ প্ৰধান আৱিষ্কাৰসমূহ কি কি আছিল ?

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজতত্ত্বৰ তত্ত্বসমূহৰ বিকাশ প্ৰাচীন কালৰ পৰাই হৈ আহিছে আৰু ই এতিয়াও অব্যাহত আছে। জ্ঞানোদয় আৰু ঔদ্যোগিক বিপ্লৱে সমাজতাত্ত্বিক তত্ত্বৰ বিকাশত যথেষ্ট প্ৰভাৱ পেলাইছিল।
- সমাজতাত্ত্বিক তত্ত্ব এটা চিন্তাধাৰাৰ পৰা উদ্ভৱ হয় যিয়ে প্ৰায় নতুন ধাৰণাবোৰক প্ৰমাণ বা তথ্যৰ সৈতে সংযোগ কৰি সমাজৰ এক বিস্তৃত বুজাবুজি আৰু ব্যাখ্যাৰ সৃষ্টি কৰে।
- অষ্টাদশ শতিকাৰ প্ৰাৰম্ভিক সময়ছোৱাত ইউৰোপীয় বুদ্ধিজীৱিসকলৰ উত্থানৰ সৈতে জ্ঞানোদয় যুগৰ আৰম্ভ হৈছিল। এই সময়ছোৱাত বিভিন্ন ধৰণৰ চিন্তাবিদৰ কামত মানুহ আৰু তেওঁলোকৰ সমাজৰ বিষয়ে ধাৰণাৰ এক নতুন পৰিকাঠামো বিকশিত হৈছিল।
- জ্ঞানোদয়ক "বৌদ্ধিক আন্দোলন" বুলিও জনা যায়; যাৰ উদ্দেশ্য আছিল উন্নত জ্ঞানৰ দ্বাৰা সমাজৰ পৰিৱৰ্তন আৰু উন্নতি সাধন কৰা। ই বিজ্ঞান আৰু বৌদ্ধিক বিনিময়ৰ প্ৰচাৰ কৰিছিল আৰু অন্ধবিশ্বাসৰ বিৰোধিতা কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে অজ্ঞতা, অন্ধবিশ্বাস ইত্যাদিক দমন কৰিবলৈ আৰু এক উন্নত সমাজ গঢ়ি তুলিবলৈ মানৱীয় যুক্তি ব্যৱহাৰ কৰিব পাৰি।
- জ্ঞানোদয় যুগটোক "যুক্তিৰ যুগৰ উত্থান" বুলিও জনা গৈছিল য'ত বিজ্ঞানৰ দ্বাৰা ধৰ্মক প্ৰত্যাহ্বান জনোৱা হৈছিল আৰু যাৰ লক্ষ্য আছিল বৈজ্ঞানিক জ্ঞান আৰু যৌক্তিক চিন্তাধাৰাৰে সমাজৰ সংস্কাৰ সাধন কৰা।
- অষ্টাদশ শতিকাৰ শেষৰ ফালে আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিতে ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱ সংঘটিত হৈছিল আৰু পিছলৈ বিশ্বৰ অন্যান্য দেশলৈ বিয়পি পৰিছিল। এইটো সেই যুগ য'ত বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰ দেখিবলৈ পোৱা গৈছিল। এই সময়ছোৱাত ঔদ্যোগিক ব্যৱস্থাত বহুতো পৰিৱৰ্তন ঘটিছিল।
- ঔদ্যোগিক বিপ্লৱৰ ফলত সামন্তবাদী (Feudal) সমাজ ঔদ্যোগিক সমাজলৈ ৰূপান্তৰিত হৈছিল। বৰ্ধিত চাহিদাৰ বাবে বৃহৎ পৰিমাণৰ উৎপাদনৰ ওপৰত গুৰুত্ব দিয়া হৈছিল যাৰ ফলত নগৰীকৰণ আৰু উদ্যোগীকৰণো হৈছিল।

- নগৰীকৰণ আৰু উদ্যোগীকৰণে এক নতুন অৰ্থনৈতিক গাঁথনি অৰ্থাৎ পুঁজিবাদৰ জন্ম দিছিল, য'ত দুটা শ্ৰেণী আছিল ঃ পুঁজিপতি আৰু শ্ৰমিক শ্ৰেণী। পুঁজিপতি শ্ৰেণী উৎপাদন পদ্ধতিৰ অধিকাৰী আছিল। এইদৰে ইয়াৰ ফলত ধনী আৰু দুখীয়াৰ মাজত বৃহৎ ব্যৱধানৰ সৃষ্টি হৈছিল।
- ৰক্ষণশীল আৰু পৰিৱৰ্তনকামী চিন্তাবিদসকলো এই পৰিৱৰ্তনসমূহৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ৰক্ষণশীল চিন্তাবিদসকলে ভাবিছিল যে এই পৰিৱৰ্তনে সমাজত সামাজিক বিশৃংখলতা আনিব আনহাতে পৰিৱৰ্তনকামী চিন্তাবিদসকলে সামাজিক সংস্কাৰৰ বাবে এই পৰিৱৰ্তনসমূহক আদৰণি জনাইছিল।

এইদৰে ঔদ্যোগিক বিপ্লৱৰ দ্বাৰা অনা পৰিৱৰ্তনে বিভিন্ন চিন্তাবিদ আৰু পণ্ডিতসকলক এই পৰিৱৰ্তন আৰু সমাজত ইয়াৰ প্ৰভাৱ বিষয়ে বৈজ্ঞানিকভাৱে পৰীক্ষা আৰু বিশ্লেষণ কৰিবলৈ প্ৰেৰিত কৰিছিল। ফলস্বৰূপে, ইয়ে সমাজতাত্ত্বিক জ্ঞানৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল।



১.৮ অধিক জানিবলৈ

1) Bhatnagar, Mahesh. (2012). Industrial Sociology. New Delhi: S Chand Publication.
2) Coser, Lewis, A. (1977). Master of Sociological Thought: Ideas in Historical and Social Context. New York: Harcourt Brace Jovanovich.
3) Cross, Steve. (2008). Sociological Theory and Analysis. London: University of London.
4) Rao,C.N. Shankar. (2008). Sociology. New Delhi: S. Chand & Company Ltd.
5) Ritzer, G. (1996). Sociological Theory. London: McGraw-Hill.
6) Zeitlin , Irving M. (2009). Ideology and the Development of Sociological Theory. New Delhi. Pearson College Division.



১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ তত্ত্ব হৈছে আন্তঃসম্পৰ্কিত ধাৰণা আৰু বিচাৰৰ এক সংহতি যাক বৈজ্ঞানিকভাৱে প্ৰমাণিত কৰা হৈছে; আৰু মানুহ, মানুহৰ আচৰণ আৰু তেওঁলোকৰ সমাজৰ বিষয়ে

বোধগম্যতাক বিস্তাৰিত, স্পষ্টীকৃত আৰু সম্প্ৰসাৰিত কৰিবলৈ একত্ৰিত কৰা হৈছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজতাত্ত্বিক তত্ত্ব হৈছে সামাজিক ক্ৰিয়াৰ প্ৰকৃতি, ৰূপ বা বিষয়বস্তুৰ ব্যাখ্যা বা ব্যাখ্যাৰ ৰূপত সংগঠিত অনুমান, দাবী আৰু প্ৰস্তাৱৰ এক সংহতি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞানোদয় হৈছে এক উল্লেখযোগ্য বৌদ্ধিক বিকাশ আৰু দাৰ্শনিক চিন্তাধাৰাৰ পৰিৱৰ্তনৰ এক সময়; সামাজিক জীৱনৰ সৈতে সম্পৰ্কিত তথা আন বহু সংখ্যক ধাৰণা আৰু বিশ্বাস জ্ঞানোদয় সময়ত উৎখাত আৰু সাল-সলনি কৰা হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৈজ্ঞানিক পদ্ধতি, যুক্তি আৰু স্বাধীনতা হৈছে জ্ঞানোদয়ৰ মৌলিক বৈশিষ্ট্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অষ্টাদশ শতিকাৰ শেষৰ ফালে আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিতে ইংলেণ্ডত ঔদ্যোগিক বিপ্লৱ সংঘটিত হৈছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ঔদ্যোগিক বিপ্লৱৰ প্ৰধান আৱিষ্কাৰবোৰ আছিল ১৭৬৪ চনত স্পিনিং জেনি, ১৭৬৮ চনত ৰাটাৰ ফ্ৰেম, মিউল স্পিনাৰ, পাৱাৰ-লুম, ভাপ ইঞ্জিন ইত্যাদি।



১.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্নসমূহ (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সমাজতত্ত্বৰ বাবে তত্ত্ব কিয় প্ৰয়োজনীয়?

প্ৰশ্ন ২ ঃ ঔদ্যোগিক বিপ্লৱ কি?

প্ৰশ্ন ৩ ঃ জ্ঞানোদয়ৰ মূল বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৪ ঃ জ্ঞানোদয়ৰ নীতিবোৰ কি আছিল?

(খ) দীঘলীয়া প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সমাজত জ্ঞানোদয় আৰু ঔদ্যোগিক বিপ্লৱৰ প্ৰভাৱ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ঔদ্যোগিক বিপ্লৱৰ মূল বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৩ ঃ সমাজত ঔদ্যোগিক বিপ্লৱৰৰ প্ৰভাৱ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ সমাজতাত্ত্বিক তত্ত্বৰ বিকাশৰ বাবে জ্ঞানোদয় আৰু ঔদ্যোগিক বিপ্লৱ কেনেদৰে দায়বদ্ধ সেয়া ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ঔদ্যোগিক বিপ্লৱৰ ফলত হোৱা ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ সমাজতাত্ত্বিক তত্ত্বৰ বিকাশ ঃ ২

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ প্ৰাচীন সমাজ দৰ্শন

২.৪ মধ্যযুগীয় সামাজিক দৰ্শন

২.৫ সমাজতত্ত্বৰ বিকাশৰ আঁৰৰ সামাজিক শক্তি

২.৬ সমাজতত্ত্বৰ কিছুমান পদপ্ৰদৰ্শক চিন্তাবিদ

২.৬.১ চাৰ্লছ-লুইছ ডি ছেকেণ্ডেট (Charles-Louis de Secondat), বেৰন ডি লা ব্ৰেড এট ডি মণ্টেস্কিউ (Baron de La Brede et de Montesquieu)

২.৬.২ জ্যাঁ জাক ৰুছো (Jean Jacques Rousseau)

২.৬.৩ যোচেফ-মেৰী (Joseph-Marie), ক'ট ডি মেইষ্ট্ৰে (comte de Maistre)

২.৬.৪ লুই গেব্ৰিয়েল এম্বৰোইচ ডি ব'নাল্ড (Louis Gabriel Ambroise de Bonald)

২.৬.৫ ক্লাউডে হেনৰী ডি ৰাউভৰয় (Claude Henri de Rouvroy), ক'ট ডি ছেইন্ট-চাইমন (comte de Saint-Simon)

২.৬.৬ আগষ্ট ক'ট (August Comte)

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্ৰগতিৰ খতিয়ান

২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- প্ৰাচীন আৰু মধ্যযুগীয় দৰ্শনৰ বিষয় বুজিব পাৰিব।
- সমাজতত্ত্বৰ বিকাশৰ অন্তৰালত নিহিত সামাজিক শক্তিসমূহ ব্যাখ্যা কৰিব পাৰিব।
- কেইজনমান প্ৰখ্যাত সমাজতত্ত্ববিদৰ তত্ত্ব আৰু কামসমূহৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

এক বিষয় হিচাপে সমাজতত্ত্বৰ বিকাশ হৈছে এক শেহতীয়া পৰিঘটনা, যিটো ১৯ শতিকাৰ পৰা আৰম্ভ হয়। সমাজতত্ত্বৰ বিকাশৰ ঐতিহাসিক পটভূমিক সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক গতিশীলতাৰ দ্বাৰা চিহ্নিত কৰা হয়, যাৰ ওপৰত এই অধ্যায়টোৱে আলোচনা তথা গুৰুত্ব দিবলৈ চেষ্টা কৰিছে। ইউৰোপ, বিশেষকৈ ফ্ৰান্সৰ সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তনৰ সময়ত আৰু পৰিৱৰ্তনৰ ফলস্বৰূপে সমাজতত্ত্বৰ জন্ম হৈছিল, যাতে নতুন পৰিৱৰ্তিত সমাজ, ৰাজনীতি আৰু অৰ্থনীতিৰ গতিশীলতা আৰু সেই সময়ত এইবোৰৰ মাজৰ আন্তঃসম্পৰ্ক বুজি পোৱা যায়। সেয়েহে, সমাজতত্ত্ব আধুনিক সমাজৰ নীতি যেনে যুক্তি, কাৰণ, বৈজ্ঞানিক মানসিকতা বা স্বভাৱ আদিৰ দ্বাৰা পৰিচালিত হোৱাটো অনিবাৰ্য আছিল। বিষয়টোৰ জন্ম আৰু বিকাশত অৱিহণা যোগোৱা কিছুমান গুৰুত্বপূৰ্ণ দাৰ্শনিকৰ বিষয়ে অধ্যয়ন কৰাৰ জৰিয়তে প্ৰাৰম্ভিক সমাজতাত্ত্বিক তত্ত্ব, চিন্তা আৰু দৃষ্টিভংগী বুজি পোৱা যায়। অৱশ্যে, ইয়াত মন কৰিবলগীয়া যে আধুনিক সমাজতাত্ত্বিক চিন্তাধাৰা প্ৰাচীন আৰু মধ্যযুগীয় সময়ৰ বৌদ্ধিক আৰু দাৰ্শনিক চিন্তাধাৰাৰ দ্বাৰা পূৰ্বনিৰ্ধাৰিত আছিল যিবোৰ আধুনিক যুগৰ পৰা পৃথক আছিল। সেয়েহে, সমাজতত্ত্ব আৰু ইয়াৰ উত্থানৰ বিষয়ে আলোচনা কৰাৰ আগতে এই দৰ্শনবোৰ জনাটো গুৰুত্বপূৰ্ণ।

পূৰ্বৰ অধ্যায়টোত আমি সমাজতত্ত্বৰ উত্থানত জ্ঞানোদয় আৰু ঔদ্যোগিক বিপ্লৱৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টোত আমি প্ৰাচীন আৰু মধ্যযুগীয় সময়ৰ সামাজিক দৰ্শনৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম। আমি সমাজতত্ত্বৰ কিছুমান অগ্ৰণী পণ্ডিতৰ বিষয়েও আলোচনা কৰিম।

২.৩ প্ৰাচীন সামাজিক দৰ্শন

প্ৰাচীন সামাজিক দৰ্শন ৰোমান সাম্ৰাজ্যৰ অন্ত পৰাৰ আগৰ সময়ৰ সৈতে জড়িত। ইয়াত গ্ৰীক দৰ্শন আৰু পশ্চিমৰ ৰোমান দৰ্শন; চীনা দৰ্শন, য'ত য়িন-য়াং দৰ্শন, কনফুচিয়ানিজম (Confucianism), টাওবাদ (Taoism) অন্তৰ্ভুক্ত; ভাৰতীয় দৰ্শন, য'ত বেদ আৰু উপনিষদ, হিন্দু, বৌদ্ধ আৰু জৈন দৰ্শনৰ উল্লেখ আছে; আৰু ইৰাণৰ দৰ্শন, য'ত প্ৰধানকৈ জৰোস্ত্ৰিয়ান চিন্তাধাৰা অন্তৰ্ভুক্ত— এই সকলো দাৰ্শনিক চিন্তাধাৰা সান্নিবিষ্ট হৈ আছে। ইয়াৰ উপৰিও, প্ৰাচীন দৰ্শনত ৰোমান দৰ্শন আৰু হেলেনিষ্টিক দৰ্শনো অন্তৰ্ভুক্ত আছে।

প্ৰাচীন দৰ্শনবোৰ ধৰ্মীয় পৰম্পৰাৰ আনুগত্যৰ দ্বাৰা চিহ্নিত কৰা হয়, আৰু ইয়াক ৰক্ষণশীল প্ৰকৃতিৰ হিচাপে স্বীকৃতি দিয়া হয়। পশ্চিমীয়া প্ৰাচীন দৰ্শনৰ বিকাশৰ কৃতিত্ব প্ৰধানকৈ প্লেটো, ছক্ৰেটিছ আৰু এৰিষ্ট'টলকেই দিয়া হয়।

কিছুমান সাধাৰণ বৈশিষ্ট্যই প্ৰাচীন দাৰ্শনিক চিন্তাধাৰাক চিহ্নিত কৰে। ওপৰত উল্লেখ কৰা অনুসৰি, প্ৰাচীন দৰ্শন বিভিন্ন ধৰণৰ দৃষ্টিভংগীৰে গঠিত; যাৰ শিপা বিভিন্ন বৌদ্ধিক পৰম্পৰাৰ লগত জড়িত। অৱশ্যে এইটো উল্লেখ কৰাৰ প্ৰয়োজন নাই যে সেই সকলোবোৰ চিন্তা আৰু

দৃষ্টিভংগীক দর্শন হিচাপে গণ্য কৰা নহয়। ইয়াৰ কাৰণ হ'ল বৌদ্ধিক চিন্তাধাৰাক দর্শন হিচাপে বিবেচনা কৰিবৰ বাবে ই যুক্তি, কাৰণ আৰু এক প্রণালীবদ্ধ চিন্তাধাৰাৰ ওপৰত আধাৰিত হ'ব লাগিব। দর্শনৰ এই বোধগম্যতাৰ আধাৰত দেখা যায় যে প্রাচীন দর্শনত উল্লেখ কৰা বৌদ্ধিক দৃষ্টিভংগীবোৰে সমস্যা আৰু সমস্যাবোৰৰ সৈতে সম্পর্কিত বিবাদসমূহৰ প্রতি স্বতন্ত্র দৃষ্টিভংগী প্রদর্শন কৰে। প্রাচীন দর্শনৰ কিছুমান সাধাৰণ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল, যিবোৰ বুজি পোৱাটো অতিশয় প্রয়োজনীয়।

প্রাচীন দর্শন আধুনিক দর্শনৰ পৰা সম্ভৱতঃ অধ্যয়নৰ লক্ষ্যৰ ক্ষেত্রত ইমান বেছি পৃথক নহয়, কিন্তু ইয়াৰ দৃষ্টিভংগী আৰু অধ্যয়নত গ্রহণ কৰা পদ্ধতিৰ ক্ষেত্রত বহুত পৃথক। আধুনিক দর্শনে, প্রাচীন দর্শনৰ বিপৰীতে, অধ্যয়নৰ নির্দিষ্ট ক্ষেত্রৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যিটো নির্দিষ্ট পদ্ধতিগত ৰূপৰেখাৰ দ্বাৰা নির্দেশিত হয়। ফলস্বৰূপে, প্রাচীন আৰু আধুনিক দর্শনত চিন্তাধাৰাৰ উপস্থাপন পৰস্পৰৰ পৰা পৃথক, আৰু সেয়েহে আহৰণ কৰা বোধগম্যতাৰ সৈতে মোকাবিলা কৰাৰ পদ্ধতিও পৃথক হয়। উদাহৰণস্বৰূপে, গ্রীকসকলৰ প্রাচীন দর্শনক কাব্যিক শ্লোকৰ ৰূপত উপস্থাপন কৰা হৈছিল, যি ৰূপ আধুনিক দার্শনিক লিখনি আৰু উপস্থাপনৰ ক্ষেত্রত দেখা পোৱাৰ সম্ভাৱনা কম।

তদুপৰি, ইতিমধ্যে উল্লেখ কৰা অনুসৰি, প্রাচীন দর্শন ধর্মৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। ইয়াৰ বিপৰীতে, আধুনিক দার্শনিক ৰচনাসমূহৰ প্রৱণতা হৈছে ধর্মক বৌদ্ধিক ৰচনাসমূহৰ পৰা পৃথক কৰা। উদাহৰণস্বৰূপে, প্রাচীন ভাৰতীয় দর্শনৰ হিন্দু ধর্ম, বৌদ্ধ ধর্ম আদিৰ দৰে ধর্মীয় মতাদর্শ আৰু চিন্তাধাৰাৰ সৈতে যথেষ্ট পৰিমাণে সামঞ্জস্য আছিল।

পশ্চিমত বিকশিত হোৱা প্রাচীন দর্শন প্রাচ্যৰ দর্শনতকৈ পৃথক আছিল। উদাহৰণস্বৰূপে, ভাৰতীয় দর্শনৰ বিভিন্ন মূল আৰু বৌদ্ধিক ভিত্তি আছে। বেদ হৈছে ভাৰতীয় দার্শনিক চিন্তাধাৰাৰ আধাৰ যি বিশ্বব্রহ্মাণ্ড, মানুহ, আইন, প্রকৃতি আদি সম্পর্কীয় প্রশ্নৰ সৈতে মোকাবিলা কৰে। ভাৰতীয় দার্শনিক প্রশ্নবোৰ পদ্ধতিগতভাৱে দর্শনৰ ছয়টা চিন্তাধাৰাৰ দ্বাৰা মোকাবিলা কৰা হৈছিল। এই ছয়টা চিন্তাধাৰা হ'ল ঃ ন্যায়, বিশেষিকা, সাংখ্য, যোগ, মীমাংসা, বেদান্ত।

২.৪ মধ্যযুগীয় সামাজিক দর্শন

মধ্যযুগীয় দর্শন ৰোমান সাম্রাজ্যৰ পতনৰ পিছৰ সময় (৫ম শতিকা) ৰ পৰা নৱজাগৰণলৈকে (Renaissance) (১৬শ শতিকা) সীমাবদ্ধ হৈ আছে। প্রাচীন গ্রীক-ৰোমান সভ্যতাৰ পুনৰীক্ষণ প্রক্রিয়াৰ ফলশ্রুতিস্বৰূপে আৰু একে সময়তে ইয়াক বর্তমানৰ ধর্মনিৰপেক্ষ (Secular) মতবাদৰ সৈতে একত্রিত কৰাৰ প্রচেষ্টা হিচাপে মধ্যযুগীয় দর্শন আৰম্ভ হৈছিল।

মধ্যযুগীয় দর্শনক সাধাৰণতে দুটা ভাগত ভাগ কৰা হয়, অর্থাৎ পশ্চিম লেটিনৰ প্রাৰম্ভিক মধ্যযুগৰ পাছৰ পৰা দ্বাদশ শতিকালৈকে, আৰু দ্বিতীয় সময়ছোৱা হৈছে দ্বাদশৰ পৰা চতুর্দশ শতিকালৈকে।

- মধ্যযুগীয় দর্শনক তলত আলোচনা কৰাৰ দৰে কিছুমান সাধাৰণ বৈশিষ্ট্যৰ দ্বাৰা চিহ্নিত হয়। মধ্যযুগীয় সময়খিনি আৰু ইয়াৰ দর্শনক দুটা ভিন্ন ধৰণে বিবেচনা কৰা হৈছে। প্ৰথমতে, ইয়াক এক বৰ্বৰ আৰু অন্ধকাৰৰ (Dark period) সময় হিচাপে গণ্য কৰা হৈছিল। এইয়া নৱজাগৰণৰ (Renaissance) আগৰ সময় আছিল, আৰু সেয়েহে অন্ধবিশ্বাস, বৈষম্য, অসমতা, অশান্ত সামাজিক পৰিৱেশ আদিৰ দ্বাৰা ইয়াক সংজ্ঞায়িত কৰা হৈছিল।
- দ্বিতীয়তে, এই সময়ছোৱাৰ দার্শনিক বিকাশ খ্ৰীষ্টান ধর্মৰ দ্বাৰা প্ৰভাৱিত হোৱা দেখা যায়। এই সময়ছোৱাত ৰাজহুৱা ক্ষেত্ৰত ধর্ম এক প্ৰভাৱশালী কাৰক আছিল। সেয়েহে, গীর্জাক আইন-শৃংখলা, আচৰণ, নৈতিকতা আদিৰ প্ৰতীক হিচাপে চিহ্নিত কৰা হৈছিল।
- মধ্যযুগীয় দার্শনিক চিন্তাধাৰাক ধর্মতত্ত্ব বিষয়ক এক দৃষ্টিভংগীৰ দ্বাৰা বৈশিষ্ট্যযুক্ত কৰা হয়। ই ঈশ্বৰত্ব, অশুভ (The evil), স্বাধীনতা আৰু স্বাধীন ইচ্ছা (Free will), আত্মা আৰু বুদ্ধি আদিৰ দৰে দিশবোৰ সাঙুৰি লৈছিল।
- উল্লেখ যে মধ্যযুগীয় সময়ছোৰাক বৰ্বৰ আৰু অ-প্ৰগতিশীল বুলি ধাৰণা কৰা স্বত্বেও, এই সময়ৰ দার্শনিক ৰচনাসমূহ কাৰণ আৰু যুক্তিৰ ব্যৱহাৰৰ দ্বাৰা চিহ্নিত কৰা হৈছিল।
- ইয়াৰ উপৰিও মধ্যযুগত প্লেটো আৰু এৰিষ্টটলৰ প্ৰাচীন দার্শনিক চিন্তাধাৰাক বিশেষভাৱে সন্মান জনোৱা হৈছিল। মধ্যযুগীয় দর্শনক প্ৰাচীন দর্শনৰ এক প্ৰণালীবদ্ধ প্ৰসংগ, ইয়াৰ বিশ্লেষণ আৰু মধ্যযুগীয় দর্শনৰ অধিক যৌক্তিক আৰু প্ৰণালীবদ্ধ চিন্তা প্ৰক্ৰিয়াৰ সৈতে সহযোগিতা কৰাৰ প্ৰচেষ্টাৰ দ্বাৰা স্বীকৃতি দিয়া হয়।

২.৫ সমাজতত্ত্বৰ বিকাশৰ লগত জড়িত সামাজিক শক্তিসমূহ (Social Forces)

অষ্টাদশ শতিকাৰ শেষৰ ফালে আৰু ঊনবিংশ শতিকাত ইউৰোপীয় সমাজে সন্মুখীন হোৱা প্ৰশ্ন আৰু সমস্যাবোৰৰ সমাধানৰ বাবে সমাজতত্ত্বক এক পৃথক বিষয় হিচাপে বিকশিত কৰা হৈছিল। এই সময়ছোৱাত ইউৰোপীয় সমাজ প্ৰাক-ঔদ্যোগিকৰ পৰা ঔদ্যোগিক সমাজলৈ এক পৰিৱর্তনশীল পর্য্যায়ত আছিল। এই পৰিৱর্তনে সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক খণ্ডত বিভিন্ন পৰিৱর্তনৰ সৃষ্টি কৰিছিল। ইউৰোপৰ পৰিৱর্তনশীল পর্যায়টো বিশৃংখলতা, অৰাজকতা, নিয়ম-কানুনৰ পৰিৱর্তন আদিৰ দ্বাৰা চিহ্নিত কৰা হৈছিল। এফালে সমাজখনে অধিক যুক্তিসংগত আৰু বাহ্যিক জীৱনশৈলীৰ দিশে অগ্ৰসৰ হৈছিল, আনফালে, শেহতীয়া অতীত, পৰম্পৰা, সংস্কৃতি আদিৰ অৱশিষ্টবোৰ ঘূৰি ফুৰিছিল। ঔদ্যোগিক বিপ্লৱ আৰু ইয়াৰ প্ৰাসংগিকতা সম্পর্কে পূর্বৰ অধ্যায়টোত বিশদভাৱে আলোচনা কৰা হৈছে। সমাজতত্ত্বৰ জন্মৰ আন এটা শক্তি বা কাৰক হৈছে ফৰাচী বিপ্লৱ। ফৰাচী বিপ্লৱে সেই সময়ৰ জনসাধাৰণৰ মুক্তিৰ প্ৰৱণতাক চিত্ৰিত কৰিছিল, য'ত তেওঁলোকে তথাকথিত অন্ধকাৰ যুগৰ (Dark Age) পৰা সমাজক মুক্ত কৰাৰ চেষ্টা কৰিছিল। সেয়েহে স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ ধাৰণাসমূহ আধুনিক যুগৰ আদর্শ হিচাপে প্ৰচাৰ কৰা হৈছিল। ই আধুনিক সমাজৰ ক্ৰমবর্ধমান জটিলতাসমূহ বুজিবলৈ চেষ্টা কৰা সেই সময়ৰ চিন্তাবিদ আৰু বিশ্লেষকসকলৰ দৃষ্টি আকর্ষণ কৰিছিল। এইদৰে সমাজতত্ত্বৰ

উত্থান দুটা প্রাথমিক কাৰকৰ ফলশ্রুতিত হৈছিল- পৰিৱর্তিত সমাজিক পৰিস্থিতি আৰু বৌদ্ধিক শক্তি যাৰ ভিতৰত আছে জ্ঞানোদয়। এই সময়ৰ চিন্তাবিদ আৰু পণ্ডিতসকলে গতিশীলতাক বুজিবলৈ আৰু এক নতুন সামাজিক ব্যৱস্থা প্রতিষ্ঠা কৰিবলৈ এক প্রণালীবদ্ধ চিন্তাধাৰা গঢ়ি তোলাৰ উপায় উদ্ভাৱন কৰিছিল। এই প্রক্রিয়াৰ ফলত সমাজতত্ত্বৰ বিকাশ ঘটিছিল। তলৰ বিৱৰণত সেই সময়ৰ প্রসংগৰ ওপৰত আলোকপাত কৰা হৈছে।

সমাজতত্ত্বৰ বিকাশৰ গুৰুত্বপূর্ণ সামাজিক কাৰকবোৰ তলত উল্লেখ কৰা হ'ল ঃ

- **সমাজবাদ** (Socialism) ঃ সমাজবাদ হৈছে কার্ল মার্ক্সৰ এক আর্থ-সামাজিক ব্যৱস্থাৰ দৃষ্টিভংগী য'ত উৎপাদনৰ মাধ্যমবোৰ (Means of Production) ব্যক্তিগত মালিকীস্বত্বৰ (individual ownership) দ্বাৰা চিনাক্ত কৰা নহয়, বৰঞ্চ ই সামাজিকভাৱে মালিকানাধীন (socially owned) হয়। ইউৰোপৰ প্রেক্ষাপটত সমাজবাদৰ বিকাশ দুটা দিশত দেখা যায়। এফালে সমাজবাদৰ ধাৰণাই গুৰুত্ব তথা সমাদৰ লাভ কৰিছিল কাৰণ ইয়াক দ্রুতগতিত বৃদ্ধি পোৱা পুঁজিবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ উপায় হিচাপে গণ্য কৰা হৈছিল। আনহাতে, বহুতে ইয়াৰ বিৰোধিতা কৰিছিল। এই সন্দর্ভত কার্ল মার্ক্সৰ ধাৰণাসমূহৰ বিশেষ গুৰুত্ব আছে। মার্ক্সে কেৱল পুঁজিবাদী সমাজৰ বিৰুদ্ধে কিছু গুৰুত্বপূর্ণ সমালোচনা কৰাই নহয়, তেওঁৰ অধ্যয়নৰ জৰিয়তে যুক্তি দর্শাব আৰু অনুমান কৰিব পাৰিছিল যে পুঁজিবাদী সমাজক অৱশেষত সমাজবাদী ব্যৱস্থাৰ দ্বাৰা প্রতিস্থাপন কৰিব পাৰি। মার্ক্সৰ মতে বিপ্লৱৰ জৰিয়তে এই লক্ষ্যত উপনীত হ'ব পাৰি। মার্ক্সৰ বিপৰীতে, ইমাইল ডু�ৰখেইম আৰু মেক্স ৱেবাৰৰ এক বিপৰীত দৃষ্টিভংগী আছিল। পুঁজিবাদী ব্যৱস্থাৰ সৈতে জড়িত সমস্যাবোৰ স্বীকাৰ কৰাৰ সময়ত তেওঁলোকে বিপ্লৱ বিচৰা নাছিল, পুঁজিবাদী সমাজৰ সলনি সমাজতান্ত্রিক সমাজ বিচৰা নাছিল। ইয়াৰ পৰিৱর্তে, তেওঁলোকে প্রচলিত সামাজিক ব্যৱস্থাত সংস্কাৰ বিচাৰিছিল।
- **নগৰীকৰণ** (Urbanisation) ঃ অষ্টাদশ শতিকাৰ শেষৰ ফালে আৰু ঊনবিংশ শতিকাত ঔদ্যোগিক বিপ্লৱৰ উত্থান আৰু বিকাশ হৈছিল আৰু ইয়াৰ ফলস্বৰূপে বৃহৎ পৰিমাণৰ ঔদ্যোগিকৰণৰ ফলত কেইবাটাও সামাজিক পৰিৱর্তন দেখা গৈছিল। এই সময়ছোৱাৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য আছিল ইউৰোপত বৃদ্ধি পোৱা নগৰীয়া বসতি। বৃহৎ সংখ্যক লোকে গ্রাম্য অঞ্চলৰ পৰা নগৰ অঞ্চললৈ প্রব্রজন কৰিছিল। অৱশ্যে, ই সংস্থাপন, বাসস্থান, প্রদূষণ, ৰোগ আদিৰ ক্ষেত্রত বিভিন্ন অসুবিধাৰো সৃষ্টি কৰিছিল। সেয়েহে, প্রাৰম্ভিক সমাজতত্ত্ববিদসকলে প্রাথমিকভাৱে বিষয়টোৰ এক গুৰুত্বপূর্ণ অংশ হিচাপে নগৰীকৰণৰ প্রক্রিয়াৰ বিষয়ে চিন্তিত আছিল। উল্লেখ্য যে আমেৰিকান স্কুল অৱ ছ'চিয়'লজীক (American school of Sociology) প্রাথমিকভাৱে নগৰীয়া অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়াৰ দ্বাৰা চিহ্নিত কৰা হৈছিল।
- **নাৰীবাদ** (Feminism) ঃ নাৰীবাদী দৃষ্টিকোণৰ পৰা কিছুমান গুৰুত্বপূর্ণ সামাজিক আৰু বৌদ্ধিক দৃষ্টিভংগী গ্রহণ কৰা হৈছিল, যাৰ আভাস ১৬৩০ চনৰ পৰা পোৱা যায়। অৱশ্যে,

উদাৰ নাৰীবাদী দৃষ্টিভংগীৰ উত্থান আৰু সুস্থ বিকাশ আমেৰিকান আৰু ফৰাচী বিপ্লৱৰ সময়ৰ আশে-পাশে আৰম্ভ হৈছিল। আমেৰিকাত সার্বজনীন ভোটাধিকাৰৰ বাবে যুঁজ বৃদ্ধি পোৱাৰ লগে লগে ১৮৫০ চনৰ সময়ছোৱাত নাৰীবাদী কার্যকলাপৰ সক্রিয় ৰূপ দেখা গৈছিল। এইবোৰে সমাজতত্ত্বৰ উত্থানত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। অৱশ্যে, ইয়াৰ প্রাৰম্ভিক সময়ত সমাজতত্ত্বত নাৰীবাদী লিখনিবোৰ কেৱল পৰোক্ষ প্রকৃতিৰ আছিল। ই পুৰুষ আৰু মহিলা উভয়ৰে কিছুমান প্রান্তীয় চিন্তাবিদৰ ভিতৰতে সীমাবদ্ধ আছিল, যিসকলক সমাজতাত্ত্বিক দৃষ্টিভংগীৰ জনপ্রিয় মূলসুঁতিৰ তাত্ত্বিক আধাৰত অন্তর্ভুক্ত কৰা হোৱা নাছিল। সমাজতত্ত্ববিদ বা এই বিষয়ৰ গুৰুত্বপূর্ণ চিন্তাবিদ হিচাপে স্বীকৃতি লাভ কৰা ইমাইল ডুৰখেইম, মেক্স ৱেবাৰৰ দৰে বিশিষ্ট পণ্ডিতসকলে সেই সময়ৰ নাৰীবাদী কামৰ প্রতি এক অতি ৰক্ষণশীল দৃষ্টিভংগী দেখুৱাইছিল। সমাজতত্ত্বই গুৰুত্ব আৰোপ কৰা আৰু প্রচাৰ কৰা বর্তমানৰ লিংগ আলোচনাৰ ৰূপটো অতি শেহতীয়া।

- **ধর্ম** (Religion) ঃ সেই সময়ৰ সামাজিক ৰাজনৈতিক পৰিঘটনাসমূহত ধর্মই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। বহুতো প্রাৰম্ভিক সমাজততত্ত্ববিদ ধর্মীয় পটভূমিৰ সৈতে জড়িত আছিল। কিছুমানৰ বাবে, ধর্মই সামাজিক আৰু ৰাজনৈতিক পৰিৱেশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল, একে সময়তে আন কিছুমানে ধর্মক নগণ্য বুলি গণ্য কৰিছিল। ইমাইল ডুৰখেইমে ধর্মৰ ওপৰত 'The Elementary Forms of Religious Life (1912)' নামৰ এক গুৰুত্বপূর্ণ গ্রন্থ লিখিছিল। মেক্স ৱেবাৰে তেওঁৰ 'The Protestant Ethic and the Spirit of Capitalism' (1905) ত পুঁজিবাদ গঢ়ি তোলাত ধর্মৰ কি ভূমিকা তাৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰিছিল। কার্ল মার্ক্সেও ধর্মৰ বিষয়ে আলোচনা কৰিছিল, অৱশ্যে বেলেগ ধৰণে। তেওঁ ডুৰখেইম আৰু ৱেবাৰৰ দৃষ্টিভংগীৰ বিপৰীতে ধর্মৰ ভূমিকাক সমালোচনা কৰিছিল। ধর্মৰ ওপৰত তেওঁৰ দৃষ্টিভংগী তেওঁৰ বিখ্যাত উক্তিৰ দ্বাৰা ভালদৰে সংক্ষিপ্ত কৰা হৈছে ঃ "ধর্ম হৈছে জনসাধাৰণৰ বাবে আফিং" (Religion is the opium of the masses)।
- **বিজ্ঞান** (Science) ঃ সমাজতত্ত্বই সদায় নিজকে এক বৈজ্ঞানিক বিষয় হিচাপে প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰি আহিছে। প্রাৰম্ভিক সমাজতত্ত্ববিদ সকলে প্রাকৃতিক বিজ্ঞানৰ ধাৰাত সমাজতত্ত্বক গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। প্রাকৃতিক বিজ্ঞানসমূহ সংজ্ঞায়িত কৰা হৈছিল আৰু অধ্যয়নৰ বিষয়সমূহ ভালদৰে স্বীকৃত আছিল। সমাজতত্ত্বক এটা বৈজ্ঞানিক বিষয় হিচাপে গঢ়ি তোলাৰ প্রয়াসত এই বিষয়ৰ অগ্রণী চিন্তাবিদসকলে সমাজতত্ত্বক এক প্রত্যক্ষবাদী দৃষ্টিভংগীৰ পৰা সংজ্ঞায়িত কৰিবলৈ চেষ্টা কৰিছিল। প্রত্যক্ষবাদ (Positivism) ৰ অর্থ হ'ল ই এক মতাদর্শ যাৰ মতে কোনো এটা পৰিঘটনা কেৱল পৰীক্ষা বা প্রমাণৰ দ্বাৰাহে প্রতিষ্ঠা কৰিব পাৰি। একেদৰে, ইমাইল ডুৰখেইমে পাৰিসংখ্যিক তথ্য আৰু গাণিতিক গণনাৰ আধাৰত তেওঁৰ বিখ্যাত গ্রন্থ 'Suicide' (1897) লিখিছিল। একেদৰে, হার্বার্ট স্পেন্সাৰে যুক্তি দিছিল যে সমাজতত্ত্বৰ অধ্যয়নৰ পদ্ধতি জৈৱিক সাদৃশ্য (Organic

Analogy) ৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়। জৈৱিক সাদৃশ্যৰ ধাৰণাটোৰ অর্থ হৈছে যে সমাজৰ সংগঠন আৰু বর্তি থকাটো জৈৱিক সত্তাৰ দৰেই। অর্থাৎ, যেনেকৈ এটা জীৱৰ বিভিন্ন অংগই সমগ্র জীৱটোক জীয়াই ৰাখিবলৈ বিভিন্ন কার্য্য সম্পাদন কৰে, একেদৰে সমাজৰ বিভিন্ন অংশই সমগ্র সমাজক বর্তাই ৰাখিবলৈ বিভিন্ন কার্য্য সম্পাদন কৰে। ঊনবিংশ শতিকাত সমাজতত্ত্বক বৈজ্ঞানিক কৰি তুলিবলৈ বিভিন্ন প্রচেষ্টা চলোৱা হৈছিল। উদাহৰণস্বৰূপে, টেলকট পার্চনছে (Talcott Parsons) সামাজিক সংৰচনাৰ অধ্যয়নত এক পৰিমাণগত দৃষ্টিভংগী গ্রহণ কৰিছিল। এইদৰে সমাজতত্ত্বক, ইয়াৰ প্রাৰম্ভিক দিনবোৰত, প্রাকৃতিক বিজ্ঞানৰ আধাৰত পৰিমাণগত মাপকাঠিৰ দ্বাৰা স্পষ্টভাৰে সংজ্ঞায়িত কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ সমাজতত্ত্বৰ বিকাশত অৰিহণা যোগোৱা দুটা সামাজিক শক্তিৰ কথা উল্লেখ কৰা।

প্রশ্ন ২ ঃ "Elementary forms of religious life" গ্রন্থখন কোনে লিখিছিল?

২.৬ সমাজতত্ত্বৰ কিছুমান পথপ্রদর্শক চিন্তাবিদ

সমাজতত্ত্বৰ বিষয়বস্তু আৰু ইয়াৰ দৃষ্টিভংগীৰ বিষয়ে অধিক স্পষ্ট বোধগম্যতা লাভ কৰিবলৈ, বিষয়টোৰ লগত জড়িত তত্ত্ব আৰু চিন্তাবিদসকলক বুজি পোৱাটো আৱশ্যক। তলত দিয়া বিৱৰণত সমাজতত্ত্বৰ কিছুমান গুৰুত্বপূর্ণ অগ্রণী চিন্তাবিদ আৰু বিষয়টোত তেওঁলোকৰ অৱদানৰ ওপৰত আলোকপাত কৰা হৈছে।

২.৬.১ চার্লছ-লুই ডি ছেকেণ্ডেট, বেৰন ডি লা ব্রেডে এট ডি মণ্টেস্কিউ (Charles-Louis de Secondat, Baron de La Brede et de Montesquieu) (১৬৮৯-১৭৫৫)

১৬৮৯ চনৰ ১৮ জানুৱাৰীত ফ্রান্সত মণ্টেস্কিউৰ জন্ম হৈছিল। তেওঁ এক অভিজাত পৰিয়ালৰ ব্যক্তি আছিল। তেওঁ সমগ্র ইউৰোপত ব্যাপকভাৱে ভ্রমণ কৰিছিল বুলি জনা যায়। তেওঁ জ্ঞানোদয়ৰ ক্ষেত্রত এগৰাকী গুৰুত্বপূর্ণ ব্যক্তি আছিল, যিয়ে সেই সময়ৰ ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত এক তুলনামূলক দৃষ্টিভংগীও গঢ়ি তুলিছিল। মণ্টেস্কিউক আধুনিক সমাজতত্ত্বৰ প্রতিষ্ঠাপক হিচাপে গণ্য কৰা হয়। তেওঁ সমাজৰ এক সামগ্রিক বর্ণনা দিয়া বুলি জনা যায়। তেওঁৰ মতে, সমাজ হৈছে এৰ আন্তঃসংযুক্ত আৰু সংহত সত্তা। অৱশ্যে, এইটো মনত ৰাখিব লাগিব যে সমাজ কেৱল সামাজিক সম্পর্ক আৰু আন্তঃক্রিয়াৰ এক সংমিশ্রণ নহয়, বৰঞ্চ ইয়াৰ সংহত বা সমগ্রতাতকৈ ডাঙৰ। মণ্টেস্কিউৱে যুক্তি দিছিল যে সমাজক কেতিয়াবা বিশৃংখল যেন লাগে, কিন্তু

বাস্তৱত সমাজ আইন আৰু সংস্থাৰ দ্বাৰা পৰিচালিত হয়। তেওঁ লগতে যুক্তি দিয়ে যে কোনো সমাজ দীৰ্ঘম্যাদীভাৱে স্বৈৰতন্ত্ৰতা, বলপূৰ্বক ব্যৱহাৰ আদিৰ ওপৰত আধাৰিত হ'ব নোৱাৰে।

মণ্টেস্কিউৱে আইনৰ সমাজতত্ব প্ৰৱৰ্তন কৰিছিল। তেওঁ লগতে বিভিন্ন সমাজৰ আইনসমূহৰ তুলনা আৰু বৰ্ণনা কৰিছিল আৰু কৈছিল যে বিভিন্ন সমাজৰ আইনসমূহৰ মাজত পাৰ্থক্য এই সমাজসমূহক বৈশিষ্ট্যযুক্ত কৰা সামাজিক আৰু ভৌগোলিক বৈচিত্ৰতাৰ বাবে বিদ্যমান। তেওঁ "The Spirit of Law" (১৭৪৮) নামৰ বিখ্যাত গ্ৰন্থ লিখিছিল য'ত সাধাৰণ দৃষ্টিকোণৰ পৰা আইন আৰু চৰকাৰৰ ৰূপসমূহৰ বিষয়ে আলোচনা কৰা হৈছিল।

২.৬.২ জ্যাঁ জাক ৰুছো (Jean Jacques Rousseau) (১৭১২-১৭৭৮)

১৭১২ চনৰ ২৮ জুনত জেনেভাত জন্মগ্ৰহণ কৰা ৰুছো অষ্টাদশ শতিকাৰ এজন গুৰুত্বপূৰ্ণ চিন্তাবিদ আছিল যিয়ে জ্ঞানোদয় আৰু ফৰাচী বিপ্লৱৰ সময়ত ইউৰোপৰ সামাজিক আৰু ৰাজনৈতিক চিন্তাধাৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁৰ বিখ্যাত ৰচনাসমূহৰ ভিতৰত অন্যতম হ'ল "Social Contract" (১৭৬২)। ইয়াত ৰুছোৱে যুক্তি দেখুৱাইছে যে এখন সুশৃঙ্খল আৰু বৈধ ৰাষ্ট্ৰ কেৱল তেতিয়াহে গঢ়ি তুলিব পাৰি যেতিয়া ইয়াৰ সদস্যসকলে বৃহৎ সমাজৰ সৈতে তেওঁলোকৰ স্বাৰ্থ আৰু উদ্দেশ্যৰ ক্ষেত্ৰত নিজকে চিনাক্ত কৰে আৰু তেওঁলোকে সামূহিকভাৱে নিজকে সম্প্ৰদায় আৰু ইয়াৰ কল্যাণৰ বাবে উৎসৰ্গিত কৰে। ৰুছোৰ আন এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ হৈছে "Emile" (১৭৬২) আৰু এই গ্ৰন্থখন শিক্ষাৰ ওপৰত আধাৰিত। তদুপৰি, ৰুছোৱে যুক্তি দিছিল যে সমাজ কেৱল বৈপৰীত্যৰ ওপৰত আধাৰিত নহয়, ববঞ্চ সমাজ প্ৰকৃতিগতভাৱে দুৰ্নীতিগ্ৰস্ত। তেওঁৰ মতে, সমাজৰ দুৰ্নীতিপূৰ্ণ প্ৰকৃতিৰ লগত এখন নিৰ্দিষ্ট ৰাষ্ট্ৰৰ কঠোৰ আইনৰ সহায়ত মোকাবিলা কৰিব পাৰি, যিবোৰ সকলোৱে অনুসৰণ কৰিব লাগিব। তেওঁৰ আন কিছুমান বিখ্যাত ৰচনা হৈছে "Discourse on the Arts and Sciences" (১৭৫০) "Discourse on the Origin and Basis of Inequality among Men" (১৭৫৪) ইত্যাদি।

২.৬.৩ যোচেফ-মেৰী, ক'ট ডি মেইষ্ট্ৰে (Joseph-Marie, comte de Maistre) (১৭৫৩-১৮২১)

১৭৫৩ চনৰ ১ এপ্ৰিল ফ্ৰান্সত মেইষ্ট্ৰেৰ জন্ম হৈছিল। তেওঁক জ্ঞানোদয়ৰ বিৰোধী প্ৰবক্তা হিচাপে জনা যায়। সেয়েহে তেওঁ সমাজত পদানুক্ৰম (hierarchy) আৰু ৰাজতন্ত্ৰৰ (monarchy) প্ৰবক্তা হিচাপে পৰিচিত। তেওঁৰ মতে, ৰাজতন্ত্ৰ এক

ঐশ্ববিক প্রতিষ্ঠান। তেওঁ যুক্তিবাদী ধাৰণাসমূহৰ তীব্র বিৰোধিতা কৰিছিল আৰু ব্যক্ত কৰিছিল যে ফৰাচী বিপ্লৱৰ সময়ত আৰু তাৰ পিছত হোৱা সামাজিক আৰু ৰাজনৈতিক অশান্তিৰ মূল কাৰণ আছিল যুক্তিবাদী চিন্তাবিদসকলৰ দ্বাৰা খ্রীষ্টান ধর্মৰ প্রত্যাখ্যান। তেওঁৰ কিছুমান ৰচনা হ'ল "Essay on the general Principle of Political Constitutions" (১৮৪৭), "Letters on the Spanish Inquisition" (১৮৩৮) ইত্যাদি।

২.৬.৪ লুই গেব্রিয়েল এম্বৰোইচ ডি ব'নাল্ড (১৭৫৮-১৮৪০)

১৭৫৪ চনৰ ২ অক্টোবৰত ফ্রান্সত ব'নাল্ডৰ জন্ম হৈছিল। তেওঁ পৰম্পৰাগত বা ধর্মশাসিত চিন্তাধাৰাৰ সমর্থক আছিল। সেয়েহে তেওঁৰ ৰচনাসমূহে তেওঁৰ পৰম্পৰাগত ধাৰণা, পৰম্পৰাবাদ আৰু প্রতি-জ্ঞানোদয়ক (counter-enlightenment) প্রতিফলিত কৰে। ৰাজনৈতিক আৰু সামাজিক দর্শনৰ সৈতে জড়িত তেওঁৰ ৰচনাসমূহ ভাষাৰ সত্তা আৰু ইয়াৰ উৎপত্তিৰ ওপৰত আধাৰিত। ব'নাল্ডৰ মতে, ভাষাৰ পৰাই ঈশ্বৰৰ অস্তিত্ব আৰু উৎপত্তিৰ ব্যাখ্যা কৰিব পাৰি, যিয়ে গীর্জাৰ সর্বোচ্চতা নির্দেশ কৰে। তেওঁৰ কিছুমান ৰচনা হৈছে "Du Divorce" (১৮০১) "Legislation Primitive" (১৮০২) ইত্যাদি।

২.৬.৫ ক্লাউডে হেনৰী ডি ৰাউভৰয়, ক'ট ডি ছেইন্ট-চিমন (Claude Henri de Rouvroy, comte de Saint-Simon) (১৭৬০-১৮২৫)

ছেইণ্ট চিমনৰ জন্ম হৈছিল ১৭৬০ চনৰ ১৭ অক্টোবৰত ফ্রান্সত। তেওঁক এজন ইউটোপিয়ান সমাজতত্ত্ববিদ হিচাপে গণ্য কৰা হয়, সম্ভৱতঃ তেওঁৰ দৃষ্টিভংগীৰ বাবে যিয়ে সমাজক এক জৈৱিক সমগ্রতা হিচাপে গণ্য কৰিছিল। সমাজতত্ত্বৰ দুটা ভিন্ন বিকাশ ঃ মার্ক্সিয়ান সমাজবাদ (Marxian Socialism) আৰু কম্‌টিয়ান প্রত্যক্ষবাদক (Comtean Positivism) প্রভাৱিত কৰাৰ বাবে তেওঁক কৃতিত্ব দিয়া হয়। ছেইণ্ট চিমনৰ আলোচনাক কিছুমান নীতিগত দিশৰ দ্বাৰা চিহ্নিত কৰা হৈছে। প্রথমতে, ছেইণ্ট চিমনে যুক্তি দিছিল যে ঐতিহাসিকভাৱে মানৱ সমাজ তিনিটা পর্যায়ৰ মাজেৰে পাৰ হৈ যায় যাক আৰু অধিক পৃথক চিন্তা প্রক্রিয়াৰ দ্বাৰা সংজ্ঞায়িত কৰা হয়। তিনিটা পর্যায় হ'ল ঃ বহুদৈৱবাদ আৰু দাসত্ব, আস্তিকতাবাদ আৰু সামন্তবাদ, আৰু প্রত্যক্ষবাদ আৰু উদ্যোগবাদ। ইয়াৰ উপৰিও তেওঁ যুক্তি দিছিল যে বৈজ্ঞানিক প্রত্যক্ষবাদে সামাজিক গতিশীলতা আৰু সামাজিক সংগঠনৰ নীতি আৰু নিয়মবোৰ বুজিবলৈ সক্ষম কৰি তুলিব। ছেইণ্ট চিমনৰ মতে, সামাজিক সংগঠনৰ সন্দর্ভত আধুনিক সমাজখন উদ্যোগপতি আৰু বিজ্ঞানীসকলৰ দ্বাৰা পৰিচালিত আৰু সংগঠিত হোৱা উচিত,

ধর্মাৱলম্বী লোক, অধিবক্তা আৰু আমোলাতন্ত্ৰৰ দ্বাৰা নহয়। ছেইণ্ট চিমনৰ মতে, ইয়াৰ কাৰণ হৈছে যে পিছৰসকল পৰজীৱী (parasitic) আৰু অনুৎপাদক (unproductive)। সমাজতত্ত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ যুক্তি দিছিল যে আধুনিক সমাজে সন্মুখীন হোৱা সংকট সমাজতত্ত্ববিদসকলৰ দ্বাৰা প্ৰত্যক্ষবাদৰ তত্ত্ব জৰিয়তে সমাধান কৰা উচিত। তেওঁৰ কিছুমান ৰচনা হৈছে "L'Industrie" (১৮১৬-১৮১৭) "Le Politique" (১৮১৯) ইত্যাদি।

২.৬.৬ আগষ্ট ক'ট (August Comte) (১৭৯৮-১৮৫৭)

১৭৯৮ চনৰ ১৯ জানুৱাৰীত ফ্ৰান্সত আগষ্ট ক'টৰ জন্ম হৈছিল। ক'ট তেওঁৰ জীৱনৰ প্ৰাৰম্ভিক দিনবোৰত ফ্ৰান্সত চলি থকা ঐতিহাসিক, সামাজিক আৰু ৰাজনৈতিক উত্থানৰ সাক্ষী আছিল। সম্ভৱতঃ তেওঁৰ চাৰিওফালে থকা সামাজিক-ৰাজনৈতিক পৰিস্থিতিয়েই তেওঁক মানুহ, তেওঁলোকৰ সম্পৰ্কৰ ধাৰণা আৰু সামগ্ৰিকভাৱে সমাজৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য কৰিছিল। সেই সময়ৰ সামাজিক গতিশীলতাক বুজি পোৱাৰ প্ৰক্ৰিয়াত তেওঁ যুক্তি দিছিল যে ফৰাচী সমাজ অনিবাৰ্যভাৱে নতুন নীতিৰ দ্বাৰা নিকটতম ভৱিষ্যতে চিহ্নিত আৰু সংজ্ঞায়িত হ'ব। ক'টৰ মতে, এই নীতিসমূহ মানুহৰ সামাজিক জীৱনৰ বিভিন্ন দিশৰ ভাৰসাম্য আৰু একত্ৰীকৰণৰ বাবে প্ৰস্তুত কৰা হ'ব।

সমাজতত্ব বিষয়টোৰ উত্থানৰ মূল এই কথাৰ ওপৰত নিৰ্ভৰ কৰে যে ইউৰোপ এখন সমাজ হিচাপে উন্নয়নৰ এটা স্তৰত উপনীত হৈছিল যিটো বিশৃংখলতা বা বিঘটন, দৰিদ্ৰতা, ভয় আদিৰে ভৰি পৰিছিল। ইউৰোপ আৰু বিশেষকৈ ফ্ৰান্সৰ উত্থান বুজিবলৈ কৰা তেওঁৰ প্ৰয়াসেই ক'টক সমাজতত্ব বিষয়টোৰ ধাৰণাটো বিকশিত কৰিবলৈ অনুপ্ৰেৰণা দিছিল। ক'টে সমাজতত্ত্ব শব্দটো উদ্ভাৱন কৰিছিল আৰু ইয়াক তেওঁৰ "Positive Philosophy" (চতুৰ্থ খণ্ড) ত প্ৰথমবাৰৰ বাবে ৰাজহুৱাভাৱে ব্যৱহাৰ কৰিছিল। তেওঁ প্ৰাকৃতিক বিজ্ঞানৰ নীতিৰ আধাৰত সমাজতত্বক এক বিজ্ঞান হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। সেয়েহে, তেওঁৰ বাবে সমাজতত্ব যুক্তি, পৰ্যবেক্ষণ, তুলনা আৰু পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা পৰিচালিত এক বিষয় আছিল। ক'টৰ মতে, এনে এক বিষয়ভিত্তিক দৃষ্টিভংগীয়ে আমাক সামাজিক গতিশীলতাক বুজি পোৱাত সহায় কৰিব, আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, সমাজৰ এটা পৰ্যায়ৰ পৰা আন এটা পৰ্যায়লৈ হোৱা বিৱৰ্তনক বুজিবলৈ সক্ষম কৰি তুলিব। ক'টে বিষয়টোৰ পৰিসৰ আৰু বিষয়বস্তু প্ৰণালীবদ্ধ কৰাৰ বাবে, সামাজিক জীৱনক তলত উল্লেখ কৰা ধৰণে পৃথক কৰিছিল ঃ

- **স্থিৰতা** (Static) ঃ ই সামাজিক অস্তিত্বৰ পৰিস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যিবোৰ তুলনামূলকভাৱে স্থায়ী প্ৰকৃতিৰ। অন্য অৰ্থত ক'বলৈ হ'লে, স্থিৰতাই সামাজিক ব্যৱস্থাৰ অধ্যয়ন কৰে।

- **গতিশীলতা** (Dynamic) ঃ ই সমাজৰ গতিশীল দিশবোৰ, অর্থাৎ সমাজৰ সদায় পৰিৱর্তন হৈ থকা পর্যায়বোৰ অধ্যয়ন কৰে। অন্য অর্থত, ই সামাজিক পৰিৱর্তন বা প্রগতি অধ্যয়ন কৰে।

ইয়াৰ উপৰিও, ক'টে যুক্তি দিছিল যে সকলো সমাজতে তিনিটা পর্যায়ৰ মাজেৰে মানৱ মনৰ বিকাশ হয়। এই তিনিটা পর্যায়ক ত্রিস্তৰীয় বিধি বুলি কোৱা হয়। এই তিনিটা স্তৰ তলত উল্লেখ কৰা হ'ল ঃ

- **দৈৱবাদী স্তৰ** (Theological Stage) ঃ ক'টৰ মতে, এই পর্যায়ত মানুহৰ মনটোৱে অনুভৱ কৰে যে সকলো পৰিঘটনা অতিপ্রাকৃতিক বা অপার্থিৱ সত্তা (supernatural beings) ৰ দ্বাৰা পৰিচালিত হয়।
- **আধিভৌতিক স্তৰ** (Metaphysical stage) ঃ ক'টৰ মতে, এই পর্যায়ত মানুহে ঈশ্বৰৰ সত্তা বা সাৰমর্মৰ দ্বাৰা পৃথিৱীখন বুজি পোৱাৰ প্রৱণতা ৰাখে।
- **প্রত্যক্ষবাদী স্তৰ** (Positive stage) ঃ এই স্তৰত, ক'টে অনুভৱ কৰে, মানুহ কাৰণ, যুক্তি আৰু আইনৰ দ্বাৰা পৰিচালিত হয়।

ক'টে সমাজৰ এটা পর্যায়ৰ পৰা আন এটা পর্যায়লৈ হোৱা বিৱর্তনৰ উপৰিও এইটোও দেখিছিল যে প্রতিষ্ঠা হোৱা সকলো বিজ্ঞান এক সৰল পর্যায়ৰ পৰা জটিল পর্যায়লৈ বিকশিত হৈছে। ক'টৰ মতে, বিভিন্ন বিজ্ঞানৰ উদ্ভৱ আৰু ইয়াৰ জটিলতাৰ স্তৰ নিম্নলিখিত ক্রমত দেখা যায় ঃ গণিত, জ্যোতির্বিজ্ঞান, পদার্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱবিজ্ঞান। সমাজতত্ত্বৰ বিকাশ আন বিজ্ঞানৰ তুলনাত বহুত দেৰিকৈ হৈছিল। সমাজতত্ত্বৰ এই বিলম্বিত উত্থানৰ কাৰণ হ'ল সমাজতত্ত্ব হৈছে সকলো বিজ্ঞানৰ ভিতৰত আটাইতকৈ জটিল, যিহেতু ইয়াৰ বিষয় বস্তু অর্থাৎ, সমাজ অধ্যয়ন কৰিবলৈ আটাইতকৈ জটিল। সেয়েহে, ক'টে কয় যে সমাজতত্ত্ব হৈছে বিজ্ঞানৰ ৰাণী। তেওঁৰ কিছুমান ৰচনা হৈছে "A General View of Positivism" (১৮৫৬), "System of Positive Polity" ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ আগষ্ট ক'টৰ ত্রিস্তৰীয় বিধিৰ ধাৰণাত অন্তর্ভুক্ত পর্যায়বোৰ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ সমাজতত্ত্বৰ কিছুমান অগ্রণী পণ্ডিতৰ কথা উল্লেখ কৰক।

অষ্টাদশ আৰু ঊনবিংশ শতিকাত ইউৰোপৰ পৰিৱর্তিত সামাজিক ব্যৱস্থাক বুজাৰ প্রচেষ্টাত কেইবাজনো চিন্তাবিদে সমাজতত্ত্বক এক পৃথক বিষয় হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰিছিল। বিষয়টোৰ প্রতি তেওঁলোকৰ অৱদান তেওঁলোকৰ দৃষ্টিভংগী, বিষয়সমূহৰ সম্পর্ক, আৰু সেই সময়ৰ সমস্যা আৰু প্রশ্নসমূহৰ ফলাফলৰ অন্তর্দৃষ্টিৰ

যোগেদি বুজিব পাৰি। অৱশ্যে, এইটো মনত ৰাখিব লাগিব যে আগষ্ট ক'টে সমাজতত্ত্বক কেৱল পদ্ধতিগতভাৱে আৰু আনুষ্ঠানিকভাৱে অধ্যয়নৰ বিষয় হিচাপে প্রতিষ্ঠা কৰাই নহয়, ইয়াৰ নামাকৰণো কৰিছিল। তেতিয়াৰ পৰাই সমাজতত্ত্বক এক পৃথক বিষয় হিচাপে চিনাক্ত কৰিবলৈ আৰম্ভ কৰা হৈছিল যাক সংজ্ঞায়িত বিষয় বস্তু, দৃষ্টিভংগী, তাত্ত্বিক পৰিকাঠামো আৰু পদ্ধতিৰ এক সংহতিৰ দ্বাৰা চিহ্নিত কৰা হয়।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রাচীন সামাজিক দর্শন ৰোমান সাম্রাজ্যৰ সমাপ্তিৰ আগৰ সময়ৰ অন্তর্গত। ইয়াক ধর্মীয় আদর্শৰ আধিপত্যৰ দ্বাৰা চিহ্নিত কৰা হয়, আৰু ইয়াৰ প্রকৃতি ৰক্ষণশীল। প্লেটো, ছক্রেটিছ আৰু এৰিষ্টটল এই সময়ৰ মুখ্য পণ্ডিত আছিল।
- মধ্যযুগীয় সামাজিক দর্শন ৰোমান সাম্রাজ্যৰ পতনৰ পিছৰ সময়ৰ পৰা নৱজাগৰণৰ সময়লৈকে অন্তর্ভুক্ত। এই সময়ৰ ৰচনাসমূহে ধর্মনিৰপেক্ষ আদর্শবোৰক প্রাচীন দর্শনৰ সৈতে একত্রিত কৰাৰ চেষ্টা কৰিছিল।
- অষ্টাদশ শতিকাত ইউৰোপত সমাজতত্ত্বৰ উদ্ভৱ হৈছিল। ই সেইসময়ৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক গতিশীলতাৰ ফলাফল আছিল।
- সমাজতত্ত্বৰ জন্ম দিয়া কিছুমান গুৰুত্বপূর্ণ সামাজিক কাৰক হ'ল ঃ সমাজবাদ, নগৰীকৰণ, নাৰীবাদ, ধর্ম আৰু বিজ্ঞান।



২.৮ অধিক জানিবলৈ

1) Abercrombie, Nicholas and Stephen Hill & Bryan S. Turner. (2000). *The penguin Dictionary of Sociology*; England.
2) Borgotta, Edgar F. and Rhonda J. V. Montgomery. (2000). *Encyclopedia of Sociology*; Cengage Learning Publisher.
3) Giddens, Anthony. (1997). *Sociology*; Polity Press.
4) Haralambos, H and R M Heald. (1997). *Sociology : Themes and Perspectives*. Oxford Publication.
5) Ritzer, George. (2010). *Sociological Theory*. McGraw Hill Education.
6) Turner, Jonathan H.(2002). *The Structure of Sociological Theory.* Wardsworth Publishing Co Inc.

২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নগৰীকৰণ, সমাজবাদ, নাৰীবাদ।

২ নং প্রশ্নৰ উত্তৰ ঃ ইমাইল ডুৰখেইম।

৩ নং প্রশ্নৰ উত্তৰ ঃ দৈৱবাদী, আধিভৌতিক, প্রত্যক্ষবাদী।

৪ নং প্রশ্নৰ উত্তৰ ঃ আগষ্ট ক'ট, ছেইণ্ট চাইমন।

২.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ টা শব্দত দিয়ক)

প্রশ্ন ১ ঃ প্রাচীন সামাজিক দর্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ মধ্যযুগীয় সামাজিক দর্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দত দিয়ক)

প্রশ্ন ১ ঃ সমাজতত্ত্বৰ উত্থানৰ পিছত প্রাচীন-মধ্যযুগীয় দার্শনিক চিন্তা আৰু আধুনিক দার্শনিক চিন্তাৰ মাজৰ পার্থক্যবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ সমাজতত্ত্বই কেনেকৈ এটা পৃথক বিষয় হিচাপে আত্মপ্রকাশ কৰিছিল? সমাজতত্ত্বৰ জন্মত অৰিহণা যোগোৱা সামাজিক কাৰকসমূহৰ ওপৰত আলোকপাত কৰক।

প্রশ্ন ৩ ঃ সমাজতত্ত্বৰ কিছুমান প্রাৰম্ভিক চিন্তাবিদৰ এই বিষয়টোলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ প্রকার্যবাদ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ সংৰচনাত্মক প্রকার্যবাদ
৩.৩.১ টালকট পার্ছনৰ সমাজ সম্পর্কীয় প্রণালীবদ্ধ দৃষ্টিভংগী
৩.৩.২ আৰ. কে মার্টনৰ সমাজ সম্পর্কীয় প্রণালীবদ্ধ দৃষ্টিভংগী
৩.৩.৩ সংৰচনাত্মক প্রকার্যবাদৰ মুখ্য সমালোচনাসমূহ
৩.৩.৪ নব্য-প্রকার্যবাদ
৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৫ অধিক জানিবলৈ
৩.৬ অগ্রগতিৰ খতিয়ান
৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংৰচনাত্মক প্রকার্যবাদৰ বিষয়ে জানিব পাৰিব
- টালকট পার্ছন আৰু আৰ.কে মার্টনৰ ভাষাৰে সমাজৰ পদ্ধতিগত ধাৰণাক বুজি পাব
- সংৰচনাত্মক প্রকার্যবাদৰ বিৰুদ্ধে থকা সমালোচনাসমূহৰ আলোচনা কৰিব পাৰিব
- নব্য-প্রকার্যবাদৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

এটা কথা আমাৰ সকলোৰে জ্ঞাত যে, যিহেতু আমি সমাজ পাতি বসবাস কৰোঁ, সেয়েহে আমি লগ পোৱা মানুহবোৰৰ লগত স্বাভাৱিকভাৱেই আমাৰ কিছুমান সম্পর্ক গঢ়ি উঠে। সেয়া লাগিলে পৰিয়ালেই হওক, ধর্ম, অথবা নৃতাত্বিক গোষ্ঠীৰ ক্ষেত্রতেই হওক। আমি পৰস্পৰৰ মাজত সম্পর্ক স্থাপন কৰিব বিচাৰো, আৰু এই অনুষ্ঠানসমূহৰ অংশ হিচাপে বিভিন্ন সময়ত আমি কৰা কার্যকলাপ বা গঢ়ি তোলা সম্পর্কৰ বাবেই এই সামাজিক অনুষ্ঠানবোৰৰ কার্যক্ষমতা অটুত থাকে। সমাজৰ স্থিতিশীলতা আৰু একাত্মবোধ বতাঁই ৰাখিবৰ বাবে সমাজৰ পৃথক-পৃথক অংশই একত্রিত হৈ সামঞ্জস্যপূর্ণভাৱে কার্যকলাপ কৰাটো প্রয়োজন। সমাজ এখন কার্যক্ষম কৰি ৰাখিবৰ বাবে প্রত্যেকজন ব্যক্তিৰে সুকীয়া দায়িত্ব আছে। প্রত্যেকেই সেই দায়িত্ব পালন কৰাৰ বাবেহে সমাজখন সুচাৰুৰূপে চলি থাকে। পূর্বৰ অধ্যায়টোত আমি সামাজিক শক্তিসমূহৰ বিষয়ে

আলোচনা কৰাৰ লগতে সমাজতত্ত্বক এটা পৃথক বিষয় হিচাপে প্ৰতিষ্ঠা কৰাত বিভিন্ন চিন্তাবিদে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়ত আমি প্ৰকার্যবাদৰ তত্ত্বসমূহ, সংৰচনাত্মক প্ৰকার্যবাদৰ বিষয়ে টেলকট পার্ছন আৰু আৰ.কে মার্টনৰ দৃষ্টিভংগী, সংৰচনাত্মক প্ৰকার্যবাদৰ সমালোচনা আৰু নব্য-প্ৰকার্যবাদ তত্ত্বৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিম।

৩.৩ সংৰচনাত্মক প্ৰকার্যবাদ

সংৰচনাত্মক প্ৰকার্যবাদ এটা সমাজতাত্ত্বিক তত্ত্ব যিয়ে সমাজখনক বহুতো আন্তঃ সংযোগী অংগৰ এটা গাঁথনি হিচাপে গণ্য কৰে, যিয়ে গোটেই সমাজখন গঠন কৰে। ই সমাজৰ অংশ হিচাপে নীতি-নিয়ম, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, লোকাচাৰ, পৰম্পৰা আৰু সংস্থা আদিয়ে কি ভূমিকা পালন কৰে তাক অধ্যয়ন কৰে। এই তত্ত্বই বিশ্বাস কৰে যে কোনো এক প্ৰাণীৰ দৰেই সমাজখনো বিকশিত হৈছে। হাৰ্বাট স্পেন্সাৰে সমাজৰ বিভিন্ন অংশবোৰক একোটা অংগ হিচাপে বিবেচনা কৰে, যিবোৰ অংগই শৰীৰটোৰ পৰিচালনাৰ বাবে সহযোগিতাৰে কাম কৰে, যাক সংহত ব্যৱস্থা বা সমাজ বুলি কওঁ। উদাহৰণস্বৰূপে, আমি যদি পৰিয়ালক এটা ব্যৱস্থা হিচাপে লওঁ, তেন্তে তাৰ সদস্যসকল হ'ব তাৰ অংগ যিয়ে ব্যক্তিগত কৰ্ম শক্তি, সহায় আৰু সমস্যাৰ ভাগ-বতোৱাৰাৰ জৰিয়তে পৰিয়ালটো কার্যক্ষম হৈ থকাত বৰঙণি যোগায়।

সংৰচনাত্মক প্ৰকার্যবাদত সংৰচনাত্মক আৰু প্ৰকার্যবাদ শব্দ দুটাক পৃথককৈ ব্যৱহাৰ কৰিব পাৰি। সমাজ এখনৰ কার্যকলাপ নোচোৱাকৈও আমি সমাজৰ গাঁথনি বা সংৰচনাটোক অধ্যয়ন কৰিব পাৰো। ঠিক একেদৰে, সমাজ এখনৰ গাঁথনিগত বা সংৰচনাত্মক ৰূপসমূহক অধ্যয়ন নকৰাকৈও সমাজৰ কার্যকলাপসমূহক পৰীক্ষা কৰিব পাৰোঁ। সংৰচনাত্মক প্ৰকার্যবাদে বিভিন্ন পদ্ধতি অৱলম্বন কৰিব পাৰে, তাৰে ভিতৰত আটাইতকৈ প্ৰভাৱশালী আৰু বহুলভাৱে সমাদৃত পদ্ধতিটো হ'ল সামাজিক প্ৰকার্যবাদ। যিয়ে বৃহৎ পৰিসৰৰ সামাজিক সংৰচনা, সামাজিক সংস্থাবোৰ, এই সংৰচনাবোৰৰ মাজত থকা আন্তঃসম্পৰ্ক আৰু এইবোৰে কেনেকৈ ব্যক্তিৰ কার্যকলাপক সীমাবদ্ধ কৰে তাক ব্যাখ্যা কৰাৰ চেষ্টা কৰে।

কিংছলি ডেভিছ আৰু উইলবার্ট ম'ৰে আগবঢ়োৱা স্তৰীক�ৰণৰ প্ৰকার্যবাদী তত্ত্বক, সংৰচনাত্মক প্ৰকার্যবাদ তত্ত্বৰ আটাইতকৈ উল্লেখযোগ্য কৰ্ম হিচাপে গণ্য কৰা হয়। ডেভিছ আৰু ম'ৰেৰ মতে সামাজিক স্তৰীকৰণ একেসময়তে বিশ্বজনীন আৰু অতিকৈ প্ৰয়োজনীয়। তেওঁলোকৰ দৃষ্টিভংগীত স্তৰীকৰণ হৈছে এটা কার্যকৰী প্ৰয়োজনীয়তা আৰু লগতে এটা সংৰচনা য'ত স্তৰবিন্যাস ব্যৱস্থাই ব্যক্তিৰ পৰিৱর্তে সংৰচনাৰ বিভিন্ন পদবী বা স্থানসমূহক সামৰি লয়। সমাজখন বর্তি থাকিবৰ বাবে আগবঢ়োৱা অৱদানৰ ওপৰত ভিত্তি কৰি, ব্যক্তিৰ নহয়, পদবীৰহে সফলতাৰ মাপ নিৰূপণ কৰা হয়। তেওঁলোকৰ মতে, উচ্চ স্থান অধিকাৰ কৰা লোকসকলৰ লগতে সমাজে তেওঁলোকৰ পদবীসমূহকো পুৰস্কৃত কৰি সন্মান যাচিব লাগে, যাতে অন্য লোকসকলেও সেই পদ অধিকাৰ কৰি যত্নসহকাৰে কামত নিয়োজিত হ'বলৈ উৎসাহ পায়। স্তৰীকৰণৰ প্ৰকার্যবাদী

তত্ত্বক এইকাৰণেই সমালোচনা কৰা হয় যে সামাজিক কামৰ প্রতি জনসাধাৰণক আকর্ষিত কৰিবৰ বাবে পুৰস্কাৰ প্রদানেই একমাত্র উপায় হ'ব নোৱাৰে, এই ক্ষেত্রত অন্যান্য উপায়ো থকাটো বাঞ্চনীয়।

সময়ৰ লগে-লগে তত্ত্ব হিচাপে সংৰচনাত্মক প্রকার্যবাদৰো পতন ঘটে। ১৯৯০ দশকত কল'মিৰ সংৰচনাত্মক প্রকার্যবাদৰ বর্ণনাত এই তত্ত্বক এক তাত্ত্বিক 'পৰম্পৰা' হিচাপে উল্লেখ কৰাটোতে সেই কথাৰ প্রতিফলন ঘটে। তথাপি কিছু সংখ্যক সমাজতত্ত্ববিদে সংৰচনাত্মক প্রকার্যবাদক যথেষ্ট প্রশংসা কৰিছিল, এই কথাৰ প্রতিফলন হয় ৰ'বার্ট নিছবেটে সংৰচনাত্মক প্রকার্যবাদৰ বিষয়ে দিয়া নিম্নোক্ত মন্তব্যত— "নিঃসন্দেহে, বর্তমান শতিকাৰ সমাজ বিজ্ঞানৰ একমাত্র মহত্বপূর্ণ তত্ত্ব।"

৩.৩.১ টালকট পার্ছনৰ সমাজ সম্পর্কীয় প্রণালীবদ্ধ দৃষ্টিভংগী

টালকট পার্ছন আছিল এজন আমেৰিকান সমাজতত্ত্ববিদ। তেওঁৰ সমাজৰ সংৰচনাত্মক ধাৰণাই চাৰিটা কার্যকৰী আৱশ্যকতা বা কার্য সামৰি লয়, যাক AGIL ব্যৱস্থা বুলি কোৱা হয়। কার্যকাৰীতাৰ বিষয়ে ৰ'চাৰে দিয়া সংজ্ঞা, " কার্যকাৰীতা হৈছে ব্যৱস্থাৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰিবৰ বাবে কৰা কার্যকলাপসমূহ"ক ব্যৱহাৰ কৰি টালকট পার্ছনে বিশ্বাস কৰে যে ব্যৱস্থা এটা বর্তি থাকিবৰ বাবে চাৰি ধৰণৰ কার্য কৰা প্রয়োজন। সেইচাৰিটা অর্থাৎ AGIL ৰ অর্থ হৈছে— অভিযোজন(A) , লক্ষ্যপ্রাপ্তি(G), একত্রীকৰণ(I) আৰু নিৰৱিচ্ছিন্নতা (L)।

- **অভিযোজন ঃ** ব্যৱস্থা এটাই পৰিৱেশৰ লগত অভিযোজন কৰাটো বা প্রয়োজন অনুসৰি পৰিৱেশক অভিযোজিত কৰি লোৱাটো অত্যন্ত প্রয়োজন। যিকোনো সময়ত উদ্ভৱ হোৱা বাহ্যিক পৰিস্থিতিগত প্রয়োজনীয়তা বা জৰুৰীকালীনতাৰ মোকাবিলা কৰিব পৰাকৈ সক্ষম হোৱাটোও অত্যন্ত গুৰুত্বপূর্ণ।
- **লক্ষ্যপ্রাপ্তি ঃ** ব্যৱস্থা এটাই কিছুমান লক্ষ্য নির্ধাৰণ কৰি তাত উপনীত হোৱাটো প্রয়োজন।
- **একত্রীকৰণ ঃ** এটা ব্যৱস্থাই ইয়াৰ উপাদানৰ অংশসমূহৰ সৈতে সমন্বয় আৰু আন্তঃসম্পর্ক বজাই ৰখাৰ লগতে অন্যান্য কার্যকৰী আৱশ্যকতাসমূহ (অভিযোজন, লক্ষ্যপ্রাপ্তি, একত্রীকৰণ)ৰ লগতো সম্পর্ক অব্যাহত ৰাখিব লাগিব।
- **নিৰৱিচ্ছিন্নতা ঃ** ইয়াক ব্যৱস্থা এটাৰ ৰক্ষণাবেক্ষণ বুলিও কোৱা হয়। ই যিকোনো ব্যৱস্থা বা প্রণালী এটাৰ সুস্থিৰতা অব্যাহত ৰাখিবলৈ সমাজৰ লোকসকলৰ সদিচ্ছাক নৱীকৰণ কৰে আৰু সাংস্কৃতিক প্রমূল্যসমূহকো সংৰক্ষণ কৰে। ই মানুহ আৰু সংস্কৃতিক সমন্বিত কৰি ৰাখি ব্যৱস্থা এটাক সুচাৰুৰূপে বর্তাই ৰাখে।

এতিয়া আমি AGIL ব্যৱস্থাৰ আধাৰত টালকট পার্ছনৰ **ক্রিয়াত্মক ব্যৱস্থা** (Action System)ক আলোচনা কৰিম। ক্রিয়া হৈছে এনে এটা ব্যৱস্থা যিয়ে ব্যক্তিক লক্ষ্য প্রাপ্তিৰ দিশত অগ্রসৰ হ'বলৈ প্রেৰণা যোগায়। ক্রিয়াত্মক ব্যৱস্থাৰ চাৰিটা ভাগ আছে— ব্যৱহাৰিক ব্যৱস্থা, ব্যক্তিত্ব ব্যৱস্থা, সামাজিক ব্যৱস্থা আৰু সাংস্কৃতিক ব্যৱস্থা।

- ব্যৱহাৰিক ব্যৱস্থা হৈছে কার্যকৰী ব্যৱস্থা যিয়ে বহিঃবিশ্বৰ পৰিৱর্তনসমূহৰ সৈতে সামঞ্জস্য ৰাখি অভিযোজনৰ প্রক্রিয়াসমূহক নিয়ন্ত্রণ কৰে।

এই ব্যৱস্থাটো বংশানুক্রমিক দিশৰ ওপৰত আধাৰিত যিয়ে অন্য ব্যৱস্থাসমূহৰ কার্যকৰীকৰণ আৰু পৰিচালনাৰ বাবে শক্তিৰ উৎস হিচাপে কাম কৰে। মানৱ শৰীৰেও ব্যক্তিৰ জীৱনত হোৱা বিভিন্ন পৰিস্থিতিৰ পৰা পোৱা শিক্ষা অনুসৰি নিজকে অভিযোজিত কৰি লয়।

- ব্যক্তিত্ব ব্যৱস্থা লক্ষ্য প্রাপ্তিৰ সৈতে জড়িত। যিয়ে ব্যক্তিক সম্পদ আহৰণ কৰিবলৈ সহায় কৰাৰ লগতে সেইসমূহ আহৰণৰ বাবে লক্ষ্য নির্ধাৰণ কৰিবলৈও সহায় কৰে।

এই ব্যৱস্থাই কার্যসমূহৰ বাবে অভিকর্তাসকলক প্রেৰণা প্রদান আৰু পথ প্রদর্শন কৰে। কার্যকৰীকৰণৰ প্রক্রিয়াটোৰ জৰিয়তে আহৰণ কৰা আৰু সামাজিক ব্যৱস্থাৰ জৰিয়তে আকাৰ দিয়া আৱশ্যকীয় বিন্যাসক ব্যক্তিত্ব ব্যৱস্থাৰ আটাইতকৈ উল্লেখযোগ্য একক হিচাপে গণ্য কৰা হয়। নিজ পৰিৱেশত সন্মুখীন হোৱা বস্তুসমূহ গ্রহণ বা অস্বীকাৰ কৰিবলৈ অভিকর্তাসকল বাধ্য। আৰু যদিহে উপলব্ধ বস্তুসমূহ তেওঁলোকৰ বাবে সন্তোষজনক বা উপযুক্ত নহয়, তেন্তে নতুন বস্তুৰ সন্ধান কৰে।

- ব্যৱস্থা এটাৰ উপাংশসমূহৰ নিয়ন্ত্রণৰ জৰিয়তে সামাজিক ব্যৱস্থাই একত্রীকৰণৰ কার্য সম্পাদন কৰে।

টালকট পার্ছনৰ মতে, সামাজিক ব্যৱস্থাৰ ভাৰসাম্যতা ৰক্ষা কৰিবৰ বাবে গুৰুত্বপূর্ণ ব্যৱস্থা দুটা হৈছে— সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্রণ। তেওঁ সামাজিক ব্যৱস্থাটোক আন্তঃসংযোগী ব্যৱস্থা হিচাপে গণ্য কৰিছিল যদিও প্রস্থিতি-ভূমিকাক সামাজিক ব্যৱস্থাৰ সংৰচনাত্মক উপাদান হিচাপে বিবেচনা কৰিছিল। এজন অভিকর্তা বা ব্যক্তিক তেওঁৰ একাধিক প্রস্থিতি বা ভূমিকাৰ ভিত্তিত বিশ্লেষণ কৰা হয়। প্রস্থিতিয়ে সামাজিক ব্যৱস্থা এটাৰ ভিতৰত থকা সংৰচনাত্মক স্থিতিক বুজায়। আৰু ভূমিকা হৈছে নির্দিষ্ট প্রস্থিতিত ব্যক্তিজনে কৰা কার্যকলাপসমূহ। ইয়াৰ লগতে পার্ছনে সমাজৰ আন-আন উপাদানসমূহৰ প্রতিও সমানে আগ্রহী আছিল। যেনে নীতি, মূল্যবোধ আৰু সামূহিক কার্যকলাপ যিয়ে সমাজ ব্যৱস্থাক অন্যান্য ব্যৱস্থাসমূহৰ সৈতে

সামঞ্জস্য ৰাখি কার্য-সম্পাদন কৰাৰ লগতে বিঘ্নিতকাৰী ব্যৱহাৰসমূহৰ ওপৰতো নিয়ন্ত্রণ ৰাখিব পাৰে।

- সাংস্কৃতিক ব্যৱস্থাই নিৰবিচ্ছিন্ন কার্যকলাপসমূহ সম্পাদন কৰে, য'ত ই অভিকর্তাসকলক নীতি আৰু মূল্যবোধ প্রদান কৰি সেইমতে কার্য কৰিবলৈ অনুপ্রাণিত কৰে।

এই ব্যৱস্থাই জ্ঞান, ধাৰণা আৰু প্রতীকসমূহক সাঁচি ৰাখে যিয়ে অভিকর্তাসকলৰ মাজত ভাৰ-বিনিময় কৰাত দিগ্‌দর্শন কৰে আৰু মূল্যবোধসমূহক তেওঁলোকৰ ব্যক্তিত্ব ব্যৱস্থাৰ লগতে সামাজিক ব্যৱস্থাতো একত্রিত কৰাত সহায় কৰে। সংস্কৃতিয়ে ব্যৱস্থাসমূহক সংযোজিত কৰা প্রতীকসমূহৰ সুগঠিত সমূহ হিচাপে কাম কৰে, যিয়ে সামাজিক নিয়মসমূহ শিকোৱাত সহায় কৰাৰ ওপৰিও ব্যক্তিৰ শিকন আৰু সামাজিকীকৰণ প্রক্রিয়া বৃদ্ধি হোৱাত বৰঙণি যোগায়।

চিত্র ২.৩.১.১

সাধাৰণ কার্য ব্যৱস্থাৰ গঠন

L	I
সাংস্কৃতিক ব্যৱস্থা	সামাজিক ব্যৱস্থা
ব্যৱহাৰিক ব্যৱস্থা	ব্যক্তিত্ব ব্যৱস্থা
A	G

টালকট পার্ছনৰ মতে, কার্যকৰী ব্যৱস্থাই এক উচ্চানুক্রমত কাম কৰে আৰু সমাজ বিশ্লেষণৰ স্তৰসমূহক মূলত দুই ধৰণে ভাগ কৰিব পাৰি। প্রথমে, উচ্চ পর্যায়সমূহৰ বাবে প্রয়োজনীয় অৱস্থা আৰু শক্তিসমূহ নিম্ন পর্যায়ে প্রদান কৰে। দ্বিতীয়তে, উচ্চ পর্যায়ে ইয়াৰ পিছত থকা পর্যায়সমূহক নিয়ন্ত্রণ কৰাৰ চেষ্টা কৰে। কোৱা হয় যে, বাস্তৱ পৃথিৱীত চাৰিটা কার্যব্যৱস্থাৰ অস্তিত্ব নাই। কিন্তু এইকেইটাক বাস্তৱ পৃথিৱীখনক পৰীক্ষা কৰিবলৈ ব্যৱহাৰ হোৱা আহিলা হিচাপে গণ্য কৰিব পাৰি।

সমাজখনক সমাজব্যৱস্থাৰ তুলনামূলকভাৱে স্ব-নির্ভৰশীল সমূহ হিচাপে চোৱা যায়, য'ত ব্যক্তিসকল নিজৰ লগতে সামাজিক প্রয়োজনসমূহ পূৰণ কৰিবলৈ সক্ষম। সমাজত চাৰি প্রকাৰৰ উপ-ব্যৱস্থা বা গাঁথনি আছে যিয়ে AGIL ৰ ধাৰণাৰ ভিত্তিত বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে।

উপব্যৱস্থা হিচাপে অর্থনীতিয়ে শ্রমিক, উৎপাদন আৰু আৱন্টন আদি বৈশিষ্ট্যৰ সৈতে পৰিৱেশৰ প্রয়োজনসমূহৰ সৈতে সহাৱস্থান কৰে। ৰাজনীতি বা ৰাজনৈতিক ব্যৱস্থাই সামাজিক উদ্দেশ্যসমূহ ব্যৱহাৰৰ বাবে অভিকর্তাসকলক সংগঠিত কৰাৰ কাম কৰে। মূল্য নির্ভৰশীল ব্যৱস্থা (বিদ্যালয়ৰ বা পৰিয়ালৰ নিয়মসমূহ) ই নীতি-নিয়ম, মূল্যবোধ সমূহ ব্যক্তিক প্রদান কৰি শিকিবলৈ সহায় কৰি নিৰবিচ্ছিন্ন কার্যকলাপসমূহ

সম্পন্ন কৰে। সামাজিক সম্প্রদায়ে (উদাহৰণ- আইন) সমাজৰ বিভিন্ন অংশৰ সৈতে সমন্বয় ৰক্ষা অৰু সহযোগিতা কৰি একত্রিকৰণৰ কার্য সম্পাদন কৰে।

চিত্র ২.৩.১.২

সমাজ, ইয়াৰ উপ-ব্যৱস্থা আৰু কার্যকৰী আৱশ্যকতাসমূহ

L	I
আইন ব্যৱস্থা	সমাজ ব্যৱস্থা
অর্থনীতি	ৰাজনীতি
A	G

৩.৩.২ ৰবার্ট কে মার্টনৰ সমাজ সম্পর্কীয় প্রণালীবদ্ধ দৃষ্টিভংগী

ৰবার্ট কে মার্টন টালকট পার্ছনৰ ছাত্র আছিল যদিও তেওঁ মার্ক্সবাদী তত্ত্বৰ দ্বাৰাহে অধিক প্রভাৱিত আছিল। মার্টনে মেলিন'ৱস্কি আৰু ৰেডক্লিফ-ব্রাউনে কার্যকৰী বিশ্লেষণত ব্যৱহাৰ কৰা ধাৰণাৰ তিনিটা ডাঙৰ সমস্যা চিনাক্ত কৰিছিল। তেওঁ যুক্তি দিছিল যে এই অনুমানসমূহ প্রকৃত প্রমাণ বা বাস্তৱ জগতৰ পর্যবেক্ষণৰ ওপৰত নির্ভৰ নকৰি, বিমূর্ত ধাৰণা আৰু তাত্ত্বিক ধাৰণাসমূহৰ ওপৰত ভিত্তি কৰিহে কৰা হৈছে।

- সমাজৰ কার্যকৰী সংহতি হৈছে প্রথমটো প্রস্তাৱিত ধাৰণা যিয়ে সামাজিক আৰু সাংস্কৃতিক বিশ্বাস আৰু প্রথাত ব্যক্তি আৰু সমগ্র সমাজখনে উচ্চ মাত্রাত একত্রীকৰণ প্রদর্শন কৰাটো বিচাৰে। মার্টনে এই দৃষ্টিভংগীৰ বিৰোধিতা কৰি কৈছিল যে, বিশ্বাস আৰু প্রথাৰ কার্যকাৰীতা সৰু বা আদিম প্রকৃতিৰ সমাজত সত্য হ'ব পাৰে, কিন্তু জটিল প্রকৃতিৰ সমাজত নহয়। উদাহৰণস্বৰূপে— ধর্মবিশ্বাসৰ বৈচিত্র্যতাই সকলো মানুহক ঐক্যবদ্ধ কৰিব নোৱাৰিবও পাৰে আৰু এইক্ষেত্রত বিভিন্নতা থকাটো মুঠেও অমূলক নহয়।
- দ্বিতীয়টো প্রস্তাৱিত ধাৰণা হৈছে বিশ্বজনীন প্রকার্যবাদ। যিয়ে উল্লেখ কৰে যে সকলো মানসম্পন্ন সামাজিক আৰু সাংস্কৃতিক নীতি-নিয়ম আৰু সংৰচনাৰে ইতিবাচক কার্যকলাপ আছে। এই ধাৰণাক সমালোচনা কৰি মার্টনে কয় যে, বাস্তৱৰ পৃথিৱীখনত সকলোবোৰ সংৰচনা, বিশ্বাস, পৰম্পৰা, ধাৰণাৰেই ইতিবাচক ভূমিকা নাথাকে। উদাহৰণস্বৰূপে— দুর্নীতিগ্রস্ত সমাজ এখনত আনুগত্যবাদ সম্পূর্ণৰূপে অকার্যকৰী হিচাপে বিবেচিত হয়।
- অপৰিহার্যতা হৈছে তৃতীয়টো প্রস্তাৱিত ধাৰণা। যিয়ে যুক্তি দিয়ে যে, সকলো সংৰচনা আৰু কার্যই অপৰিহার্য বা প্রয়োজনীয় অংশ যিবোৰ সকলোৰে বাবে কার্যক্ষমভাৱে প্রয়োজনীয়। পিছে মার্টনে মত প্রকাশ কৰিছিল যে, সমাজত বিভিন্ন ধৰণৰ সংৰচনা আৰু কার্যকলাপ থাকিব যিবোৰে সমাজত বিকল্প অংশ হিচাপে কাম কৰিব। উদাহৰণস্বৰূপে- বেছিভাগ লোকেই ধর্মৰ অনুগামী

কিন্তু কিছু সংখ্যক লোকে কোনো মতাদর্শকো অনুসৰণ কৰিব পাৰে।

মার্টনে বিশ্বাস কৰিছিল যে, সংৰচনাত্মক প্রকার্যবাদীসকলে ব্যক্তিগত উদ্দেশ্যতকৈ সামাজিক কার্যকলাপৰ ওপৰতহে অধিক ধ্যান দিব লাগে। মার্টনৰ মতে সামাজিক কার্যকলাপ হৈছে সেইবোৰ, "যিবোৰে প্রচলিত ব্যৱস্থা এটাই অভিযোজন বা সালসলনি কৰা পৰিণামসমূহক পর্যৱেক্ষণ কৰে।" এটা কথা লগতে মন কৰিব লগা যে, সামাজিক বাস্তৱতা অথবা সালসলনিৰ প্রক্রিয়াটোত ইতিবাচক বা নেতিবাচক দুয়োধৰণৰ পৰিণাম থাকিব পাৰে। ইয়াৰ সৈতে মোকাবিলা কৰিবলৈ মার্টনে অকার্যকৰীতাৰ (Dysfunction) ধাৰণা আগবঢ়াইছিল, যাৰ অর্থ হৈছে- সংৰচনা এটা আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ উপৰিও তাত নেতিবাচক ফলাফলো থাকিব। উদাহৰণস্বৰূপে- কর্মচাৰীসকলে তেওঁলোকৰ নিয়োগকর্তাসকলৰ ইচ্ছা অনুসৰি কাম কৰি থকাৰ ইতিবাচক ফল পুঁজিপতি শ্রেণীটো আৰু উদ্যোগীসকলে পায়। কিন্তু একেসময়তে যদিহে কর্মচাৰীসকলে কর্মস্থলীৰ অসন্তুষ্টিৰ বাবে তেওঁলোকৰ দায়িত্ব ত্যাগ কৰি ওলাই যায়, তেন্তে তাৰ নেতিবাচক প্রভাৱো দেখিবলৈ পোৱা যাব।

মার্টনে কার্যকৰী বিশ্লেষণৰ পর্যায় (Levels of functional analysis) নামেৰে এক ধাৰণা আগবঢ়াইছিল। যিয়ে তত্ত্ব আৰু গৱেষণাৰ বাবে দিগ্‌দর্শকৰ ভূমিকা পালন কৰাৰ লগতে সংস্থা, সমূহ আৰু সংগঠনসমূহক বিশ্লেষণ কৰাতো সহায় কৰিব পাৰে। তেওঁ স্পষ্ট কার্য আৰু সুপ্ত কার্য নামেৰে দুটা ধাৰণাৰ কথা কয়। স্পষ্ট কার্যকলাপ হৈছে সেইবোৰ যিবোৰ উদ্দেশ্যপূর্ণ। উদাহৰণস্বৰূপে- আমি জীৱিকা উপার্জন কৰো, কিয়নো আমাৰ আকাংক্ষিত ধৰণেৰে জীয়াই থাকিবলৈ আমাৰ উদ্দেশ্য আছে। সুপ্ত কার্যকলাপ হৈছে সেইবোৰ যিবোৰ আকাংক্ষাবিহীন। উদাহৰণস্বৰূপে- কিছুমান লোকে ছবি এইকাৰণেই আঁকে যে ছবি অঁকা কামটো তেওঁলোকে ভাল পায়, যিটোৱে দর্শককো আনন্দ প্রদান কৰে। মার্টনে মত দিছিল যে, প্রকার্যবাদী তত্ত্বত সংৰচনা এটা অকার্যকৰী হৈ থাকিব পাৰে, কিন্তু তাৰ অস্তিত্ব শেষ হৈ নাযায়। উদাহৰণস্বৰূপে- মহিলাৰ বিৰুদ্ধে হোৱা অত্যাচাৰ আৰু হিংসা সমাজ এখনৰ বাবে অকার্যকৰী বা অপ্রয়োজনীয়। কিন্তু এইবোৰ মহিলাসকলৰ বিৰুদ্ধে হিংসাত্মক কার্য কৰাসকলৰ বাবে কার্যকৰী বা প্রাসংগিক হৈ থাকে।

মার্টনে সংস্কৃতি, সামাজিক সংৰচনা আৰু প্রতিমানহীনতাৰ মাজৰ সম্পর্ককো বিশ্লেষণ কৰিছিল। মার্টনৰ সংজ্ঞাৰ মতে সংস্কৃতি হৈছে- "সেইবোৰ সংগঠিত আদর্শগত প্রমূল্য যি কোনো এখন নির্দিষ্ট সমাজ বা সমূহৰ আচাৰ-ব্যৱহাৰক নিয়ন্ত্রণ কৰে।" তেওঁৰ সংজ্ঞাত সামাজিক সংৰচনা হৈছে "সামাজিক সম্পর্কৰ সেইটো সংগঠিত সমূহ য'ত সমাজ বা সমূহৰ সদস্যসকল বিভিন্ন ধৰণেৰে সম্পর্কিত হৈ থাকে।" আৰু প্রতিমানহীনতা হৈছে "সমূহ এটাৰ সদস্যসকলে কার্য কৰোঁতে যেতিয়া সাংস্কৃতিক মানদণ্ড আৰু উদ্দেশ্য আৰু সদস্যসকলৰ সামাজিকভাৱে নির্ধাৰিত ক্ষমতাসমূহৰ মাজত

এক তীব্র বিসংগতিৰ সৃষ্টি হয়।" এইটো কথাও মন কৰিব লগা যে, সামাজিক সংৰচনা এটাত মানুহে বিভিন্ন স্থান অধিকাৰ কৰি থাকে। সেয়েহে সমাজৰ কিছুমান মানুহে আদর্শগত প্রমূল্যৰ মতে কাম কৰিব নোৱাৰিবও পাৰে। সংস্কৃতিয়ে সমাজলৈ প্রমূল্য আৰু আচাৰ-আচৰণ কঢ়িয়াই আনে, যিটোত সমাজে বাধা প্রদান কৰে। মার্টনৰ মতে, সংস্কৃতি আৰু সামাজিক সংৰচনাৰ মাজত সহযোগিতাৰ অভাৱে প্রতিমানহীনতাৰ দৰে পৰিস্থিতি অথবা সামাজিক মানদণ্ডহীনতাৰ সৃষ্টি কৰে, যিয়ে শেষত সমাজ পৰিপন্থী ব্যৱহাৰৰ জন্ম দিয়ে। উদাহৰণস্বৰূপে- মানুহৰ সাধাৰণতে বস্তুগত সংস্কৃতি অথবা সাফল্যৰ পিছত দৌৰাৰ এক তীব্র প্রৱণতা থাকে। কিন্তু ইয়াক অর্জন কৰাটো সকলোৰে বাবে সম্ভৱ নহয়, কিয়নো সামাজিক সংৰচনাত প্রত্যেকজনৰে স্থান বেলেগ বেলেগ হোৱাৰ বাবে উপার্জনৰ সীমাতো পার্থক্য আহে। এনে পৰিস্থিতিত বস্তুগত সাফল্যৰ বাবে কিছুমান মানুহ অন্যায়ৰ পথ গ্রহণ কৰিবলৈও প্রৰোচিত হ'ব পাৰে, যিয়ে সংস্কৃতিয়ে প্রদান কৰা আদর্শ আৰু মূল্যবোধৰ পৰা বিচ্যুত কৰিব।

৩.৩.৩ সংৰচনাত্মক প্রকার্যবাদৰ মূখ্য সমালোচনাসমূহ

আন সকলো তত্ত্বৰ দৰেই, সংৰচনাত্মক প্রকার্যবাদো সমালোচনাৰ পৰা মুক্ত নহয়। সমালোচনাসমূহক দুই প্রকাৰত ভাগ কৰিব পাৰি- (ক) বিষয়বস্তুগত সমালোচনা (খ) পদ্ধতিগত আৰু যুক্তিপূর্ণ সমালোচনা।

বিষয়বস্তুগত সমালোচনাত যুক্তি দর্শোৱা হয় যে- সংৰচনাত্মক প্রকার্যবাদ অনা-ঐতিহাসিক অর্থাৎ ই ইতিহাসৰ সৈতে জড়িত নহয়। দ্বিতীয়তে, বর্তমানৰ সামাজিক পৰিৱর্তনৰ সৈতে মোকাবিলা কৰিবলৈ অসমর্থ হোৱাৰ বাবে ইয়াক সমালোচনা কৰা হয়। সর্বশেষত, সমাজৰ ভিতৰত হৈ থকা সংঘর্ষসমূহক নির্মূল কৰিবলৈ সক্ষম নোহোৱাৰ বাবে সংৰচনাত্মক প্রকার্যবাদক সমালোচনা কৰা হয়। সংৰচনাত্মক প্রকার্যবাদৰ ইতিহাস, পৰিৱর্তন আৰু সংঘাতক অৱজ্ঞা কৰি সংস্কৃতি, নীতি-নিয়ম, মূল্যবোধ আদিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ এক প্রৱণতা আছে। লগতে এই সমালোচনাও কৰা হয় যে যিহেতু সংৰচনাত্মক প্রকার্যবাদ সমাজৰ বহুতো গুৰুত্বপূর্ণ দিশত মোকাবিলা কৰাত ব্যর্থ, সেয়েহে নিজকে এটা ঠেক পৰিসীমাৰ ভিতৰতে সীমাৱদ্ধ কৰি ৰাখে।

পদ্ধতিগত আৰু যুক্তিপূর্ণ সমালোচনাৰ অধীনত কোৱা হয় যে, সংৰচনাত্মক প্রকার্যবাদ এটা অস্পষ্ট আৰু দ্ব্যর্থক তত্ত্ব, যিয়ে সমাজৰ প্রকৃত দিশবোৰৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি সমাজ ব্যৱস্থাৰ কিছুমান বিমূর্ত ধাৰণাৰ বিষয়েহে আলোচনা কৰে। ইয়াৰ বিৰুদ্ধে থকা দ্বিতীয় এটা সমালোচনা হৈছে কেৱল এটা তত্ত্ব বা কিছু নির্দিষ্ট তত্ত্বই সমাজৰ বিশ্লেষণ কৰাত সহায় কৰিব পাৰে বুলি থকা ইয়াৰ বিশ্বাস। কিন্তু প্রকৃততে সমাজৰ বিভিন্ন দিশ বা সমস্যাবোৰক কেৱল এটা তত্ত্বৰে নির্ণয় কৰাটো অত্যন্ত কঠিন। অন্য এটা সমালোচনা হৈছে, সমাজৰ এটা অংশৰ সৈতে সম্পর্কিত আন এটা অংশ বা

সমগ্র সমাজখনৰ অধ্যয়নৰ লগত জড়িত প্রশ্নসমূহ অধ্যয়ন কৰিবৰ বাবে পর্যাপ্ত পদ্ধতিৰ উপলব্ধতা আছেনে। শেষৰটো পদ্ধতিগত সমালোচনা হৈছে, সমাজৰ অংশসমূহৰ মাজত তুলনামূলক অধ্যয়ন কৰাটো সংৰচনাত্মক প্রকার্যবাদত যথেষ্ট কঠিন।

৩.৩.৪ নব্য প্রকার্যবাদ

১৯৬০ দশকৰ মাজভাগলৈ সংৰচনাত্মক প্রকার্যবাদৰ গুৰুত্ব হ্রাস পোৱাৰ লগে লগে সংৰচনাত্মক প্রকার্যবাদক অব্যাহত ৰাখিবলৈ আৰু সম্প্রসাৰণ কৰিবলৈ প্রকার্যবাদৰ সমস্যাসমূহ নোহোৱা কৰি নব্য প্রকার্যবাদ নামৰ এটা নতুন তত্ত্ব গ্রহণ কৰা হয়। জেফ্রী আলেকজেণ্ডাৰ আৰু পল কলমীয়ে নব্য প্রকার্যবাদক "প্রকার্যবাদী তত্ত্বৰ এটা আত্ম-সমালোচনাত্মক ধাৰা হিচাপে সংজ্ঞাৱদ্ধ কৰিছে, যিয়ে প্রকার্যবাদৰ তাত্ত্বিক মূল্য অব্যাহত ৰাখি বৌদ্ধিক পৰিসৰ সম্প্রসাৰণ কৰিছে।" তেওঁলোকে সংৰচনাত্মক প্রকার্যবাদক এটা সংকীর্ণ তত্ত্ব হিচাপে গণ্য কৰিছে আৰু ইয়াক এটা সর্বাত্মক তত্ত্বলৈ ৰূপান্তৰিত কৰাৰ চেষ্টা কৰিছে।

সামাজিক জগতখনৰ সংস্কৃতি, সামাজিক আৰু ব্যক্তিত্ব ব্যৱস্থাৰ মাজত থকা আন্তঃসম্পর্কৰ প্রতি টালকট পার্ছন্স আগ্রহী আছিল। কিন্তু অন্য ব্যৱস্থাসমূহৰ নির্ধাৰণকাৰী ক্ষেত্র হিচাপে সাংস্কৃতিক ব্যৱস্থাত অধিক গুৰুত্ব দি পার্ছনে নিজৰ দৃষ্টিভংগীৰ পৰিসৰ সংকুচিত কৰি তুলিলে। যিয়ে নব্য প্রকার্যবাদক এক সংশোধিত আৰু সর্বাত্মক তত্ত্ব হিচাপে আত্মপ্রকাশ কৰিবলৈ বাট মুকলি কৰি দিলে। আলেকজেণ্ডাৰে যুক্তি দিছিল যে, সংৰচনাত্মক প্রকার্যবাদৰ 'ব্যক্তিবাদ বিৰোধী', 'পৰিৱর্তনৰ পৰিপন্থী', 'আদর্শবাদ' আৰু 'ব্যৱহাৰিকতা বিৰোধী পক্ষপাতিত্ব' আদি সমস্যা আছিল, যিবোৰ নব্য প্রকার্যবাদে অতিক্রম কৰাটো প্রয়োজন। আলেকজেণ্ডাৰে উল্লেখ কৰা নব্য প্রকার্যবাদৰ কেইটামান মৌলিক দিশ বা প্রৱণতা তলত দিয়া হৈছেঃ

- সমাজৰ এক বর্ণনাত্মক আর্হিৰে কাম কৰা নব্য প্রকার্যবাদ এটা নমনীয় আৰু বহুত্ববাদী তত্ত্ব যিয়ে সমাজখনক এক বিভিন্ন উপাদানৰ এক সমূহ হিচাপে গণ্য কৰে, সেই উপাদানবোৰে যেতিয়া সমাজৰ অন্য উপাদানসমূহৰ সৈতে ভাৱ-বিনিময় কৰে তেতিয়া এটা আর্হিৰ গঠন কৰে।
- আলেকজেণ্ডাৰৰ যুক্তিত, নব্য প্রকার্যবাদে আচৰণ আৰু শৃংখলাৰ প্রতি আৰু যুক্তি নির্ভৰ আৰু অভিব্যক্তিপূর্ণ কার্য দুয়োটাৰে প্রতি বহল পৰিসৰত গুৰুত্ব দিয়ে। সংৰচনাত্মক প্রকার্যবাদ যিয়ে সমাজ শৃংখলাৰ কেৱল বহল পৰিসৰৰ পর্যায়তহে গুৰুত্ব দিয়ে, তাৰ বিপৰীতে নব্য প্রকার্যবাদে সমাজৰ বহল পৰিসৰ আৰু ক্ষুদ্র পৰিসৰ দুয়োটা শৃংখলাৰ প্রতিয়েই মনোযোগ দিয়ে।
- নব্য প্রকার্যবাদে সমাজ বিচ্যুত আচৰণ আৰু সামাজিক নিয়ন্ত্রণক সামাজিক ব্যৱস্থাৰ বাস্তৱ হিচাপে স্বীকাৰ কৰিছে। সমাজৰ আংশিক আৰু গতিশীল

ভাৰসাম্যৰ দুয়োটা ধাৰণাকে নব্য প্রকার্যবাদৰ কেন্দ্রবিন্দুত ৰখা হৈছে আৰু তেওঁলোকে ভাৰসাম্যক জনজীৱনৰ সৈতে জড়িত বর্ণনাত্মক আৰ্হি হিচাপে নহয়, কার্য্যকৰী বিশ্লেষণৰ বাবে এটা প্রসংগ বিন্দু হিচাপেহে গ্রহণ কৰে।

- নব্য প্রকার্যবাদে পার্ছনৰ ব্যক্তিত্ব, সংস্কৃতি আৰু সামাজিক ব্যৱস্থাৰ ধাৰণাক বিবেচনা কৰে। তদুপৰি, সমাজত প্রৱেশ কৰি এই ব্যৱস্থাসমূহে কেনেকৈ সমস্যাৰ সৃষ্টি কৰে, যাৰ বাবে পৰিৱর্তন আৰু শৃংখলা দুয়োটাৰে প্রয়োজন হ'ব, সেই বিষয়েও ব্যাখ্যা কৰে।
- নব্য প্রকার্যবাদে সামাজিক, সাংস্কৃতিক আৰু ব্যক্তিত্ব ব্যৱস্থাৰ ভিতৰত পৃথকীকৰণ প্রক্রিয়াৰ সময়ত ঘটা সামাজিক পৰিৱর্তনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।
- শেষত আলেকজেণ্ডাৰে যুক্তি দিছে যে নব্য প্রকার্যবাদ সমাজতাত্ত্বিক বিশ্লেষণৰ অন্যান্য স্তৰৰ পৰাও ধাৰণা আৰু তত্ত্ব নির্মাণৰ স্বাধীনতাৰ প্রতি দায়বদ্ধ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংৰচনাত্মক প্রকার্যবাদৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ ঃ AGIL ৰ অর্থ কি?

.....

.....

প্রশ্ন নং ৩ ঃ চাৰিটা ক্রিয়া ব্যৱস্থা লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ সংৰচনাত্মক প্রকার্যবাদৰ সমালোচনাৰ দুয়োটা প্রকাৰ উল্লেখ কৰক।

.....

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তত্ত্ব হিচাপে সংৰচনাত্মক প্রকার্যবাদে সমগ্র সমাজখন গঠন কৰা বিভিন্ন আন্তঃসংযোগী উপাদান সমূহক অধ্যয়ন কৰে।
- সমাজ এখন কার্যক্ষম হৈ থাকিবলৈ, চাৰিটা মুখ্য কার্যকলাপ কৰিব লাগে। সেয়া হৈছে -

অভিযোজন, লক্ষ্যপ্রাপ্তি, একত্রীকৰণ, নিৰবিচ্ছিন্নতা।

- AGIL আৰ্হিৰ আধাৰত ব্যক্তিৰ লক্ষ্য প্ৰাপ্তিৰ বাবে প্ৰৰোচিত কৰিবলৈ কার্য ব্যৱস্থাৰ প্রয়োজন। সেই চাৰিটা কার্য্যকৰী ব্যৱস্থা হৈছে ৰহাৰিক ব্যৱস্থা, ব্যক্তিত্ব ব্যৱস্থা, সামাজিক ব্যৱস্থা আৰু সাংস্কৃতিক ব্যৱস্থা।
- AGIL ব্যৱস্থাৰ ভিতৰত ব্যক্তিৰ প্রয়োজন সমূহ পূৰণত সহায় কৰিবলৈ এটা উপব্যৱস্থা আছে। ইয়াৰ ভিতৰত অর্থনীতি, ৰাজনীতি, সামাজিক ব্যৱস্থা আৰু মূল্য নির্ভৰশীল ব্যৱস্থা অন্যতম।
- সমাজৰ এই অধ্যয়নত ৰবার্ট কে. মার্টনে নৃতত্ত্ববিদে আগবঢ়োৱা কার্যকৰী প্রস্তাৱনা যেনে সমাজৰ কার্যকৰী সংহতি, সার্বজনীন কার্যকৰীতা আৰু অপৰিহার্যতাক নাকচ কৰিছিল।
- সংস্কৃতি, গঠন আৰু সমাজ বিভাজনৰ মাজৰ সম্পর্ক আৰু এই ক্ষেত্রসমূহে কঢ়িয়াই অনা পৰিৱর্তনসমূহৰ ওপৰত মার্টনে গুৰুত্ব আৰোপ কৰিছে।
- সংৰচনাত্মক প্রকার্যবাদক পক্ষপাতিত্ব কৰাৰ অভিযুক্ত কৰা হয় , যিয়ে সংস্কৃতি, নীতি-নিয়ম আৰু মূল্যবোধ আদিৰ ওপৰত গুৰুত্ব দিয়াৰ বিপৰীতে ইতিহাস, পৰিৱর্তন আৰু সংঘাতক উপেক্ষা কৰে।
- তত্ব হিচাপে নব্য প্রকার্যবাদে প্রকার্যবাদৰ মূল তাত্ত্বিক মূল্যক অটুত ৰাখি এটা বহল পৰিসৰৰ ধাৰণা হিচাপে গঢ় দিব চেষ্টা কৰে।



৩.৫ অধিক জানিবলৈ

1) Ritzer, George, and Goodman, Douglas J. (2003). *Sociological Theory*. Mc Graw-Hill.



৩.৬ অগ্রগতিৰ খতিয়ান (কেৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ সংৰচনাত্মক প্রকার্যবাদ হৈছে এটা সমাজতাত্ত্বিক তত্ত্ব যিয়ে সমাজখনক আন্তঃসম্পর্কিত অংশৰে গঠিত এটা সামগ্রীক ব্যৱস্থাৰ গাঁথনি হিচাপে গণ্য কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ AGILৰ অর্থ হৈছে— অভিযোজন (A), লক্ষ্যপ্রাপ্তি (G), একত্রীকৰণ (I) আৰু নিৰবিচ্ছিন্নতা (L)।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক্রিয়াত্মক ব্যৱস্থাৰ চাৰিটা ভাগ হৈছে— ব্যৱহাৰিক ব্যৱস্থা, ব্যক্তিত্ব ব্যৱস্থা, সামাজিক ব্যৱস্থা আৰু সাংস্কৃতিক ব্যৱস্থা।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিষয়বস্তুগত সমালোচনা, পদ্ধতিগত আৰু যুক্তিপূর্ণ সমালোচনা।



৩.৭ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ স্তৰীকৰণৰ প্ৰকার্যবাদী তত্ত্ব সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ ৰ'চাৰৰ কার্যকলাপৰ সংজ্ঞাটো লিখা আৰু AGIL ব্যৱস্থাটো বৰ্ণনা কৰক।

(খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ ৰ'বার্ট কে. মার্টনৰ সমাজৰ পদ্ধতিগত দৃষ্টিভংগী ব্যখ্যা কৰা।

প্ৰশ্ন ২ ঃ নব্য প্ৰকার্যবাদৰ সৈতে জড়িত ব্যক্তি দুজন কোন কোন। জেফ্ৰী আলেকজেণ্ডাৰে আগবঢ়োৱা মৌলিক দিশসমূহ আলোচনা কৰক।

*** ***** ****

অধ্যায় ৪ ঃ সংৰচনাত্মকবাদ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ আধিভৌতিক ধাৰণা হিচাপে সংৰচনাত্মকবাদ
৪.৪ পদ্ধতি হিচাপে সংৰচনাত্মকবাদ
৪.৫ এ. আৰ. ৰেডক্লিফ ব্রাউনৰ সংৰচনাত্মক পদ্ধতি
৪.৬ লেভি ষ্ট্রাউছৰ সংৰচনাত্মকবাদ দৃষ্টিভংগী
৫.৭ সংৰচনাত্মকবাদৰ সমালোচনা
৪.৮ উত্তৰ সংৰচনাত্মকবাদ
৪.৯ গঠন প্রণালী তত্ত্ব
৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১১ অধিক জানিবলৈ
৪.১২ অগ্রগতিৰ খতিয়ান
৪.১৩ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টিৰ জৰিয়তে আপুনি —

- সংৰচনাত্মকবাদক এক আধিভৌতিক ধাৰণা হিচাপে আৰু বিশ্লেষণৰ এক পদ্ধতি হিচাপে বুজিব পাৰিব।
- সংৰচনাত্মক দৃষ্টিভংগী বিকাশৰ ক্ষেত্রত লেভি ষ্ট্রাউছৰ অৱদানৰ বিষয়ে জানিব পাৰিব।
- সংৰচনাত্মকবাদৰ ক্ষেত্রত ৰেডক্লিফ ব্রাউনৰ অৱদানৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- সংৰচনাত্মকবাদৰ অসুবিধাসমূহ, উত্তৰ-সংৰচনাত্মকবাদৰ উৎপত্তি আৰু গিডেনছ্ৰ গঠন প্রণালী তত্ত্বৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

১৯৬০ দশকৰ সময়ছোৱাত ফ্রান্সত এক জনপ্রিয় বৌদ্ধিক আলোচনা হিচাপে সংৰচনাত্মকবাদৰ উত্থান ঘটিছিল আৰু ই মার্ক্সবাদ, প্রপঞ্চতত্ত্ব তথা অস্তিত্ববাদৰ দৰে সমসাময়িক প্রভাৱশালী তত্ত্বসমূহক অতিক্রম কৰিছিল। আমি ইয়াত বিংশ শতিকাৰ আৰম্ভণিৰ এজন চুইজাৰলেণ্ডৰ ভাষাবিদ ফার্ডিনাণ্ড ডি. ছ'ছুৰেৰ বিষয়ে উল্লেখ কৰিব লাগিব যাক এই পদ্ধতিটোৰ প্রতিষ্ঠাপক পিতৃ ৰূপে অভিহিত কৰা হয়। সংৰচনাত্মক ভাষাবিজ্ঞান আৰু বিশেষকৈ অন্য বিভিন্ন ক্ষেত্রত সংৰচনাত্মকবাদৰ বিকাশত তেখেতৰ কর্মৰাজিয়ে এক নিদর্শনৰূপে থিয় দিছে।

সংৰচনাত্মকবাদীসকলে সংৰচনাত্মক ভাষিক ধাৰণাসমূহক মানৱ বিজ্ঞানত প্ৰয়োগ কৰিছিল। ফৰাচী নৃতত্ববিদ লেভি ষ্ট্ৰাউছে সমাজতত্ববিদ ছ'ছুৰেৰ ভাষিক কৰ্মৰাজিক কিছু নৃতাত্বিক বিষয় যেনে আদিম সমাজৰ পৌৰাণিক বা কাল্পনিক কথালৈকে সম্প্ৰসাৰিত কৰিছে। ইয়াৰোপৰি তেখেতে সকলোধৰণৰ যোগাযোগৰ ক্ষেত্ৰতো সংৰচনাত্মকবাদক প্ৰয়োগ কৰিছে। ফ্ৰান্সত যথেষ্ট সমাদৰ লাভ কৰা সংৰচনাত্মকবাদৰ আন এক ভাগ আছিল সংৰচনাত্মকবাদী মাৰ্ক্সবাদ, বিশেষকৈ লুই আলথাছাৰ আৰু নিকোছ প'লান্টাজ তথা মৰিছ গ'ডেলিয়াৰৰ কৰ্মৰাজি। পূৰ্বৰ অধ্যায়টোত আমি সমাজতত্ত্বৰ সংৰচনাত্মক প্ৰকাৰ্যবাদী দৃষ্টিভংগী, ইয়াৰ সীমাবদ্ধতা আৰু লগতে নব্য প্ৰকাৰ্যবাদৰ উত্থানৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি সংৰচনাত্মকবাদৰ প্ৰকৃতি, অন্য গুৰুত্বপূৰ্ণ সমাজতাত্বিক দৃষ্টিভংগী আৰু ফার্ডিনেণ্ড ডি ছ'ছুৰেৰ অৱদানৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম। তদুপৰি ৰেডক্লিফ ব্ৰাউন আৰু লেভি ষ্ট্ৰাউছৰ সংৰচনাত্মকবাদৰ পদ্ধতিৰ বিষয়েও বিশদ আলোচনা কৰা হ'ব।

৪.৩ আধিভৌতিক ধাৰণা হিচাপে সংৰচনাত্মকবাদ

আমি জানো যে আধিভৌতিক শব্দটোৱে এনে এক সত্বাক বুজায়, যিটো পদাৰ্থ বিজ্ঞান বা ভৌতিক বিজ্ঞানৰ অস্তিত্বৰ বাহিৰত। অন্য অৰ্থত ই এনেকুৱা কিবা এটাক বুজায়, যি বিৰ্মূত। আৰু আমি যদি সংৰচনাত্মকবাদলৈ দৃষ্টি নিয়োগ কৰো তেন্তে দেখিম যে — ই এটা অৰ্ন্তনিহিত সংৰচনাৰ কথাও কয়, যিটো আমি দেখা নাপাওঁ, অথচ যিয়ে এটা পৰিঘটনাৰ সৃষ্টিৰ লগতে যুক্তি বিচাৰি উলিয়াবলৈ যত্ন কৰে। গতিকে সংৰচনাত্মকবাদ হৈছে এক আধিভৌতিক ধাৰণা যিটো সংৰচনাত্মকবাদৰ ওপৰত পৰৱৰ্তী আলোচনাৰ মাধ্যমেৰে স্পষ্ট হৈ পৰিব।

সাধাৰণ ভাষাত সমাজতত্ত্বত সংৰচনাত্মকবাদ শব্দটো শিথিলভাৱে ব্যৱহাৰ কৰা হয়, যিয়ে সামাজিক সংৰচনাক সামাজিক ক্ৰিয়াতকৈ বেছি অগ্ৰাধিকাৰ দিয়ে, বা সমাজখনক ব্যক্তিৰ পূৰ্বৰ বুলি গণ্য কৰে। বিশেষভাৱে ই এক তাত্ত্বিক দৃষ্টিভংগীক বুজায়, যিটো ১৯৬০ আৰু ১৯৭০ চনক সময়ছোৱাত জনপ্ৰিয় হৈ পৰিছিল। ই হৈছে অনুসন্ধানৰ এক পদ্ধতি বা আন কিছু সূত্ৰত বিজ্ঞানৰ অধিক সাধাৰণ দৰ্শন, যাৰ বাস্তৱবাদৰ সৈতে ঘনিষ্ঠতা আছে আৰু যিয়ে প্ৰত্যক্ষবাদ আৰু অভিজ্ঞতাবাদৰ স্থিতিৰ প্ৰতিদ্বন্দিতা কৰিছিল। ই ভাষিকতাৰ পৰা সাহিত্য সমালোচনা, সাহিত্যৰ সমাজতত্ত্ব, নৃতত্ব আৰু অন্য সমাজবিজ্ঞানসমূহলৈ প্ৰসাৰিত হৈছিল। প্ৰাথমিক সংৰচনাত্মক কৌশল হৈছে ভাষাকসকলো বাস্তৱতাৰ আৰ্হি স্বৰূপে গণ্য কৰা। সমাজতত্ত্ববিদ কলিন্সে কৈছিল যে — আমাৰ শব্দই প্ৰদান কৰা লেন্সৰ জৰিয়তে আমি দেখা পোৱাবোৰেই কেৱলমাত্ৰ বাস্তৱ নহয়। ই হ'ব এক বিষয়ভিত্তিক ধৰণৰ বাস্তৱবাদ। তাৰ পৰিৱৰ্তে সংৰচনাত্মকবাদীসকলে প্ৰস্তাৱ দিয়ে যে — বাস্তৱতা হৈছে নিজেই এটা ভাষা, যাৰ অৰ্ন্তনিহিত সংৰচনাৰ অৰ্থোদ্ধাৰ কৰাটো আমাৰ কৰ্তব্য। বাস্তৱতা বস্তুনিষ্ঠহে, বিষয়ভিত্তিক নহয় আৰু কিছুমান সংৰচনাত্মকবিদে ইমান দূৰলৈ যায় যে তেওঁলোকক "মানৱবিৰোধী" আৰু "বিষয়বিহীন দৰ্শন" ৰ অনুশীলনকাৰী হিচাপে

ঘোষণা কৰে। অর্থাৎ, বাস্তৱতা হৈছে পাঠ যাক আমি পঢ়িব পাৰো। সংৰচনাত্মকবিদসকলে আঙুলিয়াই দিছে যে — অন্তর্নিহিত সংৰচনাসমূহ ব্যক্তি স্তৰৰ বাহিৰত, যি আমাৰ ব্যক্তিগত মানৱ চেতনা বিশ্লেষণৰ চূড়ান্ত স্তৰ নহয়, বৰঞ্চ ই গভীৰ সংৰচনাৰ উৎপাদন অভিজ্ঞতাভিত্তিক "পেৰ'ল"ৰ স্তৰত আছে। আমাৰ ব্যক্তিগত মনবোৰ পৃষ্ঠভাগতহে থাকে গভীৰতাত নহয়। সংৰচনাত্মকবাদে আমাক এই উপৰুৱা স্তৰতে ৰৈ যোৱাৰ পৰা সতর্ক কৰি দিয়ে আৰু ইয়াৰ উৎপত্তি হোৱা সংৰচনাক অঠিধক মৌলিক স্তৰলৈ ঠেলি দিয়াৰ পোষকতা কৰে।

এই পদ্ধতিটোৰ মূল ধাৰণাটো হ'ল যে — বাস্তৱতাৰ সৈতে সততে উঠা নমা কৰা আৰু পৰিৱর্তিত ৰূপৰ পৰা অন্তর্নিহিত সংৰচনাসমূহক পৃথক কৰিব পাৰো। আকৌ লেভি ষ্ট্রাউচ আৰু চেমিঅ'টিক্সৰ বাবে এই অর্ন্তনিহিত সংৰচনাবোৰ মনৰ শ্রেণী, যাৰ আধাৰত আমি আমাৰ চৌপাশৰ জগতখনক সংগঠিত কৰোঁ। আমি ইতিমধ্যে উল্লেখ কৰিছো যে — সংৰচনাত্মকবিদসকলে মানৱ বিজ্ঞানত সংৰচনাত্মক ভাষিকতা প্রয়োগ কৰিছিল। অধিক স্পষ্টভাৱে বুজিবলৈ সংৰচনাত্মক ভাষাবিজ্ঞানৰ বিষয়ে আলোচনা কৰাৰ প্রয়োজনীয়তা আছে। সংৰচনাত্মকবাদৰ সকলো আধুনিক সমর্থকেই ফার্ডিনেণ্ড ডি ছ'ছুৰেৰ প্রতি আনুগত্যশীল। তেখেতৰ ভাষা আৰু পেৰ'লৰ মাজৰ পার্থক্য অতি গুৰুত্বপূর্ণ। ভাষা হৈছে এক আনুষ্ঠানিক আৰু ব্যাকৰণগত ব্যৱস্থা। পেৰ'ল হৈছে — প্রকৃত বক্তব্য, বক্তাসকলে ভাষা ব্যৱহাৰ কৰাৰ ধৰণ। ছ'ছুৰে ভাষাক চিহ্নৰ এক ব্যৱস্থা হিচাপে প্রত্যক্ষ কৰিছিল, যাৰ এটা সংৰচনা আছে আৰু প্রতিটো চিহ্নৰ অর্থ আনৰ সৈতে থকা সম্পর্কৰ দ্বাৰা উৎপন্ন হয়। ইয়াত পার্থক্যৰ সম্পর্ক, বিশেষকৈ দ্বৈত বিৰোধীৰ সম্পর্ক গুৰুত্বপূর্ণ। ক'লা শব্দটোৰ অর্থ শব্দটোৰ অর্ন্তনিহিত বৈশিষ্ট্যসমূহৰ পৰা নহয় বৰঞ্চ শব্দটোৰ দ্বৈত বিপৰীত বগাৰ সৈতে থকা সম্পর্কৰ পৰাহে আহিছে। ভাষা আৰু চিহ্নৰ ব্যৱস্থাটোক সমকালীনভাৱে বর্ণনা কৰিব পৰা গ'লহেতেন। সমকালীন পদ্ধতিয়ে সময়ৰ উল্লেখ নকৰাকৈ এটা বিশেষ অৱস্থাত থকা ভাষিক ব্যৱস্থা এটাক সাঙুৰি লয়।

সমাজতত্ত্ববিদ ছ'ছুৰেৰ মতে ভাষাৰ মূল একক হৈছে চিহ্ন, যি চিহ্নিতকাৰী (এটা স্পষ্ট চিত্র বা ইয়াৰ চিত্রিত সমকক্ষ) আৰু চিহ্নিতৰে (ধাৰণা) গঠিত হয়। উদাহৰণস্বৰূপে এটা শব্দ G-R-A-P-E আখৰেৰে গঠিত, যিয়ে বক্তাৰ মনত লগত গজি উঠা এক প্রকাৰৰ ফলৰ ধাৰণা (চিহ্নিত) উৎপন্ন কৰি চিহ্নিতকাৰী হিচাপে কাম কৰে, অর্থাৎ আঙুৰ। ছ'ছুৰেৰ মতে এটা চিহ্নিতকাৰী আৰু চিহ্নিতৰ মাজৰ সম্পর্ক ইচ্ছাকৃত কাৰণ এই বিশেষ চিহ্নিত বা গ্রাফিক মার্কটোৱে (G-R-A-P-E) যে আঙুৰৰ ধাৰণাটোৱেই বুজাব লাগে তাক কোনো নিৰপেক্ষ কাৰণ নাই। চিহ্নিতকাৰী আৰু চিহ্নিতৰ মাজত কোনো স্বাভাৱিক সংযোগ বা সাদৃশ্য নাই। অর্থ, মন আৰু সামাজিক জগতখন ভাষাৰ সংৰচনাৰ দ্বাৰা গঢ় লৈ উঠে। এনেদৰে মানুহৰ চৌপাশ গঢ় দিয়া অস্তিত্ববাদী জগতখনৰ পৰিৱর্তে আমাৰ এনে এখন পৃথিৱী আছে য'ত মানুহৰ লগতে সামাজিক জগতখনৰ অন্যান্য দিশবোৰো ভাষাৰ সংৰচনাৰ দ্বাৰা গঢ় লৈ উঠে।

ন'ৱাম চ'মস্কিয়ে সংৰচনাত্মক তত্ত্বত আন এটা অৱদান আগবঢ়াইছে, যি ভাষাবিজ্ঞানত অতি গুৰুত্বপূর্ণ। তেখেতে পৃষ্ঠৰ সংৰচনা আৰু গভীৰ সংৰচনাৰ মাজৰ পার্থক্যৰ দিশলৈ আঙুলিয়াই

দিছিল। এটা পৃষ্ঠৰ সংৰচনা শব্দ আৰু শুনি পোৱা শব্দৰ সমষ্টিৰে গঠন হয়, যিবোৰ আমি স্পষ্টভাৱে বাক্যৰ ৰূপত শুনো। দুটা বাক্যৰ পৃষ্ঠ স্তৰত একে সংৰচনা হ'ব পাৰে, তথাপি বাক্য দুটাৰ অর্থ বেলেগ হ'ব কিয়নো ইহঁতৰ গভীৰ সংৰচনাসমূহ পৃথক পৃথক।

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে — সংৰচনাত্মকবাদ সদায় কিছুমান পূর্ব ধাৰণাৰে আৰম্ভ হয়। ই পৃথিৱীখনক প্রথমে ধাৰণাসমূহৰ এক উৎপাদন হিচাপে গণ্য কৰে আৰু দ্বিতীয়তে পৃথিৱীখনক এক যুক্তিসংগত আর্হি ৰূপে গণ্য কৰে। সংৰচনাত্মকবিদসকলে সংৰচনাত্মকবাদক যুক্তিৰ উল্লেখৰ দ্বাৰা ব্যাখ্যা কৰে। শেষত ই "এটা বিষয়ৰ মৃত্যু" কথা কৈছে। বিষয় মানে এটা প্রতিভূ, ক্রিয়া আৰু ব্যক্তি।

৪.৪ এটা পদ্ধতি হিচাপে সংৰচনাত্মকবাদ

সংৰচনাত্মক পদ্ধতিৰ মুখ্য বৈশিষ্ট্য হ'ল যে — ই ইয়াৰ অনুসন্ধানীয় বস্তুবোৰক এটা ব্যৱস্থা হিচাপে গ্রহণ কৰে অর্থাৎ ই বিশেষীকৃত তথ্যক পৃথকে পৃথকে বিবেচনা কৰাৰ পৰিৱর্তে তথ্যৰ এটা গোটৰ মাজৰ পাৰস্পৰিক সম্পর্কক অনুসন্ধানৰ বিষয় হিচাপে লয়। সমাজতত্ত্ববিদ পিয়াজেটৰ মতে, ইয়াৰ প্রাথমিক ধাৰণাসমূহ হৈছে — সমগ্রতা, আত্ম-নিয়ন্ত্রণ আৰু ৰূপান্তৰণ, অতি সাধাৰণ অর্থত, সংৰচনাৰ ধাৰণাটোৱে তিনিটা মূল ধাৰণাক সাঙুৰি লয় —

- সংৰচনা সদায় এটা ব্যৱস্থা, যি কেতবোৰ উপাদানেৰে গঠিত য'ত উপাদানবোৰৰ ওপৰত নহয়, বৰঞ্চ ইয়াৰ গাথঁনি নিয়ন্ত্রণ কৰা নিয়মবোৰৰ ওপৰত গুৰুত্ব দিয়া হয়।
- সমগ্রতাৰ বৈশিষ্ট্য সুকীয়া বা পৃথক আৰু ইয়াৰ অংশবোৰৰ বৈশিষ্ট্যলৈ ইয়াক হ্রাস কৰিব নোৱাৰি।
- ব্যৱস্থাটো স্ব-নিয়ন্ত্রিত, অর্থাৎ ইয়াৰ ভাৰসাম্যতা বিঘ্নিত হ'লে ই সুস্থিৰ অৱস্থালৈ ঘূৰি আহিবলৈ কাম কৰে। তদুপৰি সংৰচনাসমূহক এপিজেনেটিক ৰূপতো দেখা যায়, অর্থাৎ সিহঁতৰ উৎপত্তিৰ সময়তে এইবোৰ একেদৰেই উপস্থিত থাকে, যেনেদৰে ভেকুলীৰ বৈশিষ্ট্যসমূহ লালুকী পোৱালিত নৱজাত ৰূপত থাকে।

সংৰচনাত্মক বিৱর্তনে এনে এক সর্বাংগীণ ব্যাখ্যা প্রয়োগ কৰে যিয়ে অংশ আৰু সমুদায় অনুসৰি পৰিঘটনাক ব্যাখ্যা কৰে, তদুপৰি ই এটা সংৰচনাক এটা উমৈহতীয়া ব্যৱস্থাৰ বিভিন্ন অংশসমূহৰ এক আন্তঃসম্পর্ক ৰূপে সংজ্ঞায়িত কৰিছে। সংৰচনাসমূহ নিয়মৰ অচেতন সংহিতাৰ দ্বাৰা পৰিচালিত হয়, যেনে যেতিয়া ভাষাই দ্বৈত বিপৰীতমুখীতাৰ এটা ভিন্নমূলক গোটৰ জৰিয়তে অর্থ গঠন কৰে, বা যেতিয়া পৌৰাণিক আখ্যানসমূহে নিয়ম আৰু সংহিতাৰ ব্যৱস্থা অনুসৰি খাদ্য আৰু যৌন আচৰণক প্রণালীবদ্ধ কৰে। সংৰচনাত্মক বিশ্লেষণে সেইসমূহ অন্তর্নিহিত নিয়মৰ ওপৰত গুৰুত্ব দিয়ে যিয়ে পৰিঘটনাসমূহক এটা সামাজিক ব্যৱস্থা ৰূপে সংগঠিত কৰিছিল।

সংৰচনাত্মকবাদৰ অনুশীলনকাৰীসকলে এই পদ্ধতিটোক বিভিন্ন ক্ষেত্রত প্রয়োগ কৰে। যেনে, লেভি ষ্ট্রাউছে পৌৰাণিক কথা আৰু স্বজনপদ্ধতিত, বার্থেচে সাহিত্য, বিজ্ঞাপন, অ'ট ম'বাইল আদিত, ফুকোৱে ইতিহাসত আৰু আলথুজাৰে পুঁজিবাদত।

৪.৫ এ. আৰ ৰেডক্লিফ ব্ৰাউনৰ সংৰচনাত্মকবাদ পদ্ধতি

ৰেডক্লিফ ব্ৰাউন প্ৰায়ে প্ৰকাৰ্যবাদৰ সৈতে জড়িত আৰু তেখেতক সংৰচনাত্মক প্ৰকাৰ্যবাদৰ প্ৰতিষ্ঠাপক হিচাপেও অভিহিত কৰা হয়, তথাপিও ব্ৰাউনে নিজকে এজন প্ৰকাৰ্যবাদী বুলি তীব্ৰভাৱে অস্বীকাৰ কৰিছিল। ব্ৰাউনে কৈছে যে - সামাজিক সংৰচনা অধ্যয়নত আমি যি বাস্তৱতাৰ প্ৰতি চিন্তিত হওঁ, সেয়া হৈছে এটা নিৰ্দিষ্ট সময়ৰ মুহূৰ্ততত প্ৰকৃততে বিদ্যমান সম্পৰ্কৰ গোট। এইবোৰে কিছুমান বিশেষ মানুহক একেলগে সংযোগ কৰে। সেয়েহে সামাজিক সংৰচনাক সামাজিক সংস্থাসমূহে সংজ্ঞায়িত বা নিয়ন্ত্ৰিত কৰা সম্পৰ্কৰ কাৰণসমূহৰ এক অৱধাৰিত ব্যৱস্থা হিচাপে সংজ্ঞায়িত কৰিব লাগে অৰ্থাৎ সামাজিকভাৱে প্ৰতিষ্ঠিত নীতি আৰু আচৰণৰ আৰ্হিৰে নিয়ন্ত্ৰিত কৰিব লাগে।

তেওঁ সামাজিক সংৰচনাৰ অধ্যয়নক সামাজিক নৃতত্ত্বৰ আটাইতকৈ মৌলিক অংগ ৰূপে গণ্য কৰে। তেখেতৰ মতে, প্ৰাকৃতিক বিজ্ঞান হৈছে এই বিশ্ব-ব্ৰহ্মাণ্ডৰ সংৰচনাৰ এক পদ্ধতিগত অনুসন্ধান, যি আমাৰ জ্ঞান বা অনুভৱ শক্তিৰ জৰিয়তে প্ৰকাশ পায়। ইয়াত বিজ্ঞানৰ কিছুমান গুৰুত্বপূৰ্ণ পৃথক শাখা আছে, যিবোৰৰ প্ৰত্যেকেই এটা নিৰ্দিষ্ট শ্ৰেণী বা ধৰণৰ সংৰচনাৰ বিষয়ে আলোচনা কৰে আৰু ইয়াৰ লক্ষ্য হৈছে — এই ধৰণৰ সকলো সংৰচনাৰে বৈশিষ্ট্য আৱিষ্কাৰ কৰা। উদাহৰণস্বৰূপে - পৰমাণু পদাৰ্থ বিজ্ঞানত পৰমাণুৰ সংৰচনা, ৰসায়ন বিজ্ঞান অণুৰ গঠন, স্ফটিক আৰু কলয়ডৰ সংৰচনাৰ সৈতে স্ফটিকবিজ্ঞান আৰু কলয়ড ৰসায়ন, তথা শৰীৰতত্ত্ব আৰু শৰীৰ বিজ্ঞান জীৱৰ গঠনৰ সৈতে জড়িত। তেওঁৰ মতে, প্ৰাকৃতিক বিজ্ঞানৰ এটা শাখাৰ স্থান আছে যাৰ কাৰ্য হ'ব — সেই সামাজিক সংৰচনাবোৰৰ সাধাৰণ বৈশিষ্ট্যক আৱিষ্কাৰ কৰা, যাৰ উপাদানৰ এককবোৰ হ'ল — মানুহ। ব্ৰাউনৰ বাবে সামাজিক নৃতত্ত্ব হৈছে — 'মানৱ সমাজৰ তাত্ত্বিক প্ৰাকৃতিক বিজ্ঞান'। অৰ্থাৎ, প্ৰাকৃতিক বিজ্ঞান বা জৈৱিক বিজ্ঞানত ব্যৱহাৰ কৰা পদ্ধতিৰ দৰেই সামাজিক পৰিঘটনাৰ অনুসন্ধানতো সেইবোৰ পদ্ধতি প্ৰযোগ কৰিব লাগে।

সামাজিক পৰিঘটনাই প্ৰাকৃতিক পৰিঘটনাৰ এক পৃথক শ্ৰেণী গঠন কৰে। এইবোৰ কেনেবাকৈ সামাজিক সংৰচনাৰ অস্তিত্বৰ সৈতে জড়িত হৈ আছে, হয়তো এই সংৰচনাৰ মাজত নিহিত হৈ থাকে অথবা তাৰেই ফলশ্ৰুতিত দেখা যায়। সামাজিক সংৰচনা জীৱসত্ত্বাসমূহৰ দৰেই এক বাস্তৱ। এটা জটিল জীৱসত্ত্বা হৈছে — জীৱিত কোষ আৰু এটা নিৰ্দিষ্ট গঠনত সজ্জিত অন্তৰ্ৱৰ্তী তৰল পদাৰ্থৰ সমষ্টি, আৰু একেদৰে এটা জীৱিত কোষ হৈছে জটিল অণুৰ সংৰচনাত্মক ব্যৱস্থা। জীৱৰ জীৱনত আমি যিবোৰ শাৰীৰিক আৰু মানসিক পৰিঘটনা পৰ্যবেক্ষণ কৰো, সেইবোৰ জীৱটোৰ গঠনকাৰী অণু বা পৰমাণুৰ প্ৰকৃতিৰ ফল নহয়, বৰঞ্চ ইহঁত সংৰচনাৰ ফল য'ত ইহঁত একত্ৰিত হৈ থাকে। গতিকে আমি যিকোনো সমাজত দেখা পোৱা সামাজিক পৰিঘটনাসমূহো মানুহৰ ব্যক্তিগত স্বভাৱৰ তাৎক্ষণিক ফল নহয়, বৰঞ্চ তেওঁলোক একত্ৰিত হোৱা সামাজিক সংৰচনাৰ ফল।

দুজন ব্যক্তিৰ মাজত থকা সামাজিক সম্পৰ্ক কেৱল সামাজিক সম্পৰ্কৰ এক বহল

নেটৰ্ৰকৰ অংশ হিচাপেহে বিদ্যমান, য'ত আন বহুতো ব্যক্তি জড়িত হৈ থাকে বা আন কথাত ক'বলৈ গ'লে আমি ক'ব পাৰো যে — এজন ব্যক্তি হিচাপে মানুহ সামাজিক সম্পৰ্কৰে এক মিশ্রণ, যিটো অনুসন্ধানৰ বস্তু বা সমাজতাত্ত্বিক আৰু নৃতত্ত্ববিদৰ বাবে অধ্যয়নৰ একক।

আকৌ ইয়াত উল্লেখ কৰাটো প্রয়োজন যে — সামাজিক সংৰচনা শব্দটো কেইবাটাও ভিন্ন ধৰণে ব্যৱহৃত হয়। কিছুমান নৃতত্ত্ববিদে এই শব্দটো কেৱল ৰাষ্ট্র, জাতি, জনজাতি আৰু বংশৰ দৰে স্থায়ী সামাজিক গোটক বুজাবলৈ ব্যৱহাৰ কৰে, যিবোৰে সদস্যতাৰ পৰিৱর্তন হ'লেও ব্যক্তিগত সমূহ হিচাপে নিজৰ ধাৰাবাহিকতা আৰু নিজৰ পৰিচয় বর্তাই ৰাখে। ড° ইভান্স প্রিটচার্ডে শেহতীয়াকৈ নুৰেৰৰ সম্পর্কত ৰচনা কৰা গ্রন্থখনত সামাজিক সংৰচনা শব্দটো এই অর্থত ব্যৱহাৰ কৰাটো পচন্দ কৰিছে। নিশ্চিতভাৱে এনে স্থায়ী সামাজিক সমূহৰ অস্তিত্ব সংৰচনাৰ এক অত্যন্ত গুৰুত্বপূর্ণ দিশ। কিন্তু ব্রাউনে সামাজিক সংৰচনা শব্দটোৰ অধীনত তলত উল্লেখ কৰা দুটা দিশ অর্ন্তভুক্ত কৰাটো অধিক উপযোগী বুলি বিবেচনা কৰেঃ

- ব্যক্তিৰ পৰা ব্যক্তিলৈ হোৱা সকলো সামাজিক সম্পর্কই সামাজিক সংৰচনাৰ এটা অংশ। উদাহৰণস্বৰূপে — যিকোনো সমাজৰ স্বজন পদ্ধতি এনে কেইবাটাও যুগ্ম বা দ্বৈত সম্পর্কৰে গঠিত। যেনে — পিতৃ আৰু পুত্রৰ মাজত, বা মাকৰ ভায়েক আৰু তেওঁৰ বায়েকৰ পুত্রৰ মাজত। অষ্ট্রেলিয়াৰ এটা জনগোষ্ঠীৰ সমগ্র সামাজিক সংৰচনাটো ব্যক্তিৰ পৰা ব্যক্তিলৈ হোৱা এনে সম্পর্কৰ নেটৰ্ৰকৰ ওপৰত ভিত্তি কৰিয়েই গঢ় লৈ উঠা যিটো বংশাৱলীৰ সংযোগৰ জৰিয়তে প্রতিষ্ঠা হয়।
- ব্যক্তি আৰু শ্রেণীৰ সামাজিক ভূমিকা অনুসৰি পৃথকীকৰণ। পুৰুষ আৰু মহিলা, মুখিয়াল আৰু সাধাৰণ মানুহ, নিয়োগকর্তা আৰু কর্মচাৰীৰ ভিন্ন সামাজিক অৱস্থানবোৰ সামাজিক সম্বন্ধৰ নির্ণায়ক, যিবোৰ বিভিন্ন ৰাষ্ট্র আৰু বিভিন্ন গোষ্ঠীৰ মাজত অন্তর্ভুক্ত।

ব্রাউনে বিবেচনা কৰিছিল যে সামাজিক সংৰচনা হৈছে — এটা সুনির্দিষ্ট বাস্তৱতা যিয়ে এক নির্দিষ্ট সময়ত প্রকৃততে বিদ্যমান সম্পর্কৰ এটা গোটক সামৰি লয় আৰু যিয়ে কিছুমান বিশেষ মানুহক একেলগে সংযোগ কৰে। জীৱ এটাৰ গোটেই জীৱনকালত ইয়াৰ গঠন অহৰহ নৱীকৰণ হৈ থাকে আৰু একেদৰে সামাজিক জীৱনেও নিৰন্তৰে সামাজিক সংৰচনাক নৱীকৰণ কৰে। এনেদৰে ব্যক্তি আৰু ব্যক্তিৰ সমূহৰ প্রকৃত সম্পর্ক বছৰৰ পিছত বছৰ ধৰি, আনকি দিনক দিনে সলনি হয়, তথা নতুন সদস্য সম্প্রদায়লৈ আহে।

সামাজিক সম্পর্কসমূহক কেৱল সম্বন্ধীয় ব্যক্তিৰ পাৰস্পৰিক বা উমৈহতীয়া আচৰণৰ উল্লেখেৰেহে পর্যবেক্ষণ কৰা হয় আৰু বর্ণনা কৰিব পাৰি। সেয়েহে সামাজিক সংৰচনাৰ ৰূপটো ব্যক্তি আৰু সমূহে ইজনে সিজনৰ সৈতে আন্তঃক্রিয়াত মিলিত হওঁতে যিবোৰ আচৰণৰ আর্হি প্রদর্শন কৰে, সেইবোৰৰ দ্বাৰা বর্ণনা কৰিব পাৰি। এই আর্হিবোৰ আংশিকভাৱে এনে নিয়মত প্রণয়ন কৰা হয়, যিবোৰ আমাৰ নিজ সমাজত থকা শিষ্টাচাৰ, নৈতিকতা আৰু আইনৰ নিয়ম হিচাপে পৃথক কৰোঁ। ব্রাউনে সামাজিক সংৰচনাৰ ধাৰণাটোক সহজভাৱে গ্রহণ কৰাতকৈ সঠিকৰূপত সংজ্ঞায়িত কৰাৰ প্রয়াস কৰিছে।

৪.৬ লেভি ষ্ট্ৰাউছৰ সংৰচনাত্মকবাদ দৃষ্টিভংগী

লেভি ষ্ট্ৰাউছৰ সংৰচনাত্মক দৃষ্টিভংগীৰ মূল অথবা উৎপত্তি ছ'ছুৰেৰ সংৰচনাত্মক ভাষাবিজ্ঞানৰ সৈতে বিশেষভাৱে জড়িত। তেখেতে ছ'ছুৰেৰ ভাষিক কৰ্মৰাজিক আদিম সমাজত থকা স্বজন পদ্ধতি আৰু পৌৰাণিক কথাৰ দৰে নৃতাত্ত্বিক বিষয়লৈকে সম্প্ৰসাৰিত কৰিছে। তেখেতৰ "সামাজিক সংৰচনা" সম্পৰ্কীয় প্ৰবন্ধটি হৈছে তেওঁৰ তাত্ত্বিক দৃষ্টিভংগীৰ বিমূৰ্ত বিৱৰণ। তেওঁ সামাজিক সম্বন্ধৰ মাত্ৰা, আৰ্হিৰ বাবে প্ৰয়োজনীয় পূৰ্বাৱস্থা, বাস্তৱতাৰ আধাৰত গঢ় লৈ উঠা সামাজিক সংৰচনাৰ মাজত পৃথকীকৰণেৰে আলোচনাটি আৰম্ভ কৰে আৰু ইয়াৰ ব্যাখ্যা কৰে। তেওঁ লক্ষ্য কৰিছিল যে সামাজিক সংৰচনাৰ সৈতে বাস্তৱতাৰ কোনো সম্পৰ্ক নাই, বৰঞ্চ ইয়াৰ পিছত নিৰ্মিত আৰ্হিৰ সৈতেহে আছে। ষ্ট্ৰাউছৰ আৰ্হি সংৰচনাৰ ধাৰণাটো সংৰচনাত্মক ভাষাবিজ্ঞানৰ দ্বাৰা প্ৰভাৱিত। তেখেতে ভাষা আৰু পেৰ'ল, আদৰ্শ আৰু বাক্যবিন্যাস (Paradigmatic and syntagmatic), সংহিতা আৰু বাৰ্তা (Code and message) আদি ছ'ছুৰিয়ান ধাৰণা ব্যৱহাৰ কৰি মডেল বা আৰ্হিৰ ধাৰণাটো প্ৰণয়ন কৰিছে। তেওঁৰ মতে এটা আৰ্হিৰ তলত দিয়া বৈশিষ্ট্যসমূহ থাকিব লাগিব ঃ

- ই কেইবাটাও উপাদানেৰে গঠিত আৰু এটাৰ পৰিৱৰ্তনে সকলোৰে পৰিৱৰ্তন ঘটায়।
- সেয়েহে ইয়াৰ এটা বা তাতোধিক উপাদানৰ কিছুমান সংশোধনৰ পিছত এটা নিৰ্দিষ্ট আৰ্হিৰ প্ৰতিক্ৰিয়াৰ বিষয়ে ভৱিষ্যতবাণী কৰাটো সম্ভৱ।
- সহায়ক আৰ্হিসমূহ সম্ভৱতঃ ইতিমধ্যে থকা আৰ্হি সমূহৰ পৰাই উৎপন্ন হয়, অৰ্থাৎ একেই সংৰচনা ভিন্ন ৰূপ আৰু সংস্কৃতিত সৃষ্টি হয়।

আকৌ, এটা সামাজিক সংৰচনা এক আৰ্হি, কাৰণ —

- যদি সামাজিক সংৰচনাৰ এটা অংশ প্ৰভাৱিত হয় তেন্তে ই পাছলৈ আন অংশবোৰক প্ৰভাৱিত কৰে।
- সামাজিক সংৰচনাৰ কিছু অংশৰ ৰূপান্তৰ ঘটে।
- সামাজিক সংৰচনাই ভৱিষ্যতবাণী সম্ভৱ কৰি তোলে।

আমি ষ্ট্ৰাউছৰ "আৰ্হি হিচাপে সামাজিক সংৰচনা" (Social structure as a model) ৰ ধাৰণাটোক তেওঁৰ স্বজন পদ্ধতিৰ অধ্যয়নৰ পৰা উদাহৰণস্বৰূপে গ্ৰহণ কৰিব পাৰো, য'ত তেওঁ ভাষিক ব্যৱস্থা আৰু স্বজন পদ্ধতিৰ মাজৰ সাদৃশ্যতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। স্বজন পদ্ধতিক ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰা অৱধাৰণাবোৰ যেন ভাষাৰ আৰু স্বজন পদ্ধতিৰ ধ্বনি যিবোৰ ধ্বনি অৱচেতন চিন্তাৰ স্তৰত মনটোৱে নিৰ্মাণ কৰে। স্বজন পদ্ধতিত সত্ত্বা হিচাপে শব্দবোৰ বা অৱধাৰণাবোৰৰ ওপৰত গুৰুত্ব দিয়া নহয় বৰঞ্চ এটা ব্যৱস্থাৰ ভিতৰত ইহঁতৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব দিয়া হয়, যিটো সংৰচনাযুক্ত। স্বজনৰ অৱধাৰণা বা ধ্বনিবোৰৰ নিজৰ মাজত কোনো অৰ্থ নাই। দুয়োটাই অৰ্থ লাভ কৰে তেতিয়াহে, যেতিয়া ইহঁত কোনো ব্যৱস্থাৰ অবিচ্ছেদ্য অংগ হৈ পৰে। লেভি ষ্ট্ৰাউছে ছ'ছুৰে ভাষাত প্ৰয়োগ কৰাৰ দৰে স্বজন পদ্ধতিত দ্বৈত

বিপৰীতৰ ব্যৱস্থা ব্যৱহাৰ কৰিছিল। এখন সমাজত স্বজনৰ সংৰচনাৰ গাঁথনি বিশ্লেষণ কৰিবলৈ স্বজনতাৰ পৰমাণু (Atom of kinship) ব্যৱহাৰ কৰিছিল। স্বজনতাৰ পৰমাণু সদায় চাৰিবিধ সম্পর্কৰে গঠিত — ক) দাম্পত্য সম্বন্ধীয়, খ) ভাই-ভনী, গ) সন্তান সম্বন্ধীয়, ঘ) মামা সম্বন্ধীয়। লেভি ষ্ট্ৰাউছে পর্যবেক্ষণ কৰিছিল যে — প্রতিজন সমাজতে এই চাৰিবিধ সম্বন্ধ হয়তো আত্ম-সংযমী অথবা আসক্তিপূর্ণ।

ছ'ছুৰেৰ ভাষিক সংৰচনাবাদক স্বজন পদ্ধতিত প্রয়োগ কৰাৰ পিছত লেভি ষ্ট্ৰাউছে এই যুক্তি আগবঢ়ায় যে ধ্বনিগত ব্যৱস্থা আৰু স্বজন পদ্ধতি দুয়োতাই মনৰ সংৰচনাৰ উৎপাদন। সিহঁত সচেতন প্রক্রিয়াৰ উৎপাদন নহয়। বৰঞ্চ সিহঁত মনৰ অচেতন আৰু যুক্তিপূর্ণ সংৰচনাৰহে উৎপাদন।

৪.৭ সংৰচনাত্মকবাদৰ সমালোচনা

কলিন্সৰ মতে, সংৰচনাত্মকবাদৰ আটাইতকৈ দুর্বলতা হ'ল যে ই ইয়াৰ সামর্থ্যতকৈ অধিক প্রতিশ্রুতি দিছিল। লেভি ষ্ট্ৰাউছে দাবী কৰিছিল যে — তেওঁ এক বিজ্ঞান উৎপন্ন কৰিব আৰু মানৱ সমাজৰ বুনিয়াদী জেনেটিক সংহিতা বা নীতিক বিচাৰি উলিয়াব কিন্তু তেওঁ সফল নহ'ল। সংৰচনাত্মক চিন্তাবিদসকলে ভাষিক তত্ত্বক এক উপমা হিচাপে ধাৰ লৈছিল। কিন্তু তেওঁলোকে ভাষাবিজ্ঞানৰ কাৰিকৰী অগ্রগতিৰ সৈতে নিজেই আগবাঢ়ি যাব পৰা নাই আৰু সমাজতত্ত্বৰ নীতিসমূহক ভাষাবিজ্ঞানৰ নীতিৰ সৈতে একত্রীকৰণৰ ক্ষেত্রতো তেওঁলোকে কোনো অৰিহণা যোগোৱা নাই। তৃতীয়তে লেভি ষ্ট্ৰাউছে প্রস্তাৱ দিছিল যে — প্রত্যেকখন সমাজৰে ইয়াৰ নির্দিষ্ট সংহিতা থাকে, যিটোৱে সংৰচনাৰ সকলো বস্তুকে অন্তর্নিহিত কৰে। এইটো তেখেতৰ স্বজন পদ্ধতি তত্ত্বৰ সম্প্রসাৰণ, যিটো স্বজন পদ্ধতিৰ বিভিন্ন ৰূপ পৃথক কৰাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল। কিন্তু লেভি ষ্ট্ৰাউছে কেতিয়াও দেখুৱাবলৈ সক্ষম হোৱা নাছিল যে — প্রতিখন সমাজৰ বাবে এনে সংহিতা আছে। লেভি ষ্ট্ৰাউছ আৰু অন্য সংৰচনাত্মকবিদে যদিও সাধাৰণ আর্হিৰ বাবে ছ'ছুৰেৰ ওপৰত নির্ভৰ কৰিছিল, তথাপি তেওঁলোকে কেতিয়াও নিজা বিশ্লেষণত ভাষাক অন্তর্ভুক্ত কৰিবলৈ চেষ্টা কৰা নাছিল। তেওঁলোকে পৌৰাণিক কথা, স্বজন পদ্ধতি আদিৰ ওপৰত বিশ্লেষণ কৰিছিল যদিও, প্রত্যক্ষভাৱে তেওঁলোকে ভাষাৰ সংৰচনাৰ প্রতি দৃষ্টি দিয়া নাছিল। গিড্নেছে আনকি লেভি ষ্ট্ৰাউছৰ সমাজতত্ত্বৰ তত্ত্ব আৰু দৃষ্টিভংগীকো সমালোচনা কৰিছিল কাৰণ ষ্ট্ৰাউছে মানৱ সংস্থা বা মানুহৰ প্রতিফলনৰ ক্ষমতা, নিৰীক্ষণ, সংজ্ঞা আৰু সিদ্ধান্ত লোৱাৰ ক্ষমতাৰ আওকাণ কৰিছিল।

৪.৮ উত্তৰ- সংৰচনাত্মকবাদ

সমাজতত্ত্বৰ ক্ষেত্রখনত সংৰচনাত্মকবাদৰ ধাৰণা বৃদ্ধি পোৱাৰ লগে লগে ১৯৬০ চনৰ সময়ছোৱাত ফ্রান্সত সংৰচনাত্মকবাদৰ সমালোচনা কৰাৰ এক আন্দোলন গঢ় লৈ উঠিছিল, যাক

উত্তৰ-সংৰচনাত্মকবাদ বুলি জনা যায়। মিছেল ফুকো, জেক ডেৰিডা, জুলিয়া ক্রিষ্টেভা আৰু ৰলেণ্ড বার্থেচ আছিল উত্তৰ-সংৰচনাত্মকবাদৰ প্রধান সমর্থক। অক্সফ'র্ড ডিকচ্‌নেৰী অৰ ছ'চিয়'লজীৰ মতে, "উত্তৰ-সংৰচনাত্মকবাদৰ প্রধান কৃতিত্ব হৈছে যে — ছ'ছুৰেৰ ভাষিক তত্ত্বত অন্তর্নিহিত হৈ থকা মূল বিশ্লেষণাত্মক সম্ভৰনাসমূহক প্রতিনিধিত্বমূলক পৰিঘটনাতকৈ অর্থপূর্ণ পৰিঘটনা হিচাপে পুনৰ আৱিষ্কাৰ আৰু সম্প্রসাৰণ কৰা"।

উত্তৰ-সংৰচনাত্মকবাদে সংৰচনাৰ গুৰুত্ব মানি লয় যদিও ই সংৰচনাৰ বাহিৰতো বহুতো চিন্তাক সাঙুৰি লয়। ইয়াক প্রায়ে উত্তৰ আধুনিক তত্ত্বৰ অগ্রণী হিচাপে দেখা যায়, আনকি এই দুটা চিন্তাধাৰাৰ মাজত পার্থক্যৰ স্পষ্ট ৰেখাডাল আঁকিবলৈও কঠিন। সেয়েহে উত্তৰ-সংৰচনাত্মকবাদী সকলক প্রায়ে উত্তৰ-আধুনিকতাবাদী হিচাপে গণ্য কৰা হয়। কিন্তু উত্তৰ-সংৰচনাত্মকবাদ আৰু উত্তৰ-আধুনিকতাবাদৰ মাজত থকা প্রধান পার্থক্যটো হ'ল যে — উত্তৰ-সংৰচনাত্মকবাদ উত্তৰ-আধুনিকতাবাদতকৈ অধিক বিমূর্ত আৰু দার্শনিক। উত্তৰ সংৰচনাত্মকবাদীসকলে এই ধাৰণাটোক দৃঢ়ভাৱে নাকচ কৰে যে পাঠ বা লেখা সমূহৰ এক স্থিৰ সংৰচনা আছে, বিশেষকৈ দ্বৈত বিপৰীতৰ তত্ত্বটোক, আৰু ই নির্গঠনবাদৰ ধাৰণাটোক আগবঢ়াইছে।

ডেৰিডাৰ মতে, এটা লেখা বা পাঠৰ অর্থ স্থিৰ আৰু কঠিনৰ পৰিৱর্তে একাধিক আৰু অস্থিৰ হ'ব পাৰে। সকলো পাঠ বা লেখাই প্রকৃততে পার্থক্য প্রদর্শন কৰে, যাৰ ফলত একাধিক ব্যাখ্যাৰ অনুমতি পোৱা যায়। অর্থ বা সত্য নির্ধাৰণ কৰা হয় সেই শিক্ষণীয় বিষয়ৰ সীমাবদ্ধতাৰ দ্বাৰা যিয়ে কথিতভাৱে সেইবোৰ আৱিষ্কাৰ আৰু বর্ণনা কৰে। তেওঁ আৰু যুক্তি দিছিল যে - অর্থ কেতিয়াও নিৰপেক্ষ আৰু স্থিৰ নহয়। ই আচলতে নির্দিষ্ট ঐতিহাসিক আৰু সামাজিক জ্ঞানসাপেক্ষ হয়।

ফুকোকো উত্তৰ-সংৰচনাত্মকবাদী আন্দোলনৰ এজন গুৰুত্বপূর্ণ প্রতিনিধিৰ ৰূপত দেখা যায়। ভাষা আৰু সমাজ এখন নিয়ম পৰিচালিত ব্যৱস্থাৰ দ্বাৰা গঢ় লৈ উঠে বুলি তেওঁ একমত প্রকাশ কৰিছিল যদিও সংৰচনাত্মকবাদীসকলৰ সৈতে তেওঁৰ দুটা দিশত মতানৈক্য আছিল। কাৰণ তেওঁ ভবা নাছিল যে — মানুহৰ অৱস্থাৰ ব্যাখ্যা দিব পৰা নির্দিষ্ট অন্তর্নিহিত সংৰচনা আছে আৰু দ্বিতীয়তে তেওঁ ভাবিছিল — বিষয়বস্তুৰ পৰা বাহিৰলৈ ওলাই আহি পৰিস্থিতিৰ বস্তুনিষ্ঠ জৰীপ কৰাটো অসম্ভৱ। ফুকোৰ কর্মৰাজিয়ে উত্তৰ-সংৰচনাত্মকবাদ আৰু সংৰচনাত্মকবাদৰ মাজত আন এক পার্থক্য দেখুৱাইছে। সংৰচনাত্মকবাদ প্রধানতঃ ভাষা-বিজ্ঞানৰ দ্বাৰা প্রভাৱিত। কিন্তু ফুকোৱে বিভিন্ন তাত্বিক তথ্যৰে ইয়াত বিবিধতা আনিছে। বহু সামাজিক সংস্থাক তেওঁ গুৰুত্ব দিলেও, তেওঁৰ বাবে ক্ষমতাৰ ব্যষ্টিবাদী ৰাজনীতি হৈছে সামাজিক সংৰচনাৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশ। তেওঁ ক্ষমতাৰ সম্পর্কক প্রধান দৃষ্টিভংগী হিচাপে লৈ সামাজিক সংস্থা আৰু ইয়াৰ লগত জড়িত বিষয়সমূহ পৰীক্ষা কৰে।

৪.৯ গঠন প্রণালী তত্ত্ব

এন্থনী গিডেন্‌ছে তেখেতৰ বিখ্যাত গ্রন্থ "The Constitution of Society: Outline of the Theory of Structuration"ত গঠন প্রণালী তত্ত্বটো উল্লেখ কৰিছিল। তেওঁৰ এই তত্ত্বটো আচলতে প্রতিভূ/সংৰচনা, ব্যষ্টিবাদী/সমষ্টিবাদী দৃষ্টিভঙ্গী আদি সামাজিক সংৰচনাৰ তাত্ত্বিক দ্বি-বিভাজন সমাধানৰ প্রয়স। ই ব্যক্তিগত অভিকর্তা বা সমাজৰ সমগ্রতাক গুৰুত্ব দিয়াতকৈ সামাজিক প্রথা, স্থান আৰু সময়ৰ মাজেৰে শৃংখলাৰ ওপৰত গুৰুত্ব দিয়ে।

এই তত্ত্বই সংৰচনাৰ দ্বৈততাক যোগাযোগ কৰাৰ পোষকতা কৰে, অর্থাৎ ই সংৰচনাত্মক বা প্রতিভূ নির্ধাৰণবাদৰ চৰমতা এৰাই চলে। সামাজিক সংৰচনাই সামাজিক ক্রিয়া সম্ভৰ কৰি তোলে আৰু একে সময়তে সামাজিক ক্রিয়াই সামাজিক সংৰচনাৰ সৃষ্টি কৰে অর্থাৎ সামাজিক সংৰচনাক সক্রিয় প্রতিভূৰে ব্যৱহাৰ কৰে আৰু সামাজিক সংৰচনাৰ ধর্ম ব্যৱহাৰ কৰি তেওঁলোকে এই সংৰচনাৰ পুনৰ উৎপাদন কৰে। গিডেন্‌ছৰ মতে, সংৰচনা হৈছে কর্তাসকলে পাৰস্পৰিক ক্রিয়াৰ প্রসংগত ব্যৱহাৰ কৰা নিয়ম আৰু সম্পদ। নিয়ম হৈছে সাধাৰণীকৃত কার্য প্রণালী যিবোৰ কর্তাই বুজি পায় আৰু বিভিন্ন পৰিস্থিতিত ব্যৱহাৰ কৰে। এই নিয়মসমূহ ব্যক্তিৰ কথা-বতৰা, আদান-প্রদান, দৈনন্দিন কাম-কাজত সঘনাই ব্যৱহাৰ কৰা হয়। ইহঁত অনানুষ্ঠানিক আৰু অন্তঃব্যক্তিগত কৌশলৰ জৰিয়তে দুর্বলভাৰে অনুমোদিত। সম্পদ হৈছে কর্তাই কাম সম্পাদন কৰিবলৈ ব্যৱহাৰ কৰা সুবিধাসমূহ। নিয়ম আৰু সম্পদসমূহ বিভিন্ন আর্হি আৰু বৃত্তান্তলৈ ৰূপান্তৰিত কৰিব পাৰি। কার্যকলাপ সমূহ সম্পন্ন কৰিবলৈ আৰু উদ্দেশ্য সাধন কৰিবলৈ সম্পদসমূহ বিভিন্ন ধৰণে সংগঠিত কৰিব পাৰি।

ইয়াৰ উপৰিও গিডেন্‌ছে বিবেচনা কৰিছিল যে সামাজিক পদ্ধতিক ইয়াৰ সংৰচনা, ব্যৱস্থা আৰু পাৰস্পৰিক ক্রিয়াৰ দ্বাৰা বুজিব পাৰি। আমি ইতিমধ্যে সংৰচনাৰ বিষয়ে আলোচনা কৰিছো। সংৰচনাত্মক ব্যৱস্থাৰ উপকৰণ হৈছে সংৰচনাসমূহক কার্যলৈ অনুদিত কৰা মাধ্যমসমূহ আৰু আন্তঃসম্পর্ক হৈছে সামাজিক ব্যৱস্থাৰ ভিতৰত কাম কৰা প্রতিভূৰ দ্বাৰা তাৎক্ষণিকভাৰে কৰা কার্য কলাপ। তেওঁ এটা সামাজিক পদ্ধতিত তিনি প্রকাৰৰ সংৰচনা চিনাক্ত কৰিছিল। সেই অনুসৰি এইবোৰ হ'ল — তাৎপর্যতা, বৈধতা আৰু আধিপত্য। তাৎপর্যতাই ভাষাৰ যুগ্মতাৰ গঠনৰ দ্বাৰা অর্থ উৎপন্ন কৰে, বৈধতাই নৈতিক শৃংখলতাৰ সৃষ্টি কৰে আৰু আধিপত্যই সম্পদৰ ওপৰত থকা নিয়ন্ত্রণৰ যোগেদি ক্ষমতাৰ উৎপন্ন কৰে।

বৈচিত্রময় তাত্ত্বিক পৰম্পৰাৰ সংশ্লেষণেই হৈছে গিডেন্‌ছৰ তাত্ত্বিক প্রচেষ্টাৰ আটাইতকৈ গুৰুত্বপূর্ণ উপাদান। তেওঁৰ তত্ত্বটো মূলতঃ অনিবার্য ৰূপত সেই পথৰ লগত জড়িত হৈ আছে, য'ত আন্তক্রিয়াসমূহ সময় আৰু স্থানৰ ভিতৰত গভীৰভাৰে নিহিত হৈ আছে। যি কি নহওঁক, গঠন প্রণালী তত্ত্বটো সমালোচনাৰ উর্দ্ধত নহয়। টার্নাৰে বিবেচনা কৰিছিল যে — গিডেন্‌ছৰ লেখাসমূহ সতেজ আৰু বাকপটু হ'লেও, ই অস্পষ্ট। তাত বহুত বেছি শব্দজাল, উপমা থকাৰ বিপৰীতে মাত্র সাধাৰণ প্রভাৱ আছে, যিবোৰ বুজিবলৈ টান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ সংৰচনা বুলিলে কি বুজে?

.....

.....

প্রশ্ন ২ ঃ ভাষা আৰু পেৰ'লৰ মাজত পার্থক্য লিখক।

.....

.....

প্রশ্ন ৩ ঃ ভাষাৰ মূল একক কি?

.....

.....

প্রশ্ন ৪ ঃ নীতি আৰু সম্পদৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন ৫ ঃ গিডেন্সৰ মতে সামাজিক ব্যৱস্থাত থকা তিনিটা ভিন্ন ধৰণৰ সংৰচনা কি কি?

.....

.....



৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৬০ দশকৰ সময়ছোৱাত ফ্রান্সত এক জনপ্রিয় বৌদ্ধিক ধাৰণা হিচাপে সংৰচনাত্মকবাদৰ উত্থান ঘটিছিল। সমাজতত্ত্বত সংৰচনা শব্দটো যিকোনো দৃষ্টিভংগী অথবা পদ্ধতিক বুজাবলৈ শিথিলভাৱে ব্যৱহাৰ কৰা হয়, যিয়ে সামাজিক সংৰচনাৰ সামাজিক ক্রিয়া বা ব্যক্তিতকৈ সমাজক অগ্রাধিকাৰ দিয়া বুলি বিবেচনা কৰে।
- বিংশ শতিকাৰ আৰম্ভণিৰ ছুইজাৰলেণ্ডক ভাষাবিদ ফার্ডিনেণ্ড ডি ছ'ছুৰে এই পদ্ধতিৰ প্রতিষ্ঠাপক পিতৃ আছিল।
- সংৰচনাত্মকবাদীসকলে আঙুলিয়াই দিছে যে অন্তর্নিহিত সংৰচনাসমূহ ব্যক্তিৰ স্তৰৰ বাহিৰত, যি আমাৰ ব্যক্তিগত মানৰ চেতনা বিশ্লেষণৰ চূড়ান্ত স্তৰ নহয়, বৰঞ্চ ই গভীৰ সংৰচনাৰ উৎপাদন - অভিজ্ঞতাভিত্তিক পেৰ'লৰ স্তৰত আছে। আমাৰ ব্যক্তিগত মনবোৰ গভীৰতাত নহয় উপৰিভাগতহে থাকে।
- সংৰচনাত্মকবাদে আমাক এই তলৰ স্তৰত ৰৈ যোৱাৰ পৰা সর্তক কৰি দিয়ে আৰু ইয়াৰ উৎপত্তি হোৱা সংৰচনাৰ অধিক মৌলিক স্তৰলৈ ঠেলি দিয়াৰ পোষকতা কৰে।

- সংৰচনাত্মক পদ্ধতিৰ মুখ্য বৈশিষ্ট্য হ'ল - ই ইয়াৰ অনুসন্ধানৰ বস্তুবোৰক এটা ব্যৱস্থা হিচাপে গ্ৰহণ কৰে অর্থাৎ ই পৃথকে পৃথকে বিবেচনা কৰা বিশেষ তথ্যৰ পৰিৱর্তে তথ্যৰ এটা গোটৰ মাজৰ পাৰস্পৰিক সম্পর্কক অনুসন্ধানৰ বস্তু হিচাপে লয়।
- ৰেডক্লিফ ব্রাউনে লক্ষ্য কৰিছিল যে — সামাজিক সংৰচনা হৈছে - এটা সুনির্দিষ্ট বাস্তৱতা যিয়ে, এক নির্দিষ্ট সময়ত প্রকৃততে বিদ্যমান সম্পর্কৰ এটা গোটক সামৰি লয় আৰু যিয়ে কিছুমান বিশেষ মানুহক একেলগে সংযোগ কৰে। জীৱ এটাৰ গোটেই জীৱনকালত ইয়াৰ গঠন অহৰহ নৱীকৰণ হৈ থাকে আৰু একেদৰে সামাজিক জীৱনেও নিৰন্তৰে সামাজিক সংৰচনাক নৱীকৰণ কৰে।
- লেভি ষ্ট্রাউছে ছ'ছুৰেৰ ভাষিক সংৰচনাত্মকবাদৰ স্বজন পদ্ধতিত প্রয়োগ কৰি যুক্তি দাঙি ধৰিছিল যে — ধ্বনিগত ব্যৱস্থা আৰু স্বজন পদ্ধতি দুয়োটাই মনৰ সংৰচনাৰ উৎপাদক। সিহঁত সচেতন প্রক্রিয়াৰ উৎপাদন নহয়। বৰঞ্চ সিহঁত অচেতন আৰু যুক্তিপূর্ণ সংৰচনাৰহে উৎপাদন।
- কলিন্সৰ মতে, সংৰচনাত্মকবাদৰ আটাইতকৈ ডাঙৰ দুর্বলতা হ'ল যে — ই ইয়াৰ সামর্থ্যতকৈ অধিক প্রতিশ্রুতি দিছিল।
- উত্তৰ-সংৰচনাত্মকবাদে সংৰচনাৰ গুৰুত্ব মানি লয় যদিও ই সংৰচনাৰ বাহিৰতো বহুতো চিন্তাক সামৰি লয়। মিছেল ফুকো, জেক ডেৰিডা, জুলিয়া ক্রিষ্টেভা আৰু ৰলেণ্ড বার্থেচ আছিল উত্তৰ-সংৰচনাত্মকবাদৰ প্রধান সমর্থক।
- উত্তৰ-সংৰচনাত্মকবাদৰ আৰু উত্তৰ-আধুনিকতাবাদৰ মাজত থকা প্রধান পার্থক্যটো হ'ল যে — উত্তৰ-সংৰচনাত্মকবাদ, উত্তৰ- আধুনিকতাবাদতকৈ অধিক বিমূর্ত আৰু দার্শনিক। উত্তৰ-সংৰচনাত্মকবাদীসকলে এই ধাৰণাটো যে - পাঠ বা লেখাসমূহৰ এক স্থিৰ সংৰচনা আছে, বিশেষকৈ দ্বৈত বিপৰীতৰ তত্ত্বটোক দৃঢ়ভাৱে নস্যাৎ কৰে আৰু ই নির্গঠনবাদ ধাৰণাটোক আগবঢ়াইছে।
- এন্থনী গিডেন্ছ গঠন প্রণালী তত্ত্বটো আচলেত প্রতিভূ/ সংৰচনা, ব্যষ্টিবাদী/ সমষ্টিবাদী দৃষ্টিভংগী আদি সামাজিক সংৰচনাৰ তাত্ত্বিক দ্বি-বিভাজন আদি সমাধানৰ প্রয়াস।
- এই তত্ত্বই সংৰচনাগত বা প্রতিভূ নির্ধাৰণবাদৰ চৰমপন্থা এৰাই চলে। সামাজিক সংৰচনাই সামাজিক ক্রিয়া সম্ভৱ কৰি তোলো আৰু একে সময়তে সামাজিক ক্রিয়াই সামাজিক সংৰচনাক সৃষ্টি কৰে।



৪.১১ অধিক জানিবলৈ



৪.১২ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ ৰ উত্তৰ ঃ এটা সংৰচনা সদায় এটা ব্যৱস্থা, তথা উপাদানেৰে গঠিত য'ত উপাদানবোৰৰ ওপৰত নহয় বৰঞ্চ ইয়াৰ গঠন নিয়ন্ত্রণ কৰা নিয়মবোৰৰ ওপৰত গুৰুত্ব দিয়া হয়। সমগ্রতাৰ ধর্ম সুকীয়া আৰু অংশবোৰৰ ধর্মৰ লগত হ্রাস কৰিব নোৱাৰি।

প্রশ্ন নং ২ ৰ উত্তৰ ঃ ফার্ডিনেণ্ড ডি ছ'ছুৰে ভাষা আৰু পেৰ'লৰ মাজত পার্থক্য কৰিছে। ভাষা হৈছে ভাষাৰ এক আনুষ্ঠানিক আৰু ব্যাকৰণগত ব্যৱস্থা। পেৰল হৈছে — প্রকৃত বাক্য বা বক্তব্য, যিবোৰ বক্তাসকলে ভাষা ব্যৱহাৰ কৰাৰ ধৰণ।

প্রশ্ন নং ৩ ৰ উত্তৰ ঃ ভাষাৰ মূল একক হ'ল — চিহ্ন যি চিহ্নিতকাৰী আৰু চিহ্নিতৰে গঠিত।

প্রশ্ন নং ৪ ৰ উত্তৰ ঃ নিয়ম হৈছে — কর্তাসকলে বিভিন্ন পৰিস্থিতিত বুজি পোৱা আৰু ব্যৱহাৰ কৰা সাধাৰণীকৃত পদ্ধতি, আৰু সম্পদ হৈছে কর্তাসকলে কামবোৰ সম্পন্ন কৰিবলৈ ব্যৱহাৰ কৰা সুবিধা।

প্রশ্ন নং ৫ ৰ উত্তৰ ঃ তাৎপর্যতা, বৈধতা আৰু আধিপত্য।



৪.১৩ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ উত্তৰ-সংৰচনাত্মকবাদৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ লেভি ষ্ট্রাউছে উল্লেখ কৰা আৰ্হিৰ দুটা গুৰুত্বপূর্ণ বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন ৩ ঃ সামাজিক সংৰচনাক আৰ্হি হিচাপে কিয় বিবেচনা কৰিব পাৰি?

খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ সংৰচনাত্মক ভাষাবিজ্ঞানত ছ'ছুৰেৰ অৱদানৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ সংৰচনাত্মক তত্ত্বৰ ওপৰত সমালোচনাত্মক ভাৱে আলোচনা কৰক।

প্রশ্ন ৩ ঃ সংৰচনাৰ দ্বৈতবাদ বুলিলে কি বুজা আলোচনা কৰক।

*** ***** ****

অধ্যায় ৫ ঃ সংঘাতৰ দৃষ্টিভংগীসমূহ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ জর্জ চিমেলৰ সংঘাতৰ দৃষ্টিভংগী

৫.৪ লুইছ ক'জাৰৰ সংঘাত প্রকার্যবাদ

৫.৫ ৰালফ ডাহৰেণ্ডর্ফৰ দ্বান্দ্বিক সমাজতত্ত্ব

৫.৬ ৰেণ্ডেল কলিন্সৰ বিশ্লেষণাত্মক সংঘাত তত্ত্ব

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- সমাজক বুজিবলৈ ব্যৱহাৰ কৰা সংঘাত দৃষ্টিভংগীৰ বিষয়ে জানিব পাৰিব।
- জর্জ চিমেলে আগবঢ়োৱা সংঘাতৰ ধাৰণা বুজিব পাৰিব।
- সংঘাত সম্পর্কে লুইছ ক'জাৰৰ দৃষ্টিভংগী ব্যাখ্য কৰিব পাৰিব।
- ৰালফ ডাহৰেণ্ডর্ফ আৰু ৰেণ্ডেল কলিনছৰ সংঘাতৰ ধাৰণা বুজি পাব।

৫.২ পৰিচয়

প্রকার্যবাদৰ প্রাথমিক বিকল্প হিচাপে সংঘাত তত্ত্বৰ উদ্ভৱ হৈছিল। উল্লেখযোগ্য যে প্রকার্যবাদ হৈছে সমাজতাত্ত্বিক বিশ্লেষণৰ এক প্রভাৱশালী পদ্ধতি কিন্তু তাৰ বিপৰীতে সংঘাত তত্ত্ব এতিয়াও বিকাশৰ স্তৰতে আছে। সংঘাত তত্ত্ব মার্ক্সবাদী পৰম্পৰাৰ এক ধাৰণা হিচাপে আৰম্ভ হৈছিল। সংঘাত তত্ত্বই সাধাৰণতে এখন সমাজক সামাজিক সংৰচনা আৰু অর্থনৈতিক সম্পর্কৰ দ্বাৰা গঠিত সম্পর্কৰ এক ব্যৱস্থা হিচাপে পর্যবেক্ষণ কৰে। সংঘাত তত্ত্ববিদসকলে ধাৰণা কৰে যে সামাজিক জীৱন চহকী লোকসকলৰ অর্থনৈতিক স্বার্থৰ ওপৰত আধাৰিত আৰু এই লোকসকলে তেওঁলোকৰ অর্থনৈতিক শক্তি ব্যৱহাৰ কৰি সমাজৰ প্রতি তেওঁলোকৰ দৃষ্টিভংগীক গ্রহণ কৰিবলৈ আন ব্যক্তিক বাধ্য কৰে। দ্বিতীয়তে, যিহেতু সমাজৰ বিভিন্ন শ্রেণীৰ ব্যক্তিসকলৰ মাজত ক্ষমতাৰ পার্থক্য, শত্রুতা, অসন্তুষ্টি ইত্যাদি আছে গতিকে এইবোৰ হৈছে সমাজৰ কেতবোৰ অবিৰতভাৱে চলি থকা উপাদান যাৰ বাবে সংঘাত অনিবার্য হৈ পৰে।

সমাজতত্ত্বৰ ধ্রুপদী গ্রন্থসমূহত সংঘাত তত্ত্বৰ দুটা পৃথক পৰম্পৰা আছে। ৰাজনৈতিক দর্শনৰ ক্ষমতাকেন্দ্রিক সম্পর্ক পৰম্পৰা আৰু প্রতিযোগিতামূলক সংগ্রামৰ পৰম্পৰা। সংঘাতৰ সমাজতাত্ত্বিক তত্ত্ব হৈছে এই দুয়োটা পৰম্পৰাৰ সমন্বয়। সমসাময়িক সময়ৰ বিশিষ্ট সংঘাত তত্ত্ববিদসকলৰ ভিতৰত চি. ৰাইট মিলছ, ৰালফ ডাহৰেণ্ডর্ফ, লুইছ ক'জাৰ, হার্বার্ট মার্কিউজ, ৰেণ্ডেল কলিন্স, জর্জ চিমেল আৰু আন্দ্রে গাণ্ডাৰ ফ্রেংক আদি অন্যতম। সমাজতত্ত্ববিদসকলে সংঘাতক দুটা প্রকাৰত বিভক্ত কৰিছে ঃ বহির্জাতীয় সংঘাত আৰু অন্তর্জাতীয় সংঘাত। সংঘাত তত্ত্ব হয়তো সমাজতাত্ত্বিক তত্ত্বৰ এনে এক প্রধান ক্ষেত্র য'ত সাধাৰণ তাত্ত্বিক নীতিসমূহক অভিজ্ঞতাভিত্তিক গৱেষণাৰ দ্বাৰা মোটামোটিভাৱে সমর্থন কৰা হয়। পূর্বৰ অধ্যায়টোত আমি সমাজক বুজিবলৈ সংৰচনাত্মক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিছিলোঁ। এইটো অধ্যায়ত আমি সংঘাত তত্ত্বৰ অন্তর্গত বিভিন্ন পণ্ডিতে আগবঢ়োৱা দৃষ্টিভংগীসমূহক বুজিবলৈ চেষ্টা কৰিম।

৫.৩ জর্জ চিমেলৰ সংঘাতৰ দৃষ্টিভংগী

আধুনিক সংঘাত তত্ত্ব প্রকৃততে জর্জ চিমেলৰ লিখনীৰ পৰা আৰম্ভ হৈছিল আৰু লুইছ কোজাৰে ইয়াক সংশোধন কৰিছিল। চিমেল 'সংঘাতৰ জাল' (web of conflict) বা cross cutting allegiances ৰ প্রতি আগ্রহী আছিল যিয়ে এখন সমাজক একেলগে বান্ধি ৰখাৰ লগতে বিৰোধিতা আৰু সংঘাতৰো সৃষ্টি কৰিব পাৰে। তেওঁ মূলতঃ সংঘাতৰ ইতিবাচক কার্যৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ সংঘাতক তীব্রতা বা হিংসাৰ বিভিন্ন অৱস্থা প্রকাশ কৰা এক চলক হিচাপে গণ্য কৰে। এই চলকৰ সৈতে সম্পর্কিত মেৰুবোৰ হৈছে প্রতিযোগিতা আৰু যুঁজ। প্রতিযোগিতা হৈছে এক প্রকাৰৰ আন্তঃক্রিয়া য'ত বিৰোধী গোটসমূহে সামাজিকভাৱে অনুমোদিত নিয়মৰ পৰিকাঠামোৰ ভিতৰত একে লক্ষ্য পূৰণ কৰিবলৈ চেষ্টা কৰে। আনহাতে, যুঁজৰ অর্থ হৈছে গোটসমূহৰ ইজনে সিজনৰ বিৰুদ্ধে কৰা কম নিয়ন্ত্রিত আৰু অধিক প্রত্যক্ষ যুঁজাৰু কার্যকলাপ।

চিমেলৰ মতে, সংঘাত সামাজিক ব্যৱস্থাৰ বিপৰীত নহয়, ই এক তীব্র আন্তঃক্রিয়াৰ বর্হিপ্রকাশ। সাধাৰণতে সংঘাতে মানুহক স্বাভাৰিক সামাজিক ব্যৱস্থাতকৈ অধিক ঘনিষ্ঠ আৰু একত্রিত কৰে। উদাহৰণস্বৰূপে, বাহিৰৰ গোটৰ সৈতে হোৱা সংঘাতে গোট এটাৰ মাজত ভাৱনা, আনুগত্য আৰু নিয়মানুৱর্তিতাক শক্তিশালী কৰি গোটটোৰ একতা বৃদ্ধি কৰে। তেওঁ লক্ষ্য কৰিছিল যে এটা নির্দিষ্ট সংঘাতৰ পৰিস্থিতি ব্যক্তিৰ বাবে ধ্বংসাত্মক হ'বও পাৰে, কিন্তু সামগ্রিকভাৱে গোটটোৰ বাবে এই সংঘাত লাভজনক হিচাপে পৰিগণিত হ'ব পাৰে। কাৰণ সংঘাতে ব্যৱস্থাৰ একত্রীকৰণ আৰু অভিযোজনক উৎসাহিত কৰে। ইয়াৰ উপৰিও, গোটসমূহৰ মাজত সংঘাত হৈছে গোট তথা সংগঠনৰ বিকাশৰ এক প্রধান নির্ণয়কাৰী কাৰক। সংঘাতৰ গোটসমূহৰ ভিতৰত সংগঠনৰ বর্ধিত স্তৰে তেওঁলোকক হিংসা অবিহনে তেওঁলোকৰ বিভিন্ন লক্ষ্যসমূহক উপলব্ধি কৰাবলৈ সক্ষম কৰে আৰু লক্ষ্যসমূহৰ এনে উপলব্ধিয়ে গোটটোৰ আভ্যন্তৰীণ ব্যৱস্থাগত উত্তেজনা হ্রাস কৰে আৰু গোটটোৰ ভিতৰত একত্রীকৰণক উৎসাহিত কৰে।

চিমেলে এই ধাৰণাটো নাকচ কৰিছে যে সংঘাত হৈছে এক অস্থায়ী পর্যায় যি অৱশেষত ঐক্যলৈ ৰূপান্তৰিত হয়, আৰু তাৰ বিপৰীতে তেওঁ অতি দৃঢ়তাৰে কৈছে যে শান্তি আৰু সংঘাত ঐতিহাসিকভাৱে পাৰস্পৰিকভাৱে জড়িত হৈ আছে। কেতিয়াবা সংঘাত শান্তিলৈ ৰূপান্তৰিত হয় আৰু কেতিয়াবা শান্তি সংঘাতলৈ ৰূপান্তৰিত হয়।

চিমেলে সংঘাত ৰূপায়ণৰ বাবে কিছুমান পৰামর্শ দিছে। এইবোৰ তলত দিয়া ধৰণৰ ঃ

- সংঘাত বস্তুটোক নাইকীয়া কৰি পেলোৱা।
- বিজয় সাব্যস্ত কৰা, যিটো এটা গোটৰ আনটো গোটৰ ওপৰত শ্রেষ্ঠত্বৰ ফলত সংঘটিত হয়।
- আপোচ, এই ক্ষেত্রত দুয়োটা পক্ষই সংঘাতৰ মূল বিষয়বস্তুটোক তেওঁলোকৰ মাজত বিভাজন কৰি লব'লৈ সন্মত হয়।
- মিলন

এই ব্যৱস্থাসমূহৰ উপৰিও ছিমেলে সংঘাতৰ পক্ষসমূহৰ বাবে আৰু সংঘাত সংঘটিত হোৱা ব্যৱস্থাগত সমগ্রতাৰ বাবে সংঘাতৰ কার্যসমূহৰ সম্পর্কে কিছুমান প্রস্তাৱ আগবঢ়াইছে। পক্ষসমূহৰ বাবে সংঘাতৰ কার্যসমূহৰ সম্পর্কে তেওঁৰ প্রস্তাৱসমূহ হ'ল —

- আন্তঃগোষ্ঠীয় শত্রুতা যিমানেই হিংসাত্মক হয়, গোটসমূহৰ মাজত যিমানেই সঘনাই হয়, এনেক্ষেত্রত গোটসমূহৰ মাজৰ সীমা নোহোৱা হোৱাৰ সম্ভাৱনা সিমানেই কম।
- সংঘাত যিমানেই হিংসাত্মক হ'ব সিমানেই গোটটো কম সংহত হ'ব, এনেক্ষেত্রত সংঘাতত লিপ্ত হৈ থকা গোটসমূহৰ স্বৈৰাচাৰী কেন্দ্রীকৰণৰ সম্ভৱনা সিমানেই বেছি।
- সংঘাত যিমানেই হিংসাত্মক হ'ব সিমানেই তেওঁলোকৰ আভ্যন্তৰীণ সংহতি বাঢ়িব।

সমগ্রতাৰ বাবে সংঘাতৰ কার্যসমূহৰ ওপৰত ছিমেলৰ প্রস্তাৱসমূহ হ'ল —

- কোনো ব্যৱস্থাত বিভিন্ন মাত্রাৰ ক্ষমতাৰ গোটৰ মাজত সংঘাত যিমানেই কম হিংসাত্মক হয়, সিমানেই সামাজিক সমগ্রতাৰ বাবে সংঘাতটোৰ পৰিণতি সংহত হোৱাৰ সম্ভাৱনা বেছি হয়।
- গোটসমূহৰ মাজত সংঘাতৰ সম্পর্ক যিমানেই হিংসাত্মক আৰু দীঘলীয়া হয়, সিমানেই এটা ব্যৱস্থাত পূর্বতে সম্পর্কহীন গোটসমূহৰ মাজত মিত্রতা গঠনৰ সম্ভৱনা বেছি হৈ পৰে।
- গোটসমূহৰ মাজত হিংসাত্মক সংঘাতৰ ভাবুকি যিমানেই দীঘলীয়া হয়, সিমানেই সংঘাতপূর্ণ প্রতিটো গোটৰ মিত্রজোঁট অধিক স্থায়ী হয়।

৫.৪ লুইছ ক'জাৰৰ সংঘাত প্রকার্যবাদ

ক'জাৰ ছিমেলৰ কামৰ দ্বাৰা অতিশয় প্রভাৱিত হৈছিল যাৰ বাবে তেওঁ সমাজৰ সংঘাতৰ দিশসমূহৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। সংঘাতৰ বিষয়টোক সম্বোধন নকৰাৰ বাবে তেওঁ পার্চনছৰ প্রকার্যবাদক সমালোচনা কৰাৰ লগতে সংঘাতৰ ইতিবাচক দিশসমূহ উপেক্ষা কৰাৰ বাবে আন

সংঘাত তত্ত্ববিদসকলকো সমানেই সমালোচনা কৰিছে। The Functions of Social Conflict (১৯৫৬) হৈছে ছিমেলৰ সংঘাত তত্ত্বক বিকশিত কৰাৰ প্ৰয়াসস্বৰূপ গ্ৰন্থ। ছিমেল আৰু ক'জাৰৰ সংঘাত তত্ত্বই এনে এক সুশৃংলিত নীতি উপস্থাপন কৰিছে যাৰ দ্বাৰা সংঘাতৰ ফলত সমাজৰ একত্ৰীকৰণ সম্ভৱ হয়। দুয়োজন দেখুৱাবলৈ চেষ্টা কৰিছিল যে সংঘাতৰ ফলত সদায় সামাজিক পৰিৱৰ্তন নহয়, বৰঞ্চ সংঘাত সামাজিক শৃংখলাৰ আধাৰ হ'ব পাৰে। ক'জাৰে তেওঁৰ গ্ৰন্থ The Function of Social Conflict (১৯৫৬) ত সংঘাতক সামাজিক জগতৰ সৈতে সম্পৰ্কিত কৰিছিল আৰু সংঘাতে কেনেকৈ সামাজিক পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে সেই বিষয়ে আলোচনা কৰিছিল, আৰু সংঘাতত মানুহৰ আৱেগৰ ভূমিকাৰ প্ৰতি তীক্ষ্ণ মনোযোগ দিছিল। ক'জাৰৰ মতে যদিও সমাজত সংঘাত সদায় থাকে, তথাপিও সমাজখন সন্মতিৰ ধাৰণাৰেও গঠিত।

ক'জাৰে সংঘাতক সংজ্ঞায়িত কৰি কৈছে যে সংঘাত হৈছে, "মূল্যবোধৰ ওপৰত কৰা সংগ্ৰাম আৰু স্থিতি, ক্ষমতা আৰু সম্পদৰ পৰিমাণ দুৰ্বল কৰাৰ দাবী, য'ত বিৰোধীসকলৰ লক্ষ্য হৈছে তেওঁলোকৰ প্ৰতিদ্বন্দ্বীসকলক নিষ্ক্ৰিয় কৰা, আঘাত কৰা অথবা নিৰ্মূল কৰা"। তেওঁৰ মতে সংঘাতে প্ৰায়ে সামাজিক পৰিৱৰ্তন ঘটায়, উদ্ভাৱনক উৎসাহিত কৰে লগতে বাহ্যিক আৰু আভ্যন্তৰীণ ভাবুকিৰ সময়ত গোটটোৰ মাজত ক্ষমতাৰ কেন্দ্ৰীকৰণ বৃদ্ধি কৰে। তেওঁৰ গ্ৰন্থখনত তেওঁ সংঘাতৰ তীব্ৰতা, সময়সীমা, কাৰণ আৰু কাৰ্য সম্পৰ্কে কেইবাটাও যুক্তি দাঙি ধৰিছে।

ছিমেল আৰু মাৰ্ক্সৰ ধাৰণাক একত্ৰিত কৰি ক'জাৰে কৈছিল যে প্ৰচলিত বৈষম্য বা অসমতাৰ ব্যৱস্থাৰ পৰা বৈধতা প্ৰত্যাহাৰ কৰাটোৱেই হৈছে সংঘাতৰ জটিল পূৰ্বচৰ্ত। আৰু যেতিয়া অধীনস্থসকলৰ বঞ্চনাসমূহ নিৰপেক্ষৰ পৰা আপেক্ষিকলৈ ৰূপান্তৰিত হ'ব, তেতিয়া তেওঁলোকৰ অন্যায়ৰ অনুভূতি সিমানেই বেছি হ'ব আৰু সেয়েহে তেওঁলোকে সংঘাতৰ সূচনা কৰাৰ সম্ভাৱনা বেছি। সংঘাতৰ তীব্ৰতা বা হিংসা সন্দৰ্ভতো তেওঁ কিছুমান গুৰুত্বপূৰ্ণ যুক্তি উল্লেখ কৰিছে। এইবোৰ তলত দিয়া ধৰণৰ ঃ

- যেতিয়া অধিক গোট বাস্তৱিক বিষয়ক লৈ সংঘাতত লিপ্ত হয় (বাস্তৱিক সংঘাত), তেতিয়া তেওঁলোকে নিজৰ স্বাৰ্থ উপলব্ধি কৰাৰ উপায়ৰ ওপৰত আপোচ বিচৰাৰ সম্ভৱনা বেছি আৰু সেয়েহে সংঘাত কম হিংসাত্মক হয়। যিহেতু বাস্তৱিক সংঘাত নিৰ্দিষ্ট লক্ষ্যক কেন্দ্ৰ কৰিয়েই হয়, গতিকে শত্ৰুৰ ধ্বংসতকৈ সেই লক্ষ্যত উপনীত হোৱাটোৱেই অধিক গুৰুত্বপূৰ্ণ।
- যেতিয়া গোটসমূহে অবাস্তৱিক বিষয়ক লৈ অধিক সংঘাতত লিপ্ত হয়, তেতিয়া আৱেগিক উত্তেজনা আৰু সংঘাতৰ সৈতে জড়িত হোৱাৰ মাত্ৰা অধিক হয়, যাৰ বাবে সংঘাত অধিক হিংসাত্মক হয়।

ক'জাৰৰ মতে হিংসা আৰু সংঘাত প্ৰায়ে আন্তঃসংলগ্ন আৰু হিংসাই কিছুমান গুৰুত্বপূৰ্ণ সামাজিক কাম কৰে। প্ৰথমটো কাম হৈছে হিংসাক কৃতিত্ব প্ৰদান কৰা। হিংসাৰ সৃষ্টি কৰাটো কিছুমান মানুহৰ বাবে এক কৃতিত্ব আৰু যিমানেই হিংসাৰ সৃষ্টি কৰে সিমানেই নিজৰ মনতে তেওঁলোকে সাফল্য লাভ কৰে। দ্বিতীয়তে হিংসাই প্ৰায়ে সমাজ আৰু ইয়াৰ সদস্যসকলক

সংশোধন কৰিবলগীয়া অন্তর্নিহিত সমস্যাৰ বিষয়ে সতর্ক কৰি দিয়ে।

এই সকলোবোৰৰ উপৰিও আটাইতকৈ গুৰুত্বপূর্ণ কথাটো হ'ল সংঘাতৰ প্রতি ক'জাৰৰ দৃষ্টিভংগীয়ে ইয়াৰ বিভিন্ন কার্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ছিমেলৰ দৰে ক'জাৰেও সংঘাতৰ কার্য্যসমূহক ক্রমে— ক) সংঘাতৰ নিজ নিজ পক্ষ আৰু খ) সংঘাত সংঘটিত হোৱা ব্যৱস্থাগত সমগ্রতাৰ বাবে বিভক্ত কৰিছিল।

- নিজ নিজ পক্ষৰ বাবে সংঘাতৰ কার্য সম্পর্কে ক'জাৰৰ প্রস্তাৱসমূহ সেই অনুসৰি ঃ
  - যেতিয়া সংঘাত অধিক হিংসাত্মক হয়, তেতিয়া নিজ নিজ সংঘাতৰ পক্ষৰ সীমা অধিক স্পষ্টভাৱে কর্তন কৰি পেলোৱা হয়।
  - যেতিয়া সংঘাত অধিক হিংসাত্মক হয় আৰু সংঘাতৰ পক্ষসমূহ অধিকৰূপে আভ্যন্তৰীণভাৱে পৃথক হয়, তেতিয়া প্রতিটো সংঘাত পক্ষই নিজৰ সিদ্ধান্ত গ্রহণ প্রক্রিয়াক কেন্দ্রীভূত কৰাৰ সম্ভাৱনা বেছি হৈ পৰে।
  - যেতিয়া সংঘাত অধিক হিংসাত্মক হয়, তেতিয়া ই সংঘাত পক্ষৰ সকলো শ্রেণীৰ কল্যাণত তাৰ সমান্তৰালভাৱে প্রভাৱ পেলাই আৰু সংঘাতে প্রতিটো সংঘাতপূর্ণ দলৰ সদস্যসকলৰ মাজত অধিক সংৰচনাত্মক আৰু মতাদর্শগত সংহতিৰ প্রসাৰ ঘটায়।
  - সংঘাত যিমানেই হিংসাত্মক হয় সিমানেই সংঘাতৰ ফলত প্রতিটো সংঘাত পক্ষৰ ভিতৰত মতানৈক্য আৰু বিচ্যুতি দমনৰ লগতে নীতি আৰু মূল্যবোধৰ প্রতি বলপূর্বক আনুগত্যতা বৃদ্ধি পায়।
  - সংঘাত পক্ষসমূহৰ মাজত সংঘাতত যিমানেই বলপূর্বক অনুকূলতাৰ সৃষ্টি হয়, সিমানেই শত্রুতা ৰৈ যায় আৰু দীর্ঘম্যাদীভাৱে আভ্যন্তৰীণ গোটসমূহৰ মাজত সংঘাতৰ উন্মেষ ঘটাৰ সম্ভাৱনা বেছি হৈ পৰে।
- সামাজিক সমগ্রতাৰ বাবে সংঘাতৰ কার্যসমূহৰ সম্পর্কে ক'জাৰৰ প্রস্তাৱসমূহ সেই অনুসৰি হ'ল —
  - এটা ব্যৱস্থাৰ একক সমূহ যিমানেই পৃথক আৰু কার্যকৰীভাৱে আন্তঃনির্ভৰশীল হয়, সিমানেই সংঘাত সঘনাই হোৱাৰ সম্ভাৱনা বেছি, কিন্তু তীব্রতা আৰু হিংসাৰ মাত্রা কম।
  - সংঘাত যিমানেই বেছি হয়, সিমানেই ইয়াৰ তীব্রতা আৰু হিংসাৰ মাত্রা কম হয়, তেতিয়া এটা ব্যৱস্থাত সংঘাতৰ সম্ভাৱনা সিমানেই বেছি হয় যাতে
    - ক) ব্যৱস্থাৰ এককসমূহৰ উদ্ভাৱনৰ মাত্রা বৃদ্ধি পায়,
    - খ) ব্যৱস্থাৰ এককসমূহক মেৰুকৰণ কৰাৰ আগতে শত্রুতাক মুকলি কৰি দিয়া হয়,
    - গ) সংঘাতৰ সম্পর্কৰ প্রতিমানগত নিয়ন্ত্রণ প্রসাৰিত হয়,

ঘ) বাস্তৱসন্মত বিষয়ৰ প্ৰতি সজাগতা বৃদ্ধি হয়,

ঙ) সংঘবদ্ধ মিত্রজোঁটৰ সংখ্যা বৃদ্ধি হয়।

- অধিক সংঘাতে উদ্ভাৱনৰ স্তৰক প্রসাৰিত কৰে, শত্রুতা মুক্ত কৰে, প্রতিমানগত নিয়ন্ত্রণ বৃদ্ধি কৰে, বাস্তৱিক সমস্যা আৰু সম্পর্কিত মিত্রতা সম্পর্কে সজাগ কৰে যাতে তাৰ পিছত ব্যৱস্থাটোৰ আভ্যন্তৰীণ সামাজিক সংহতিৰ স্তৰ অধিক হয় আৰু ইয়াৰ বাহ্যিক পৰিৱেশৰ সৈতে খাপ খুৱাব পৰা ক্ষমতা অনুৰূপভাৱে বৃদ্ধি পায়।

সংঘাতে সম্পূর্ণ অহং পৰিচয় (Ego identity), স্বকীয়তা আৰু বাহিৰৰ জগতখনৰ পৰা ব্যক্তিত্বৰ পৃথকীকৰণ প্রতিষ্ঠা কৰাত এক গুৰুত্বপূর্ণ কাৰক হিচাপে কাম কৰে। আন গোটৰ সৈতে সংঘাতৰ ফলত এটা গোটৰ চেতনা আৰু পৃথকতাৰ প্রতি সচেতনতা বৃদ্ধি পাই আৰু গোটসমূহৰ মাজত সীমাবদ্ধতাৰ স্থাপন হয়। ক'জাৰৰ মতে সংঘাতৰ দ্বাৰা শত্রুতা প্রকাশ পায় আৰু শিথিল হৈ থকা সম্পর্কক পুনৰুদ্ধাৰ কৰা হয়। ইয়াৰ ফলত পক্ষসমূহৰ মাজত সংঘাতৰ নির্দিষ্ট উৎসসমূহ নাইকিয়া হয় আৰু নতুন নীতি-নিয়ম স্থাপন বা নতুন নীতি-নিয়মৰ দৃঢ়তাৰ জৰিয়তে অভিযোগৰ সমাধান সম্ভৱ হয়। সামাজিক সংঘাতে বিভিন্ন গোটৰ মাজত সীমাৰ সৃষ্টি কৰে, যাৰ ফলত গোটৰ ব্যক্তিগত সদস্যৰ মাজত এক শক্তিশালী ঐক্যৰ সৃষ্টি হয়। সামাজিক সংঘাতে কেৱল নিজৰ গোটৰ মাজত সংহতি বৃদ্ধি কৰাই নহয়, বাহিৰৰ গোটৰ সৈতে মিত্রতা আৰু সংগঠনকো প্রসাৰিত কৰে; ফলত প্রযুক্তিগত উন্নতি আহে, অর্থনীতি পুনৰুজ্জীৱিত হয় আৰু সামাজিক ব্যৱস্থা অগ্রগতিৰ দিশলৈ গতি কৰে। সর্বোপৰি সংঘাতে উত্তেজনা আৰু হতাশাৰ পৰা মুক্তিৰ সুবিধা প্রদান কৰে আৰু সামাজিক ব্যৱস্থাটোক নতুনৰ সৈতে খাপ খুৱাই ল'বলৈ সক্ষম কৰি তোলে।

৫.৫ ৰালফ ডাহৰেণ্ডর্ফৰ দ্বান্দ্বিক সমাজবিজ্ঞান

ডাহৰেণ্ডর্ফৰ সংঘাত তত্ত্বৰ বিষয়ে আলোচনা কৰাৰ আগতে দ্বান্দ্বিক সমাজতত্ত্বৰ চমু বর্ণনা দিয়াটো প্রয়োজনীয়। দ্বান্দ্বিক সমাজতত্ত্ব হৈছে সামাজিক সংঘাতৰ সংগঠিত অধ্যয়ন, যিয়ে সংঘাতপূর্ণ স্বার্থৰ বিৰোধী শক্তিৰ ধাৰণাক সামৰি লয়। দ্বান্দ্বিক আর্হিটো বৈপৰীত্যৰ এক দ্বিবিভাজনৰ দ্বাৰা আৰম্ভ হয়, যেনে দাস আৰু মালিক বা গৰাকী, ধনী আৰু দুখীয়া আদি। ডাহৰেণ্ডর্ফৰ ধাৰণাটো এটা দ্বান্দ্বিক আর্হি কাৰণ তেওঁ সংঘাতক সকলো সামাজিক সংগঠনৰ ভূমিকাৰ কর্তৃত্বশীল আৰু কর্তৃত্বাধীন শীর্ষক প্রতিদ্বন্দ্বিতামূলক শ্রেণীত বিভাজনৰ অন্তর্নিহিত বুলি উপস্থাপন কৰিছিল।

ডাহৰেণ্ডর্ফে তেওঁৰ সংঘাত তত্ত্বক সমাজৰ শক্তিশালী তত্ত্ব বুলি উল্লেখ কৰিছিল যাক তেওঁ নিজৰ গ্রন্থ Class and Class Conflict in Industrial Society ত আলোচনা কৰিছে। মার্ক্সে অর্থনৈতিক শক্তিয়েই সমাজত সংঘাতৰ একমাত্র নির্ণায়ক হিচাপে অভিহিত কৰাৰ লৈ তেওঁৰ মতানৈক্য আছে। তেওঁৰ উদ্দেশ্য আছিল এনে এটা তত্ত্ব গঢ়ি তোলা, যিয়ে মার্ক্সৰ তত্ত্বক আধুনিক সমাজৰ সৈতে খাপ খোৱাকৈ সংশোধিত কৰি তুলিব। তেওঁৰ সংঘাত তত্ত্ব ক্ষমতা

আৰু কর্তৃত্বৰ ধাৰণাটোক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। ডাহৰেণ্ডৰ্ফৰ মতে ক্ষমতা আৰু কর্তৃত্ব দুর্লভ সম্পদ আৰু ক্ষমতা আৰু কর্তৃত্বৰ পার্থক্যমূলক বিতৰণ সংঘাতৰ ভিত্তি হৈ পৰে।

ডাহৰেণ্ডৰ্ফে কৈছিল যে সামাজিক জগতখন সামাজিক সংগঠনৰ দ্বাৰা গঠিত যিবোৰ সংগঠন সামাজিক ব্যৱস্থাৰ তুলনাত আৱশ্যকীয়ভাৱে সমন্বিত। এই সামাজিক সংগঠনটোৰ বৈশিষ্ট্য হৈছে আনৰ ওপৰত ক্ষমতা থকা গোটৰ সৈতে ক্ষমতাকেন্দ্ৰিক সম্পর্ক। আমি ক'ব পাৰো যে কর্তৃত্বৰ গাঁথনি প্ৰতিটো সামাজিক সংগঠনৰ এক অবিচ্ছেদ্য অংগ। উল্লেখনীয় যে কর্তৃত্বৰ গাঁথনিত সদায় অধীনস্থ আৰু অধীনস্থতাৰ সম্পর্ক জড়িত হৈ থাকে যিয়ে অধিকাৰ আৰু বাধ্যবাধকতাক সংজ্ঞায়িত কৰে। য'ত কর্তৃত্বৰ সম্পর্ক থাকে, তাত অতিক্ৰমণীয় উপাদানে অধীনস্থ উপাদানসমূহ নিয়ন্ত্ৰণ কৰে যিয়ে কর্তৃত্বৰ অসমান বিতৰণক স্পষ্টভাৱে নির্দেশ কৰে। কর্তৃত্বৰ অসমান বিতৰণে আধিপত্য আৰু বশৱর্তী অৱস্থাৰ দ্বন্দ্বৰ সৃষ্টি কৰে। কিছুমানক আনৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰ বৈধ অধিকাৰ (কর্তৃত্ব) অর্পণ কৰা হয়।

ডাহৰেণ্ডৰ্ফৰ মতে সমাজ আৰু গোটসমূহৰ গাঁথনিগত সংগঠনক এনেদৰে নির্মাণ কৰা হৈছে যে "কার্যকৰী ক্ষমতা নিশ্চিত কৰিবলৈ কিছুমান পদক অন্য পদৰ ওপৰত নিয়ন্ত্ৰণ প্ৰয়োগ কৰাৰ অধিকাৰ অর্পণ কৰা হয়; ইয়াৰ অর্থ হ'ল ক্ষমতা আৰু কর্তৃত্বৰ ভিন্নতামূলক বিতৰণ আছে"। কর্তৃত্বৰ ভিন্নতামূলক বিতৰণৰ ফলত শেষত দুটা দ্বৈত গোট গঠন হয়। প্ৰভাৱশালী স্থানত থকাসকলে যথার্থ অৱস্থা বজাই ৰাখিব বিচাৰে আৰু আনহাতে অধীনস্থ পদত থকাসকলে পৰিৱর্তন বিচাৰে। যিকোনো সংস্থাৰ ভিতৰত স্বার্থৰ সংঘাত অন্ততঃ সকলো সময়তে সুপ্ত হৈ থাকে, অর্থাৎ কর্তৃত্বৰ বৈধতা সদায় অস্বস্তিকৰ। অধীনস্থ আৰু অধীক্ষকৰ আগ্ৰহ বস্তুনিষ্ঠ, কিয়নো পদৰ লগত জড়িত প্ৰত্যাশাত ইয়াৰ প্ৰতিফলন ঘটে। ব্যক্তিসকলে যেতিয়া অধীক্ষক আৰু অধীনস্থৰ মাজত সংঘাতত অৰিহণা যোগাই তেতিয়া তেওঁলোকৰ ভূমিকা অনুসৰি তেওঁলোকক অভ্যস্ত কৰা হয়। ডাহৰেণ্ডৰ্ফে এই অচেতন ভূমিকা প্ৰত্যাশাক 'সুপ্ত স্বার্থ' বুলি অভিহিত কৰিছিল। স্পষ্ট স্বার্থ হৈছে সেইবোৰ সুপ্ত স্বার্থ যিবোৰ ইতিমধ্যে দৃষ্টিগোচৰ হৈ পৰিছে। তেওঁ সুপ্ত আৰু স্পষ্ট স্বার্থৰ মাজৰ সংযোগ বিশ্লেষণক সংঘাত তত্ত্বৰ এটা ডাঙৰ সফলতা হিচাপে চিহ্নিত কৰিছিল। ডাহৰেণ্ডৰ্ফে গোটসমূহত ঘাইকৈ তিনিটা বহল প্ৰকাৰৰ গোটত বিভাজিত কৰিছিল। প্ৰথমটো হ'ল অর্ধ গোট (সংঘাতৰ বহু সম্ভাৱনা থকা লোকসকলক একে ধৰণৰ অৱস্থানৰ বাবে ভাগ কৰা গোট), দ্বিতীয়টো হ'ল স্বার্থজড়িত গোট, তেওঁলোক হৈছে সংঘাতৰ প্ৰকৃত কাৰক বা প্ৰতিভূ। তেওঁলোকৰ এটা সংৰচনা, সংগঠনৰ এটা ৰূপ, এটা লক্ষ্য আৰু সদস্য আছে। সকলোবোৰ গোটৰ ভিতৰত স্বার্থজড়িত গোট হৈছে সংঘাতপূর্ণ গোট, বা যিবোৰ গোট প্ৰকৃততে সংঘাতত লিপ্ত হয় আৰু সেই সংঘাতৰ ফলতেই সেইবোৰৰ উত্থান ঘটে।

ডাহৰেণ্ডৰ্ফে পৰামর্শ দিছিল যে কর্তৃত্ব সম্পত্তিৰ অধিকাৰৰ দ্বাৰা বান্ধ খাই নাথাকে আৰু তেওঁ বিশ্বাস কৰিছিল যে 'শ্ৰেণী সংঘাতক কোনো এটা নির্দিষ্ট কর্তৃত্বৰ গাঁথনিত কর্তৃত্ব বিতৰণৰ বিবাদৰ পৰা উদ্ভৱ হোৱা বুলিহে সর্বোত্তমভাৱে দেখা যায়" (Lopreato 1967: 281)। যিহেতু প্ৰতিটো সামাজিক সংগঠন এটা আৱশ্যকীয়ভাৱে সমন্বিত গোট আৰু কর্তৃত্বৰ

সংৰচনাটোৰেই হৈছে সংঘাতৰ একমাত্ৰ ভিত্তি, গতিকে সংঘাত নাইকীয়া হোৱাটো সম্ভৱ নহয়। যিহেতু কৰ্তৃত্বৰ ভিন্নতামূলক বিতৰণেই সংঘাতৰ মৌলিক উৎস, গতিকে শ্ৰেণী সংঘাতৰ ফলত হোৱা পৰিৱৰ্তন মূলতঃ কৰ্তৃত্ব ব্যৱস্থাৰ পৰিৱৰ্তন।

ডাহৰেণ্ডৰ্ফে সংঘাতৰ প্ৰকৃতি আৰু পৰিণতি সম্পৰ্কে কিছুমান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়াইছে।

- সংঘাত গোটটো যিমানেই ভালদৰে সংগঠিত হ'ব সিমানেই সংঘাত কম হিংসাত্মক হ'ব।
- নিৰপেক্ষ বঞ্চনাৰ ফলত অধিক হিংসাত্মক সংঘাত হয় আৰু আপেক্ষিক বঞ্চনাৰ ফলত কম হিংসাত্মক সংঘাত হয়।
- সংঘাত যিমানেই হিংসাত্মক হয় সিমানেই পৰিৱৰ্তন দ্ৰুত হয়।

ডাহৰেণ্ডৰ্ফৰ সংঘাত তত্ত্ব সমালোচনাৰ পৰা মুক্ত নহয়। বহু তত্ত্ববিদে ইয়াক সমালোচনা কৰি আহিছে। কলিন্সে বিবেচনা কৰিছিল যে আমি ইতিমধ্যে আলোচনা কৰি অহা তেওঁৰ দ্বিতীয়টো প্ৰস্তাৱ শুদ্ধ নহয়। ডাহৰেণ্ডৰ্ফে ইয়াৰ কোনো প্ৰমাণ আগবঢ়োৱা নাই আৰু বিপ্লৱী আন্দোলনৰ ইতিহাস অধ্যয়নৰ পৰা এনে লাগে যে হিংসাত্মক সংঘাতৰ সৃষ্টি তেতিয়া নহয় য'ত নিম্নতম শ্ৰেণীটোৱে আটাইতকৈ বেছি নিপীড়িত হয়, বৰঞ্চ য'ত নিজকে সংগঠিত কৰাৰ সুবিধা আছে তাতহে সংঘাত সংঘটিত হয়। কলিন্সৰ মতে তেওঁৰ তৃতীয়টো প্ৰস্তাৱো সন্দেহজনক, কিয়নো বহু হিংসাত্মক ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰে একেবাৰেই সামাজিক পৰিৱৰ্তনৰ সৃষ্টি কৰা দেখা নাযায়।

৬.৬ ৰেণ্ডেল কলিন্সৰ বিশ্লেষণাত্মক সংঘাত তত্ত্ব

ৰেণ্ডেল কলিন্স ডাৰখেইম, ৱেবাৰ, মাৰ্ক্স, মিড আৰু গফমেন আদি মহান চিন্তাবিদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। কলিন্সৰ ৰচনাৰ বিকাশত কাৰ্ল মাৰ্ক্সে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কলিন্সে মাৰ্ক্সক সংঘাত তত্ত্বৰ "মহান জনক" হিচাপে চিত্ৰিত কৰিছিল। যদিও তেওঁ সমগ্ৰ মাৰ্ক্সবাদী চিন্তাধাৰাৰ সৈতে একমত নাছিল, তথাপিও তেওঁ বস্তুগত জগত আৰু শ্ৰম বিভাজনৰ গঠনৰ মাৰ্ক্সীয় ধাৰণাটোৰ সৈতে একমত আছিল। কলিন্সে বিশ্লেষণাত্মক কাঠামো আৰু তুলনামূলক ঐতিহাসিক পদ্ধতি ব্যৱহাৰ কৰি ৱেবাৰৰ বহুত্ববাদী আৰ্হিক গ্ৰহণ কৰিছিল। প্ৰপঞ্চতত্ত্ব আৰু নৃতাত্ত্বিক পদ্ধতি তত্ত্বৰ পৰা আহৰণ কৰা স্তৰীকৰণৰ ক্ষেত্ৰত তেওঁৰ সংঘাতৰ দৃষ্টিভংগী সামাজিক সংঘাতৰ এক সংহত তত্ত্ব গঢ়ি তোলাৰ প্ৰয়াসৰূপে বিবেচিত হৈছে। তেওঁৰ সংঘাত তত্ত্বৰ যোগেদি তেওঁ সমাজতাত্ত্বিক দৃষ্টিভংগীৰ ভিতৰত বিদ্যমান 'ব্যষ্টিবাদী-সমষ্টিবাদী'ৰ বিভাজনৰ মাজত সেতুবন্ধন কৰাৰ চেষ্টা কৰিছিল। কলিন্সে মাৰ্ক্স আৰু ৱেবাৰৰ ধাৰণা আৰু ব্যক্তিৰ আচৰণৰ ওপৰত অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠানৰ প্ৰভাৱ বিশ্লেষণক তেওঁৰ অধ্যয়নৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছিল। ব্যক্তি আৰু তেওঁলোকৰ আভ্যন্তৰীণ সংগ্ৰামৰ ওপৰত

তেওঁৰ মনোনিৱেশে এক ব্যষ্টিবাদী দৃষ্টিভংগী উন্মোচন কৰে। কলিন্সৰ মতে ঃ "সংঘাত তত্ত্ব কেৱল প্ৰকাশ্য সংঘাত আৰু সামাজিক পৰিৱৰ্তনৰ সৈতে জড়িত নহয়। ই সমাজৰ সকলো দিশ আৰু সকলো ৰূপত সামাজিক শৃংখলাৰ দৃষ্টিভংগী। সামাজিক সংগঠনৰ ওপৰত সংঘাত তত্ত্বটো হৈছে স্তৰীকৰণৰ তত্ত্ব। সমাজবোৰ কেৱল পৃথক নহয়; ব্যক্তি আৰু গোটৰ মাজৰ পাৰ্থক্য সাধাৰণতে বৈষম্যৰ ৰূপ যিবোৰ সম্পদৰ পাৰ্থক্যৰ ফলত উৎপন্ন হয় আৰু ই বিৰোধী স্বাৰ্থৰ সন্ধানক প্ৰতিনিধিত্ব কৰে। সংঘাত তত্ত্বই প্ৰস্তাৱ আগবঢ়াই যে সামাজিক সংগঠনৰ বিভিন্ন ৰূপক স্তৰীকৰণৰ তত্ত্বৰ অংশ হিচাপে ব্যাখ্যা কৰিব পাৰি"।

কলিন্সে সামাজিক স্তৰীকৰণৰ ওপৰত গুৰুত্ব দিয়ে, কাৰণ ই এনে এক সংস্থা যিয়ে ধন, ৰাজনীতিৰ পৰিসৰ, পৰিয়াল, গোট, সম্প্ৰদায়, জীৱনশৈলীকে ধৰি জীৱনৰ বহু বৈশিষ্ট্যক বহন কৰে। কলিন্সৰ মতে মাৰ্ক্সৰ স্তৰীকৰণৰ বিশ্লেষণ অতি সীমিত। মাৰ্ক্সে মূলতঃ ৰাজনৈতিক ক্ষমতাৰ নিৰ্ণায়ক আৰু 'স্তৰীকৰণৰ তত্ত্ব'ৰ প্ৰতিহে আগ্ৰহী আছিল। তেওঁ মাৰ্ক্সীয় তত্ত্বক "বহু কাৰণগত জগতৰ এককাৰণীয় ব্যাখ্যা" বুলি সমালোচনা কৰিছিল। কলিন্সে মাৰ্ক্সৰ অৰ্থনৈতিক নিৰ্ধাৰণবাদতকৈ ৰেবাৰৰ স্তৰীকৰণৰ ধাৰণাটোক পছন্দ কৰিছিল য'ত ৰাজনৈতিক ক্ষমতা আৰু সামাজিক প্ৰতিপত্তিকো অন্তৰ্ভুক্ত কৰা হৈছে।

কলিন্সে দাবী কৰিছিল যে সামাজিক আন্তঃক্ৰিয়াৰ ক্ষুদ্ৰ পৰ্যায়ত ক্ষমতা আৰু মৰ্যাদা মৌলিক সম্পৰ্কীয় মাত্ৰা। সামাজিক জীৱনত যিয়েই নহওক কিয়, ইয়াক সকলোৱে ধাৰণা কৰিব বিচাৰিব। মানুহ ক্ষমতা আৰু মৰ্যাদাৰ সম্পৰ্কীয় বিষয়সমূহৰ সৈতে গভীৰভাৱে জড়িত আৰু এই বোধৰ পৰাই সামাজিক তত্ত্ববিদসকলে এইবোৰৰ সৈতে এটা বা আন এটা ৰূপত মোকাবিলা কৰিছে। কলিন্সে অনুমান কৰিছিল যে ক্ষমতা, ধন আৰু প্ৰতিপত্তিৰ দৰে কিছুমান দুৰ্লভ সামগ্ৰী আছে। ব্যক্তিসকলে দুৰ্লভ সামগ্ৰীসমূহৰ ক্ষেত্ৰত নিজৰ অংশ সৰ্বাধিক কৰিবলৈ চেষ্টা কৰে। এই প্ৰক্ৰিয়াত যিসকলে সামগ্ৰীৰ অধিক অংশ লাভ কৰে, তেওঁলোকে নিজৰ স্থিতি সুদৃঢ় কৰিবলৈ চেষ্টা কৰে, নিজৰ স্বাৰ্থ সৰ্বাধিক কৰে আৰু বিভিন্ন উপায়েৰে বিশেষকৈ জোৰ-জবৰদস্তিৰ দ্বাৰা সংৰচনাত্মক ব্যৱস্থাত আধিপত্য বিস্তাৰ কৰে। কিন্তু সকলো মানুহেই কাৰোবাৰ নিৰ্দেশ পালন পালন কৰাটো অপছন্দ কৰে আৰু সেয়েহে অধীনস্থৰ ভূমিকা এৰাই চলিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। গতিকে সংঘাত অনিবাৰ্য, কাৰণ সকলোৱে দুৰ্লভ সম্পদ আৰু এই আকাংক্ষিত সম্পদৰ সৈতে জড়িত ভূমিকাসমূহৰ সৈতে সম্পৰ্কিত। কলিন্সৰ মতে হিংসাত্মক জোৰ-জবৰদস্তি আৰু আনক এটা নিৰ্দিষ্ট ধৰণে আচৰণ কৰিবলৈ বাধ্য কৰাব পৰা ক্ষমতাই হৈছে সংঘাতৰ প্ৰধান ভিত্তি।

ৰিটজাৰৰ মতে স্তৰীকৰণৰ ক্ষেত্ৰত কলিন্সৰ সংঘাতৰ দৃষ্টিভংগীক তিনিটা মৌলিক নীতিলৈ হ্ৰাস কৰিব পাৰি। সেই অনুসৰি এইবোৰ হ'ল —

- মানুহে আত্মগঠনশীল বিষয়ভিত্তিক জগতখনত বাস কৰে।
- এজন ব্যক্তিৰ আন এজন ব্যক্তিৰ বিষয়ভিত্তিক অভিজ্ঞতাক প্ৰভাৱিত কৰাৰ, আনকি নিয়ন্ত্ৰণ কৰাৰ ক্ষমতাও থাকিব পাৰে।

- এক শ্রেণীৰ মানুহে সঘনাই আনৰ কার্য নিয়ন্ত্রণ কৰিবলৈ চেষ্টা কৰে আৰু আন শ্রেণীৰ মানুহে নিয়ন্ত্রণৰ এনে প্রচেষ্টাৰ বিৰোধিতা কৰে যাৰ ফলত প্রায়ে আন্তঃব্যক্তিগত সংঘাতৰ সৃষ্টি হয়।

এই নীতিসমূহৰ আধাৰত কলিন্সে সংঘাত বিশ্লেষণৰ পাঁচটা নীতি উদ্ভাৱন কৰিছিল।

- সংঘাততত্ত্বই বিমূর্ত ধাৰণাৰ পৰিৱর্তে বাস্তৱ জীৱনৰ ওপৰত গুৰুত্ব দিব লাগিব।
- বস্তুগত ব্যৱস্থাই পাৰস্পৰিক আন্তঃক্রিয়াক প্রভৱিত কৰে।
- ব্যক্তিৰ মাজত বৈষম্যৰ সামাজিক পৰিস্থিতিত ক্ষমতাধীন পদত থকাসকলে সাধাৰণতে সম্পদৰ অভাৱত থকাসকলক শোষণ কৰিবলৈ চেষ্টা কৰে।
- বিশ্বাস, মূল্যবোধ, নীতি-নিয়মৰ দৰে সাংস্কৃতিক পৰিঘটনাৰ ভূমিকা স্বার্থ, সম্পদ আহৰণ আৰু ক্ষমতাৰ সৈতে ইয়াৰ সম্পর্কৰ ক্ষেত্রত পৰীক্ষা কৰিব লাগিব।
- স্তৰীকৰণ আৰু সামাজিক জগতৰ আন প্রতিটো দিশৰ বৈজ্ঞানিক অধ্যয়নৰ প্রতি দৃঢ় প্রতিশ্রুতি থাকিব লাগিব।

কিন্তু সামাজিক স্তৰীকৰণৰ উপৰিও কলিন্সে তেওঁৰ সংঘাত তত্ত্বক অন্যান্য সামাজিক ক্ষেত্রলৈও সম্প্রসাৰিত কৰিবলৈ চেষ্টা কৰিছিল। আনুষ্ঠানিক সংগঠনকো তেওঁ সংঘাতৰ দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিছিল। তেওঁ জড়িত পক্ষসমূহৰ বিৰোধী স্বার্থ, ইয়াৰ অৱস্থান, উপলব্ধ সম্পদ আৰু বিকল্পৰ সাধাৰণ ধাৰণাৰ ভিত্তিত বহুতো সামাজিক পৰিঘটনাক বিশ্লেষণ কৰিছিল। কলিন্সে সংঘাত তত্ত্বৰ কেইবাজনো অগ্রগামীৰ কোনো এজনৰ ওপৰত একান্তভাৱে নির্ভৰ নকৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ধ্রপদী গ্রন্থসমূহত উল্লেখ থকা সংঘাতৰ পৰম্পৰা দুটা কি কি?

.....

.....

প্রশ্ন ২ ঃ সংঘাতৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন ৩ ঃ ছিমেলৰ মতে সংঘাতে এটা সম্প্রদায়ক সামগ্রিকভাৱে উপকৃত কৰে। কেনেকৈ?

.....

.....

প্রশ্ন ৪ ঃ সংঘাত সম্পর্কে ক'জাৰৰ প্রধান কাম কি লিখক।

.....

.....

প্রশ্ন ৫ ঃ দ্বান্দ্বিক সমাজতত্ত্ব মানে কি?

.....

.....

প্রশ্ন ৬ ঃ কলিন্সৰ মতে সংঘাতৰ প্রধান ভিত্তি কি?

.....

.....



৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সংঘাতত্ত্বই সাধাৰণতে সমাজক মূলতঃ অর্থনৈতিক শক্তিৰ দ্বাৰা গঠিত সামাজিক সংৰচনা আৰু সম্পর্কৰ ব্যৱস্থা হিচাপে লয়।
- ধ্রুপদী গ্রন্থসমূহত সংঘাততত্ত্বৰ দুটা সুকীয়া পৰম্পৰা আছে ঃ ৰাজনৈতিক দর্শনৰ ক্ষমতা সম্পর্ক পৰম্পৰা আৰু প্রতিযোগিতামূলক সংগ্রামৰ পৰম্পৰা। সংঘাতৰ সমাজতাত্ত্বিক তত্ত্ব এই দুয়োটা পৰম্পৰাৰ সমন্বয়।
- আধুনিক সংঘাতত্ত্ব আচলতে জর্জ ছিমেলৰ লেখনীৰ পৰা আৰম্ভ হৈছিল আৰু লুইছ ক'জাৰে ইয়াক সংশোধন কৰিছিল।
- ছিমেলৰ মতে সংঘাত সামাজিক ব্যৱস্থাৰ বিপৰীত নহয় বৰঞ্চ ই তীব্র ৰূপৰ পাৰস্পৰিক আন্তঃক্রিয়াহে। বহুসময়ত ই মানুহক স্বাভাৰিক সামাজিক ব্যৱস্থাতকৈ অধিক সুদৃঢ়ভাৱে কাষ চপাই আনে।
- ছিমেলে এই ধাৰণাটোক নাকচ কৰিছে যে সংঘাত হৈছে এক অস্থায়ী পর্যায় যিটো শেষত ঐক্যলৈ ৰূপান্তৰিত হয়। তেওঁ শান্তি আৰু সংঘাতক ঐতিহাসিক বাস্তৱত পাৰস্পৰিকভাৱে জড়িত হৈ আছে বুলি দাবী কৰিছে।
- ক'জাৰ ছিমেলৰ কামৰ দ্বাৰা অতিশয় প্রভাৱিত হৈছিল যাৰ বাবে তেওঁ সমাজৰ সংঘাতৰ দিশসমূহৰ ওপৰত বহু মনোযোগ দিছে। সংঘাতৰ বিষয়টোক আলোচনা নকৰাৰ বাবে পার্ছনছৰ প্রকার্যবাদক সমালোচনা কৰাৰ লগতে সংঘাতৰ ইতিবাচক দিশসমূহ উপেক্ষা কৰাৰ বাবে আন সংঘাততত্ত্ববিদসকলতো তেওঁ সমালোচনা কৰিছে।
- ক'জাৰৰ মতে সংঘাতে শত্রুতা প্রকাশ আৰু শিথিল সম্পর্কক পুনৰুদ্ধাৰ কৰে। ইয়াৰ ফলত গোটসমূহৰ মাজত সংঘাতৰ নির্দিষ্ট উৎসসমূহ নাইকিয়া হয় আৰু নতুন নীতি-নিয়ম স্থাপন হয় আৰু এই নতুন নীতি-নিয়মৰ দৃঢ়তাৰ জৰিয়তেহে অভিযোগৰ সমাধান সম্ভৱ হয়।
- ডাহৰেণ্ডর্ফৰ সংঘাতৰ ধাৰণাটোক এটা দ্বান্দ্বিক আর্হি বুলিব পাৰি, কাৰণ তেওঁ সংঘাতক কর্তৃত্বশীল আৰু কর্তৃত্বাধীন সামাজিক গোটৰ মাজৰ ভূমিকাৰ প্রতিদ্বন্দ্বিতামূলক

শ্রেণীবিভাজনৰ অন্তর্নিহিত ঘটনা বুলি উল্লেখ কৰিছিল।

- ডাহৰেণ্ডৰ্ফৰ মতে ক্ষমতা আৰু কর্তৃত্ব দুর্লভ সম্পদ আৰু ক্ষমতা আৰু কর্তৃত্বৰ পার্থক্যমূলক বিতৰণ সংঘাতৰ ভিত্তি হৈ পৰে।
- যিহেতু কর্তৃত্বৰ ভিন্নতামূলক বিতৰণ সংঘাতৰ মৌলিক উৎস, গতিকে শ্রেণী সংঘাতৰ ফলত হোৱা পৰিৱর্তনে মূলতঃ কর্তৃত্ব ব্যৱস্থাৰ পৰিৰ্তন আনে।
- স্তুকীকৰণৰ ক্ষেত্রত কলিন্সৰ সংঘাতৰ দৃষ্টিভংগীক প্রপঞ্চতত্ত্ব আৰু নৃতাত্ত্বিক পদ্ধতি তত্ত্বৰ পৰা লোৱা হৈছে য'ত সামাজিক সংঘাতৰ এক সংহত তত্ত্ব গঢ়ি তোলাৰ প্রয়াস কৰা হৈছে। সমাজতত্ত্বৰ দৃষ্টিভংগীৰ ভিতৰত বিদ্যমান 'ব্যষ্টিবাদী-সমষ্টিবাদী' বিভাজনৰ মাজত তেওঁ সেতুবন্ধন কৰাৰ চেষ্টা কৰিছিল।
- কলিন্সৰ মতে হিংসাত্মক জোৰ-জবৰদস্তি আৰু আন ব্যক্তিক এটা নির্দিষ্ট ধৰণে আচৰণ কৰিবলৈ বাধ্য কৰাব পৰা ক্ষমতাই হৈছে সংঘাতৰ প্রধান ভিত্তি।



৫.৮ অধিক জানিবলৈ

1) Abraham M.Francis. (2006). *Modern Sociological Theory An Introduction*. New Delhi: Oxford University Press.
2) Abraham M. Francis and John Henry Morgan. (2007). *Sociological Thought*. Delhi, Banglore: Macmillan India Ltd.
3) Collins, Randall. (2004). *Theoretical Sociology*. Jaipurand New Delhi: Rawat Publication.
4) Coser, Lewis A. (2011). *Masters of Sociological Thought Ideasin Historical and Social Context*. Jaipur, New Delhi, Guwahati: Rawat Publication.
5) Dahrendorf, Ralf. (1959). *Class and Class Conflict in industrial society*. Stanford: Stanford Unuversity Press.
6) Delaney, Tim. (2008). *Contemporary Social Theory Investigation and Application*. New Delhi: Pearson Education.
7) Lopreto, Joseph. (1967). "Class Conflict and the Images of Society". *The Journal of Conflict Resolution*. 11(3): 281-293.
8) Ritzer, Georg. (2008). *Modern Sociological Theory*. McGraw Hill.
9) Turner, Jonathan H. (2005). *The Structure of Sociological Theory*. Jaipur: Rawat Publication.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দর্শনৰ ক্ষমতা সম্পর্ক পৰম্পৰা আৰু প্রতিযোগিতামূলক সংগ্রামৰ পৰম্পৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ সংঘাত হৈছে পাৰস্পৰিক আন্তঃক্রিয়াৰ এক তীব্র ৰূপ। ই মানুহক স্বাভাৰিক সামাজিক ব্যৱস্থাতকৈ অধিক ঘনিষ্ঠতালৈ আনে।

৩ নং প্রশ্নৰ উত্তৰ ঃ চিমেলৰ মতে সংঘাত সামগ্রিকভাৱে সম্প্রদায়টোৰ বাবে সুবিধাজনক হ'ব পাৰে কাৰণ ই ব্যৱস্থাৰ সংহতি আৰু অভিযোজনৰ প্রসাৰ ঘটায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ The Function of Social Conflict, ১৯৫৬।

৫ নং প্রশ্নৰ উত্তৰ ঃ দ্বান্দ্বিক সমাজতত্ত্ব হৈছে সামাজিক সংঘাতৰ সংগঠিত অধ্যয়ন যিয়ে সংঘাতপূর্ণ স্বার্থৰ বিৰোধী শক্তিৰ ধাৰণাক সামৰি লয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ কলিন্সৰ মতে সংঘাতৰ প্রধান ভিত্তি হ'ল হিংসাত্মক জোৰ-জবৰদস্তি।



৫.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দত দিয়ক)

প্রশ্ন ১ ঃ ছিমেলে সংঘাতক সমাজৰ বাবে কার্যকৰী বুলি কিয় গণ্য কৰিছিল?

প্রশ্ন ২ ঃ হিংসাৰ গুৰুত্বপূর্ণ কামবোৰ কি কি?

প্রশ্ন ৩ ঃ কলিন্সৰ সংঘাতৰ দৃষ্টিভংগীৰ চাৰিটা মূল নীতি কি কি?

প্রশ্ন ৪ ঃ সুপ্ত আৰু স্পষ্ট স্বার্থৰ মাজত পার্থক্য লিখক।

খ) দীঘলীয়া প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দত দিয়ক)

প্রশ্ন ১ ঃ 'সংঘাতৰ ফলত সমাজৰ একত্রীকৰণ হয়' — বক্তব্যটোক স্পষ্টৰূপে বিশ্লেষণ কৰক।

প্রশ্ন ২ ঃ ডাহৰেণ্ডর্ফৰ সংঘাতৰ তত্ত্বৰ এক সমালোচনাত্মক আলোচনা কৰক।

প্রশ্ন ৩ ঃ স্তৰীকৰণৰ ক্ষেত্রত কলিন্সৰ সংঘাতৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰক। মার্ক্সৰ সংঘাতৰ দৃষ্টিভংগীৰ পৰা ই কেনেকৈ পৃথক?

*** ***** ****

অধ্যায় ৬ ঃ প্রতীকী আন্তঃক্রিয়াবাদ আৰু নৃতাত্ত্বিক পদ্ধতি

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ প্রতীকী আন্তঃক্রিয়াবাদৰ উপাদান আৰু ইয়াৰ মূল নীতি

৬.৪ প্রতীকী আন্তঃক্রিয়াবাদৰ প্রতি মিডৰ দৃষ্টিভংগী

৬.৫ প্রতীকী আন্তঃক্রিয়াবাদৰ প্রতি ব্লুমাৰৰ দৃষ্টিভংগী

৬.৬ প্রতীকী আন্তঃক্রিয়াবাদৰ সমালোচনা

৬.৭ নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান সম্পর্কে গার্ফিংকেলৰ দৃষ্টিভংগী

৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৯ অধিক জানিবলৈ

৬.১০ অগ্রগতিৰ খতিয়ান

৬.১১ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- প্রতীকী আন্তঃক্রিয়াবাদৰ দৃষ্টিভংগী বুজিব পাৰিব।
- প্রতীকী আন্তঃক্রিয়াৰ সৈতে জড়িত চিন্তাবিদসকলৰ সৈতে পৰিচিত হব।
- প্রতীকী আন্তঃক্রিয়াবাদৰ সমালোচনাসমূহ ব্যাখ্যা কৰিব পাৰিব।
- নৃতাত্ত্বিক পদ্ধতিৰ মূলকথাবোৰ জানিব পাৰিব।

৬.২ পৰিচয়

প্রতীকী আন্তঃক্রিয়াবাদৰ দৃষ্টিভংগী প্রথম বিকশিত হোৱাৰ ৭০ বছৰতকৈও অধিক হ'ল। সমাজতত্ত্বৰ পূর্বৰ পৰম্পৰাসমূহত ইউৰোপীয় পণ্ডিতসকলৰ প্রভাৱ স্পষ্টৰূপে আছিল যদিও ব্লুমাৰে কোৱা অনুসৰি প্রতীকী আন্তঃক্রিয়াবাদ হৈছে প্রথম 'স্বতন্ত্রভাৱে বিকশিত আমেৰিকান সমাজতাত্ত্বিক তত্ত্ব'। প্রতীকী আন্তঃক্রিয়াবাদৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তাত্ত্বিক হ'ল জর্জ হার্বার্ট মিড, হার্বার্ট ব্লুমাৰ, চার্লছ কুলে আৰু ডব্লিউ আই থমাছ আদি।

প্রতীকী আন্তঃক্রিয়াবাদ হৈছে ব্যক্তিৰ মাজৰ সূক্ষ্ম স্তৰৰ পাৰস্পৰিক আন্তঃক্রিয়া আৰু এই বাৰে বাৰে হোৱা পাৰস্পৰিক আন্তঃক্রিয়াৰ জৰিয়তে সমাজৰ সৃষ্টি আৰু ৰক্ষণাবেক্ষণৰ ধৰণ অধ্যয়ন কৰা এটা তত্ত্ব। আত্মসত্ত্বা আৰু সমাজৰ ওপৰত মিডৰ কামেই হৈছে প্রতীকী আন্তঃক্রিয়াবাদৰ তত্ত্বত নিহিত হৈ থকা মূল সাহিত্য। এই তত্ত্বৰ আগতে সমাজতত্ত্বৰ প্রধান

তত্ত্বসমূহে বৃহৎ পর্যায়ৰ সংস্থা আৰু সামাজিক সংৰচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এইদৰে এই পদ্ধতিসমূহৰ সংৰচনা আৰু ব্যক্তিৰ মাজৰ সম্পৰ্কৰ সন্দৰ্ভত 'শীৰ্ষৰ পৰা তললৈ' (Top-down approach) দৃষ্টিভংগী আছিল, যিয়ে সংৰচনাসমূহে ব্যক্তিসকলক কেনেকৈ বাধাগ্রস্ত কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই প্রভাৱশালী চিন্তাৰ ধাৰাটোৰ পৰা পোনপটীয়াকৈ বিচ্যুত হৈ প্রতীকী আন্তঃক্রিয়াবাদৰ দৃষ্টিভংগী আছিল 'তলৰ পৰা ওপৰলৈ' (Bottom-up approach), যিয়ে ব্যক্তিৰ দৈনন্দিন পা�ৰস্পৰিক ক্রিয়া-কলাপত উত্থাপিত হোৱা ক্ষুদ্র প্রক্রিয়াসমূহ আৰু সমাজখনক বুজি পোৱাৰ ক্ষেত্রত এইবোৰ কেনেকৈ মূল উপাদান তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। প্রতীকী আন্তঃক্রিয়াবাদত সামষ্টিক গঠনে ব্যক্তিক বাধা দিয়ে আৰু শেষত সংজ্ঞায়িত কৰে বুলি থকা ধাৰণাটোৰ বিপৰীতে ব্যক্তিজন প্রতিনিধি আৰু স্বতন্ত্র হিচাপেও আত্মপ্রকাশ কৰাৰ লগতে তেওঁলোকৰ সামাজিক জগতখন গঠনৰ অবিচ্ছেদ্য অংগ হিচাপেও আত্মপ্রকাশ কৰে।

যোগাযোগত ভাষা আৰু প্রতীকৰ ব্যৱহাৰে প্রতীকী আন্তঃক্রিয়াবাদত মূল ভূমিকা গ্রহণ কৰে। ইয়াত সামাজিক সংস্থাসমূহে ব্যক্তিক বস্তুনিষ্ঠভাৱে কেনেকৈ সংজ্ঞাবদ্ধ কৰে আৰু প্রভাৱিত কৰে তাৰ ওপৰত নহয় বৰং ব্যক্তিয়ে অর্থ আৰু প্রতীকৰ বিভিন্ন ব্যাখ্যা আৰু তেওঁলোকে নিজৰ চাৰিওফালৰ অর্থ কেনেদৰে নির্ণয় কৰে তাৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। তত্ত্ববাদৰ পৰিৱর্তন বস্তুনিষ্ঠ গাঁথনিৰ পৰা বিষয়ভিত্তিক অর্থলৈ হৈছে।

পূর্বৰ অধ্যায়ত আমি সমাজ সম্পর্কীয় সংঘাতৰ দৃষ্টিভংগী বুজিবলৈ চেষ্টা কৰিছিলোঁ। এইটো অধ্যায়ত আমি প্রতীকী আন্তঃক্রিয়াবাদী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিম আৰু লগতে নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানক (Ethnomethodology) সমাজ অধ্যয়নৰ এক পদ্ধতি হিচাপে বুজিবলৈ চেষ্টা কৰিম।

৬.৩ প্রতীকী আন্তঃক্রিয়াবাদৰ উপাদান আৰু ইয়াৰ মূল নীতি

ব্লুমাৰে "প্রতীকী আন্তঃক্রিয়াবাদ" শব্দটোৰ উদ্ভাৱন কৰিছিল আৰু তেওঁ উল্লেখ কৰা তিনিটা চর্ত এই তাত্ত্বিক দৃষ্টিভংগী বুজিবলৈ প্রয়োজনীয় ঃ

- প্রথম ভিত্তিটো হ'ল মানুহে বস্তুবোৰৰ প্রতি সেইবোৰ বস্তুৰ সম্পর্কে ধাৰণ কৰা অর্থৰ ভিত্তিত কাম কৰে।
- দ্বিতীয়টো ভিত্তি হ'ল এনে বস্তুৰ অর্থ নিজৰ সতীর্থৰ সৈতে হোৱা সামাজিক যোগাযোগ বা আন্তঃক্রিয়াৰ পৰাই উদ্ভৱ হয়।
- তৃতীয়টো ভিত্তি হ'ল এই অর্থসমূহ ব্যক্তিজনে সন্মুখীন হোৱা বস্তুবোৰৰ সৈতে মোকাবিলা কৰাত ব্যৱহাৰ কৰা ব্যাখ্যাত্মক প্রক্রিয়াত চম্ভালি লোৱা হয়, আৰু ইয়াৰ জৰিয়তে পৰিৱর্তন কৰা হয়।

ব্লুমাৰে আগবঢ়োৱা ওপৰৰ তিনিটা চৰ্তৰ লগতে এই দৃষ্টিভংগীৰ কেন্দ্ৰীয় আৰু ইয়াৰ মূল দৰ্শন গঠন কৰা আন আন অন্তৰ্নিহিত ধাৰণাও আছে। আমি তলত সেইবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰিম —

- *মানুহৰ প্ৰতীকী ক্ষমতা থাকে,* অৰ্থাৎ তেওঁলোকৰ প্ৰতীক ব্যৱহাৰ কৰাৰ আৰু প্ৰতীকসমূহক অৰ্থ প্ৰদান কৰাৰ ক্ষমতা থাকে। মানুহে কেৱল উদ্দীপকৰ প্ৰতি প্ৰতিক্ৰিয়াই নকৰে বৰঞ্চ সেইবোৰক অৰ্থ প্ৰদান কৰিবলৈ সক্ষম হয় আৰু ব্যাখ্যা কৰা অৰ্থৰ দ্বাৰা কাম কৰাৰ আগতে এই উদ্দীপকৰ অভিজ্ঞতাক বিষয়ভিত্তিকভাৱে ব্যাখ্যা কৰিবলৈ সক্ষম হয়। গতিকে ভাষা ইয়াৰ বাবে এক অতি গুৰুত্বপূৰ্ণ আহিলা হৈ পৰে।
- *মানুহ হোৱাৰ বাবে পাৰস্পৰিক আন্তঃক্ৰিয়া হৈছে মূল আহিলা।* প্ৰতীকী আন্তঃক্ৰিয়াবিদসকলে মানুহৰ সৃষ্টি জন্মসূত্ৰেই হয় বুলি বিশ্বাস নকৰে, বৰঞ্চ তেওঁলোকে কয় যে মানুহে আন ব্যক্তিৰ সৈতে পাৰস্পৰিক আন্তঃক্ৰিয়াৰ মাধ্যমেৰেহে মানৱীয় গুণ আহৰণ কৰে। এই মানৱীয় গুণ যেনে, প্ৰতীক বুজি পোৱা, কথা কোৱা, চিন্তা কৰা আৰু পৰিকল্পনা কৰা, আত্মাৰ ধাৰণা বুজি পোৱা আদি জৈৱিকভাৱে সৃষ্টি নহয়, আন মানুহৰ সৈতে পাৰস্পৰিক আন্তঃক্ৰিয়াৰেহে শিকিব লাগে।
- *মানুহ হৈছে নিজৰ আচৰণ গঢ়ি তুলিবলৈ প্ৰতীকৰ লগত জড়িত চিন্তাশীল আৰু সচেতন সত্ত্বা।* ওপৰৰ কথাটোত উল্লেখ কৰা অনুসৰি মানুহে সমাজত হোৱা পাৰস্পৰিক আন্তঃক্ৰিয়াৰ জৰিয়তে নিজৰ মন আৰু আত্মবোধ গঢ়ি তোলে আৰু এইদৰে নিজকে বস্তু হিচাপে চিন্তা কৰাৰ ক্ষমতা আৰু নিজৰ লগত সংযোগ কৰি যোগাযোগ কৰাৰ ক্ষমতা গঢ়ি তোলে। ইয়াৰ ফলত মানুহৰ আচৰণত কিছুপৰিমাণে স্বতন্ত্ৰতা আৰু প্ৰতীক থাকে। উদ্দীপক আৰু বস্তুৰ প্ৰতি কেৱল স্বয়ংক্ৰিয় প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পৰিৱৰ্তে মানুহে কোনবোৰ বস্তু আৰু কোনবোৰ উদ্দীপকৰ প্ৰতি গুৰুত্ব দিব বিচাৰে সেইটো নিৰ্ণয় কৰিবলৈ সক্ষম হয়।
- *মানুহ উদ্দেশ্যপ্ৰণোদিত জীৱ।*অৰ্থাৎ মানুহে কেৱল উদ্দীপকৰক প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পৰিৱৰ্তে পৰিস্থিতিৰ মাজত আৰু পৰিস্থিতিৰ প্ৰতি কাম কৰে। আমি আনৰ সৈতে হোৱা পাৰস্পৰিক আন্তঃক্ৰিয়াৰ ওপৰত ভিত্তি কৰি এটা নিৰ্দিষ্ট পৰিস্থিতিৰ অৰ্থ দিওঁ আৰু ব্যাখ্যা কৰোঁ। আমি যেতিয়াই 'পৰিস্থিতিৰ সংজ্ঞা' এটা সৃষ্টি কৰিম, তেতিয়া আমি নিৰ্ধাৰণ কৰিব পাৰো যে উক্ত পৰিস্থিতিত কি কি ধৰণে কাম কৰিব লাগে। যদিও, পৰিস্থিতিৰ এনে ব্যাখ্যা সঠিক বা বুদ্ধিমান নহ'বও পাৰে, কিন্তু তাৰ পাছতো মানুহে হাতত থকা পৰিস্থিতিৰ মূল্যায়ন কৰিহে উদ্দেশ্যপ্ৰণোদিতভাৱে কাম কৰে।
- *সমাজখন প্ৰতীকী পাৰস্পৰিক আন্তঃক্ৰিয়াত নিয়োজিত মানুহেৰে গঠিত।* ব্লুমাৰে সমাজখনক এক তৰল কিন্তু গাঁথনিগত প্ৰক্ৰিয়া হিচাপে কল্পনা কৰিছিল। এইদৰে প্ৰতীকী আন্তঃক্ৰিয়াবিদসকলে ভাবে যে প্ৰতীকী যোগাযোগ আৰু ব্যাখ্যাৰ জৰিয়তে এইধৰণৰ প্ৰক্ৰিয়া সমাজৰ ব্যক্তিসকলৰ ইজনে সিজনৰ সৈতে উদ্দেশ্যপ্ৰণোদিতভাৱে কাম কৰাৰ

ক্ষমতাৰ ওপৰত নির্ভৰশীল, আৰু লগতে ইজনে সিজনৰ দৃষ্টিভংগী বুজিব পৰা আৰু তেওঁলোকৰ উন্মোচনমূলক কার্যক আনৰ সৈতে সমন্বয় সাধন কৰিব পৰা ক্ষমতাৰ ওপৰতো নির্ভৰশীল। এইদৰে, যদিও কোনো এখন সমাজত প্রতীকৰ প্রতি আৰোপ কৰিবলগীয়া অর্থসমূহ পূর্বনির্ধাৰিত হ'ব পাৰে, তথাপিও মানুহৰ নিজৰ প্রতীকসমূহ প্রয়োগ কৰাৰ ক্ষমতা আছে যিহেতু সমাজখন মানুহে একেলগে কৰা যৌথ কার্যৰ উৎপাদন।

- *মানুহৰ সামাজিক ক্রিয়া বুজিবলৈ হ'লে আমি এই ক্রিয়াক মানুহে প্রদান কৰা অর্থ বুজি পাব লাগিব।*প্রতীকী আন্তঃক্রিয়াবিদসকলে অর্থৰ জগতখন বুজি পোৱাৰ প্রয়োজনীয়তা আৰু বিভিন্ন সংস্কৃতি আৰু সমাজত ই পৃথক হ'ব পৰা উপায় বা দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইদৰে যিকোনো সমাজক বুজিবলৈ হ'লে তাত থকা অর্থৰ জগতখন বুজিব লাগিব। এইদৰে প্রতীকী আন্তঃক্রিয়াবাদে এনে সমাজতাত্ত্বিক পদ্ধতিৰো আহ্বান জনায় যিয়ে অনুসন্ধানৰ অধীনত থকা গোট বা সমাজৰ অর্থৰ ভিতৰৰ জগতখনৰ দৃষ্টিভংগী প্রদান কৰিব। এই অন্তর্দৃষ্টিৰ বাবে গৱেষকে তেতিয়া তেওঁলোকে অধ্যয়ন কৰা গোটসমূহৰ 'ভূমিকা গ্রহণ কৰিব লাগিব' বা তেওঁলোকৰ প্রতি সহানুভূতিশীল হ'ব লাগিব। এইদৰে প্রতীকী আন্তঃক্রিয়াবাদী দৃষ্টিভংগী ব্যৱহাৰ কৰা গৱেষকসকলে গুণগত গৱেষণা পদ্ধতি ব্যৱহাৰ কৰাৰ সম্ভাৱনা বেছি, যেনে সুগভীৰ সাক্ষাৎকাৰ বা অংশগ্রহণমূলক পর্যবেক্ষণ, কাৰণ গৱেষকসকলে তেওঁলোকৰ গৱেষণা বিষয়বস্তুৰে বাস কৰা প্রতীকী জগতসমূহ বুজিবলৈ বিচাৰে।

৬.৪ প্রতীকী আন্তঃক্রিয়াবাদৰ ক্ষেত্রত মিডৰ দৃষ্টিভংগী

প্রতীকী আন্তঃক্রিয়াবাদৰ দৃষ্টিভংগী গঠন কৰা ধাৰণাসমূহৰ বিকাশৰ ক্ষেত্রত মিডক মূল হোতা বুলি অভিহিত কৰিব পাৰি। যদিও তেওঁ জীৱনকালত কমকৈ লিখা প্রকাশ কৰিছিল, তথাপিও তেওঁৰ বক্তব্যসমূহে সমাজতত্ত্বৰ তাত্ত্বিক ক্ষেত্রখনত গভীৰ প্রভাৱ পেলাইছিল। মৰণোত্তৰভাৱে প্রকাশিত তেওঁৰ গ্রন্থ 'Mind, Self and Society' (১৯৩৪), 'The Philosophy of the Act' (১৯৩৮) আৰু 'The Philosophy of the Present' (১৯৫৯)ত প্রতীকী আন্তঃক্রিয়াবাদৰ মূল ধাৰণাসমূহক প্রভাৱিত কৰা কেন্দ্রীয় তত্ত্বসমূহ সান্নিৰিষ্ট কৰা হৈছে। প্রাগমেটিষ্ট চার্লছ পিয়র্চ আৰু উইলিয়াম জেমছ, সমাজতত্ত্ববিদ চার্লছ হর্টন কুলে আৰু জেমছ মার্ক বাল্ডউইন, চিগমাণ্ড ফ্রয়েডৰ লগতে চার্লছ ডাৰউইনৰ বিৱর্তন তত্ত্ব আদিয়ে মিডৰ কামক প্রভাৱিত কৰিছিল।

মিডে এটা যুগান্তকাৰী তত্ত্ব নির্মাণ কৰিছিল, য'ত তেওঁ কৈছিল যে আত্মসত্ত্বা যোগাযোগ, পাৰস্পৰিক আন্তঃক্রিয়া আৰু ভূমিকা গ্রহণৰ পৰাই উদ্ভৱ হয়। মিডৰ বাবে 'মন' আৰু 'আত্মসত্ত্বা' দুয়োটা প্রাকৃতিক আৰু সামাজিক, আৰু মন আৰু আত্মসত্ত্বাৰ গঠনৰ বাবে ভাষা হৈছে আটাইতকৈ

গুৰুত্বপূৰ্ণ কাৰক। ইয়াৰ লগতে ব্যক্তিসকলৰ প্রতিফলনশীল হোৱাৰ ক্ষমতা থাকে আৰু নিজকে এনে এটা বস্তু হিচাপে চিন্তা কৰাৰ ক্ষমতা থাকে যাৰ ওপৰত তেওঁলোকৰ প্রতিভূ আছে। আনৰ প্রতি থকা ধাৰণাটোও অতি গুৰুত্বপূৰ্ণ আৰু আনৰ প্রতি এই ধাৰণাই ব্যক্তিজনৰ নিজৰ প্রতি থকা ধাৰণাত প্রভাৱ পেলায়। মিডে কৈছিল, 'সংগঠিত সম্প্রদায় বা সামাজিক গোটে ব্যক্তিক তেওঁৰ আত্মসত্ত্বাৰ ঐক্য প্রদান কৰে'— সেয়া হৈছে 'সাধাৰণীকৃত আন' যিটোৱে ব্যক্তিৰ মনত সমাজক কেনেকৈ গ্রহণ কৰা হয় সেয়া নির্ণয় কৰে।

মিডে 'I' আৰু 'Me' ৰ মাজৰ পার্থক্য নির্ণয় কৰিছিল, যিবোৰ হৈছে সামাজিক পাৰস্পৰিক আন্তঃক্রিয়াৰ প্রক্রিয়াত থকাৰ সময়ত 'আত্মসত্ত্বা' বিভাজিত হোৱাৰ দুটা ভিন্ন প্রক্রিয়া। 'I' আৱেগিক ঃ অর্থাৎ ই বাহ্যিক জগতখনৰ প্রতি আত্মসত্ত্বাৰ স্বতঃস্ফূর্ত সঁহাৰি, 'Me' হৈছে আত্মাই আনৰ ক্রিয়াৰ পৰা অর্থ ব্যাখ্যা কৰি সৃষ্টি কৰা অধিক সংগঠিত সঁহাৰি।

৬.৫ প্রতীকী আন্তঃক্রিয়াবাদৰ ক্ষেত্রত ব্লুমাৰৰ দৃষ্টিভংগী

হার্বার্ট ব্লুমাৰ মিডৰ ছাত্র আছিল আৰু তেওঁ মিডৰ ধাৰণাসমূহৰ আটাইতকৈ ডাঙৰ সমর্থক হৈ পৰিছিল। মিডৰ তত্ত্বসমূহক বোধগম্য কৰি নিজৰ লেখাত প্রয়োগ কৰি ব্লুমাৰে তেওঁৰ গ্রন্থ 'Symbolic Interactionism' (১৯৬৯) প্রকাশ কৰে, যিখন প্রতীকী আন্তঃক্রিয়াবাদৰ দৃষ্টিভংগীৰ সম্পর্কীয় আটাইতকৈ গুৰুত্বপূৰ্ণ সৃষ্টি হৈ পৰে। উল্লেখযোগ্য যে এই শব্দটোক ব্লুমাৰে তেওঁৰ তত্ত্বৰ সাৰমর্মক ধৰি ৰাখিবলৈ উদ্ভৱন কৰিছিল। ব্লুমাৰে চিকাগো বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল আৰু তেওঁ নিজৰ স্নাতক ছাত্রসকলক বিশেষভাৱে প্রভাৱিত কৰিছিল, যিসকলৰ ভিতৰত আছিল হাৱার্ড বেকাৰ, আৰভিং গফমেন, হেলেনা লোপাটা, এন্সেল্‌ম ষ্ট্রাউছ, গ্রেগৰী ষ্টোন আৰু ৰালফ টার্নাৰ আদি। এই গোটটোৱে প্রতীকী আন্তঃক্রিয়াবাদী দৃষ্টিভংগীক আৰু অধিক প্রচাৰ কৰাত সহায় কৰিছিল আৰু তেওঁলোক 'দ্বিতীয় চিকাগো স্কুল' নামেৰে পৰিচিত হৈছিল।

ব্লুমাৰৰ নিজৰ ভাষাত, "প্রতীকী আন্তঃক্রিয়া' শব্দটোৱে অৱশ্যেই মানুহৰ মাজত সংঘটিত হোৱা পাৰস্পৰিক ক্রিয়াৰ অদ্ভুত আৰু স্বকীয় বৈশিষ্ট্যক বুজায়। এই বৈশিষ্ট্যটো হ'ল মানুহে ইজনে সিজনৰ ক্রিয়াৰ প্রতি কেৱল প্রতিক্রিয়া প্রকাশ কৰাৰ পৰিৱর্তে ইজনে সিজনৰ ক্রিয়াৰ ব্যাখ্যা দিয়ে বা 'সংজ্ঞায়িত' কৰে। তেওঁলোকৰ 'প্রতিক্রিয়া' ইজনে সিজনৰ ক্রিয়াৰ প্রতি প্রত্যক্ষভাৱে দিয়া নহয়, বৰঞ্চ এনে ক্রিয়াৰ লগত তেওঁলোকে যি অর্থ সংলগ্ন কৰে তাৰ ওপৰত ভিত্তি কৰিহে দিয়া হয়। এইদৰে মানুহৰ পাৰস্পৰিক আন্তঃক্রিয়া প্রতীকৰ ব্যৱহাৰৰ দ্বাৰা, ব্যাখ্যাৰ দ্বাৰা বা ইজনে সিজনৰ কর্মৰ অর্থ নির্ণয় কৰাৰ দ্বাৰা মধ্যস্থতা কৰা হয়।"

মার্ক্সবাদত প্রকার্যবাদৰ ক্ষেত্রত মানুহৰ আচৰণক শ্রেণীৰ দৰে 'উদ্দীপক সঁহাৰি চলক'ৰ উৎপাদন হিচাপে গণ্য কৰা হয় যদিও ব্লুমাৰে আত্ম-সূচক প্রক্রিয়াৰ বাবে যুক্তি আগবঢ়াইছিল, য'ত সামাজিক পৰিৱর্তন ব্যাখ্যাৰহে উৎপাদন, মানুহৰ বাহ্যিক কাৰকৰ দ্বাৰা সৃষ্ট প্রক্রিয়া নহয়। ক্রিয়াৰ আগত একমাত্র প্রক্রিয়াটোৱেই হৈছে ব্যাখ্যাৰ প্রক্রিয়া। মানুহে কৰিব খোজা ক্রিয়াৰ

বাবে তাৎপর্যপূর্ণ বুলি বিশ্বাস কৰা বস্তুটোক চিনাক্ত কৰি অর্থ প্রদান কৰে। ব্লুমাৰে যুক্তি আগবঢ়ায় যে এটা বস্তুৰ এনেধৰণৰ চিনাক্তকৰণে ইয়াক তাৰ পৰিৱেশৰ পৰা উলিয়াই আনে আৰু তেনে কৰিলেই ইয়াক অর্থ প্রদান কৰা হয়। মানুহে এনে প্রতীকীকৰণৰ ভিত্তিত কাম কৰে তথা ভৱিষ্যতৰ ক্রিয়াৰ বাবে অর্থ আৰু তাৎপর্য চিনাক্ত কৰে।

৬.৬ প্রতীকী আন্তঃক্রিয়াবাদৰ সমালোচনা

প্রতীকী আন্তক্রিয়াবাদৰ বিৰুদ্ধে কৰা সমালোচনাক আমি দুটা ভাগত ভাগ কৰিব পাৰোঃ প্রতীকী আন্তঃক্রিয়াবাদৰ ভিতৰৰ পৰা হোৱা সমালোচনা আৰু বাহিৰৰ পৰা হোৱা সমালোচনা। বাহিৰৰ পৰা প্রতীকী আন্তঃক্রিয়াবাদৰ ওপৰত আৰোপ কৰা আটাইতকৈ ডাঙৰ সমালোচনাটো হৈছে যে প্রতীকী আন্তঃক্রিয়াবাদে সমাজৰ ক্ষুদ্র প্রক্রিয়া সমূহৰ ওপৰত ঘাইকৈ মনোনিৱেশ কৰে আৰু সমালোচকসকলে ইয়াক সমষ্টিগত সংৰচনাৰ প্রতি গুৰুত্বহীন বুলি অনুভৱ কৰে আৰু ইয়াৰ সৈতে জড়িত সংস্থাসমূহে সামাজিক প্রক্রিয়া আৰু ফলাফলক কেনেকৈ প্রভাৱিত কৰে সেয়া সমালোচনা কৰে।

এই দৃষ্টিভংগীৰে কৰা গৱেষণাও প্রায়ে সমালোচনাত্মক নিৰীক্ষণৰ আওঁতাত থাকে, কিয়নো ইয়াৰ উদ্দেশ্য হৈছে বিষয়ভিত্তিক অর্থৰ ব্যাখ্যা। অন্তর্দৃষ্টিসম্পন্ন দৃষ্টিভংগীৰে সমাজ এখন অধ্যয়ন কৰিবলৈ চেষ্টা কৰাৰ সময়ত বস্তুনিষ্ঠতাৰ অনুপস্থিতি বা বস্তুনিষ্ঠ হৈ থকাত অসুবিধা হোৱাটোও এই তত্ত্বৰ এটা প্রধান দুর্বলতা হিচাপে গণ্য কৰা হয়। আন কিছুমান পণ্ডিতে প্রতীকী আন্তঃক্রিয়াৰ অতি সংকীর্ণ পৰিসৰক সমালোচনা কৰে কাৰণ এই তত্ত্বটোৱে বৃহৎ গাঁথনিৰ ওপৰত গুৰুত্ব নিদিয়ে, বৰং ক্ষুদ্রাতিক্ষুদ্র প্রক্রিয়াসমূহৰ ওপৰতহে গুৰুত্ব প্রদান কৰে। কিন্তু অৱশ্যেই প্রতীকী আন্তঃক্রিয়াবাদৰ সমর্থকসকলে ইয়াৰ বৈধতা হিচাপেও একেখিনি কথাকে বিবেচনা কৰি আহিছে।

প্রতীকী আন্তঃক্রিয়াবাদৰ ভিতৰৰ পৰা হোৱা সমালোচনাৰ বৈশিষ্ট্য হৈছে প্রতীকী আন্তঃক্রিয়াবাদৰ সৈতে সম্পর্কিত হিচাপে চিনাক্ত চাৰিটা মূল চিন্তাধাৰা ক্রমে চিকাগো স্কুল, আইঅ'ৱা/ ইণ্ডিয়ানা স্কুল, নৃতাত্ত্বিক পদ্ধতি আৰু নাট্যতাত্ত্বিক বিশ্লেষণ। এই সমালোচনাৰ ধাৰাটোৱে এই দৃষ্টিভংগীৰ কিছুমান অনুভূত অভাৱ শুধৰণি কৰি সমাজ আৰু সামাজিক কার্যকলাপ অধ্যয়ন কৰা গৱেষকৰ বাবে উপযোগী হ'বলৈ ইয়াক আৰু অধিক সক্রিয় কৰি তোলাৰ লক্ষ্য আগত ৰাখে। ইয়াৰ সৈতে নিয়োজিত গৱেষকসকলে কৰা প্রতীকী আন্তঃক্রিয়াবাদৰ সমালোচনাত্মক মূল্যায়নৰ বাবেই বহুতো পণ্ডিত এই তত্ত্বটোৰ প্রতি আগ্রহী হৈ পৰা দেখা পোৱা গৈছে।

বছৰ বছৰ ধৰি প্রতীকী আন্তঃক্রিয়াবাদৰ ভিতৰত বহুতো বেলেগ বেলেগ চিন্তাধাৰা বর্তি আছে যি নিশ্চিত কৰিছে যে এই দৃষ্টিভংগীৰ প্রয়োগ বহুতো ক্ষেত্রত কৰা হৈছে আৰু ইয়াৰ প্রভাৱ গৱেষণাৰ বিভিন্ন ক্ষেত্রত অনুভৱ কৰা হৈছে। নৃতাত্ত্বিক পদ্ধতি, প্রপঞ্চতত্ত্ব, নাট্যতাত্ত্বিক বিশ্লেষণৰ লগতে পৰিচয় আৰু সামাজিক ভূমিকা সম্পর্কীয় বহুতো প্রাসংগিক গ্রন্থই নিজৰ তাত্ত্বিক আধাৰৰ বাবে প্রতীকী আন্তঃক্রিয়াবাদী দৃষ্টিভংগীৰ ওপৰত নির্ভৰশীল হৈ পৰিছে। ইয়াৰ

সমান্তৰালভাৱে সাংস্কৃতিক অধ্যয়নৰ ক্ষেত্ৰত ইয়াক সমাজতাত্ত্বিক পদ্ধতি হিচাপে ব্যৱহাৰ কৰা হৈছে আৰু সেইদৰে নাৰীবাদৰ বিদ্যায়তনিক অধ্যয়ন আৰু বিচ্যুতি নির্ণয় তথা উত্তৰ-আধুনিকতাবাদৰ ওপৰত কৰা অধ্যয়ন প্রতীকী আন্তঃক্রিয়াবাদী দৃষ্টিভংগীৰ পৰা লাভৱান হৈছে।

৬.৭ নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান সম্পর্কে গার্ফিংকেলৰ দৃষ্টিভংগী

নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান মূলসুঁতিৰ সমাজতাত্ত্বিক তত্ত্বৰ বাহিৰৰ হলেও ই বহুলাংশে নিজৰ স্থান দখল কৰি ৰাখিছে। এই দৃষ্টিভংগী হেৰল্ড গার্ফিংকেলে বিকাশ কৰিছিল আৰু ইয়াৰ মূল আধাৰ আলফ্রেড চুঁজৰ কামৰ পৰা সৃষ্টি হৈছে, যি দৈনন্দিন জীৱন বা জীৱনজগতখনক বিশ্লেষণ কৰা প্রপঞ্চতাত্ত্বিক সমাজতত্ত্বৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল আৰু সামাজিক আন্তঃক্রিয়াৰ অনন্য মানৱীয় চৰিত্রসমূহক দৈনন্দিন জগতখনৰ স্বভাৱজাত হিচাপে গ্রহণ কৰাতকৈ গঢ় দিব খোজাত গুৰুত্ব দিছিল।

নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানৰ দৃষ্টিভংগীয়ে সেই সময়ৰ মূলসুঁতিৰ সমাজতাত্ত্বিক দৃষ্টিভংগীৰ প্রতিক্রিয়া হিচাপে আত্মপ্রকাশ কৰিছিল, যিয়ে সাধাৰণ ব্যক্তিসকলৰ ওপৰত সমাজতাত্ত্বিক শ্রেণীৰ এটা গোটৰ সৃষ্টি কৰিছিল। সমাজতাত্ত্বিক তত্ত্বসমূহে তত্ত্বৰ প্রক্রিয়াত সাধাৰণ মানুহৰ অভিজ্ঞতাক পুনৰ ব্যাখ্যা কৰে, যাৰ ফলত সাধাৰণ ব্যক্তিৰ বিৰৰণৰ অভাৱৰ আভাস দেখা পোৱা যায়। এইদৰে সমাজতাত্ত্বিক তত্ত্বই সাধাৰণ মানুহে যাক নিজৰ বাস্তৱ গণ্য কৰে, তাৰ পৰা বহু দুৰলৈকে ব্যাখ্যা কৰিব পাৰে। উদাহৰণস্বৰূপে, সংৰচনাত্মক প্রকার্যবাদীসকলে সংজ্ঞায়িত কৰা 'সংৰচনা'ক হয়তো এজন সাধাৰণ ব্যক্তিয়ে চিনাক্ত কৰিব নোৱাৰিব পাৰে আৰু বহুক্ষেত্রত তেওঁৰ বাবে এয়া সম্পর্কিত নহ'বও পাৰে। ঠিক একেদৰে নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানে এই ব্যৱধানটোক সংস্কাৰ কৰিব বিচাৰে আৰু ব্যক্তিসকলে (সদস্যসকলে) নিজৰ নিজৰ পৃথিৱীখনক কেনেকৈ গঢ়ি তোলে সেই বিষয়ে অনুসন্ধান কৰাৰ প্রস্তাৱ আগবঢ়ায়।

গার্ফিংকেলৰ ভাষাত ক'বলৈ গ'লে "মূল পৰামর্শটো হৈছে যে সদস্যসকলে সংগঠিতভাৱে দৈনন্দিন কাম-কাজৰ পৰিৱেশ প্রস্তুত আৰু পৰিচালনা কৰা কার্যকলাপসমূহ সেই পৰিৱেশসমূহক 'জবাবদিহি" (account-able) কৰাৰ বাবে ব্যৱহাৰ কৰা সদস্যসকলৰ পদ্ধতিৰ সৈতে একে। হিচাপ-নিকাচৰ পদ্ধতি আৰু হিচাপ-নিকাচৰ "প্রতিফলিত" (Reflexive or incarnate) চৰিত্রই এই পৰামর্শৰ মূল ভিত্তিটো তৈয়াৰ কৰে। এইক্ষেত্রত মূল ধাৰণাটো হৈছে যে সমাজ এখনত সততে শৃংখলাবদ্ধতা থাকে আৰু সমাজৰ সদস্যসকলে এইধৰণৰ শৃংখলাবদ্ধতাক প্রতিফলিতভাৱে উৎপন্ন কৰে। সমাজৰ সদস্যসকলে নিজৰ কাম-কাজ আনৰ বাবে যুক্তিযুক্ত হোৱাটো নিশ্চিত কৰাৰ লগতে আনৰ কার্যকলাপৰ অর্থ সঠিকভাৱে নির্ণয় কৰাত অহৰহ নিয়োজিত হৈ থাকিব লাগে। ব্যক্তিৰ মাজত ঘটা পাৰস্পৰিক আন্তঃক্রিয়াৰ এটা গাঁথনি থকাটো নিশ্চিত কৰিবলৈকে সমাজত এক ভাগ-বতৰা কৰাৰ পদ্ধতি আছে, যিটো ব্যক্তিয়ে আনৰ সৈতে হোৱা পাৰস্পৰিক আন্তঃক্রিয়াৰ হিচাপত প্রয়োগ কৰা প্রতিফলনশীলতাৰ বাবে

সম্ভৱ হৈ উঠিছে। এনেদৰে ইয়াত দৈনন্দিন জীৱনত মানুহে নিজৰ কার্যকলাপৰ হিচাপ দিবলৈ (বা অর্থ উলিয়াবলৈ) নিজৰ বাবে বা আনৰ বাবে ব্যৱহাৰ কৰা পদ্ধতিসমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

গার্ফিংকেলৰ নির্বাচিত গৱেষণা পদ্ধতি সমাজতত্ত্বত অতি একক আৰু অনন্য। তেওঁ নিজৰ ছাত্র-ছাত্রীসকলক বিভিন্ন ধৰণৰ অনুশীলন কৰিবলৈ ক্ষেত্র অধ্যয়নলৈ পঠিয়াইছিল। এই অনুশীলনীসমূহৰ ভিতৰত এটা আছিল কথা-বতৰাৰ সময়ত অদম্যভাৱে 'আপুনি কি ক'ব বিচাৰিছে' বুলি সোধা, যাৰ ফলত অর্থৰ অতি তৰলতাক লৈ প্রশ্ন উত্থাপন কৰা যায়। কথোপকথন বিশ্লেষণৰ এই অধ্যয়নসমূহে দেখুৱাই যে বক্তাসকলৰ মাজত গোপন ইংগিতেৰে আদান-প্রদান কৰা জ্ঞানৰ ধাৰণাৰে সামাজিক পাৰস্পৰিক আন্তঃক্রিয়াত বহুতো অর্থৰ সৃষ্টি হয়, যিসমূহ কথা এনেধৰণৰ আদান-প্রদানৰ জ্ঞান নথকা কোনোবাই পঢ়িলে সেইসমূহৰ কোনো যুক্তিযুক্ত অর্থ নাপাবও পাৰে।

তেওঁ ব্যৱহাৰ কৰা আন এটা পদ্ধতিক 'ব্রেচিং এক্সপেৰিমেণ্ট' বুলি জনা যায়, য'ত গৱেষকজনে নিজেই স্বাভাৱিক পৰিস্থিতিৰ সৃষ্টি কৰি আৰু অস্বস্তিকৰ আচৰণ কৰি সামাজিক নীতি আৰু সীমা ভংগ কৰি সামাজিক নীতি-নিয়ম তথা সামাজিক অনুকূলতাৰ পৰীক্ষা কৰিছিল। গৱেষকৰ বাহিৰেও অংশগ্রহণকাৰীসকলে এনে ইচ্ছাকৃত নিয়ম ভংগৰ বিষয়ে অজ্ঞাত হৈ থাকে আৰু তাৰ ফলত হোৱা খং, হাঁহি, হতাশা বা লাজৰ প্রতিক্রিয়াসমূহ নৃতাত্ত্বিক পদ্ধতিবিদজনে অধ্যয়ন কৰিছিল, য'ত এইসমূহ সূক্ষ্ম অথচ অতি স্পষ্টৰূপে ধৰা দিয়া সমাজৰ প্রথা আৰু নীতি-নিয়মবোৰে কেনেকৈ কেৱল আচৰণকে নহয় বৰং সামাজিক ব্যৱস্থাও গঢ় দিছিল তাৰ আভাস পাব পৰা গৈছিল।

নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানৰ এটা সাধাৰণ সমালোচনা হ'ল ই আমাক বৰ গুৰুত্বপূর্ণ একো কোৱা নাই। ব্যক্তিৰ দৈনন্দিন জীৱনৰ ওপৰত গুৰুত্ব দিয়াৰ অর্থ হ'ল ডাঙৰ ডাঙৰ ৰাজনৈতিক বা অর্থনৈতিক পৰিঘটনাবোৰক এই দৃষ্টিভংগীৰ সীমাৰ বাহিৰত ৰখা হয়। ইয়াৰ সমালোচকসকলে এই ঘটনাক ইয়াৰ আটাইতকৈ ডাঙৰ দুর্বলতা বুলি ঘোষণা কৰিছে। আন এটা সমালোচনা হ'ল নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানে আমাক কোনো নতুন জ্ঞান প্রদান নকৰে আৰু ইয়াৰ তথ্যসমূহ অতি সৰল বা ইতিমধ্যে জনা কথা।

আজি সমাজতত্ত্বত নৃতাত্ত্বিক পদ্ধতিটো এটা বিশিষ্ট দৃষ্টিভংগী হৈ থকা নাই যদিও ই 'অর্থ' আৰু দৈনন্দিন জগতখনৰ বিষয়ে বহুতো গৃহীত ধাৰণাক লৈ প্রশ্ন উত্থাপন কৰি নিজৰ পৰিচিতি বজাই ৰাখিছে। এই তত্ত্বটো বর্তমান সময়ত ইমান বিতর্কিত নহয় আৰু বহুতো নৃতাত্ত্বিক পদ্ধতিগত অন্তর্দৃষ্টিয়ে সামাজিক ক্রিয়া আৰু সামাজিক সংৰচনাৰ বর্তমানৰ সমাজতাত্ত্বিক আলোচনাত স্থান লাভ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ প্রতীকী আন্তঃক্রিয়াবাদ বাক্যাংশটো কোনে উদ্ভাৱন কৰিছিল?

.....

.....

প্রশ্ন ২ ঃ প্রতীকী আন্তঃক্রিয়াবিদসকলে ক্ষুদ্রস্তৰৰ নে বৃহৎ স্তৰৰ প্রক্রিয়াসমূহ অধ্যয়ন কৰে?

.....

.....

প্রশ্ন ৩ ঃ এজন প্রতীকী আন্তঃক্রিয়াবিদে কেনেধৰণৰ গৱেষণা পদ্ধতি ব্যৱহাৰ কৰাৰ সম্ভাৱনা বেছি?

.....

.....

প্রশ্ন ৪ ঃ সমাজ অধ্যয়নৰ ক্ষেত্রত প্রতীকী আন্তঃক্রিয়াবিদসকলে বস্তুনিষ্ঠ নে বিষয়নিষ্ঠ হোৱাত গুৰুত্ব আৰোপ কৰে?

.....

.....

প্রশ্ন ৫ ঃ প্রতীকী আন্তঃক্রিয়াবাদৰ বিকাশৰ কেন্দ্রীয় ব্যক্তি কোন?

.....

.....

প্রশ্ন ৬ ঃ নৃতাত্ত্বিক পদ্ধতিৰ দৃষ্টিভংগী কোনে বিকশিত কৰিছিল?

.....

.....



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রতীকী আন্তঃক্রিয়াবাদ আছিল প্রথম স্বতন্ত্র আমেৰিকান সমাজতাত্ত্বিক তত্ত্ব।
- প্রতীকী আন্তঃক্রিয়াবাদৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তাত্ত্বিক হ'ল জর্জ হার্বার্ট মিড, হার্বার্ট ব্লুমাৰ, চার্লছ কুলে আৰু ডব্লিউ আই থমাছ।
- প্রতীকী আন্তঃক্রিয়াবাদ হৈছে ব্যক্তিৰ মাজৰ সূক্ষ্ম স্তৰৰ পাৰস্পৰিক আন্তঃক্রিয়া আৰু এই বাৰে বাৰে হোৱা পাৰস্পৰিক আন্তঃক্রিয়াৰ জৰিয়তে সমাজৰ সৃষ্টি আৰু ৰক্ষণাবেক্ষণৰ

ধৰণ অধ্যয়ন কৰা এটা তত্ত্ব।

- সংৰচনাত্মক প্ৰকাৰ্যবাদী দৃষ্টিভংগীত সংৰচনা আৰু ব্যক্তিৰ মাজৰ সম্পৰ্ক জানিবলৈ 'শীৰ্ষৰ পৰা তললৈ' দৃষ্টিভংগী ব্যৱহাৰ কৰা হয়। অধ্যয়নত সংৰচনাসমূহে ব্যক্তিক কেনেকৈ বাধাগ্ৰস্ত কৰে তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। এই ধাৰাটোৰ পৰা পোনপটীয়াকৈ আঁতৰি আহি প্ৰতীকী আন্তঃক্ৰিয়াবাদৰ দৃষ্টিভংগী হৈছে 'তলৰ পৰা ওপৰলৈ' আৰু ইয়াত দৈনন্দিন পাৰস্পৰিক ক্ৰিয়াত উত্থাপিত হোৱা ক্ষুদ্ৰাতিক্ষুদ্ৰ প্ৰক্ৰিয়াসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।
- প্ৰতীকী আন্তঃক্ৰিয়াবাদে ঘাইকৈ সামাজিক সংস্থাসমূহে ব্যক্তিক কিদৰে বস্তুনিষ্ঠভাৱে সংজ্ঞায়িত কৰে আৰু প্ৰভাৱিত কৰে তাৰ আলোচনা কৰাৰ বিপৰীতে অৰ্থ আৰু প্ৰতীকৰ বৈচিত্ৰ্যময় বিষয়ভিত্তিক ব্যাখ্যাৰ প্ৰশ্নটোৰ আলোচনা কৰে।
- মানুহৰ প্ৰতীকী ক্ষমতা থাকে।
- মানুহ হোৱাৰ বাবে পাৰস্পৰিক আন্তঃক্ৰিয়া এক মুখ্য উপাদান।
- মানুহ হৈছে নিজৰ আচৰণ গঢ়ি তুলিবলৈ সক্ষম আৰু চিন্তাশীল তথা সচেতন সত্ত্বা।
- মানুহ উদ্দেশ্যপ্ৰণোদিত জীৱ।
- সমাজ গঠিত হৈছে প্ৰতীকী আন্তঃক্ৰিয়াত নিয়োজিত মানুহৰ দ্বাৰা।
- মানুহৰ সামাজিক ক্ৰিয়া বুজিবলৈ হ'লে আমি এই ক্ৰিয়াক মানুহে দিয়া অৰ্থ বুজিব লাগিব।
- মিডে এটা যুগান্তকাৰী তত্ত্ব আগবঢ়াইছিল যে আত্মসত্ত্বা যোগাযোগ, পাৰস্পৰিক ক্ৰিয়া-কলাপ আৰু ভূমিকা গ্ৰহণৰ পৰাই উদ্ভৱ হয়। মিডৰ বাবে 'মন' আৰু 'আত্মসত্ত্বা' দুয়োটা প্ৰাকৃতিক আৰু এই দুটাৰ গঠনৰ বাবে ভাষাই হৈছে আটাইতকৈ প্ৰয়োজনীয় কাৰক।
- ব্লুমাৰে আত্ম-সূচক প্ৰক্ৰিয়াৰ বাবে যুক্তি দিছিল। এই আত্ম-সূচক প্ৰক্ৰিয়া হৈছে সামাজিক পৰিৱৰ্তন ব্যাখ্যাৰ উৎপাদন, যিটো মানুহৰ বাহিৰৰ কাৰকে কেতিয়াও আনিব নোৱাৰে। ক্ৰিয়াৰ আগত একমাত্ৰ বস্তুটোৱেই হৈছে ব্যাখ্যাৰ প্ৰক্ৰিয়া।
- প্ৰতীকী আন্তঃক্ৰিয়াবাদৰ ওপৰত আৰোপ কৰা আটাইতকৈ ডাঙৰ সমালোচনা হৈছে ইয়াৰ ক্ষুদ্ৰ প্ৰক্ৰিয়াৰ ওপৰত কৰা মনোনিৱেশ আৰু ইয়াত বৃহৎ গাঁথনি আৰু সংস্থাসমূহক অগ্ৰাধিকাৰ দিয়া নহয়।
- নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান হেৰল্ড গাৰ্ফিংকেলে বিকশিত কৰিছিল আৰু ইয়াৰ মূল আধাৰ আছিল আলফ্ৰেড চুঁজৰ কাম।
- নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানে ব্যক্তিসকলে ('সদস্য') নিজেই নিজৰ পৃথিৱীখনক কেনেকৈ গঢ়ি তোলে সেই বিষয়ে অনুসন্ধান কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।
- সমাজত উমৈহতীয়া শৃংখলাবদ্ধতা আছে আৰু সমাজৰ সদস্যসকলে এইধৰণৰ শৃংখলাবদ্ধতা প্ৰতিফলিতভাৱে উৎপন্ন কৰে।



৬.৯ অধিক জানিবলৈ

1) Blumer, Herbert (1962) 'Society as Symbolic Interaction', in A.M.Rose (ed.), *Human Behavior and Social Processes*. Boston, MA:Houghton Mifflin.
2) Blumer, Herbert (1969) *Symbolic Interactionism*. Englewood Cliffs, NJ: Prentice-Hall.
3) Cooley, Charles Horton ([1902] 1964) *Human Natureand the Social Order*. New York: Scribner's.
4) Mead, George H. (1934) *Mind, Self, and Society*. Chicago:University of Chicago Press.
5) Garfinkel, H. (1967). *Studies in ethnomethodology*. Englewood Cliffs, N. J: Prentice-Hall.
6) Sandstorm, Kent. L, Martin, Daniel D. and Fine, Gary Alan (2003),'Symbolic Interactionismatthe Endof the Century', in Ritzer, George and Smart, Barry (ed.), *Handbook of Social Theory*. London: Sage.



৬.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ হাৰ্বাৰ্ট ব্লুমাৰে 'প্ৰতীকী আন্তঃক্ৰিয়াবাদ' বাক্যাংশটোৰ উদ্ভৱন কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতীকী আন্তঃক্ৰিয়াবিদসকলে ক্ষুদ্ৰ স্তৰৰ প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতীকী আন্তঃক্ৰিয়াবাদী দৃষ্টিভংগী ব্যৱহাৰ কৰা গৱেষকসকলে গুণগত গৱেষণা পদ্ধতি, যেনে সুগভীৰ সাক্ষাৎকাৰ বা অংশগ্ৰহণমূলক পৰ্যবেক্ষণ ব্যৱহাৰ কৰাৰ সম্ভাৱনা বেছি, কাৰণ গৱেষকসকলে তেওঁলোকৰ গৱেষণা বিষয়বস্তুৰে বাস কৰা প্ৰতীকী জগতসমূহ বুজিবলৈ বিচাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতীকী আন্তঃক্ৰিয়াবিদসকলে অৰ্থৰ বিষয়ভিত্তিক ব্যাখ্যা অধ্যয়ন কৰাৰ লক্ষ্য লোৱাৰ বাবে বিষয়নিষ্ঠ হোৱাত বিশ্বাস কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতীকী আন্তঃক্ৰিয়াবাদী দৃষ্টিভংগীৰ বিকাশৰ কেন্দ্ৰীয় ব্যক্তিত্ব হ'ল ব্লুমাৰ আৰু মিড।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হেৰল্ড গাৰ্ফিংকেলে নৃতাত্ত্বিক পদ্ধতিবিজ্ঞানৰ দৃষ্টিভংগী গঢ়ি তুলিছিল।



৬.১১ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰতীকী পাৰস্পৰিক আন্তঃক্ৰিয়াবাদৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ তত্ত্ববিদসকল কোন আৰু তেওঁলোকে কি কি অৱদান আগবঢ়াইছিল?

প্ৰশ্ন ২ ঃ ব্লুমাৰৰ তত্ত্ব অনুসৰি প্ৰতীকী আন্তঃক্ৰিয়াবাদৰ মূল ধাৰণাবোৰ কি কি?

প্ৰশ্ন ৩ ঃ সমাজতত্ত্বত নৃতাত্ত্বিক পদ্ধতিবিজ্ঞান কি?

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ টা শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ ব্লুমাৰে আগবঢ়োৱা তিনিটা চৰ্তৰ লগতে প্ৰতীকী আন্তঃক্ৰিয়াবাদৰ দৃষ্টিভংগীৰ আন আন অন্তৰ্নিহিত অনুমানসমূহ কি কি?

প্ৰশ্ন ২ ঃ সমাজ সম্পৰ্কীয় অধ্যয়নত প্ৰতীকী আন্তঃক্ৰিয়াবাদৰ ক্ষুদ্ৰপৰ্যায়ৰ পদ্ধতি কিয় প্ৰাসংগিক?

প্ৰশ্ন ৩ ঃ প্ৰতীকী আন্তঃক্ৰিয়াবাদৰ দৃষ্টিভংগীয়ে আগবঢোৱা কিছুমান অৱদান কি কি?

*** ***** ****

অধ্যায় ৭ ঃ প্রপঞ্চতত্ত্ব (PHENOMENOLOGY)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ প্রপঞ্চতত্ত্ব ঃ সংজ্ঞা আৰু বৈশিষ্ট্য

৭.৪ প্রপঞ্চতত্ত্ব ঃ অগ্রণী চিন্তাবিদসকল

৭.৫ পদ্ধতি হিচাপে প্রপঞ্চতত্ত্ব

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রপঞ্চতত্ত্বৰ অর্থ বুজিব পাৰিব।
- এক তাত্বিক ধাৰণা আৰু বিশ্লেষণাত্মক মাধ্যম হিচাপে প্রপঞ্চতত্ত্বৰ তাৎপর্য ব্যাখ্যা কৰিব পাৰিব।
- এক তাত্বিক ধাৰণা আৰু বিশ্লেষণাত্মক মাধ্যম হিচাপে প্রপঞ্চতত্ত্বৰ সীমাবদ্ধতা আৰু সুবিধা সম্পর্কে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

সমাজ বিজ্ঞানৰ পৰম্পৰাগত তত্ত্বসমূহে অধ্যয়নকাৰী আৰু অধ্যয়নীয় ব্যক্তিৰ মাজত এক নির্দিষ্ট ধৰণৰ বিচ্ছিন্নতা বা দূৰত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সমাজ বিজ্ঞানৰ প্রত্যক্ষবাদী দৃষ্টিভংগীয়ে সমাজৰ এক বস্তুনিষ্ঠ বোধগম্যতাৰ পোষকতা কৰিছিল। সেই প্রক্রিয়াত প্রত্যক্ষবাদী সমাজ বিজ্ঞানীসকলে প্রাকৃতিক বিজ্ঞানৰ সমকক্ষ সমাজ বিজ্ঞান বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল। অৱশ্যে, প্রত্যক্ষবাদী দৃষ্টিভংগীৰ নিজস্ব সীমাবদ্ধতা আছিল কাৰণ সমাজ অধ্যয়ন কৰাটো প্রাকৃতিক বিজ্ঞান অধ্যয়নৰ সৈতে একে নহয়। মানুহ বাহ্যিক উদ্দীপকৰ প্রতি প্রতিক্রিয়া প্রদর্শন কৰা সহজাত বস্তু নহয়। মানুহ সামাজিক প্রাণী যিয়ে কেৱল 'প্রতিক্রিয়া' কৰাৰ পৰিৱর্তে 'আচৰণ' আৰু 'ক্রিয়া' কৰে। প্রাকৃতিক বিজ্ঞানৰ বৈজ্ঞানিক চেতনাক চালিত কৰা কাৰণ আৰু যুক্তি সমাজ বিজ্ঞানৰ ক্ষেত্রতো প্রযোজ্য, কিন্তু সমাজ বিজ্ঞানৰ ক্ষেত্রত সেই চেতনাৰ প্রয়োগ বেলেগ হ'ব। সমাজ বিজ্ঞানৰ বৈজ্ঞানিক মনোভাৱে মৌলিকভাৱে বস্তুনিষ্ঠতাক বিবেচনা কৰে, কিন্তু ই মানৰ সমাজত পর্যবেক্ষণ কৰিব পৰা প্রতিমান, মূল্যবোধ আৰু বিভিন্ন বিষয়বোৰো বিবেচনা কৰিব

লাগিব। যিহেতু সমাজ বিজ্ঞানে মানুহৰ বিষয়ে অধ্যয়ন কৰাত গুৰুত্ব দিয়ে, সেয়েহে মানৰ সমাজৰ বিষয়ে বস্তুনিষ্ঠ সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়ত মানুহৰ পৰীক্ষামূলক আৰু ব্যক্তিগত অভিজ্ঞতাসমূহ বিবেচনা আৰু বিশ্লেষণ কৰিব লাগিব। সমাজ বিজ্ঞানীসকলৰ বাবে অধ্যয়নৰ বিষয় হিচাপে মানুহে নিজৰ বিশ্বদৰ্শনৰ (Worldview) জৰিয়তে নিজৰ পৃথিৱীখন কেনেদৰে উপলব্ধি কৰে আৰু নিজৰ চাৰিওফালে সামাজিক বাস্তৱিকতা গঠন কৰে সেয়া বুজি পোৱাটো গুৰুত্বপূৰ্ণ হৈ পৰে। তেওঁলোকৰ জীৱনৰ অভিজ্ঞতা আৰু বিশ্বদৰ্শনক অস্বীকাৰ কৰিলে মানৰ সমাজৰ বিষয়ে এক অসম্পূৰ্ণ আৰু অপৰিপক্ক বোধগম্যতা প্ৰদান কৰিব আৰু ঠিক ইয়াতেই তাত্ত্বিক ধাৰণা হিচাপে প্ৰপঞ্চতত্ত্বৰ প্ৰয়োজনীয়তা আহি পৰে।

প্ৰপঞ্চতত্ত্বৰ প্ৰাথমিক উদ্দেশ্য হৈছে মানুহে নিজৰ চাৰিওফালে অৰ্থ নিৰ্মাণ আৰু পুনৰ নিৰ্মাণ কৰাৰ উপায়বোৰ বুজি পোৱা। ইয়াত মূল ধাৰণাটো হৈছে আন্তঃবিষয়নিষ্ঠতা (Inter-subjectivity)। আন্তঃবিষয়নিষ্ঠতাই মূলতঃ মানুহে অনুভৱ কৰা বিভিন্ন পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া বা আন্তঃক্ৰিয়াক বুজায়। মানুহে ইজনে সিজনৰ সৈতে কৰা আন্তঃক্ৰিয়াৰ যোগেদি গঠন কৰা উমৈহতীয়া অৰ্থই তেওঁলোকক তেওঁলোকৰ চাৰিওফালৰ পৃথিৱীৰ বিষয়ে নিজৰ অৰ্থ সৃষ্টি কৰিবলৈ অনুপ্ৰাণিত কৰে। তেওঁলোকৰ দৈনন্দিন জীৱনেও এই অৰ্থবোৰ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আন্তঃবিষয়নিষ্ঠতাই এনেদৰে এক দৈনন্দিন সম্পদ হিচাপে কাম কৰে যাক ব্যৱহাৰ কৰি মানুহে নিজৰ সামাজিক আৰু সাংস্কৃতিক জগতৰ অৰ্থ বুজি পায়। প্ৰপঞ্চতত্ত্বৰ বিষয়ে কবলৈ গ'লে এইটো বুজি পোৱাটো গুৰুত্বপূৰ্ণ যে মানুহৰ মাজত পাৰস্পৰিক আন্তঃক্ৰিয়াৰ সময়ত সৃষ্টি হোৱা অৰ্থবোৰ সমাজ বিজ্ঞানীগৰাকীয়ে যি বুলি ভাবে তাৰ লগত একেই হোৱাৰ প্ৰয়োজন নাই। প্ৰপঞ্চতত্ত্বৰ ক্ষেত্ৰত, মানুহৰ অভিজ্ঞতাবোৰ সমাজ বিজ্ঞানীয়ে কেনেদৰে ব্যাখ্যা কৰে সেয়া গুৰুত্বপূৰ্ণ নহয়, বৰঞ্চ সেইবোৰ সমাজ বিজ্ঞানীৰ ব্যাখ্যাৰ পৰা সম্পূৰ্ণ স্বাধীন।

৭.৩ প্ৰপঞ্চতত্ত্ব ঃ অৰ্থ আৰু সংজ্ঞা

Stanford Encyclopedia of Philosophy য়ে প্ৰপঞ্চতত্ত্বক প্ৰথম পুৰুষৰ দৃষ্টিকোণৰ পৰা অনুভৱ কৰা চেতনাৰ গাঁথনিৰ অধ্যয়ন হিচাপে সংজ্ঞায়িত কৰে। আক্ষৰিক অৰ্থত, প্ৰপঞ্চতত্ত্ব হৈছে পৰিঘটনাৰ অধ্যয়ন। ইয়াৰ অৰ্থ হৈছে ই আমাৰ অভিজ্ঞতাত অনুভূত হোৱাৰ দৰে ঘটনাবোৰ অধ্যয়ন কৰে। সেয়েহে মানুহে বস্তুবোৰ কেনেদৰে অনুভৱ কৰে সেইটোৱেই প্ৰপঞ্চতত্ত্বৰ প্ৰধান বিষয়। ওপৰত কোৱাৰ দৰে, ই বিষয়নিষ্ঠ দৃষ্টিকোণৰ পৰা অনুভৱ কৰাৰ দৰে সচেতন অভিজ্ঞতা অধ্যয়ন কৰে। সেয়েহে ই বিবেচনা কৰা দৃষ্টিভংগী মূলতঃ প্ৰথম পুৰুষৰ দৃষ্টিভংগী। এই অভিজ্ঞতাসমূহৰ গঠনে স্মৃতি, উপলব্ধি, চিন্তা, আৱেগ, ইচ্ছা, কল্পনা, সামাজিক কাৰ্যকলাপ আদি সকলোকে সাঙুৰি লয়।

আমি আৰম্ভণিতে উল্লেখ কৰিছিলো যে প্ৰপঞ্চতত্ত্ব বুজি পোৱাৰ মূল উপাদান হৈছে আন্তঃবিষয়নিষ্ঠতা। প্ৰথম পুৰুষৰ দৃষ্টিকোণৰ পৰা, যেতিয়া আমি সহানুভূতিৰ সন্মুখীন হওঁ তেতিয়া আন্তঃবিষয়নিষ্ঠতা আহে। ইয়াৰ অৰ্থ হৈছে যে আন্তঃবিষয়নিষ্ঠ অভিজ্ঞতাসমূহ মূলতঃ

সহানুভূতিশীল অভিজ্ঞতা যিবোৰ আমি নিজকে আনৰ ঠাইত ৰাখি অনুভৱ কৰাৰ চেষ্টা কৰিলে লাভ কৰোঁ। লগতে, এইটোও মন কৰাটো গুৰুত্বপূৰ্ণ যে যদিও প্রপঞ্চতত্ত্বই মানুহৰ ব্যক্তিগত অভিজ্ঞতাসমূহ যুক্তিসংগত বুলি স্বীকাৰ কৰে, ই যুক্তি দিয়ে যে কিছুমান পূৰ্ব-প্রচলিত বিশ্বাস আছে যি এই যুক্তিসংগততাৰ গাঁথনিৰ ওপৰত আধাৰিত। এই বিশ্বাসবোৰ আমি পৃথিৱীখনক ইয়াৰ স্বাভাৱিক মনোভাৱত অনুভৱ কৰাৰ দৰেই আমাৰ অচেতন মনত আছে। প্রপঞ্চতত্ত্বৰ অন্যতম প্রতিষ্ঠাপক এডমণ্ড হাছার্লে এই যুক্তি উত্থাপন কৰিছে। হাছার্লে এক ততোধিক সামাজিক সমূহৰ সদস্যসকলে সংগঠিতভাৱে তেওঁলোকৰ চাৰিওফালে পৃথিৱীখনক বস্তু হিচাপে নিৰীক্ষণ কৰি অর্থ গঠন কৰিবলৈ ব্যৱহাৰ কৰা পদ্ধতিটোক বুজাবলৈ 'জীৱন জগত' (Life-world) শব্দটো ব্যৱহাৰ কৰে।

দার্শনিক ধাৰণা হিচাপে প্রপঞ্চতত্ত্ব ইমানুৱেল কাণ্টৰ অগ্রণী কামসমূহৰ পৰা উদ্ভৱ হৈছে আৰু ই এক দীঘলীয়া দার্শনিক সমস্যাৰ সৈতে জড়িত, যি এই প্রশ্নৰ সৈতে সম্পর্কিত— আমাৰ বিশ্বসম্পর্কীয় জ্ঞান কেনেদৰে আমাৰ সীমিত ধাৰণাৰ ওপৰত আধাৰিত, যিবোৰ ইতিমধ্যে আমাৰ মনত অন্তর্নিহিত ধাৰণাৰ মাজেৰে পৰিশোধিত হৈ থাকে। সাধাৰণ অর্থত আমি বুজি পাওঁ যে আমাৰ ধাৰণাবোৰ পৃথিৱীখনৰ প্রকৃত অৱস্থাৰ সৈতে সঠিকভাৱে মিল নাখায়। দৈনন্দিন জীৱনত, আমি অচেতনভাৱে এই কথাটো মানি লওঁ যে আমাৰ কাণ আৰু চকুৰে অনুভৱ কৰা শব্দ আৰু দৃশ্যবোৰ সিহঁতৰ উৎসৰ পৰা আমাৰ দূৰত্ব অনুসৰি পৃথক হ'ব। কান্টৰ স্থিতি আছিল যে চূড়ান্ত বিশ্লেষণত পৃথিৱীখন প্রকৃততে যেনেকৈ আছে, তাক তেনেকৈয়ে জনাটো অসম্ভৱ। ইয়াৰ পৰিৱর্তে, আমাৰ চেতনাৰ জৰিয়তে পৰিশোধিত আৰু জ্ঞানৰ জৰিয়তে সংগঠিত আমাৰ ধাৰণাৰ আধাৰতহে আমি পৃথিৱীখনৰ বিষয়ে জানিব পাৰোঁ। সমাজতত্ত্বৰ ক্ষেত্রত প্রয়োগ কৰাৰ দৰে এই দৃষ্টিভংগীয়ে এই ধাৰণাটো প্রতিফলিত কৰে যে আমি পৃথিৱীখনক দেখা আৰু ব্যাখ্যা কৰাৰ ধৰণটো মূলতঃ আমাৰ সামাজিক পৰিৱেশৰ গঠনমূলক প্রভাৱৰ ওপৰত আধাৰিত। আমি জন্মগ্রহণ কৰা সাংস্কৃতিক পৃথিৱীয়ে কেৱল আমি যোগাযোগ কৰিবলৈ ব্যৱহাৰ কৰা ভাষাটোৱেই প্রদান নকৰে বৰঞ্চ বোধগম্যতাৰ স্তৰ, জ্ঞান আৰু ব্যাখ্যামূলক পৰিকাঠামোও প্রদান কৰে যাৰ জৰিয়তে আমি প্রকৃততে আমাৰ পৃথিৱীখন উপলব্ধি কৰোঁ আৰু বুজি পাওঁ।

প্রপঞ্চতত্ত্বৰ মৌলিক উদ্দেশ্য হৈছে চেতনাৰ বিভিন্ন কার্যত অনুভৱ কৰা পৰিঘটনাবোৰ অধ্যয়ন কৰা। এই অর্থত দুই ধৰণৰ পৰিঘটনা আছে, মানসিক আৰু শাৰীৰিক। আমি কিবা এটা অভিজ্ঞতা লাভ কৰাৰ সময়ত আমাৰ মনত কি ঘটে সেয়া মানসিক পৰিঘটনাৰ অন্তর্গত। সেইবোৰত চেতনা বা ইয়াৰ বিষয়বস্তুও অন্তর্ভুক্ত থাকে। আনহাতে, ভৌতিক পৰিঘটনাবোৰৰ ভিতৰত ৰং আৰু আকৃতিৰ পৰা আৰম্ভ কৰি বিভিন্ন বাহ্যিক উপলব্ধিৰ বস্তুবোৰ অন্তর্ভুক্ত হৈ থাকে। প্রপঞ্চতত্ত্বই পৰিঘটনাবোৰৰ বস্তুনিষ্ঠ বাস্তৱ বা বিষয়নিষ্ঠ সম্পর্কৰ সকলো বিবেচনা নস্যাৎ কৰি পৰিঘটনাবোৰ পৃথক কৰাৰ পৰিকল্পনা কৰে। ইয়াত প্রপঞ্চতত্ত্ববাদীসকল নিশ্চয়তাৰ অনুসন্ধানত জড়িত হৈ থাকে। এই অর্থত প্রপঞ্চতত্ত্বক দর্শনৰ সৈতে তুলনা কৰি দর্শনক এক কঠোৰ বিজ্ঞান হিচাপে বিবেচনা কৰা হয় যি বস্তু বা চেতনাত উদ্ভৱ হোৱা বস্তুৰ সাৰৰ সৈতে প্রধানকৈ জড়িত থাকে।

৭.৪ প্রপঞ্চতত্ত্ব ঃ মুখ্য চিন্তাবিদসকল

এডমাণ্ড হাছার্ল ঃ দর্শনৰ এটা শাখা হিচাপে প্রপঞ্চতত্ত্বৰ উৎপত্তি মূলতঃ হাছার্লৰ কামৰ পৰাই হৈছিল। এডমাণ্ড হাছার্লক প্রপঞ্চতত্ত্বৰ প্রধান প্রতিষ্ঠাপক বুলি গণ্য কৰা হয়। তেওঁ বিংশ শতিকাৰ অন্যতম প্রভাৱশালী দার্শনিক আছিল। দর্শনৰ প্রায় সকলো ক্ষেত্রতে তেওঁৰ গুৰুত্বপূর্ণ শৈক্ষিক অৱদান আছিল। ইয়াৰ উপৰিও তেওঁৰ প্রভাৱ যথেষ্ট পৰিমাণে ভাষাবিজ্ঞান, সমাজবিজ্ঞান আৰু সংজ্ঞানাত্মক মনোবিজ্ঞানত দেখা পোৱা যায়। তেওঁৰ প্রথম প্রপঞ্চতত্ত্ব সম্পর্কীয় গ্রন্থ 'Logical Investigation' ১৯০০ চনৰ আশে-পাশে দুটা খণ্ডত প্রকাশিত হৈছিল।

হাছার্লে তিনিটা গুৰুত্বপূর্ণ উপায়েৰে প্রপঞ্চতত্ত্বৰ ধাৰণা আগবঢ়াইছিল। প্রথমতে, ইয়াক বিজ্ঞানৰ বিজ্ঞান হিচাপে বিবেচনা কৰা হৈছিল। যিয়ে চেতনাৰ আধাৰ আৱিষ্কাৰ কৰাৰ চেষ্টা কৰিছিল। দ্বিতীয় দৃষ্টিত, প্রপঞ্চতত্ত্বক 'প্রথম দর্শন' হিচাপে বিবেচনা কৰা হৈছিল আৰু সেয়েহে, ই দর্শনৰ সৈতে সহ-সম্প্রসাৰিত, যিহেতু পৰম্পৰাগতভাৱে ই প্রথম দর্শনৰ মর্যাদা উপভোগ কৰি আহিছে। প্রপঞ্চতত্ত্বৰ তৃতীয় ধাৰণাটো আটাইতকৈ গুৰুত্বপূর্ণ, য'ত ইয়াক এক অতিবাস্তৱিক আদর্শবাদ হিচাপে বিবেচনা কৰা হয়। এই দৃষ্টিভংগীয়ে আধ্যাত্মিক অহংভাৱক সকলো অর্থৰ উৎস হিচাপে বিবেচনা কৰে।

হাছার্লে যুক্তি দিছিল যে প্রপঞ্চতত্ত্বৰ অধ্যয়নৰ মূল উদ্দেশ্য হৈছে মানৱীয় পৰিঘটনাবোৰক ইয়াৰ কাৰণ, বস্তুনিষ্ঠ বাস্তৱ, বা আনকি ৰূপৰ প্রশ্ন বিবেচনা নকৰাকৈ অধ্যয়ন কৰা। হাছার্লে আমি প্রায়ে স্বাভাৱিক আৰু সহজ-সৰল মনোভাৱ থকা বুলি বিবেচনা কৰা বস্তুবোৰৰ গাঁথনিয়ে কেনেদৰে আমাৰ দৈনন্দিন জীৱনক আগুৰি থকা বস্তুবোৰক আমাৰ চেতনাত গঠন কৰিবলৈ অনুমতি দিয়ে বা সক্ষম কৰে তাৰ ওপৰত আলোকপাত কৰিবলৈ 'অতিবাস্তৱিক প্রপঞ্চতত্ত্ব'ৰ (Transcendental Phenomenology) ধাৰণাটো দিছিল।

অভিজ্ঞতাৰ পৰিঘটনাগত বিৱৰণে দুটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্রথমতে, ই দাবী কৰে যে দৈনন্দিন অভিজ্ঞতাসমূহ ইচ্ছাকৃত। দ্বিতীয়তে, ই নিশ্চিত কৰে যে অভিজ্ঞতাই সদায় ইয়াৰ বস্তুবোৰ এটা দৃষ্টিকোণৰ পৰা প্রকাশ কৰে। সেয়েহে ইচ্ছাকৃততাৰ পৰিঘটনাগত বিৱৰণে ইয়াৰ বস্তুনিষ্ঠতাক অভিজ্ঞতাবাদৰ দৃষ্টিভংগীৰ সৈতে একত্রিত কৰে।

হাছার্লৰ প্রপঞ্চতত্ত্বৰ প্রাথমিক উদ্দেশ্য হৈছে অর্থ গঠন কৰা অত্যাৱশ্যকীয় দিশবোৰ পৃথক কৰা। অন্য অর্থত ক'বলৈ গ'লে ই অর্থবোৰ পৃথক কৰিবলৈ চেষ্টা কৰে। উপলব্ধি কৰা সকলো বস্তু উপলব্ধিৰ অর্থৰ সৈতে আৱদ্ধ যি প্রকৃতিত থকা বস্তুটোৰ পৰা পৃথক। হাছার্লে যুক্তি দিয়ে যে প্রতিটো ইচ্ছাকৃত অভিজ্ঞতাই অর্থ প্রদান কৰে। অন্য অর্থত ক'বলৈ গ'লে, ইচ্ছাকৃত অভিজ্ঞতাসমূহৰ কিছুমান অর্থ দিয়াৰ অত্যাৱশ্যকীয় বৈশিষ্ট্য আছে। প্রপঞ্চতত্ত্বৰ মৌলিক লক্ষ্য হৈছে অনুভূত বস্তুটো এনেদৰে উপলব্ধি কৰা। ই প্রধানকৈ কি দিয়া হৈছে সেয়া বুজিবলৈ চেষ্টা কৰে। প্রপঞ্চতত্ত্বৰ কাম হৈছে পৰিঘটনাটোক অর্থ অনুসৰি ধৰি ৰখা। প্রপঞ্চতত্ত্বই চেতনাত সত্ত্বাৰ সন্ধান কৰে, যি হৈছে সত্ত্বাৰ ক্ষেত্র। ই বিশুদ্ধ মানসিক প্রক্রিয়াসমূহৰ সন্ধান কৰে যিবোৰ সেইবোৰৰ

সন্ধান কৰা চেতনাত অন্তর্নিহিত হৈ থাকে। ই বিশুদ্ধ চেতনাৰ ওপৰত চূড়ান্ত গুৰুত্ব দিয়ে। যেনে মনত ৰখা, কল্পনা কৰা, বিচাৰ কৰা, ইচ্ছা প্ৰকাশ কৰা, বৰ্ণনা কৰা, অনুভৱ কৰা, উপলব্ধি কৰা ইত্যাদি বিভিন্ন মানসিক প্ৰক্ৰিয়াৰ নিজৰ গুৰুত্ব আছে। প্ৰতীতিবাদী পদ্ধতিয়ে মানসিক কাৰ্যত যিবোৰ নাই সেইবোৰ বাদ দি এই অৰ্থবোৰ পৰীক্ষা কৰে। এইদৰে ই অৰ্থৰ বিজ্ঞান গঢ়ি তোলে। চেতনাৰ অৰ্থ বিচাৰি উলিয়াবলৈ, প্ৰতীতিবাদে যি অৰ্থহীন, তাক বাদ দিয়ে। ইয়াৰ বাবে প্ৰধান বাধাটো হ'ল স্বাভাৱিক মনোভাৱ, যিটো এজন প্ৰতীতিবাদীয়ে অতিক্ৰম কৰিব লাগিব।

আলফ্ৰেড চুঁজ ঃ আলফ্ৰেড চুঁজে এডমাণ্ড হাছাৰ্লৰ চিন্তাধাৰাক সামাজিক জগত আৰু সমাজ বিজ্ঞানলৈ অনাৰ চেষ্টা কৰিছিল। তেওঁৰ 'Phenomenology of the Social World'Ã এ মেক্স ৱেবাৰৰ সমাজতাত্ত্বিক কামৰ দাৰ্শনিক ভেঁটি প্ৰদান কৰিছিল। চুঁজৰ মূল লক্ষ্য আছিল মানুহৰ নিজৰ কামৰ অৰ্থ গঢ়ি তোলাৰ প্ৰক্ৰিয়াবোৰ চোৱা, আৰু তাকে কৰাৰ সময়ত তেওঁ সামাজিক জগতৰ সংৰচনাক গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ গুৰুত্ব আৰোপ কৰিছিল যে একে সামাজিক পৰিৱেশত বাস কৰা মানুহে নিৰন্তন ইজনে সিজনৰ অভিজ্ঞতা উপলব্ধি কৰিবলৈ চেষ্টা কৰে, আৰু এনে কৰাৰ সময়ত তেওঁলোকে ইতিমধ্যে ইজনে সিজনৰ প্ৰতি সমাজ বিজ্ঞানীসকলৰ মনোভাৱ গ্ৰহণ কৰে। হাছাৰ্লৰ দৰে, চুঁজেও যুক্তি দিছিল যে প্ৰপঞ্চতত্ত্ব এক কঠোৰ বৈজ্ঞানিক ধাৰণা হ'ব লাগিব। চুঁজৰ বাবে, সৰ্বোচ্চ বাস্তৱ হৈছে দৈনন্দিন জীৱনৰ আন্তঃবিষয়নিষ্ঠ জগত। অৱশ্যে, বিজ্ঞানীসকলৰ কৰ্তব্য হ'ল জীৱন-জগতৰ দৈনন্দিন পাৰ্থিৰ কাৰ্যসমূহৰ পৰা নিজকে পৃথক কৰি সেইবোৰ ভালদৰে বিশ্লেষণ আৰু পৰ্যবেক্ষণ কৰা। যদিও বাস্তৱ জীৱন জগতৰ অভিকৰ্তাসকলে দৈনন্দিন জীৱনৰ অভিজ্ঞতা আৰু জীৱন-যাপনৰ জ্ঞানৰ এক সঞ্চিত ভাণ্ডাৰৰ জৰিয়তে তেওঁলোকৰ জ্ঞান আহৰণ কৰে, বিজ্ঞানীসকলে বৰ্তমানৰ তাত্ত্বিক জ্ঞানৰ ভাণ্ডাৰৰ পৰা তেওঁলোকে লাভ কৰা জ্ঞানকহে গুৰুত্ব প্ৰদান কৰে। বৈজ্ঞানিক মনোভাৱ আৰু দৈনন্দিন জীৱনক সম্পূৰ্ণ পৃথক দিশ হিচাপে বিবেচনা কৰিব লাগিব আৰু সাধাৰণ জ্ঞানক বৈজ্ঞানিক জ্ঞানৰ পৰা পৃথক কৰিব লাগিব।

চুঁজে যুক্তি দিছিল যে দৈনন্দিন জীৱন আৰু বিজ্ঞান দুয়োটাতে, মানুহে সংশ্লিষ্ট বাস্তৱক ব্যাখ্যা আৰু উপলব্ধি কৰাৰ বাবে ধাৰণা বা আদৰ্শ নমুনাৰ আশ্ৰয় লয়। সমাজ বিজ্ঞানীসকলেও দৈনন্দিন জীৱনৰ গঠনৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ ধাৰণা বা আদৰ্শ ৰূপ নিৰ্মাণ কৰে। ইয়াক টাইপিফিকেশ্যন বুলি কোৱা হয়। বিষয়নিষ্ঠ অৰ্থৰ গাঁথনিৰ দ্বাৰা গঠিত এক বস্তুনিষ্ঠ বিজ্ঞান প্ৰাপ্ত কৰাটো টাইপিফিকেশ্যনৰ জৰিয়তে সম্ভৱ কৰা হয়। এইদৰে চুঁজে প্ৰাথমিকভাৱে সামাজিক অভিকৰ্তা আৰু ক্ৰিয়াৰ আদৰ্শ নমুনাৰ নিৰ্মাণত আগ্ৰহী আছিল। ইয়াৰ উপৰিও, বৈজ্ঞানিক দৃঢ়তাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ আদৰ্শ নমুনাবোৰে কিছুমান নিৰ্দিষ্ট মানদণ্ড পূৰণ কৰিব লাগিব। চুঁজে তেওঁৰ আদৰ্শ ৰূপৰ বাবে এনে পাঁচটা মানদণ্ড প্ৰস্তাৱ কৰিছিল ঃ প্ৰাসংগিকতা, পৰ্যাপ্ততা, যুক্তিগত স্থিৰতা, সামঞ্জস্যতা আৰু বিষয়নিষ্ঠ ব্যাখ্যা।

চুঁজে প্ৰাকৃতিক বিজ্ঞানক প্ৰয়োগৰ মৌলিক অনুমানৰ ওপৰত নিৰ্ভৰশীল বুলি সমালোচনা কৰিছিল। তেওঁ যুক্তি দিছিল যে অধ্যয়নৰ উদ্দেশ্য, অৰ্থাৎ, সামাজিক বাস্তৱতাক বুজি নোপোৱাকৈ

প্রাকৃতিক বিজ্ঞানে ব্যৱহাৰ কৰা পদ্ধতিবোৰ ইয়াৰ অধ্যয়নৰ বাবে উপযুক্ত বুলি অনুমান কৰিবলৈ অধ্যয়ন কৰোঁতা এজন বাধ্য। সেয়ে চ্যুঁজে সামাজিক বাস্তৱতাক বুজিবলৈ আৰু স্পষ্ট কৰিবলৈ চেষ্টা কৰিছিল আৰু তাৰ পিছত অভিকর্তাসকলে কেনেদৰে ইজনে সিজনৰ অভিপ্রায়বোৰ সাধাৰণ শব্দত বুজি পাই তেওঁলোকৰ সামাজিক বাস্তৱতাক বুজাই দিয়ে সেয়া ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ যুক্তি দিছিল যে প্রাকৃতিক বিজ্ঞানৰ পৰীক্ষাসমূহৰ বিপৰীতে, এনে পাৰস্পৰিক বুজাবুজি এনে এটা ক্ষেত্রত হয় য'ত কোনোবাই যিকোনো ধৰণে আনৰ ব্যক্তিগত, অন্তৰংগ গোপনীয়তাত প্রৱেশ নকৰে বা অন্যজনক উদ্দীপকৰ প্রতি প্রতিক্রিয়া কৰা প্রকাশ কৰা এটা জীৱসত্ত্বাৰ স্তৰলৈ নমাই নানে। সামাজিক বাস্তৱিকতাৰ এই বিৱৰণৰ প্রতি লক্ষ্য ৰাখি, চ্যুঁজে যুক্তি দিছিল যে উপযুক্ত সমাজ বৈজ্ঞানিক পদ্ধতিটো দৈনন্দিন অভিকর্তাসমূহৰ ধাৰণাৰ গঠনৰ বিকাশৰ সৈতে জড়িত, য'ত বস্তুবোৰে (উদাহৰণস্বৰূপে, ইলেক্ট্রন, কোৱার্ক) নিজৰ পৃথিৱীখনক ব্যাখ্যা কৰিব নোৱাৰা ভৌতিক বাস্তৱিকতাৰ বিপৰীতে অভিকর্তাসকলে নিজৰ পৃথিৱীখনক অর্থ দিয়ে।

এইটো মন কৰাটো গুৰুত্বপূর্ণ যে চ্যুঁজে জীৱন-জগতখনক মানুহৰ অতীতৰ কার্যৰ দ্বাৰা সৃষ্টি হোৱা বুলি গণ্য কৰিছিল। আন শব্দত, এজন ব্যক্তিৰ জীৱন-জগত তেওঁৰ জন্মৰ পূর্বৰ আৰু ইয়াক তেওঁক সংগ্রাম কৰিবলৈ আৰু পৰিৱর্তনৰ চেষ্টা কৰিবলৈ দিয়া হয়। সেয়েহে জীৱন-জগতখন সীমাবদ্ধ আৰু মানুহে সদায় ইয়াক গঢ় দিবলৈ বা আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰি আছে। জীৱন-জগতৰ আন এটা গুৰুত্বপূর্ণ দিশ হ'ল জ্ঞান। চ্যুঁজে অভিকর্তাসকলৰ প্রকাৰকৰণ আৰু কৌশলৰ জ্ঞান, দক্ষতা আৰু উপযোগী জ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

চ্যুঁজৰ কামক এক তাত্ত্বিক দৃষ্টিভংগী গঢ়ি তোলাৰ প্রচেষ্টা হিচাপে চাব লাগিব যিয়ে অভিকর্তাসকলে কেনেদৰে তেওঁলোকৰ নিজৰ সামাজিক জগত সৃষ্টি কৰে আৰু সামাজিক জগতে কেনেদৰে অভিকর্তাসকলক প্রভাৱিত কৰে দুয়োটাৰে ওপৰত গুৰুত্ব আৰোপ কৰে।

৭.৫ পদ্ধতি হিচাপে প্রপঞ্চতত্ত্ব

সমাজবিজ্ঞান আৰু সামাজিক নৃতত্ত্বৰ মূলসুঁতিৰ গৱেষণা পদ্ধতিবোৰ সদায় গৱেষক আৰু গৱেষণা কৰা লোকসকলৰ মাজত এক শ্রেণীবদ্ধ সম্পর্কৰ জৰিয়তে কার্যকৰী কৰা হৈছে। অন্য অর্থত কবলৈ গ'লে, প্রভাৱশালী গৱেষণা পদ্ধতিসমূহে সদায় 'উর্ধ্বগামী দৃষ্টিভংগী' (view from the above) বা বিশেষ অধিকাৰৰ ভাৱনা ব্যৱহাৰ কৰি পক্ষপাতিত্বৰ দ্বাৰা বস্তুনিষ্ঠতাৰ দাবী নিশ্চিত কৰে। গৱেষণাত আত্মবিশ্লেষণৰ (reflexivity) প্রৱর্তন কৰাৰ পিছত গৱেষক আৰু গৱেষণাৰ মাজৰ ব্যৱধান দূৰ কৰাৰ চেষ্টা কৰা হয়। ই এক সার্বজনীন সামাজিক বাস্তৱতাক খণ্ডন কৰে আৰু স্বীকাৰ কৰে যে জ্ঞান অৱস্থান সাপেক্ষ আৰু সামাজিক বাস্তৱ আনুসংগিক। আত্মবিশ্লেষণে গৱেষকক গৱেষণাৰ সৈতে সমালোচনামূলকভাৱে জড়িত হ'বলৈ সক্ষম কৰে আৰু গৱেষক হিচাপে নিজৰ অৱস্থানৰ বিষয়ে অৱগত কৰে।

সমাজ বিজ্ঞানত পদ্ধতিৰ যিকোনো গুৰুত্বপূৰ্ণ বিবেচনাই দ্ৰুতভাৱে তত্ত্ব আৰু পৰীক্ষামূলক পৰ্যবেক্ষণৰ মাজৰ সম্পৰ্ক, আৰু আমি কেনেদৰে পৰিঘটনাৰ ধাৰণা কৰোঁ ঃ তেনেধৰণৰ মৌলিক বিষয়বোৰক সাঙুৰি লয়। ইয়াৰ ফলস্বৰূপে, এই বিষয়বোৰৰ ওপৰত যিকোনো প্ৰতিফলনে আমাৰ জ্ঞানৰ স্থিতি আৰু বস্তুনিষ্ঠতাৰ অধিক মৌলিক সমস্যা উত্থাপন কৰে। প্ৰপঞ্চতত্ত্বই একাধিক দৃষ্টিভংগী সামৰি লৈছে। ই একক ঐক্যবদ্ধ দৰ্শন বা দৃষ্টিভংগী নহয়। এক পদ্ধতি হিচাপে, প্ৰপঞ্চতত্ত্বই এটা পৰিঘটনাক ব্যাখ্যা কৰাৰ পৰিৱৰ্তে বৰ্ণনা কৰাৰ প্ৰস্তাৱ দিয়ে আৰু ই বস্তুবোৰে নিজকে যিধৰণে প্ৰকাশ কৰে তেনেদৰেই সেইবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াক জীৱন জগতলৈ, অভিজ্ঞতাৰ জগতলৈ ঘূৰি অহা হিচাপে চাব পাৰি, যাক সকলো বিজ্ঞানৰ আৰম্ভণি বিন্দু হিচাপে বুজিব পাৰি। বস্তুবোৰৰ ওপৰত গুৰুত্ব দিয়াৰ অৰ্থ হ'ল যিকোনো বস্তুনিষ্ঠ বাস্তৱতাৰ আগতে, এনে এটা বিষয় বা বস্তু আছে যি অভিজ্ঞতা লাভ কৰে, যিকোনো বস্তুনিষ্ঠতাৰ আগতে এক পূৰ্ব-প্ৰদত্ত জগত আছে আৰু যিকোনো জ্ঞানৰ আগতে এটা জীৱন আছে যাৰ ওপৰত ই আধাৰিত। ইয়াৰ অৰ্থ হ'ল যে যিকোনো জ্ঞানৰ উৎপত্তি অভিজ্ঞতাত হয় যিটো পূৰ্ব-প্ৰতিক্ৰিয়াশীল। প্ৰপঞ্চতত্ত্বৰ মূল আধাৰ হ'ল যে উপলব্ধি কৰোঁতাই অৰ্থ নিৰ্ধাৰণ কৰে, আৰু সেয়েহে ই বাহ্যিক প্ৰভাৱ বা ভৌতিক জগতৰ বস্তুৰ পৰিৱৰ্তে মানুহৰ ধাৰণাহে, যি প্ৰপঞ্চতত্ত্বৰ বিশ্লেষণৰ মূল বিষয়। মানৱ চেতনাই তেওঁলোকৰ বাস্তৱিকতা নিৰ্ধাৰণ কৰে। চেতনাত প্ৰকাশ কৰাৰ দৰে মানুহৰ মনত যি প্ৰকাশ পায় সেয়াই প্ৰপঞ্চতাত্ত্বিক ধাৰণা। সেয়েহে, দৈনন্দিন জীৱনৰ অভিজ্ঞতাক প্ৰপঞ্চতাত্ত্বিক দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিবলৈ সাধাৰণ মানৱ চেতনাই ইয়াৰ দৈনন্দিন জীৱন জগতক কেনেদৰে উপলব্ধি কৰে তাৰ এক গভীৰ বিশ্লেষণৰ প্ৰয়োজন।

যদিও প্ৰপঞ্চতত্ত্বক ক্ষমতা, আধিপত্যৰ দৰে ভৌতিক শক্তিৰ পৰিৱৰ্তে ব্যক্তিগত ধাৰণাৰ সৈতে জড়িত থাকি অন্তৰ্নিহিতভাৱে ব্যক্তিবাদী আৰু প্ৰতিগামী হোৱাৰ বাবে সমালোচনা কৰা হয়, তথাপিও ব্যক্তিগত প্ৰতিভূৰ উপস্থিতি নাকচ কৰা বিশেষ সামাজিক পৰিঘটনাৰ অৰ্থপূৰ্ণ অৰ্ন্তদৃষ্টি লাভ কৰাৰ এক পদ্ধতি হিচাপে ই যথেষ্ট উপযোগী হ'ব পাৰে, এই ক্ষেত্ৰত, ঋতুস্ৰাৱৰ বাস্তৱ অভিজ্ঞতাৰ কথা উনুকিয়াব পাৰি। বিঘটনবাদী সমালোচকে লগতে যুক্তি দিয়ে যে মানৱ চেতনাত অৰ্থক সদায় পৰিশোধিত কৰা হয়, যিহেতু প্ৰপঞ্চতত্ত্বক পদ্ধতি হিচাপে গ্ৰহণ কৰাৰ ফলত অৰ্থৰ পক্ষপাতমূলক প্ৰতিনিধিত্ব হ'ব পাৰে। কিন্তু, এই সমালোচনাক খণ্ডন কৰিবলৈ, প্ৰপঞ্চতত্ত্বই এক পদ্ধতি হিচাপে গভীৰ সচেতনতাৰে এক নিৰ্দিষ্ট পৰিঘটনাৰ অধ্যয়নত গুৰুত্ব দিয়ে যাতে মানৱ চেতনাই এফালে ভৌতিকতা, ক্ষমতা আৰু উপস্থিতিৰ জটিলতাৰ পৰা জন্ম লোৱা স্বকীয় অৰ্থ, আকস্মিক সত্য আৰু সংবেদনশীল দৃষ্টিভংগীক প্ৰকাশ কৰে, আৰু আনটো ফালে এই সকলোবোৰ উপাদানক ঘনিষ্ঠ আৰু ব্যক্তিগতভাৱে অনুভৱ কৰিলে কেনে অভিজ্ঞতা হয় সেয়া উদঘাটন কৰে। সেয়েহে প্ৰপঞ্চতত্ত্বই জ্ঞান আহৰণত চেতনাৰ ভূমিকাক চিনাক্ত আৰু বৰ্ণনা কৰাৰ চেষ্টা কৰে। যি ধৰণে ই জ্ঞানৰ প্ৰকৃতিৰ যিকোনো সম্পূৰ্ণ বোধগম্যতাৰ এক প্ৰয়োজনীয় অংশ হিচাপে অভিজ্ঞতাৰ ব্যক্তিগত দৃষ্টিভংগীক অবিচলভাৱে সুৰক্ষিত কৰি ৰাখিছে, সেয়াই হৈছে ইয়াৰ মূল অৱদান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ক) প্রপঞ্চতত্ত্ব হৈছে ..... ৰ অধ্যয়ন।

খ) প্রপঞ্চতত্ত্বৰ প্রধান লক্ষ্য হৈছে সেই উপায় বা পদ্ধতিসমূহ বুজি পোৱা, যাৰ যোগেদি মানুহে .....।

গ) প্রপঞ্চতত্ত্বক ..... লৈ এক প্রত্যাৱর্তন হিচাপে লক্ষ্য কৰিব পাৰি।

ঘ) প্রপঞ্চতত্ত্বক বুজি পোৱাৰ মুখ্য উপাদান হল .....।

ঙ) কোনো এটা পৰিঘটনা ..... বিভিন্ন কার্যৰ মাধ্যমেৰে অনুভৱ কৰিব পাৰি।

চ) দুই ধৰণৰ পৰিঘটনা থকা দেখা যায় ঃ ..... আৰু .....।



৭.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- প্রপঞ্চতত্ত্ব হৈছে প্রথম পুৰুষৰ দৃষ্টিকোণৰ পৰা চেতনাৰ গাঁথনি বা সংৰচনাৰ অধ্যয়ন।
- প্রপঞ্চতত্ত্ব হৈছে পৰিঘটনাৰ অধ্যয়ন। অর্থাৎ, ই যিকোনো ঘটনাক আমাৰ অভিজ্ঞতাত উদ্ভৱ হোৱাৰ দৰেই অধ্যয়ন কৰা হয়। মানুহে কোনো বস্তু বা ঘটনা কেনেদৰে অনুভৱ কৰে, সেয়াই প্রপঞ্চতত্ত্বৰ প্রধান গুৰুত্ব।
- মানুহে নিজৰ চাৰিওফালে কেনেদৰে অর্থৰ নির্মাণ আৰু পুনৰ নির্মাণ কৰে, তাক বুজাটোৱেই সমাজতত্ত্বৰ প্রাথমিক লক্ষ্য।
- প্রপঞ্চতত্ত্বক জীৱন জগত, অর্থাৎ অনুভৱৰ পৃথিৱীখনলৈ এক প্রত্যাৱর্তন হিচাপে বিবেচনা কৰিব পাৰি, যাক সকলো বিজ্ঞানৰ আৰম্ভণি বুলি বুজিব পৰা যায়।
- প্রপঞ্চতত্ত্বক বুজি পোৱাৰ মুখ্য উপাদান হল আন্তঃবিষয়নিষ্ঠতা।
- আন্তঃবিষয়নিষ্ঠতাই সাধাৰণতে মানুহে অনুভৱ কৰা বিভিন্ন ধৰণৰ আন্তঃক্রিয়াক সাঙুৰি লয়।
- সাধাৰণতে আমি নিজকে আনৰ ঠাইত ৰাখি অনুভৱ কৰা সহানুভূতিশীল অভিজ্ঞতাসমূহেই আন্তঃবিষয়নিষ্ঠ অভিজ্ঞতা।
- প্রপঞ্চতত্ত্বৰ মূল কথা হৈছে, অর্থ অনুভৱ কৰোঁতাই নির্ধাৰণ কৰে আৰু সেয়ে ই ভৌতিক জগতৰ বাহ্যিক প্রভাৱ বা শক্তিৰ পৰিৱর্তে মানুহৰ ধাৰণা বা উপলব্ধিৰ লগতহে জড়িত।
- প্রপঞ্চতত্ত্বৰ মৌলিক উদ্দেশ্য হৈছে পৰিঘটনাৰ অধ্যয়ন, যিবোৰ চেতনাৰ বিভিন্ন ক্রিয়াত অনুভৱ কৰিব পাৰি।
- পৰিঘটনাৰ দুটা প্রকাৰ দেখা যায় ঃ মানসিক আৰু ভৌতিক।

- আমি কিবা এটা অনুভৱ কৰাৰ সময়ত আমাৰ মনত যি উদয় হয়, তাক লৈ মানসিক পৰিঘটনা গঠিত হয়। ই চেতনা আৰু ইয়াৰ উপাদানসমূহক সাঙুৰি লয়।
- ৰং আৰু আকাৰৰ পৰা আৰম্ভ কৰি বাহ্যিক উপলব্ধিৰ সকলো বস্তুকে ভৌতিক পৰিঘটনাই সাঙুৰি লয়।
- প্রপঞ্চতত্ত্বই এটা নির্দিষ্ট পৰিঘটনাৰ প্রতি সচেতন সজাগতাৰে দৃষ্টি নিবদ্ধ কৰে যে এফালে মানৰ চেতনাই বস্তুগততা, শক্তি আৰু উপস্থিতিৰ জটিলতাৰ পৰা জন্ম লোৱা স্বকীয় অর্থ, আকস্মিক সত্য আৰু অনুভৱ সংবেদনশীল দৃষ্টিভংগী প্রকাশ কৰে আৰু আনটো ফালে এই সকলোবোৰ উপাদানৰ ঘনিষ্ঠ আৰু ব্যক্তিগত অনুভৱ কেনে হয়, তাক উদঘাটন কৰে।
- প্রপঞ্চতত্ত্বৰ মূল অৱদান হৈছে ই জ্ঞানৰ প্রকৃতিৰ যিকোনো সম্পূর্ণ বুজাপৰাৰ এক প্রয়োজনীয় অংশ হিচাপে অভিজ্ঞতা বা অনুভৱৰ ব্যক্তিগত দৃষ্টিভংগীক অবিচলভাৱে সুৰক্ষিত কৰাৰ পদ্ধতি।



৭.৭ অধিক জানিবলৈ

1) Giorgi. (2008). *Phenomenological Sociology and Ethnomethodology: The Everyday Life World of Common Sense. In: Contemporary Sociological Theory*. New York : Springer
2) Madison, S. (2011). *Critical Ethnography: Method, Ethics and Performance*. Sage publications.
3) Marleau Ponty, M. (1945). *La Phenomenologie de la perception*. Gallimard, Paris, France : Routledge
4) Moran, D. (2000). *Introduction to Phenomenology*. Routledge.
5) Sadala, Maria. L.A., Adorno, Rubens de C.F. (2002). *"Phenomenology as a Method to Investigate the Experience of the Lived: a perspective from Husserl and Merleau Ponty's Thought."* Journal of Advanced Nursing.
6) Sayer, Andrew. (2010). Method in Social Science, Routledge, New York : Routledge

WEB RESOURCES

https://plato.stanford.edu/entries/phenomenology/

https://plato.stanford.edu/entries/husserl/

https://plato.stanford.edu/entries/schutz/

http://nptel.ac.in/courses/109106051/Module%205/Chapter%2032.pdf



৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) পৰিঘটনা।

খ) তেওঁলোকৰ চাৰিওফালৰ অৰ্থসমূহৰ নিৰ্মাণ আৰু পুনৰ নিৰ্মাণ কৰে।

গ) জীৱন জগত।

ঘ) আন্তঃবিষয়নিষ্ঠতা।

ঙ) চেতনা।

চ) মানসিক, ভৌতিক।



৭.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰপঞ্চতত্ত্ব কি? পৰিঘটনাৰ প্ৰকাৰসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰপঞ্চতত্ত্বৰ মুখ্য উপাদান কি? আলোচনা কৰক।

(খ) দীঘল প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ হাছাৰ্লৰ প্ৰপঞ্চতত্ত্বৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰপঞ্চতত্ত্ব সম্পৰ্কে চ্যুঁজৰ দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ আত্মবিশ্লেষণে সমাজবিজ্ঞানীসকলক তেওঁলোকৰ গৱেষণাৰ সৈতে সমালোচনামূলকভাৱে জড়িত হ'বলৈ সমৰ্থৱান কৰি তোলে। আপুনি সন্মত নে? কিয়?

প্ৰশ্ন ৪ ঃ পদ্ধতি হিচাপে প্ৰপঞ্চতত্ত্বৰ ভূমিকা আলোচনা কৰক।

*** ***** ****

অধ্যায় ৮ ঃ ইমাইল ডুৰখেইমৰ সমাজতাত্ত্বিক অৱদানসমূহ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ইমাইল ডুৰখেইম ঃ প্ৰাৰম্ভিক জীৱন
৮.৪ বিজ্ঞান হিচাপে সমাজতত্ত্ব
৮.৫ শ্ৰমবিভাজন আৰু সামাজিক সংহতিৰ ৰূপসমূহ
৮.৬ আত্মহত্যাৰ অধ্যয়ন
৮.৭ ধৰ্মৰ সিদ্ধান্ত
৮.৮ শ্ৰেণীবিভাজনৰ পদ্ধতি
৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১০ অধিক জানিবলৈ
৮.১১ অগ্ৰগতিৰ খতিয়ান
৮.১২ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজতাত্ত্বিক তত্ত্বত ডুৰখেইমৰ অৱদান বুজিবলৈ সক্ষম হ'ব।
- ডুৰখেইমৰ প্ৰত্যক্ষবাদী পৰম্পৰা আৰু ইয়াৰ সৈতে জড়িত দিশবোৰ ব্যাখ্যা কৰিব পাৰিব।
- ডুৰখেইমৰ ধৰ্ম, আত্মহত্যা, শ্ৰম বিভাজনৰ ধাৰণা আৰু নিয়মসমূহৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

ইমাইল ডুৰখেইমক সমাজতত্ত্বৰ অন্যতম প্ৰতিষ্ঠাপক হিচাপে গণ্য কৰা হয়। তেওঁ এজন ফৰাচী সমাজতত্ত্ববিদ, সামাজিক মনোবিজ্ঞানী আৰু দাৰ্শনিক আছিল। ডুৰখেইমে সমাজতত্ত্বক বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰাত মনোনিৱেশ আছিল। তেওঁ আগষ্ট ক'টে আগবঢ়োৱা প্ৰত্যক্ষবাদৰ ধাৰণাৰ সংস্কাৰ সাধন কৰিছিল। তেওঁ সংৰচনাত্মক প্ৰকাৰ্যবাদৰো এজন প্ৰধান সমৰ্থক আছিল। ডুৰখেইমৰ প্ৰধান সমাজতাত্ত্বিক ৰচনাসমূহৰ ভিতৰত আছে The Division of Labour in Society, Rules of Sociological Method, Suicide আৰু The Elementary Forms of Religious Life। পূৰ্বৰ অধ্যায়ত আমি সমাজক বুজিবৰ বাবে প্ৰপঞ্চতাত্ত্বিক দৃষ্টিভংগীৰ

বিষয়ে আলোচনা কৰিছো। এই অধ্যায়ত আমি সমাজতত্ত্বলৈ ইমাইল ডুৰখেইমে আগবঢ়োৱা অৱদানবোৰ বুজিবলৈ চেষ্টা কৰিম।

৮.৩ ইমাইল ডুৰখেইম ঃ প্ৰাৰম্ভিক জীৱন

ডেভিদ ইমাইল ডুৰখেইমৰ জন্ম ১৮৫৮ চনৰ ১৫ এপ্ৰিলত লোৰেইনৰ ডিপাৰ্টমেণ্ট অৱ ভোচেজৰ ৰাজধানী চহৰ এপিনালৰ এগৰাকী ইহুদী পণ্ডিত (ৰব্বী) আৰু ভোচেছ আৰু হাউটে-মার্নেৰ মুখ্য ৰব্বী ক্ৰমে মেলানী আৰু মইছৰ ঘৰত হৈছিল। এজন ভক্ত ৰব্বী হোৱাৰ আশা কৰি এখন ৰাবিনিকেল বিদ্যালয়ত তেওঁৰ শিক্ষা আৰম্ভ কৰিছিল, কিন্তু কম বয়সতে তেওঁ নিজৰ পৰিয়ালৰ ৰাবিনিকেল পথ অনুসৰণ নকৰাৰ সিদ্ধান্ত লৈছিল, আৰু বিদ্যালয় সলনি কৰিছিল। ১৮৭৯ চনত তেওঁৰ তৃতীয় প্ৰচেষ্টাত ইকোল নর্মাল চুপাৰিয়েৰত প্ৰৱেশ কৰিছিল। নর্মালত তেওঁ এজন ধ্ৰুপদীয় সমাজ বৈজ্ঞানিক দৃষ্টিভংগীৰ অধিকাৰী নুমা ডেনিছ ফাষ্টেল ডি কুলাঞ্জেছৰ দ্বাৰা পৰিচালিত হৈছিল আৰু মণ্টেস্কিউৰ ওপৰত তেওঁ লেটিন ভাষাত গৱেষণা পত্ৰ লিখিছিল আৰু আগষ্ট ক'ট আৰু হাৰ্বাৰ্ট স্পেন্সাৰ অধ্যয়ন কৰিছিল।

১৮৮২ চনত ডুৰখেইমে ৰাজ্যিক উচ্চতৰ মাধ্যমিক বিদ্যালয় বা Lycee ৰ শিক্ষক কৰ্মচাৰীৰ নিয়োগৰ বাবে প্ৰয়োজনীয় প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হয় আৰু দর্শন শিকাবলৈ আৰম্ভ কৰে। ১৮৮৫ চনত তেওঁ জার্মানীলৈ যায়, মাৰবার্গ, বার্লিন আৰু লেইপজিগত সমাজতত্ত্ব অধ্যয়ন কৰে আৰু পৰৱর্তী বছৰৰ ভিতৰত তেওঁৰ ডক্টৰেট গৱেষণাপত্ৰ 'The Division of Labour in Society' ৰ খচৰা সম্পূৰ্ণ কৰে। জার্মান মনোবিজ্ঞানী, দার্শনিক আৰু আধুনিক মনোবিজ্ঞানৰ প্ৰতিষ্ঠাপক উইলহেল্ম ৱুণ্ডটৰ কামৰ দ্বাৰা প্ৰভাৱিত জার্মান সমাজ বিজ্ঞান আৰু দর্শনৰ ওপৰত তেওঁৰ প্ৰবন্ধসমূহে তেওঁক ফ্ৰান্সত বিখ্যাত কৰি তুলিছিল। ১৮৮৭ চনত বৰডিউস্ক বিশ্ববিদ্যালয়ৰ প্ৰথমটো সমাজ বিজ্ঞান পাঠ্যক্ৰম শিকোৱাৰ বাবে তেওঁক "চার্জ ডি'উন ক'ৰ্ছ ডি ছায়েন্স ছ'চিয়েল এট ডি পেডাগোজী" উপাধিৰে নিযুক্তি দিয়া হৈছিল। তেওঁ ফৰাচী বিদ্যালয় ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিছিল আৰু ইয়াৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞানৰ অধ্যয়নৰ পাতনি মেলিছিল। ১৮৯৭ চনত তেওঁ প্ৰথম ফৰাচী সমাজ বৈজ্ঞানিক আলোচনী L'Annee Sociologique প্ৰতিষ্ঠা কৰে, যাৰ লক্ষ্য আছিল সমাজতাত্ত্বিক চিন্তাধাৰাৰ বিকাশ সাধন কৰা বর্ধিত সংখ্যক শিক্ষার্থী আৰু সহযোগীৰ কামৰ প্ৰকাশ আৰু প্ৰচাৰ কৰা। ১৮৯৭ চনত তেওঁ 'Suicide' নামৰ এক নমুনাভিত্তিক অধ্যয়ন প্ৰকাশ কৰে, য'ত সমাজতাত্ত্বিক আলোচনা কেনেকুৱা হ'ব পাৰে তাৰ এক আৰ্হি প্ৰদান কৰা হৈছিল। ১৯০২ চনৰ ভিতৰত তেওঁ চৰবনৰ শিক্ষাৰ অধ্যক্ষ হৈ পেৰিছত এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰাৰ উচ্চাকাংক্ষা উপলব্ধি কৰিছিল। ১৯১২ চনত তেওঁ 'The Elementary Forms of Religious Life' প্ৰকাশ কৰে, য'ত ধর্মক এক সামাজিক পৰিঘটনা হিচাপে বিশ্লেষণ কৰা হৈছিল। যেতিয়া প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল, তেওঁ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষাৰ বাবে নিজকে উৎসর্গিত কৰি যুদ্ধৰ সম্পর্কে নথিপত্ৰ প্ৰকাশৰ বাবে সমিতি গঠন কৰিছিল, যিবোৰ

জার্মান প্রচাৰক দুর্বল কৰিবলৈ নিৰপেক্ষ দেশসমূহলৈ প্রেৰণ কৰা হৈছিল। ১৯১৬ চনৰ ভিতৰত জার্মানীৰ সম্ভাব্য পৰাজয়ৰ পৰিণাম আৰু ইয়াৰ ফলত ফ্রান্সত ৰক্ষণশীল ধর্মলম্বী দলটোৱে লাভ কৰিব পৰা সুবিধাৰ বিষয়ে তেওঁৰ মোহভংগ হৈছিল আৰু তেওঁ নিজৰ ইহুদী মূলৰ বিষয়ে সচেতন হৈ পৰিছিল। ১৯১৭ চনৰ ১৫ নৱেম্বৰত ডুৰখেইমৰ মৃত্যু হয়।

৮.৪ বিজ্ঞান হিচাপে সমাজতত্ত্ব

সমাজতত্ত্বৰ লক্ষ্য হৈছে মানৱ সংগঠনৰ প্রকৃতি সম্পর্কে জ্ঞান আহৰণ কৰা। এনে জ্ঞানৰ দ্বাৰা, সামাজিক ঘটনাবোৰক এনেদৰে ব্যাখ্যা কৰাটো সম্ভৱ হয় যাৰ দ্বাৰা এই ঘটনাবোৰ কেনেকৈ আৰু কিয় সংঘটিত হয় তাক বুজিব পাৰি। যোৱা কেইটামান শতিকাত, এক পদ্ধতিগত বিষয় হিচাপে বিজ্ঞানে বিশ্বব্রহ্মাণ্ডৰ সকলো ঘটনা-পৰিঘটনাৰ জ্ঞান সংগ্রহ কৰাৰ সর্বশ্রেষ্ঠ উপায় হিচাপে বিভিন্ন ক্ষেত্রত উত্থান লাভ কৰিছে। কিন্তু সদায় এনেকুৱা হোৱা নাছিল, আৰু আজিও, যেতিয়া বিজ্ঞানে আমাৰ জীৱনৰ প্রতিটো দিশ আৰু পৃথিৱীখনক চোৱাৰ আমাৰ পদ্ধতিবোৰত প্রৱেশ কৰে, তথাপিও সমাজতত্ত্ব কি ধৰণৰ বিজ্ঞান হ'ব পাৰে তাক লৈ মতানৈক্য আছে। সমাজতত্ত্বৰ প্রতিষ্ঠাপক আগষ্ট ক'টে ১৮০০ চনৰ আৰম্ভণিতে স্বীকাৰ কৰিছিল যে 'সমাজৰ বিজ্ঞান'ৰ স্থিতি অনিশ্চিত আছিল। সমাজতত্ত্বক সমালোচনামুক্ত কৰিবলৈ আৰু বিজ্ঞান হিচাপে সমাজতত্ত্বৰ উত্থান এতিয়া সম্ভৱ বুলি তেওঁৰ দাবীক বৈধ কৰিবলৈ, তেওঁ 'ত্রিস্তৰীয় বিধি'ৰ ধাৰণা আগবঢ়াইছিল য'ত অন্তর্ভুক্ত আছিল ঃ দৈৱিক, আধিভৌতিক আৰু প্রত্যক্ষবাদী স্তৰ।

ডুৰখেইমৰ বাবে সমাজতত্ত্ব হৈছে সামাজিক তথ্যৰ অধ্যয়ন। এটা সামাজিক তথ্য হ'ল ব্যক্তিৰ বাবে বাহ্যিক আৰু বাধ্যতামূলক। বাহ্যিক হোৱাৰ বাবে সামাজিক তথ্যবোৰ আত্মনিৰীক্ষণৰ দ্বাৰা অনুসন্ধান কৰিব নোৱাৰি। ইয়াৰ বাবে অনুভৱসিদ্ধ গৱেষণা ব্যৱহাৰ কৰা উচিত। এই পদ্ধতিৰ এক সাধাৰণ ব্যৱহাৰ তেওঁৰ আত্মহত্যাৰ অধ্যয়নত পোৱা যায়। ডুৰখেইমে আত্মহত্যাৰ হাৰৰ ওপৰত পৰিসংখ্যা ব্যৱহাৰ কৰি আত্মহত্যা এক সামাজিক পৰিঘটনা বুলি তেওঁৰ যুক্তি প্রতিষ্ঠা কৰিছিল। তেওঁ বিকল্প পূর্বধাৰণা অস্বীকাৰ কৰিছিল কাৰণ এইসমূহৰ অনুমানবোৰ প্রকৃত পৰিসংখ্যিক তথ্যৰ সৈতে মিলা নাছিল। এইটো সমাজৰ অনুভৱসিদ্ধ গৱেষণাৰ এক প্রশংসনীয় প্রচেষ্টা। ডুৰখেইমৰ মতে, সমাজৰ সামাজিক তথ্য, সংস্থা, বিশ্বাস আৰু মূল্যবোধবোৰক বৈজ্ঞানিক জগতৰ বস্তু আৰু প্রক্রিয়াৰ দৰেই গণ্য কৰা উচিত। তেওঁ কয় যে এই সামাজিক তথ্যবোৰ বস্তুনিষ্ঠভাৱে পৰিমাপ কৰিব পাৰি, পৰিমাণ নির্ধাৰণ কৰিব পাৰি আৰু পৰিসংখ্যাগতভাৱে বিশ্লেষণ কৰিব পাৰি, আৰু এই পদ্ধতিবোৰৰ সম্পর্ক আৰু কাৰণগত সম্পর্ক নির্ণয় কৰিব পাৰি, যাৰ ফলত সমাজৰ বৈজ্ঞানিক তত্ত্ব আৰু ব্যাখ্যাৰ সৃষ্টি হয়। সেইবাবে ডুৰখেইমে সমাজক প্রাকৃতিক পৃথিৱীৰ দৰেই পৰিমাপ কৰিব পাৰি বুলি বিশ্বাস কৰে।

সামগ্রিকভাৱে, সমাজতত্ত্বক বিজ্ঞান হিচাপে গণ্য কৰা আৰু নকৰা লোকসকলৰ মাজত এক বৃহৎ বিভাজন আছে। ডুৰখেইমৰ দৰে বাস্তৱবাদী প্রত্যক্ষবাদীসকলে যুক্তি দিয়ে যে সংজ্ঞা অনুসৰি আৰু ব্যৱহাৰ কৰা তত্ত্বসমূহৰ দ্বাৰা, সমাজতত্ত্ব হৈছে এক বিজ্ঞান, তথাপিও ব্যাখ্যাবাদী

আৰু অন্যান্যসকলে এক অত্যন্ত বৈধ যুক্ত দাঙি ধৰি কয় যে মানুহ আৰু সমাজক বস্তুৰ দৰে পৰিমাপ কৰিব নোৱাৰি। যদিও ডুৰখেইমে সামাজিক তথ্যৰ তত্ত্বটো দাঙি ধৰিছিল, তথাপি বহুতো বাহ্যিক আৰু আভ্যন্তৰীণ শক্তি আছে যিয়ে অসংখ্য চলক সৃষ্টি কৰে যিবোৰ পৰিমাপ কৰাটো অত্যন্ত কঠিন। যদিও প্রত্যক্ষবাদীসকলে কৰাৰ দৰে বৈজ্ঞানিক পদ্ধতিৰ জৰিয়তে ইয়াক চেষ্টা কৰিব পাৰি, ই এক সঠিক বিজ্ঞান হ'ব নোৱাৰে। সমাজতত্ত্বক বিজ্ঞানৰ এক অনুকৰণ যেনহে বোধ হয়। এই সমস্যাবোৰৰ প্রথমে থকা কথাটোৱে দেখুৱায় যে বিজ্ঞান হিচাপে ইয়াক পদার্থ বিজ্ঞানৰ বিষয়ৰ দৰে শ্রেণীবদ্ধ কৰাটো অতি ত্রুটিপূর্ণ। শেষত, যদিও মূল্যৱান, সমাজতত্ত্বক সঠিক বা প্রাকৃতিক বিজ্ঞান বুলি গণ্য কৰিব নোৱাৰি। ইয়াক কেৱল বৈজ্ঞানিক গুণ থকা এক বিষয় হিচাপেহে চাব পাৰি।

৮.৫ শ্রমবিভাজন আৰু সামাজিক সংহতিৰ প্রকাৰ

ডুৰখেইমৰ পূর্বৰ অর্থনীতিবিদসকলে শ্রমবিভাজন আৰু ইয়াৰ প্রগতি মানৱ সমাজৰ এক স্বাভাৱিক নিয়ম বুলি বিবেচনা কৰিছিল। ইয়াৰ অবিহনে মানৱ সমাজ কেতিয়াও উন্নতি কৰিব নোৱাৰে বুলি অর্থনীতিবিদসকলে বিশ্বাস কৰিছিল। ডুৰখেইমে ইয়াৰ উর্ধ্বত গৈ যুক্তি দিবলৈ চেষ্টা কৰিছিল যে শ্রমবিভাজন কেৱল এক প্রাকৃতিক আইন নহয়, ই নৈতিক নিয়ম। সেয়েহে, তেওঁ যুক্তি দিছিল যে শ্রমবিভাজনে অধিক সামাজিক সমন্বয় বা সংহতিৰ সৃষ্টি কৰিছিল।

ডুৰখেইমে এটা প্রশ্নৰে আৰম্ভ কৰিছিল। শ্রম বিভাজনৰ কাম কি? আডাম স্মিথৰ মতে শ্রম বিভাজনৰ কাম হ'ব সভ্যতাৰ সুবিধাসমূহ উপভোগ কৰা। এই ক্ষেত্রত ডুৰখেইমে কৈছিল যে যদি এনে হয়, তেন্তে ই নৈতিক নিয়ম নহয় কিয়নো শ্রমবিভাজনৰ লগে লগে আত্মহত্যা আৰু অপৰাধ বহু পৰিমাণে বৃদ্ধি পায়।

তেওঁ লগতে উল্লেখ কৰিছিল যে সভ্যতাৰ কোনো অন্তর্নিহিত মূল্য নাই। ইয়াৰ একমাত্র মূল্য হৈছে কিছুমান মানৱীয় প্রয়োজনীয়তা পূৰণ কৰা। তেনে প্রয়োজনীয়তা পূৰণ কৰাৰ অর্থ একো নাই যদি সেই প্রয়োজনীয়তা সভ্যতাৰ দ্বাৰাহে সৃষ্টি কৰা হয়।

ডুৰখেইমে আৰু প্রশ্ন কৰে, 'শ্রমবিভাজনে নিজে সৃষ্টি নকৰা যিকোনো প্রয়োজনীয়তা পূৰণ কৰে নে?'

ডুৰখেইমৰ বাবে, এই প্রশ্নৰ উত্তৰ দিবলৈ এই পুৰণি উক্তিটো বিবেচনা কৰা ভাল ঃ 'পার্থক্যই আকর্ষণ কৰে,' কিন্তু, তেওঁ ইয়াত কেৱল সেই পার্থক্যবোৰ অন্তর্ভুক্ত কৰে যিবোৰৰ এটাই আনটোক আঁতৰাই নপঠায়, বৰঞ্চ পৰিপূৰক হয়। আমি নিজৰ ভিতৰত যি অভাৱ আছে তাক আনৰ মাজত বিচাৰো, আৰু য'তেই এনে সেৱাৰ প্রকৃত বিনিময় হয় তাত সংগঠন গঠন হয় — সংক্ষেপে য'ত শ্রমৰ বিভাজন হয়। সেয়েহে, শ্রম বিভাজনৰ কার্য হৈছে প্রাথমিকভাৱে নৈতিক, অর্থনৈতিক নহয় (যদিও অৱশ্যে, অর্থনৈতিক ফলাফলো আছে), ই হৈছে দুজন বা ততোধিক ব্যক্তিৰ মাজত সৃষ্টি হোৱা সংহতিৰ অনুভূতি।

তাৰপিছত দুৰখেইমে প্রশ্ন কৰে যে শ্রমবিভাজনৰ ফলত সৃষ্টি হোৱা সংহতিয়ে সমাজৰ

সাধাৰণ সংহতিৰ ক্ষেত্ৰত কিমান পৰিমাণে অৰিহণা যোগায় ?

এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ, ডুৰখেইমে সংহতিৰ এক বাহ্যিক প্ৰতীক ব্যৱহাৰ কৰিছিল, কিয়নো ই অন্যথা "সহজে বুজি পোৱাৰ বাবে অতি অনিৰ্দিষ্ট"। ইয়াক তেওঁ আইন বুলি কৈছিল। দুৰখেইমে যুক্তি দিছিল যে আইনসমূহক অনুমোদনৰ প্ৰকাৰ অনুসৰি শ্ৰেণীবদ্ধ কৰিব পাৰি ঃ

- দমনমূলক নিষেধাজ্ঞা (শাস্তিমূলক আইন) ঃ এই আইনসমূহৰ সৈতে, অভিকৰ্তাক কিছু লোকচান বা কষ্ট দিয়া হয়।
- প্ৰতিৰোধমূলক নিষেধাজ্ঞা (অসামৰিক, বাণিজ্যিক, প্ৰশাসনিক আইন) ঃ এই নিষেধাজ্ঞাৰ জৰিয়তে কেৱল বস্তুবোৰ উলংঘনৰ পূৰ্বৰ অৱস্থালৈ ঘুৰাই আনিবলৈ চেষ্টা কৰা হয়।

এই দুই ধৰণৰ অনুমোদন দুই ধৰণৰ সংহতিৰ সৈতে মিল আছিল ঃ

- **যান্ত্ৰিক সংহতি**
  - দমনমূলক নিষেধাজ্ঞাৰ দ্বাৰা চিহ্নিত।
  - এই ধৰণৰ সংহতি Like for like ৰ আকৰ্ষণৰ ওপৰত আধাৰিত।
  - আমি সেই ধাৰণা আৰু অনুভূতিৰ বিৰুদ্ধে আক্ৰমণাত্মক প্ৰতিক্ৰিয়া কৰোঁ যি আমাৰ নিজৰ ধাৰণাৰ বিৰোধিতা কৰে। ই ব্যক্তিজনক আনৰ সৈতে থকা তেওঁৰ সাদৃশ্যৰ বাবে সামাজিক ব্যৱস্থাৰ সৈতে সংযুক্ত কৰে।
  - যান্ত্ৰিক সংহতি হৈছে ব্যক্তিসকলক পোনপটীয়াকৈ সমাজৰ সৈতে বান্ধি ৰাখি সাদৃশ্যৰ পৰা উদ্ভৱ হোৱা সংহতি।
  - সামূহিক ভাৱনাক আঘাত কৰা যিকোনো কথাই সামূহিক স্বাৰ্থক আঘাত কৰে, সমাজক দুৰ্বল কৰে — সেয়েহে আনকি "ভুক্তভোগীহীন" অপৰাধকো শাস্তি দিয়াৰ প্ৰয়োজন।
  - কেৱল অভিকৰ্তাসকলক বাধা দিবলৈ নহয়, সামূহিক চেতনাৰ শক্তিক পুনৰ নিশ্চিত কৰিবলৈ শাস্তিৰ প্ৰয়োজন।
  - শাস্তিয়ে অনুশোচনাৰ সৃষ্টি কৰি সমাজক সুৰক্ষিত কৰে।
- **জৈৰিক সংহতি**
  - প্ৰতিৰোধমূলক নিষেধাজ্ঞাৰ আইনৰ দ্বাৰা চিহ্নিত।
  - প্ৰতিৰোধমূলক নিষেধাজ্ঞাৰ আইনসমূহৰ সামূহিক চেতনাত এক শক্তিশালী উৎস থাকিব নালাগে। ইয়াৰ পৰিৱৰ্তে, শ্ৰমবিভাজনতে ইয়াৰ উৎস আছে।
  - লক্ষ্য হৈছে স্থিতাৱস্থা পুনৰুদ্ধাৰ কৰা।
  - ব্যক্তিসকলৰ পাৰ্থক্য অনুমান কৰে — এই নিষেধাজ্ঞাৰ অস্তিত্ব থকাৰ বাবে ব্যক্তিগৰাকীৰ বাবে এক বিশেষ কাৰ্যক্ষেত্ৰ থাকিব লাগিব।
  - অৰ্থাৎ, সামূহিক চেতনাই ব্যক্তিগত চেতনাৰ কিছু অংশ স্পৰ্শ নকৰাকৈ এৰি দিব লাগিব। ব্যক্তিগত চেতনা যিমানেই সম্প্ৰসাৰিত হয়, এই ধৰণৰ সংহতিৰ পৰা সিমানেই অধিক সংহতিৰ সৃষ্টি হয়।

    যিকোনো নিৰ্দিষ্ট সমাজৰ বাবে, সেয়েহে, প্ৰতিৰোধমূলক নিষেধাজ্ঞাৰ সৈতে দমনমূলক

নিষেধাজ্ঞাৰ আইনৰ অনুপাত সামূহিক চেতনা আৰু শ্ৰমবিভাজনৰ দৰে একে হ'ব লাগে।

ডুৰখেইমে বিচাৰি পাইছিল যে অধিক "সভ্য" সমাজত, প্ৰকৃততে, ব্যক্তি এজনক সুৰক্ষা দিয়া ধৰণৰ দমনমূলক নিষেধাজ্ঞাৰ বাহিৰে আন দমনমূলক নিষেধাজ্ঞা কম পৰিমাণৰ আছিল। এইদৰে, ব্যক্তিজন নতুন ধৰ্মত পৰিণত হয় — সামূহিক চেতনাৰ শেষ অৱশিষ্ট অংশটো হৈছে ব্যক্তিগৰাকীৰ পৰিত্ৰতা।

- **শ্ৰমৰ বিভাজনৰ কাৰণসমূহ ঃ**

  ডুৰখেইমৰ মতে শ্ৰম বিভাজনৰ মূল কাৰণ আছিল গতিশীল বা নৈতিক অন্তঃসাৰ বৃদ্ধি ঃ

  - এখন সমাজৰ সদস্যসকলৰ মাজত কম ভৌগোলিক দূৰত্ব
  - এখন সমাজৰ সদস্যসকলৰ মাজত কম প্ৰযুক্তিগত দূৰত্ব
  - এখন সমাজৰ সম্পূৰ্ণ সামাজিক আয়তন।

  এই কাৰকসমূহে অস্তিত্বৰ সংগ্ৰামক অধিক তীব্ৰ কৰি তোলে। ডুৰখেইমে যুক্তি দিছিল যে জীয়াই থকাৰ একমাত্ৰ উপায় আছিল পৃথকীকৰণ/বিশেষীকৰণ। ডুৰখেইমে শ্ৰমবিভাজনৰ পেথ'লজিকেল বা অস্বাভাৱিক ৰূপসমূহৰ বিষয়েও আলোচনা কৰিছিল যাক তেওঁ প্ৰতিমানহীন আৰু বলপূৰ্বক হিচাপে শ্ৰেণীবদ্ধ কৰিছিল।

৮.৬ আত্মহত্যাৰ অধ্যয়ন

সকলো পৰিৱর্তন আৰু প্ৰৱাহ এক নিৰন্তৰ অৱস্থাত আছে। দ্বান্দ্বিকতাই ব্যাখ্যা কৰে যে পৰিৱর্তন আৰু গতি কেৱল দ্বন্দ্বৰ জৰিয়তেহে হ'ব পাৰে। গতিকে প্ৰগতিৰ এক মসৃণ, অবিৰত ৰেখাৰ পৰিৱর্তে, আকস্মিক সময়ৰ দ্বাৰা বিঘ্নিত বা বাধাপ্ৰাপ্ত এক ৰেখা আছে, য'ত মন্থৰ আৰু একত্ৰীকৃত পৰিৱর্তন (পৰিমাণগত পৰিৱর্তন) দ্ৰুত গতিৰে হয়, আৰু য'ত 'পৰিমাণ' গুণগত মানলৈ ৰূপান্তৰিত হয়। দ্বান্দ্বিকতা হ'ল বৈপৰীত্যৰ যুক্তি। দ্বান্দ্বিকতাৰ নিয়মবোৰ ইতিমধ্যে হেগেলে বিশদভাৱে আগবঢ়াইছিল, অৱশ্যে, সেইবোৰ এক ৰহস্যময়, আদৰ্শবাদী ৰূপত দেখা যায়। মার্ক্স আৰু এঙ্গেলছেই প্ৰথমে দ্বান্দ্বিকতাবাদক বৈজ্ঞানিক অর্থাৎ বস্তুবাদী ভিত্তি প্ৰদান কৰিছিল। ট্ৰটস্কিয়ে লিখিছিল — "হেগেলে ডাৰউইনৰ আগতে আৰু মার্ক্সৰ আগতে লিখিছিল। ফৰাচী বিপ্লৱৰ দ্বাৰা চিন্তা আৰু বুদ্ধিক প্ৰদান কৰা শক্তিশালী প্ৰেৰণাৰ বাবে হেগেলে বিজ্ঞানৰ সাধাৰণ আন্দোলনৰ অনুমান কৰিছিল। কিন্তু যিহেতু ই কেৱল প্ৰত্যাশা আছিল, যদিও প্ৰত্যাশা এজন প্ৰতিভাধৰৰ দ্বাৰা আছিল, ই হেগেলৰ পৰা এক আদৰ্শবাদী চৰিত্ৰ লাভ কৰিছিল। হেগলে চূড়ান্ত সত্য বা বাস্তৱ হিচাপে আদৰ্শগত ছায়াৰ সৈতে কাম কৰিছিল। মার্ক্সে প্ৰদৰ্শন কৰিছিল যে এই আদৰ্শগত ছাঁৰ গতিবিধিয়ে ভৌতিক বস্তুৰ গতিবিধিৰ বাহিৰে একো প্ৰতিফলিত কৰা নাছিল।" এইদৰে হেগেলৰ আদৰ্শবাদৰ বিপৰীতে, মার্ক্সে দ্বান্দ্বিকতাৰ অধ্যয়নত এক বস্তুবাদী প্ৰকৃতিৰ প্ৰস্তাৰ দিছিল।

মার্ক্সে লিখিছিল, "মোৰ দ্বান্দ্বিক পদ্ধতি হেগেলিয়ানৰ পৰা কেৱল পৃথকেই নহয়, ই ইয়াৰ সম্পূৰ্ণ বিপৰীত। হেগেলৰ মতে, মানুহৰ মগজুৰ জীৱন-প্ৰক্ৰিয়া, অর্থাৎ চিন্তাৰ প্ৰক্ৰিয়া 'ধাৰণা' নামেৰে এক স্বতন্ত্ৰ বিষয়লৈ ৰূপান্তৰিত হয়, আৰু বাস্তৱ জগতখন কেৱল "ধাৰণা"ৰ বাহ্যিক ৰূপ। মোৰ ক্ষেত্ৰত, ইয়াৰ বিপৰীতে, আদৰ্শ মানৱ মনৰ দ্বাৰা প্ৰতিফলিত হোৱা আৰু চিন্তাৰ ৰূপলৈ অনুদিত হোৱা ভৌতিক জগতৰ বাহিৰে আন একো নহয়।"

মার্ক্স আৰু এঙ্গেলেছও তেওঁলোকৰ বস্তুবাদক বর্ণনা কৰাৰ ক্ষেত্ৰত ফিউৰবাকৰ (Feuerbach) দ্বাৰা প্ৰভাৱিত হৈছিল। মার্ক্স আৰু এঙ্গেলছ দুয়োজেন ফিউৰবাকক এজন দার্শনিক হিচাপে গণ্য কৰিছিল যিয়ে বস্তুবাদক যথোপযুক্ত গুৰুত্ব প্ৰদান কৰিছিল। অৱশ্য, মার্ক্স আৰু এঙ্গেলছৰ বস্তুবাদ ফিউৰবাকৰ বস্তুবাদৰ সৈতে একে নহয়। দৰাচলেত, মার্ক্স আৰু এঙ্গেলছে ফিউৰবাকৰ বস্তুবাদৰ পৰা ইয়াৰ 'সাৰমর্ম' লৈ বস্তুবাদৰ এক বিজ্ঞানসন্মত দার্শনিক তত্ত্বৰ বিকাশ সাধন কৰিছিল আৰু আদৰ্শবাদী তথা ধর্মীয়-নৈতিক দিশবোৰ আতঁৰাই দিছিল।

দ্বান্দ্বিকতা গ্ৰীক 'dialego' ৰ পৰা আহিছে, যাৰ অর্থ- কথোপকথন, বিতর্ক। প্ৰাচীন কালত দ্বান্দ্বিকতা আছিল বিৰোধীৰ যুক্তিৰ দ্বন্দ্ববোৰ প্ৰকাশ কৰি আৰু এই দ্বন্দ্ববোৰ অতিক্ৰম কৰি সত্যত উপনীত হোৱাৰ কলা। প্ৰাচীন কালত এনে কিছুমান দার্শনিক আছিল যিয়ে বিশ্বাস কৰিছিল যে চিন্তাধাৰাত বিৰোধিতাৰ প্ৰকাশ আৰু বিপৰীত মতামতৰ সংঘাত হৈছে সত্যত উপনীত হোৱাৰ সর্বশ্ৰেষ্ঠ পদ্ধতি। পৰৱর্তী সময়ত প্ৰকৃতিৰ পৰিঘটনাসমূহলৈ সম্প্ৰসাৰিত হোৱা দ্বান্দ্বিক চিন্তাধাৰা প্ৰকৃতিক উপলব্ধি কৰিব পৰা দ্বান্দ্বিক পদ্ধতিলৈ বিকশিত হৈছিল, যি প্ৰকৃতিৰ পৰিঘটনাসমূহক নিৰন্তৰ পৰিৱর্তনশীল বুলি গণ্য কৰাৰ লগতে প্ৰকৃতিৰ বিৰোধী শক্তিৰ আন্তঃক্ৰিয়া

আৰু প্ৰকৃতিৰ বিৰোধিতাৰ বিকাশৰ ফলস্বৰূপে প্ৰকৃতিৰ বিকাশ বা উত্তৰণক বিবেচনা কৰে। এঙ্গেলছে দ্বান্দ্বিকতাবাদক "গতি আৰু প্ৰকৃতি, মানৱ সমাজ আৰু চিন্তাধাৰাৰ বিকাশৰ সাধাৰণ নিয়মৰ বিজ্ঞান" হিচাপে সংজ্ঞায়িত কৰিছে। Anti-Dühring আৰু The Dialectics of Nature ত এঙ্গেলছে দ্বান্দ্বিকতাৰ নিয়মসমূহৰ বিৱৰণ দিয়ে, যি তিনিটা আটাইতকৈ মৌলিক নিয়মৰ পৰা আৰম্ভ হয় ঃ

- পৰিমাণক গুণগত মানলৈ, আৰু গুণগত মানক পৰিমাণলৈ ৰূপান্তৰৰ নিয়ম,
- বিপৰীতৰ আন্তঃপ্ৰৱেশৰ নিয়ম, আৰু
- নেতিবাচকতাৰ নিয়ম।

মার্ক্সবাদী দ্বান্দ্বিক পদ্ধতিৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১) **প্ৰকৃতিৰ সৈতে সংযুক্ত আৰু নির্ধাৰিত** ঃ দ্বন্দ্ববাদে প্ৰকৃতিক পৰস্পৰৰ সৈতে সংযোগহীন, পৃথক আৰু স্বাধীন বস্তু আৰু পৰিঘটনাৰ এক আকস্মিক গোট হিচাপে গণ্য নকৰে, বৰঞ্চ এক সংযুক্ত আৰু অবিচ্ছেদ্য সামগ্ৰী হিচাপে গণ্য কৰে, য'ত বস্তু আৰু পৰিঘটনাসমূহ জৈৱিকভাৱে সংযুক্ত, নির্ভৰশীল আৰু পৰস্পৰৰ দ্বাৰা নির্ধাৰিত হয়। দ্বান্দ্বিক পদ্ধতিটোৱে সেয়েহে ধাৰণা কৰে যে প্ৰকৃতিৰ কোনো পৰিঘটনাক যদি ইয়াৰ চাৰিওফালৰ পৰিঘটনাৰ পৰা পৃথক কৰি লোৱা হয় তেন্তে ইয়াক বুজিব নোৱাৰি। প্ৰকৃতিৰ যিকোনো ক্ষেত্ৰৰ যিকোনো পৰিঘটনা আমাৰ বাবে অর্থহীন হৈ পৰিব পাৰে যদি ইয়াক চাৰিওফালৰ পৰিস্থিতিৰ সৈতে সম্পর্কিত বুলি বিবেচনা কৰা নহয় আৰু সেইবোৰৰ পৰা পৃথক কৰা হয়। ইয়াৰ বিপৰীতে, যিকোনো পৰিঘটনাক বুজিব আৰু ব্যাখ্যা কৰিব পাৰি যদি চাৰিওফালৰ পৰিঘটনাৰ সৈতে ইয়াৰ অবিচ্ছেদ্য সম্পর্কক বিবেচনা কৰা হয়, যি চাৰিওফালৰ পৰিঘটনাৰ দ্বাৰা চর্তযুক্ত। সেয়েহে প্ৰকৃতিৰ প্ৰতিটো দিশ পৰস্পৰৰ ওপৰত নির্ভৰশীল আৰু ই বিচ্ছিন্ন বিভাগ নহয়।

২) **প্ৰকৃতি হৈছে অবিৰত গতি আৰু পৰিৱর্তনৰ অৱস্থা** ঃ দ্বান্দ্বিকতাৰ মতে প্ৰকৃতি বিশ্ৰাম আৰু স্থিৰতা, অচল আৰু পৰিৱর্তনহীনতাৰ অৱস্থা নহয়, বৰঞ্চ নিৰন্তৰ গতি আৰু পৰিৱর্তনৰ অৱস্থা, নিৰন্তৰ নবীকৰণ আৰু বিকাশৰ অৱস্থা, য'ত সদায় কিবা এটা উদ্ভৱ আৰু বিকাশ হৈ থাকে, আৰু কিবা এটা সদায় বিভাজিত হৈ বা শেষ হৈ গৈ থাকে। সেয়েহে দ্বান্দ্বিক পদ্ধতিৰ বাবে পৰিঘটনাবোৰক কেৱল এইবোৰৰ আন্তঃসংযোগ আৰু পাৰস্পৰিক নির্ভৰশীলতাৰ দৃষ্টিকোণৰ পৰাই নহয়, এইবোৰৰ গতিবিধি, পৰিৱর্তন, বিকাশ, অস্তিত্বলৈ অহা আৰু অস্তিত্বৰ পৰা বাহিৰ হোৱাৰ দৃষ্টিকোণৰ পৰাও বিবেচনা কৰা উচিত।

৩) **প্ৰাকৃতিক পৰিমাণগত পৰিৱর্তনে গুণগত পৰিৱর্তনৰ পথ প্ৰশস্ত কৰে** ঃ দ্বন্দ্ববাদে উন্নয়নৰ প্ৰক্ৰিয়াক পৰিমাণগত পৰিৱর্তনে গুণগত পৰিৱর্তনৰ পথ প্ৰশস্ত নকৰা এটা সৰল প্ৰক্ৰিয়া হিচাপে গণ্য নকৰে, কিন্তু এনে এক প্ৰক্ৰিয়া হিচাপে বিবেচনা কৰে যি নগণ্য আৰু অদৃশ্য পৰিমাণগত পৰিৱর্তনৰ পৰা গুণগত পৰিৱর্তনলৈ মৌলিক পৰিৱর্তন সম্ভৱ কৰি তোলে। এই পৰিৱর্তন আকস্মিকভাৱে নহয়, বৰঞ্চ অদৃশ্য আৰু ক্ৰমাগতভাৱে হোৱা পৰিমাণগত

পৰিৱৰ্তনসমূহৰ স্বাভাৱিক ফলাফল হিচাপে সংঘটিত হয়। সেয়েহে দ্বান্দ্বিক পদ্ধতিত ধাৰণা কৰা হৈছে যে উন্নয়নৰ প্ৰক্ৰিয়াটো এটা বৃত্তীয় গতি হিচাপে নহয়, ইতিমেধ্য যি ঘটি গৈছে তাৰ সাধাৰণ পুনৰাবৃত্তি হিচাপেও নহয়, বৰঞ্চ আগলৈ আৰু উৰ্দ্ধমুখী গতি হিচাপে, পুৰণি গুণগত অৱস্থাৰ পৰা নতুন গুণগত অৱস্থালৈ পৰিৱৰ্তন হিচাপে, সৰলৰ পৰা জটিললৈ, নিম্নৰ পৰা উচ্চলৈ উত্তৰণ হিচাপে বুজি পোৱা উচিত।

৪) **দ্বন্দ্ববোৰ প্ৰকৃতিত অন্তৰ্নিহিত** ঃ দ্বন্দ্ববাদে ধাৰণা কৰে যে আভ্যন্তৰীণ দ্বন্দ্ববোৰ প্ৰকৃতিৰ সকলো বস্তু আৰু পৰিঘটনাৰ অন্তৰ্নিহিত , কিয়নো সেইবোৰৰ সকলোৰে নেতিবাচক আৰু ইতিবাচক দিশ তথা অতীত আৰু ভৱিষ্যত আছে, কিবা এটা নোহোৱা হৈ গৈ আছে আৰু কিবা এটা বিকশিত হৈ আছে। এই বিপৰীতবোৰৰ মাজত হোৱা সংগ্ৰাম, পুৰণি আৰু নতুনৰ মাজত হোৱা সংগ্ৰাম, নোহোৱা হৈ যোৱা আৰু বিকশিত হোৱাৰ মাজত হোৱা সংগ্ৰামে বিকাশৰ প্ৰক্ৰিয়া আৰু পৰিমাণগত পৰিৱৰ্তনৰ গুণগত পৰিৱৰ্তনলৈ ৰূপান্তৰণৰ আভ্যন্তৰীণ বিষয়বস্তু গঠন কৰে। দ্বান্দ্বিক পদ্ধতিটোৱে সেয়েহে ধাৰণা কৰে যে নিম্নৰ পৰা উচ্চলৈ বিকাশৰ প্ৰক্ৰিয়াটো পৰিঘটনাবোৰৰ সুসংগত উন্মোচন হিচাপে নহয়, বৰঞ্চ বস্তু আৰু পৰিঘটনাবোৰত অন্তৰ্নিহিত দ্বন্দ্ববোৰৰ প্ৰকাশ হিচাপে, এই দ্বন্দ্ববোৰৰ ভিত্তিত কাম কৰা বিপৰীত প্ৰৱণতাৰ সংগ্ৰাম হিচাপে সংঘটিত হয়।

দ্বান্দ্বিক বস্তুবাদৰ ধাৰণাৰ সৈতে সম্পৰ্কিত , ঐতিহাসিক বস্তুবাদ মাৰ্ক্সবাদী পৰম্পৰাৰ এক গুৰুত্বপূৰ্ণ ধাৰণা। ঐতিহাসিক বস্তুবাদ হৈছে সামাজিক জীৱনৰ অধ্যয়নলৈ দ্বান্দ্বিক বস্তুবাদৰ নীতিৰ সম্প্ৰসাৰণ, সমাজ জীৱনৰ পৰিঘটনা, সমাজ আৰু ইয়াৰ ইতিহাসৰ অধ্যয়নলৈ দ্বান্দ্বিক বস্তুবাদৰ নীতিৰ প্ৰয়োগ। মাৰ্ক্সে উৎপাদনৰ পদ্ধতিৰ (modes of production) ধাৰণাৰ জৰিয়তে ঐতিহাসিক বস্তুবাদক ব্যাখ্যা কৰিছিল। উৎপাদনৰ পদ্ধতিত উৎপাদনৰ মাধ্যম (means of production) আৰু উৎপাদনৰ সম্পৰ্ক (relations of production) থাকে। উৎপাদনৰ মাধ্যম হৈছে ভূমি, প্ৰাকৃতিক সম্পদ, প্ৰযুক্তি, সামগ্ৰী উৎপাদনৰ বাবে প্ৰয়োজনীয় শ্ৰম। আনহাতে, উৎপাদনৰ সম্পৰ্ক হৈছে মানুহে উৎপাদনৰ মাধ্যমসমূহ আহৰণ আৰু ব্যৱহাৰ কৰাৰ সময়ত প্ৰৱেশ কৰা সামাজিক সম্পৰ্ক । মাৰ্ক্সে লক্ষ্য কৰিছিল যে যিকোনো সমাজৰ ভিতৰত উৎপাদনৰ মাধ্যম আৰু উৎপাদনৰ সম্পৰ্ক সলনি হোৱাৰ লগে লগে উৎপাদনৰ পদ্ধতি সলনি হয়। মাৰ্ক্সে উৎপাদনৰ পাঁচটা পদ্ধতিৰ মাজত পাৰ্থক্য দেখুৱাইছিলঃ

- **আদিম সাম্যবাদঃ** আদিম সাম্যবাদৰ অধীনত সম্পৰ্কৰ আধাৰ হ'ল উৎপাদনৰ মাধ্যমসমূহ সামাজিকভাৱে মালিকানাধীন। উমৈহতীয়া শ্ৰমৰ ফলত উৎপাদনৰ মাধ্যমৰ লগতে উৎপাদিত সামগ্ৰীৰ সাধাৰণ মালিকীস্বত্ব লাভ কৰিছিল। ইয়াত উৎপাদনৰ মাধ্যমৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণা বিদ্যমান নাছিল। ইয়াত কোনো শ্ৰেণী নাছিল আৰু সেয়েহে কোনো শোষণ নাছিল।
- **দাসত্ব ঃ** দাস ব্যৱস্থাৰ অধীনত উৎপাদন সম্পৰ্কৰ আধাৰ হ'ল দাসৰ মালিকেই উৎপাদনৰ মাধ্যমৰ লগতে শ্ৰমিক অৰ্থাৎ দাসবো মালিক হয়, যাক তেওঁ বিক্ৰী আৰু ক্ৰয় কৰিব

পাৰে। ইয়াত উৎপাদন প্ৰক্ৰিয়াত সমাজৰ সকেলা সদস্যৰ সাধাৰণ আৰু মুক্ত শ্ৰম নাথাকে। তাৰ পৰিৱৰ্তে দাসসকলৰ বলপূৰ্বক শ্ৰম প্ৰচলিত, যিসকলক দাসৰ মালিকসকলে শোষণ কৰে। এই উৎপাদন পদ্ধতিত দাস মালিকসকল হৈছে সম্পত্তিৰ মুখ্য আৰু প্ৰধান গৰাকী।

- **সামন্তবাদঃ** সামন্তবাদী ব্যৱস্থাৰ অধীনত সামন্ত প্ৰভুৱে উৎপাদনৰ মাধ্যমৰ গৰাকী হয় যদিও শ্ৰমিক, অৰ্থাৎ চাৰ্ফৰ সম্পূৰ্ণ গৰাকী নহয়। নতুন উৎপাদনশীল শক্তিসমূহে দাবী কৰে যে শ্ৰমিকসকলে উৎপাদনত কিছু পদক্ষেপ লোৱাৰ লগতে কামৰ প্ৰতি এক আনুগত্য প্ৰদৰ্শন কৰিব লাগে। সামন্ত প্ৰভুৱে সেয়ে সাধাৰণ দাসক কামৰ প্ৰতি কোনো আগ্ৰহ আৰু কোনো নতুন পদক্ষেপ নথকা এজন শ্ৰমিক হিচাপে গণ্য কৰি অগ্ৰাহ্য কৰে আৰু সামন্ত প্ৰভুৱে তাৰ সলনি চাৰ্ফ বা ভূমিদাসসকলৰ সৈতে মোকাবিলা কৰিবলৈ পছন্দ কৰে বা বিচাৰে। চাৰ্ফসকলৰ নিজৰ পশুপালন, উৎপাদনৰ সঁজুলি, আৰু কৃষিৰ বাবে প্ৰয়োজনীয় কামৰ প্ৰতি এক নিৰ্দিষ্ট আগ্ৰহ বা ইচ্ছা আছে। ইয়াত বস্তুগত সম্পত্তিৰ ধাৰণাৰ অধিক বিকাশ সাধন হয়। শোষণ দাসত্বৰ অধীনত থকাৰ দৰেই প্ৰায় গুৰুতৰ — ইয়াক মাত্ৰ সামান্য হ্ৰাস কৰা হয়। শোষক আৰু শোষিতসকলৰ মাজৰ শ্ৰেণী সংগ্ৰাম হৈছে সামন্তবাদী ব্যৱস্থাৰ প্ৰধান বৈশিষ্ট্য।
- **পুঁজিবাদঃ** পুঁজিবাদী ব্যৱস্থাৰ অধীনত উৎপাদন সম্পৰ্কৰ আধাৰ হ'ল যে উৎপাদনৰ মাধ্যম পুঁজিপতিৰ হাতত থাকে, উৎপাদনত থকা শ্ৰমিকসকলৰ হাতত নাথাকে; শ্ৰমিকসকল উৎপাদনৰ মাধ্যমৰ পৰা বঞ্চিত আৰু তেওঁলোকৰ শ্ৰম শক্তি পুঁজিপতিক বিক্ৰী কৰিবলৈ আৰু শোষণ মানি চলিবলৈ বাধ্য। পুঁজিবাদক বিপ্লৱৰ দ্বাৰা চিহ্নিত কৰা হয়, যাৰ লক্ষ্য হৈছে উৎপাদনৰ মাধ্যমৰ বৰ্তমানৰ পুঁজিবাদী মালিকীস্বত্ব সমাজবাদী মালিকীস্বত্বৰ দ্বাৰা প্ৰতিস্থাপন কৰা। ইয়াৰ অৰ্থ হৈছে যে পুঁজিবাদী ব্যৱস্থাৰ মূল বৈশিষ্ট্য হ'ল শোষক আৰু শোষিতসকলৰ মাজৰ শ্ৰেণী সংগ্ৰাম।
- **সমাজবাদ ঃ** সমাজবাদী ব্যৱস্থাৰ অধীনত উৎপাদন সম্পৰ্কৰ আধাৰ হৈছে উৎপাদনৰ মাধ্যমৰ সামাজিক মালিকীস্বত্ব, যি এতিয়ালৈকে কেৱল U.S.S.R. বা ছোভিয়েট ইউনিয়নতে স্থাপিত হৈছে। ইয়াত কোনো শোষক আৰু শোষিত নাথাকে। উৎপাদিত সামগ্ৰীসমূহ শ্ৰম অনসুৰি বিতৰণ কৰা হয়; এই নীতি অনসুৰি ঃ 'যিজনে কাম নকৰে, তেওঁ খাবও নোৱাৰে।' ইয়াত উৎপাদন প্ৰক্তিয়াত মানুহৰ পাৰস্পৰিক সম্পৰ্ক শোষণৰ পৰা মুক্ত শ্ৰমিকসকলৰ সহযোগিতা আৰু পাৰস্পৰিক সহায়ৰ দ্বাৰা চিহ্নিত কৰা হয়। ইয়াত উৎপাদনৰ সম্পৰ্ক সম্পূৰ্ণৰূপে উৎপাদনৰ শক্তিৰ অৱস্থাৰ সৈতে সামঞ্জস্যপূৰ্ণ; কাৰণ উৎপাদন প্ৰক্ৰিয়াৰ সামাজিক চৰিত্ৰটো উৎপাদনৰ মাধ্যমৰ সামাজিক মালিকীস্বত্বৰ দ্বাৰা শক্তিশালী হয়।

১০.৫ বিচ্ছিন্নতা আৰু পুঁজিবাদ

বিচ্ছিন্নতা হৈছে মানুহৰ নিজৰ শ্ৰমক এক শক্তিলৈ ৰূপান্তৰণ যি তেওঁলোকক এক প্ৰকাৰৰ প্ৰাকৃতিক বা অতি-মানৱ আইনৰ দ্বাৰা শাসন কৰে। বিচ্ছিন্নতাৰ উৎপত্তি হৈছে কমোডিটি ফেটিছিজমত— য'ত এইটো বিশ্বাস কৰে যে নিৰ্জীৱ বস্তুবোৰৰ (পণ্য) মানৱ শক্তি আছে (অৰ্থাৎ মূল্য) আৰু এইবোৰ মানুহৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম। বিচ্ছিন্নতা হৈছে মাৰ্ক্সে 'Economic and Philosophical Manuscripts' (১৮৮৪) ত বিকশিত কৰা এক ধাৰণা আৰু পিছলৈ তেওঁৰ গ্ৰন্থ কেপিটেলত ৰাজনৈতিক অৰ্থনীতিৰ সমালোচনাত বিস্তাৰিত হৈছিল। মাৰ্ক্সে হেগেলৰ অধ্যয়নৰ পৰা এই ধাৰণাটোৰ বিকাশ কৰিছিল। হেগেলে বিশ্বাস কৰিছিল যে ইতিহাস হৈছে ইতিহাসৰ উপাদানসমূহৰ "পিঠিৰ পিছফালে" কাম কৰা আত্মাৰ গতিশীলতাৰ প্ৰকাশ; অৱশ্যে মাৰ্ক্সে বিশ্বাস কৰিছিল যে হেগেলৰ 'আত্মা' মানুহৰ কাৰ্যকলাপৰ বাহিৰে আন একো নহয়। সমাজত আধিপত্য বিস্তাৰ কৰা আপাত দৃষ্টিত নৈৰ্ব্যক্তিক শক্তিৰ আঁৰত মানৱীয় কাৰ্যকলাপ আছে।

সামন্তবাদী সমাজত মানুহে প্ৰাকৃতিক পৃথিৱী নিয়ন্ত্ৰণ কৰাৰ উপায় নিৰ্ণয় কৰা নাছিল, বা দুৰ্ভিক্ষৰ পৰা মুক্ত হ'বলৈ বা ৰোগ নিৰাময় কৰিবলৈ পৰ্যাপ্ত উৎপাদন কৰা নাছিল। সকলো সামাজিক সম্পৰ্ক শ্ৰমৰ উৎপাদনশীল শক্তিৰ বিকাশৰ নিম্ন পৰ্যায় আৰু সেই অনুসৰি মানুহৰ মাজত তেওঁলোকৰ ভৌতিক জীৱন সৃষ্টি আৰু পুনৰ উৎপাদন প্ৰক্ৰিয়াৰ ভিতৰত সীমিত সম্পৰ্কৰ দ্বাৰা চৰ্তবদ্ধ হৈছিল। সেয়েহে মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কও সীমিত আছিল। ভূমি আছিল এজনৰ আধিপত্যশীল শক্তিৰ আধাৰ আৰু ব্যক্তিগত সম্পত্তিৰ ধাৰণাও ভূমি সম্পত্তিৰ পৰাই আৰম্ভ হৈছিল। ইয়াৰ পৰাই মাৰ্ক্সে প্ৰতিস্থাপন কৰিছিল যে উৎপাদনশীল শক্তিৰ নিম্ন স্তৰৰ পৰা, মানুহৰ ভূমি অধিকাৰ আৰু সামন্তবাদী শাসক শ্ৰেণীৰ আধিপত্যৰ পৰা বিচ্ছিন্নতাৰ উদ্ভৱ হৈছিল। অৱশ্যে সামন্তবাদৰ সীমাবদ্ধতা পুঁজিবাদৰ গতিশীলতাতকৈ বহুত বেলেগ আছিল। বুৰ্জোৱাসকলে এনে এখন সমাজ বিচাৰিছিল য'ত সকলো বস্তু টকাৰ বিনিময়ত কিনিব আৰু বিক্ৰী কৰিব পৰা যায়। পুঁজিবাদে মানুহ, উৎপাদনৰ সঁজুলি আৰু উ ৎপাদনৰ সামগ্ৰীৰ মাজৰ সম্পৰ্কত এক মৌলিক পৰিৱৰ্তন আনি দিয়ে। মানুহবোৰে তেওঁলোকে নিজেই উৎপাদন কৰা বস্তুবোৰ ভোগ কৰাৰ অধিকাৰ লাভ নকৰা হৈছিল। তেওঁলোক নিজৰ শ্ৰমৰ উৎপাদনৰ পৰা পৃথক হৈ পৰে। শ্ৰমবিভাজন পুঁজিবাদী ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হৈ পৰে য'ত শ্ৰমিকসকল উৎপাদনৰ মাধ্যমৰ গৰাকী পুঁজিপতিসকলৰ ওপৰত ক্ৰমান্বয়ে নিৰ্ভৰশীল হৈ পৰে। শ্ৰম শ্ৰমিকৰ বাবে বাহ্যিক হৈ পৰে আৰু তেওঁ নিজৰ কামত নিজকে নিশ্চিত কৰাৰ সলনি অস্বীকাৰ কৰে, দুখ অনুভৱ কৰে আৰু সুখী নহয়, মুক্ত মানসিক আৰু শাৰীৰিক শক্তিৰ বিকাশ নহয়, শৰীৰক ক্ষত বিক্ষত কৰে আৰু তেওঁৰ মন ধ্বংস কৰে। মাৰ্ক্সৰ মতে এইটোৱে বিচ্ছিন্নতা।

পুঁজিবাদৰ বিকাশ অপ্ৰতিৰোধ্য বুলি প্ৰমাণিত হৈছিল আৰু ই অকল্পনীয় ৰূপত বিচ্ছিন্নতাৰ সৃষ্টি কৰিছিল। মাৰ্ক্সে তেওঁৰ Economic and Philosophical Manuscripts পুঁজিবাদী

সমাজত দেখা পোৱা বিচ্ছিন্নতাৰ চাৰিটা নির্দিষ্ট ধৰণ চিনাক্ত কৰিছিলঃ

১) **শ্রমৰ উৎপাদনঃ** শ্রমিকজন তেওঁ উৎপাদন কৰা বস্তুৰ পৰা অপসাৰিত বা বিচ্ছিন্ন হৈ পৰে কাৰণ ই পুঁজিপতিৰ মালিকানাধীন আৰু পুঁজিপতিৰ দ্বাৰা নিয়ন্ত্রণ কৰা হয়। মার্ক্সে যুক্তি দিছিল যে শ্রমিকে যি উৎপাদন কৰে তাৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা তীব্র হৈ পৰে কাৰণ শ্রমৰ উৎপাদিত বস্তুৰে প্রকৃততে শ্রমিকৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে।

২) **শ্রম প্রক্রিয়াঃ** বিচ্ছিন্নতাৰ দ্বিতীয় উপাদানটো হ'ল উৎপাদন প্রক্রিয়াৰ ওপৰত নিয়ন্ত্রণৰ অভাৱ। শ্রমিকজনে তেওঁলোকে কাম কৰাৰ পৰিস্থিতি আৰু কামটো কেনেদৰে সংগঠিত কৰা হয় সেই বিষয়ে কোনো মাত মাতিব নোৱাৰে। কর্ম প্রক্রিয়াৰ ওপৰত এই নিয়ন্ত্রণৰ অভাৱে সৃষ্টিশীলভাৱে কাম কৰাৰ ক্ষমতা হ্রাস কৰে, সেয়েহে শ্রমিকজনে নিজৰ কার্যকলাপক নিষ্ক্রিয়তা হিচাপে, শক্তিক ক্লীৱতা হিচাপে আৰু সৃষ্টিক শক্তিহীনতা হিচাপে অনুভৱ কৰে। শ্রমিকসকলৰ নিজৰ শাৰীৰিক আৰু মানিসক শক্তি থাকে, তেওঁৰ ব্যক্তিগত জীৱন তেওঁৰ বিৰুদ্ধে নির্দেশিত এক কার্যকলাপ হৈ পৰে, যি তেওঁৰ পৰা স্বাধীন আৰু তেওঁৰ নহয়।

৩) **সহকর্মী মানুহ ঃ** শ্রমিকসকল নিজৰ সহকর্মীৰ পৰাও বিচ্ছিন্ন হৈ পৰে। সমাজৰ শ্রেণীৰ গাঁথনিৰ পৰা অনিবার্যভাৱে উদ্ভৱ হোৱা বিৰোধিতাৰ বাবেই আংশিকভাৱে এই বিচ্ছিন্নতাৰ সৃষ্টি হয়। এজন শ্রমিক সেই সকলৰ পৰা বিচ্ছিন্ন হৈ পৰে যিসকলে তেওঁক শোষণ কৰে আৰু তেওঁ উৎপাদন কৰা বস্তুবোৰ নিয়ন্ত্রণ কৰে। প্রত্যেকেই নিজৰ স্বার্থজনিত প্রয়োজনীয়তা পূৰণ কৰিবৰ বাবে আন বিচ্ছিন্ন শক্তিৰ ওপৰত ক্ষমতা আহৰণৰ প্রয়াস কৰে।

৪) **মানুহৰ প্রকৃতি ঃ** মার্ক্সৰ মতে চতুর্থ উপাদানটো হৈছে নিজ প্রজাতিৰ পৰা বিচ্ছিন্নতা। আমাৰ চাৰিওফালে থকা পৃথিৱীখনক সচেতনভাৱে গঢ় দিয়াৰ আমাৰ সামর্থ্যই আমাক মানুহ কৰি তোলে। অৱশ্য, পুঁজিবাদৰ অধীনত এজন ব্যক্তিৰ শ্রম বলপূর্বক শ্রম হয়। কামৰ সৈতে ব্যক্তিগত প্রৱণতা বা সামূহিক স্বার্থৰ কোনো সম্পর্ক নাথাকে। মানুহ হৈছে সামাজিক প্রাণী। তেওঁলোকৰ সামূহিকভাৱে কাম কৰাৰ সামর্থ্য আছে কিন্তু পুঁজিবাদৰ অধীনত, সেই সামর্থ্য ব্যক্তিগত মালিকানাধীন আৰু ই সৃষ্টি কৰা শ্রেণী বিভাজনৰ অধীনত প্রকাশ পায়। ই মানৰ প্রকৃতিৰ পৰা বিচ্ছিন্নতাৰ সৃষ্টি কৰে।

১০.৬ পুঁজিবাদ আৰু স্বাধীনতা

মার্ক্সে যুৱ হেগেলীয়ানসকলক তীব্র সমালোচনা কৰিছিল কাৰণ তেওঁ এসময়ত তেওঁলোকৰ ভিতৰৰে এজন আছিল আৰু পৰৱর্তী সময়ত তেওঁলোকৰ পৰা বিচ্ছিন্ন হৈ আঁতৰি আহিছিল। তেওঁ হেগেলীয়ানসকলক দার্শনিক অর্থত আশাহীন আদর্শবাদী হিচাপে গণ্য কৰিছিল। অর্থাৎ, তেওঁলোকে পৃথিৱীখনক ধাৰণাসমূহৰ প্রতিবিম্ব হিচাপে বিবেচনা কৰিছিল, য'ত সামাজিক

জীৱনৰ গতিশীলতাক চেতনা অৰু অন্যান্য সজ্ঞান প্ৰক্ৰিয়াই প্ৰভাৱিত কৰিছিল যাৰ দ্বাৰা 'আদৰ্শৰ সাৰমৰ্মই' মানুহৰ ওপৰত যাদুৰ দৰে কাম কৰিছিল। মার্ক্সে "ধাৰণাৰ বাস্তৱিকতা" (reality of ideas) ৰ ওপৰত এই গুৰুত্ব এক ৰক্ষণশীল আদৰ্শৰ বাহিৰে আন একো নহয় বুলি কৈছিল যি তেওঁলোকৰ অস্তিত্বৰ বস্তুগত শক্তিৰ দ্বাৰা জনসাধাৰণৰ নিপীড়নক সমৰ্থন কৰে। মার্ক্সে মানুহক নিজৰ আৰু নিজৰ পৰিস্থিতিৰ প্ৰতি সচেতন সজাগতাৰ বাবে অনন্য বুলি গণ্য কৰিছিল। মানুহে আত্ম-প্ৰতিফলন কৰিব পাৰে আৰু সেয়েহে সমাজত নিজৰ স্থিতিৰ মূল্যায়ন কৰিব পাৰে। মানুহে তেওঁলোকৰ জন্ম, ডাঙৰ-দীঘল হোৱা আৰু জীয়াই থকা সামাজিক সংৰচনাৰ আলমত পৃথিৱীখনৰ বিষয়ে নিজৰ মত আৰু ধাৰণাৰ সৃষ্টি কৰে।

মানুহৰ জীৱনৰ সাৰাংশ বা সাৰমৰ্ম হৈছে উৎপাদন প্ৰক্ৰিয়া, য'ত আন যিকোনো বস্তুৰ আগতে খোৱা-বোৱা, বাসস্থান, কাপোৰ আৰু অন্যান্য বহুতো বস্তু জড়িত হৈ থাকে। জীৱনৰ এই প্ৰয়োজনীয়তাবোৰ পূ�ৰণ কৰিবলৈ উৎপাদনৰ প্ৰয়োজন। কিন্তু উৎপাদনৰ ফলত কোনো এক প্ৰয়োজনীয়তা পূৰণ হোৱাৰ লগে লগে নতুন প্ৰয়োজনীয়তাৰ সৃষ্টি হয় আৰু উৎপাদনমূলক কাৰ্যকলাপ সংগঠিত কৰাৰ পদ্ধতিৰ পৰিৱৰ্তনক উৎসাহিত কৰে। উৎপাদনশীল কাৰ্যকলাপৰ বিস্তাৰে শ্ৰমবিভাজনৰ সৃষ্টি কৰে, যি প্ৰকৃতিগতভাৱে বিচ্ছিন্ন, কাৰণ ই ওপৰত আলোচনা কৰা অনুসৰি মানুহক তেওঁলোকৰ উৎপাদনশীল কাৰ্যকলাপ নিৰ্ধাৰণ কৰাৰ ক্ষমতাৰ পৰা ক্ৰমান্বয়ে বঞ্চিত কৰে। মার্ক্সৰ মতে, ভাষা ব্যৱহাৰ কৰা, চিন্তা কৰা আৰু বিশ্লেষণ কৰাৰ ক্ষমতাই মানুহক নিজৰ পৰিৱেশ সলনি কৰাত সহায় কৰে। মানুহে কেৱল তেওঁলোকৰ বস্তুগত পৰিস্থিতিৰ প্ৰতি যান্ত্ৰিকভাৱে প্ৰতিক্ৰিয়া কৰিব নালাগে; তেওঁলোকে নতুন বস্তুগত পৰিস্থিতি আৰু আনুষংগিক সামাজিক সম্পৰ্ক গঢ়ি তুলিবলৈ চিন্তা-চৰ্চা কৰিবৰ বাবেও তেওঁলোকৰ সামৰ্থ্য ব্যৱহাৰ কৰিব পাৰে। প্ৰকৃততে ইতিহাসৰ গতিপথত এনে প্ৰক্ৰিয়া জড়িত আছিল, যেনেঃ মানুহে সক্ৰিয়ভাৱে তেওঁলোকৰ অস্তিত্বৰ বস্তুগত অৱস্থাবোৰ পুনৰ গঠন কৰিছিল। মার্ক্সে স্পষ্টভাৱে যুক্তি দিয়ে যে সামাজিক তত্ত্বৰ লক্ষ্য হৈছে মানুহৰ অনন্য সুবিধা ব্যৱহাৰ কৰি সেই দমনমূলক সামাজিক সম্পৰ্কবোৰ উন্মোচন কৰা আৰু অন্য বিকল্পৰ প্ৰস্তাৱ দিয়া। এইটোৱেই মাৰ্ক্সৰ্ তত্ত্বৰ মুক্তিৰ দিশৰ আধাৰ যি মার্ক্সৰ লেখাবোৰত পুঁজিবাদ আৰু স্বাধীনতাৰ আধাৰো গঠন কৰে।

অধিক স্পষ্টভাৱে, মার্ক্সে মানৱ মুক্তিৰ প্ৰতি থকা বাধা দূৰ কৰাৰ ক্ষেত্ৰত, অৰ্থাৎ মানৱ শক্তিৰ বহুগুণে বিকাশ আৰু মানৱ প্ৰকৃতিৰ যোগ্য সংগঠনৰ এক ৰূপ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত স্বাধীনতাক বিচাৰে। এনে বাধাসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে মজুৰীপ্ৰাপ্ত শ্ৰমিকৰ অৱস্থা। মার্ক্সে লিখাৰ দৰে, "তেওঁলোকৰ জীৱন আৰু শ্ৰমৰ অৱস্থা আৰু ইয়াৰ সৈতে আধুনিক সমাজৰ অৱস্থিতিৰ সকলো অৱস্থা এনেধৰণৰ হৈ পৰিছে যাৰ ওপৰত প্ৰলিটেৰিয়ট বা শ্ৰমিকসকলৰ কোনো নিয়ন্ত্ৰণ নাই কোনো সামাজিক সংগঠনেও তেওঁলোকক সেই নিয়ন্ত্ৰণ দিব নোৱাৰে"। এইটো তেতিয়াহে হ'ব যেতিয়া কোনোবাই তেওঁলোকৰ সামূহিক অধীনতা বা বশ্যতা উপলব্ধি কৰিব যাক মার্ক্সে 'শ্ৰেণী সচেতনতা" (Class for itself) বুলি কয়; আৰু বুৰ্জোৱা শ্ৰেণীৰ বিপৰীতে এটা সামাজিক শ্ৰেণী গঠন কৰি নিজৰ স্বাধীনতাৰ উপলব্ধি আৰম্ভ হয়।

১০.৭ সামগ্রী উৎপাদন

সামগ্রীসমূহ হৈছে মানুহৰ প্রয়োজনীয়তা আৰু ইচ্ছা পূৰণ কৰা বস্তু। এইসমূহ আহৰণৰ ওপৰত আধাৰিত অর্থনীতিৰ এক ৰূপ হৈছে পুঁজিবাদ আৰু পুঁজিবাদৰ মৌলিক একক হৈছে সামগ্রী। এবিধ সামগ্রীৰ মূল্য নির্ধাৰণৰ মূল মানদণ্ড হ'ল ইয়াৰ অত্যাৱশ্যকীয় উপযোগিতা, আৰু ই প্রয়োজন আৰু ইচ্ছা পূৰণ কৰাৰ বাবে কৰা কার্য। এই উপযোগিতা হৈছে ইয়াৰ ব্যৱহাৰ-মূল্য যি সামগ্রীৰ এক অন্তর্নিহিত বৈশিষ্ট্য। সামগ্রীৰ এটা বিনিময় মূল্যও থাকে, যিটো বিনিময় পৰিস্থিতিত আন সামগ্রীসাপেক্ষে সংশ্লিষ্টি সামগ্রীটোৰ আপেক্ষিক মূল্য।

যেতিয়া কোনো বস্তুৰ বজাৰত 'মূল্য' আছে বুলি কোৱা হয়, সেয়া হ'ল মুদ্রা মূল্য হিচাপে বিনিময়-মূল্যৰ অর্থ। মার্ক্সে প্রশ্ন উত্থাপন কৰে যে এই মূল্য ক'ৰ পৰা আহিছে। বেলেগ বেলেগ ব্যৱহাৰ-মূল্য থকা সামগ্রীবোৰ একেটা এককত কেনেকৈ পৰিমাপ কৰিব পাৰি? তেওঁৰ উত্তৰ হ'ল যে মূল্যৰ বাবে মুদ্রাৰ মাধ্যমেৰে প্রকাশ কৰা সার্বজনীন পৰিমাপ, প্রতিটো সামগ্রী প্রস্তুত কৰাত খৰচ কৰা শ্রমৰ সময়ৰ পৰিমাণৰ সৈতে সংগতি থাকে। শ্রমৰ সময় হৈছে বিভিন্ন ব্যৱহাৰ-মূল্য থকা সকলো সামগ্রীৰ মাজৰ একমাত্র সাদৃশ্য আৰু সেয়েহে ই হৈছে একমাত্র মানদণ্ড যাৰ দ্বাৰা সেইবোৰ বিনিময় পৰিস্থিতিত তুলনা কৰিব পাৰি। এইটো মার্ক্সৰ মূল্যৰ শ্রম তত্ত্ব (Labour theory of Value)। এই তত্ত্বটোৱে বুজাই যে সামগ্রীবোৰৰ এক সামাজিক দিশ আছে কাৰণ এইবোৰৰ বিনিময়-মূল্য বস্তু হিচাপে অন্তর্নিহিত হৈ নাথাকে, বৰঞ্চ ই সমাজৰ সমগ্র শ্রম বিভাজন আৰু পাৰস্পৰিক অর্থনৈতিক নির্ভৰশীলতাৰ ওপৰত নির্ভৰ কৰে, য'ত বিভিন্ন লোকে সাধাৰণ বা উমৈহতীয়া বজাৰত বিক্রীৰ বাবে বিভিন্ন সামগ্রী উৎপাদন কৰে। বিনিময় মূল্যই এই বজাৰক কাম কৰিবলৈ অনুমতি দিয়ে। এটা নির্দিষ্ট সামগ্রীৰ সংহত শ্রমৰ পৰিমাণ সেই সামগ্রীৰ মূল্য হিচাপে মুদ্রাৰ মাধ্যমত পৰিমাপ কৰা হয়, যি সদায় ইয়াক উৎপাদন কৰা সামাজিক আৰু অর্থনৈতিক পাৰস্পৰিক নির্ভৰশীলতাৰ প্রণালীক বুজায়।

সামগ্রীবোৰ দুটা ধৰণে অর্থপূর্ণ। প্রথমতে এক নির্দিষ্ট মুদ্রা মূল্য (monetary value) ৰ সৈতে বিনিময়ৰ বস্তু হিচাপে। দ্বিতীয়েত, সামগ্রীবোৰে কেৱল সেইবোৰ প্রস্তুত কৰিবলৈ যোৱা শ্রমকেই প্রতিফলিত নকৰে বৰঞ্চ উৎপাদনৰ সামাজিক সম্পর্ককো প্রতিফলিত কৰে। সামগ্রীৰ এই সামাজিক দিশটো সদায় উহ্য হৈ থাকে কাৰণ পুঁজিবাদী সমাজত সামগ্রীৰ মানদণ্ড বা গুণগত মান কেৱল ইয়াৰ মূল্যৰ পৰাই উদ্ভৱ হয় বুলি ভবা হয়, টকা বা মুদ্রাৰ দ্বাৰা প্রকাশ কৰা সামাজিক শ্রমৰ পৰা নহয়।

সামগ্রীৰ ধাৰণাৰ সৈতে সম্পর্কিত হৈছে শ্রমৰ তত্ত্ব, মজুৰিৰ তত্ত্ব আৰু ৰাহি মূল্যৰ তত্ত্ব (Theory of Surplus value)। ওপৰত আলোচনা কৰাৰ দৰে, সামগ্রী হিচাপে যাক বিনিময় কৰা হয়, সেয়া হৈছে মানৱ শ্রমৰ বস্তুগত ৰূপ। এয়া হৈছে শ্রম শক্তি যি এক নির্দিষ্ট পৰিমাণৰ জীৱিকা লাভ কৰিবলৈ শ্রমিকসকলে পুঁজিবাদীৰ ওচৰত বিক্রী কৰে। সেয়েহে শ্রম শক্তিক এটা সামগ্রীৰ সৈতে তুলনা কৰিব পাৰি। শ্রম শক্তিৰ মূল্যক এজন শ্রমিকে তেওঁৰ আৰু তেওঁৰ

পৰিয়ালৰ বাবে জীৱিকা উপার্জন কৰিবলৈ উৎপাদন কৰা সামগ্রীৰ মূল্য হিচাপে সংজ্ঞায়িত কৰা হয়। শ্রমৰ দ্বাৰা পুঁজিপতিলৈ বিক্রী কৰা শ্রম শক্তিৰ বিনিময়ত, পুঁজিপতিয়ে তেওঁক মজুৰি প্রদান কৰে। মজুৰি শ্রমিকে উৎপাদন কৰা সামগ্রীৰ এটা অংশ নহয়, কিন্তু ই হৈছে পুঁজিপতিৰ ইতিমধ্যে সঞ্চয় কৰা ধন। সেয়েহে এটা সামগ্রীৰ মূল্য সামগ্রী প্রস্তুত কৰাৰ ক্ষেত্রত স্ফটিকীকৃত (Crystallised) শ্রম শক্তিৰ গড় পৰিমাণৰ সৈতে প্রায় আনুপাতিক হয়। কিন্তু পুঁজিপতিৰ হাতত সামগ্রীৰ মুঠ অংশ থাকে। মার্ক্সৰ মূল যুক্তি আছিল যে যদি তেওঁলোকে শ্রমিকসকলক মজুৰি প্রদান কৰেতেন্তে পুঁজিবাদীসকলে কেনেকৈ লাভ অর্জন কৰিব পাৰে। এইটো ব্যাখ্যা কৰিবলৈ মার্ক্সে ৰাহি মূল্যৰ ধাৰণাটো লৈ আহিছে।

ৰাহি মূল্যক এটা সামগ্রীৰ প্রকৃত মূল্যৰ ওপৰত উৎপাদিত মূল্য হিচাপে সংজ্ঞায়িত কৰিব পাৰি। শ্রমিকজনেই এই মূল্য উৎপাদন কৰে আৰু অতিৰিক্ত ধন পুঁজিপতিজনে উপভোগ কৰে। উদাহৰণস্বৰূপে-এজন শ্রমিকৰ কাম কৰাৰ সময় হৈছে দিনটোত ৬ ঘণ্টা আৰু তেওঁ ২০ টা সামগ্রী উৎপাদন কৰে। তেওঁক সেই বিশেষ সময়ৰ বাবে দৰমহা দিয়া হয়। কিন্তু শোষণমূলক প্রকৃতিৰ পুঁজিবাদী ব্যৱস্থাত শ্রমিকজনক ১২ ঘণ্টা কাম কৰোৱা হয় আৰু তেওঁ উৎপাদন কৰা অতিৰিক্ত সামগ্রীবোৰ হৈছে অতিৰিক্ত উৎপাদন যাৰ জৰিয়তে পুঁজিপতিয়ে লাভ অর্জন কৰে। শ্রমিকৰ ৬ ঘণ্টাক প্রয়োজনীয় শ্রম সময় বুলি কোৱা হয় আনহাতে অতিৰিক্ত ৬ ঘণ্টাক অতিৰিক্ত শ্রম সময় বুলি কোৱা হয়। অতিৰিক্ত শ্রম সময়ৰ জৰিয়তে পুঁজিপতিয়ে লাভ অর্জন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ দ্বান্দ্বিক বস্তুবাদ কি?

প্রশ্ন ২ ঃ মার্ক্সৰ মতে অপসাৰিতা কি?

প্রশ্ন ৩ ঃ মার্ক্সে দিয়া প্রস্তাৱ অনুসৰি স্বাধীনতাৰ ধাৰণাটোৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৪ ঃ মার্ক্সৰ মতে পণ্য বা সামগ্রী কি?

প্রশ্ন ৫ ঃ ৰাহি মূল্যৰ ধাৰণাটোৰ সংজ্ঞা দিয়ক।



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জার্মান দার্শনিক, বিপ্লৱী, অর্থনীতিবিদ, সমাজতত্ত্ববিদ আৰু নেতা কার্ল মার্ক্সে আধুনিক বৈজ্ঞানিক সমাজবাদ প্রতিষ্ঠা কৰিছিল, যি হৈছে এনে এক সমাজ ব্যৱস্থা য'ত কোনো সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্ব নাথাকে।
- দ্বান্দ্বিকতা হৈছে প্রকৃতি আৰু সমাজৰ বিষয়ে চিন্তা আৰু ব্যাখ্যা কৰাৰ এক পদ্ধতি। ই হৈছে বিশ্বব্রহ্মাণ্ডক চোৱাৰ এক পদ্ধতি, যিয়ে স্বতঃসিদ্ধৰ পৰা নির্ধাৰণ কৰে যে সকলো পৰিৱর্তন আৰু প্রৱাহৰ এক নিৰন্তৰ অৱস্থাত আছে।

- ঐতিহাসিক বস্তুবাদ হৈছে সামাজিক জীৱনৰ অধ্যয়ন কৰাৰ বাবে সমাজ জীৱনৰ পৰিঘটনাসমূহৰ ক্ষেত্ৰত দ্বান্দ্বিক বস্তুবাদৰ নীতিৰ এক সম্প্ৰসাৰণ, সমাজ আৰু ইয়াৰ ইতিহাসৰ অধ্যয়নলৈ দ্বান্দ্বিক বস্তুবাদৰ নীতিৰ প্ৰয়োগ।
- মার্ক্সে উৎপাদনৰ পাচঁটা পদ্ধতিৰ মাজত পার্থক্য দেখুৱাইছিল ঃ আদিম সাম্যবাদ, দাসত্ব, সামন্তবাদী ব্যৱস্থা, পুঁজিবাদ আৰু সমাজবাদ।
- বিচ্ছিন্নতা হৈছে মানুহৰ নিজৰ শ্ৰমক এনে এক শক্তিলৈ ৰূপান্তৰিত কৰা প্ৰক্ৰিয়া, যি তেওঁলোকক এক প্ৰকাৰৰ প্ৰাকৃতিক বা অতি-মানৱ আইনৰ দ্বাৰা শাসন কৰে।
- বিচ্ছিন্নতাৰ চাৰিটা উপাদান আছে ঃ সামগ্ৰীৰ পৰা বিচ্ছিন্নতা, শ্ৰম প্ৰক্ৰিয়াৰ পৰা বিচ্ছিন্নতা, সহকৰ্মীৰ পৰা বিচ্ছিন্নতা, আৰু মানৱ প্ৰকৃতিৰ পৰা বিচ্ছিন্নতা।
- মার্ক্সে মানৱ মুক্তিৰ প্ৰতি থকা বাধা দূৰ কৰা, অর্থাৎ মানৱ শক্তিৰ বহুগুণে বিকাশ আৰু মানৱ প্ৰকৃতিৰ যোগ্য সংগঠনৰ এক ৰূপ হিচাপে গঢ়ি তোলাক স্বাধীনতা বুলি ক'ব খোজে।
- সামগ্ৰীবোৰ হৈছে পুঁজিবাদৰ মৌলিক একক, আৰু পুঁজিবাদ হৈছে এনে সামগ্ৰীবোৰৰ তীব্ৰ আহৰণৰ ওপৰত আধাৰিত অথনীতিৰ এক ৰূপ। এটা সামগ্ৰীৰ মূল্য নির্ধাৰণৰ মূল মানদণ্ড হ'ল ইয়াৰ অত্যাৱশ্যকীয় উপযোগিতা আৰু ই প্ৰয়োজন আৰু ইচ্ছা পূৰণ কৰাৰ বাবে কৰা কাম।
- সামগ্ৰীবোৰৰ এটা বিনিময় মূল্যও থাকে, যিটো বিনিময় পৰিস্থিতিত আন সামগ্ৰীসাপেক্ষে এটা সামগ্ৰীৰ আপেক্ষিক মূল্য।
- ৰাহি মূল্যক এটা সামগ্ৰীৰ প্ৰকৃত মূল্যৰ ওপৰত উৎপাদিত মূল্য হিচাপে সংজ্ঞায়িত কৰিব পাৰি।



১০.৯ অধিক জানিবলৈ

1) Marx, K. and F. Engels. (1969). *Selected Works Vol I*. Moscow: Progress Publishers. Pp. 108-137, 142-174, 502-506.

2) Marx, K. and F. Engels. (1976). *The German Ideology*. Moscow: Progress Publishers. Pp 33-62.

3) Marx, K. (1984). *A Contribution to the Critique of Political Economy*. Fifth Print. Moscow: Progress Publications.



১০.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক আৰু ঐতিহাসিক ঘটনাবোৰ সামাজিক শক্তিৰ সংঘাতৰ ফলত হয় আৰু ইয়াক কেইবাটাও দ্বন্দ্ব আৰু সেইবোৰৰ সমাধান হিচাপে ব্যাখ্যা কৰিব পাৰি। এই সংঘাত বস্তুগত প্ৰয়োজনীয়তাৰ ফলত হয়। এই প্ৰক্ৰিয়াক দ্বান্দ্বিক বস্তুবাদ বুলি কোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বিচ্ছিন্নতা হৈছে মানুহৰ নিজৰ শ্ৰমক এনে এক শক্তিলৈ ৰূপান্তৰ কৰাৰ প্ৰক্ৰিয়া যি তেওঁলোকক এক প্ৰকাৰৰ প্ৰাকৃতিক বা অতি-মানৱ আইনৰ দ্বাৰা শাসন কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্ক্সে মানৱ মুক্তিৰ প্ৰতি থকা বাধা দূৰ কৰাৰ ক্ষেত্ৰত আৰু মানৱ শক্তিৰ বহুগুণে বিকাশ আৰু মানৱ প্ৰকৃতিৰ যোগ্য সংগঠনৰ এক ৰূপ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত স্বাধীনতাক দেখাৰ প্ৰৱণতা দেখুৱাইছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সমাগ্ৰী হৈছে মানুহৰ প্ৰয়োজনীয়তা আৰু ইচ্ছা পূৰণ কৰা বস্তু। সামগ্ৰীবোৰ হৈছে পুঁজিবাদৰ মৌলিক একক আৰু পুঁজিবাদ হৈছে এনে বস্তুবোৰৰ তীব্ৰ আহৰণৰ ওপৰত আধাৰিত অৰ্থনীতিৰ এক ৰূপ। এটা সামগ্ৰীৰ অত্যাৱশ্যকীয় উপযোগিতা আৰু ই প্ৰয়োজন আৰু ইচ্ছা পূৰণ কৰাৰ বাবে কি কৰে সেয়া হল সামগ্ৰীটোৰ মূল্য নিৰ্ধাৰণৰ মূল মানদণ্ড। এই উপযোগিতা হৈছে ইয়াৰ ব্যৱহাৰ-মূল্য, সামগ্ৰীৰ এক অন্তৰ্নিহিত বৈশিষ্ট্য। সামগ্ৰীবোৰৰ এটা বিনিময় মূল্যও থাকে, যিটো বিনিময় পৰিস্থিতিত আন সামগ্ৰীসাপেক্ষে এটা সামগ্ৰীৰ আপেক্ষিক মূল্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাহি মূল্যক এটা সামগ্ৰীৰ প্ৰকৃত মূল্যৰ ওপৰৰ উৎপাদিত মূল্য হিচাপে সংজ্ঞায়িত কৰিব পাৰি। শ্ৰমিকজনেই এই মূল্য উৎপাদন কৰে আৰু অতিৰিক্ত ধন পুঁজিপতিজনে উপভোগ কৰে।



১০.১১ আৰ্হি প্ৰশ্নসমূহ

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ উৎপাদনৰ পদ্ধতিবোৰ উল্লেখ কৰক আৰু ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মাৰ্ক্সৰ মতে পুঁজিবাদৰ সৈতে স্বাধীনতা কেনেদৰে সম্পৰ্কিত?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ দ্বান্দ্বিক বস্তুবাদ কি। ইয়াৰ সৈতে ঐতিহাসিক বস্তুবাদৰ কেনেদৰে সম্পৰ্ক আছে?

প্ৰশ্ন ২ ঃ সামগ্ৰী উৎপাদন কি? ইয়াৰ লগত জড়িত প্ৰক্ৰিয়াবোৰ ব্যাখ্যা কৰক যাৰ ফলত শোষণ হয়।

*** ***** ****

অধ্যায় ১১ ঃ ফ্রেংকফর্ট স্কুল ঃ থিয়ডৰ এডর্ণো, মেক্স হৰখেইমাৰ, জা�ৰগেন হেবাৰমাছ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ সমালোচনাত্মক তত্ত্ব ঃ সংজ্ঞা আৰু বৈশিষ্ট্য

১১.৪ ফ্রেংকফর্ট স্কুলৰ চিন্তাবিদ ঃ চমু আভাস

১১.৪.১ থিয়ডৰ এডর্ণো

১১.৪.২ মেক্স হৰখেইমাৰ

১১.৪.৩ জাৰগেন হেবাৰমাছ

১১.৫ উপসংহাৰ

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ফ্রেংকফর্ট স্কুলৰ চিন্তাধাৰাৰ বিষয়ে জানিব পাৰিব।
- সমালোচনাত্মক তত্ত্ব আৰু ইয়াৰ বৈশিষ্ট্যপূর্ণ লক্ষণসমূহ বুজিব পাৰিব।
- মূল চিন্তাবিদ আৰু ফ্রেংকফর্ট স্কুলৰ চিন্তাধাৰালৈ তেওঁলোকৰ অৱদানৰ বিষয়ে আভাস পাব।

১১.২ পৰিচয়

সমাজতত্ত্বক এক পৃথক বিষয় হিচাপে গঢ়ি তোলাৰ ফলত ধাৰণা আৰু দৃষ্টিভংগীৰ ধাৰাবাহিক নির্মাণ, বিনির্মাণ আৰু পুনর্নির্মাণৰ যি অভিজ্ঞতা হৈছে তাৰ ফলত সমাজতত্ত্ববিদসকলৰ মাজত সমাজতাত্ত্বিক দৃষ্টিভংগীৰ উন্নতি সাধন হৈছে। ইপ্রকৃতার্থত এটা দীঘলীয়া প্রক্রিয়া যিটো যোৱা কেইটা মান শতিকাজুৰি চলি আহিছে। আমি সকলোৱে জানো যে- সমাজ বিজ্ঞানৰ অধ্যয়ন, বিশেষকৈ সমাজতত্ত্বৰ উত্থান ঘটিছিল সমাজৰ বিষয়ে অধ্যয়নৰ প্রয়োজনীয়তা আৰু সমাজত বাস কৰা মানুহৰ সামাজিক আচৰণ অধ্যয়ন কৰাৰ প্রয়োজনীয়তাৰ পৰাই। ভৌতিক/প্রাকৃতিক বিজ্ঞানৰ বিজ্ঞানীসকলে যেনেকৈ প্রাকৃতিক জগতৰ পৰিঘটনাসমূহ অধ্যয়নৰ

বস্তুনিষ্ঠ উপায় বিচাৰি উলিয়াইছিল, ঠিক তেনেদৰে সমাজৰ পৰিঘটনাসমূহ অধ্যয়নৰ বস্তুনিষ্ঠ আৰু যুক্তিসংগত উপায় বিচাৰি উলিওৱাৰ প্ৰয়োজনীয়তা আছিল। প্ৰাৰম্ভিক সমাজতত্ত্ববিদসকলে উপলব্ধি কৰিছিল যে মানুহে যিহেতু বাহ্যিক উদ্দীপকৰ প্ৰতি কেৱল সাধাৰণভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি সামাজিক প্ৰাণী হিচাপে আচৰণ কৰে, গতিকে তেওঁলোকৰ আচৰণ আৰু কাৰ্য অধ্যয়ন কৰাৰ পদ্ধতিসমূহ অনন্য হ'ব লাগিব আৰু তাৰবাবে এখন বেলেগ নিজা পৃথিৱী লাগিব, যিটো পৰীক্ষাগাৰত সীমাবদ্ধ হ'ব নোৱাৰে। গতিকে আমি বুজিব পাৰোঁ যে, সমাজ বিজ্ঞান বা সমাজতত্ত্ব দুয়োটাৰে সাৰমর্ম বুজিবলৈ যিটো পন্থা মৌলিক সেয়া হৈছে — সামাজিক গাঁথনি বা সংৰচনাবোৰৰ সমালোচনাত্মক দৃষ্টিভংগী। সমালোচনাত্মক চিন্তাধাৰাই বিশ্বাস কৰে যে, 'প্ৰদত্ত' বা 'চলিত'ৰ সাধাৰণ আধিপত্যৰ পৰা মুক্ত কৰিব পৰা যুক্তিসংগত উপায় বিচাৰি উলিওৱাটো গুৰুত্বপূৰ্ণ। প্ৰকৃততে সমালোচনাত্মক চিন্তাধাৰা সকলো বিজ্ঞানৰ বৈশিষ্ট্য। গতিকে বাস্তৱৰ বস্তুনিষ্ঠ বুজাবুজিৰ আকাংক্ষা কৰা বুলি দাবী কৰা সমাজতত্ত্বও ইয়াৰপৰা পৃথক হোৱা উচিত নহয়। সমালোচনাত্মক চিন্তাধাৰাক সেয়েহে সমাজক বুজিবলৈ এক মৌলিক উপাদান হিচাপে চাব লাগিব।

এই অধ্যায়টিৰ জৰিয়তে সামাজিক বাস্তৱতাৰ ওপৰত বিভিন্ন দৃষ্টিভংগী প্ৰদান আৰু ইয়াক তত্ত্বগতভাৱে ৰূপায়ণ কৰাৰ বাবে কেইবাজনো সমাজতত্ত্ববিদে সমালোচনাত্মক চিন্তাধাৰাক কেনেদৰে উপলব্ধি আৰু প্ৰয়োগ কৰিছে তাৰ বিষয়ে আলোচনা কৰা হ'ব।

১১.৩ সমালোচনাত্মক তত্ত্ব ঃ সংজ্ঞা আৰু বৈশিষ্ট্য

ইতিমধ্যে কোৱাৰ দৰে সমাজবিজ্ঞানত সমালোচনাত্মক চিন্তাধাৰা অবিৰতভাৱে প্ৰয়োগ হৈ আহিছে আৰু ইয়াক চিন্তাবিদসকলেও প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি আগু�ৱাই লৈ গৈছে। ফ্ৰেংকফর্ট স্কুলৰ চিন্তাধাৰাত মানুহৰ বিকাশৰ তত্ত্বসমূহত বিভিন্ন প্ৰজন্মৰ দার্শনিক আৰু সামাজিক তত্ত্ববিদসকলে সমালোচনাত্মক চিন্তাধাৰাৰ প্ৰয়োগ কৰিছিল। এই দৃষ্টিভংগীসমূহ যদিও বৈচিত্ৰ্যপূৰ্ণ আৰু অধ্যয়নৰ বিভিন্ন ক্ষেত্ৰৰ অন্তৰ্গত তথাপিও ইয়াক এক উমেহতীয়া শ্ৰেণীক ৰাখিব পৰা যায় যাক সমালোচনাত্মক তত্ত্ব নামেৰে জনা যায়। সমালোচনাত্মক তত্ত্বৰ মূল সাৰমর্ম হ'ল ই পৰম্পৰাগত তত্ত্বৰ পৰা কিছুমান ব্যৱহাৰিক আধাৰত নিজকে পৃথক কৰে। প্ৰাৰম্ভিক আৰু গুৰুত্বপূৰ্ণ সমালোচনাত্মক তত্ত্ববিদসকলৰ ভিতৰত এজন অন্যতম হৰখেইমাৰ (১৯৭২) ৰ মতে সমালোচনাত্মক তত্ত্বই মানুহক পৰম্পৰাগত দৃষ্টিভংগীৰ পৰা মুক্ত কৰিব বিচাৰে আৰু এনে এখন পৃথিৱী সৃষ্টি কৰিব বিচাৰে য'ত মানুহৰ প্ৰয়োজনীয়তা সঁচাকৈয়ে পূৰণ হয়। সেয়েহে সমালোচনাত্মক তত্ত্ব পৰম্পৰাগত তত্ত্বৰপৰা পৃথক হয় কাৰণ ইয়াৰ এটা নির্দিষ্ট ব্যৱহাৰিক উদ্দেশ্য আছে আৰু ই সামাজিক সমস্যা সমাধানৰ ব্যৱহাৰিক দৃষ্টিভংগী প্ৰদান কৰে। শেষত সমালোচনাত্মক তত্ত্বক আধুনিক সমাজত দেখা পোৱা সামাজিক দমনমূলক প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে উত্থান হোৱা বুলি ক'ব পাৰি। সামাজিক আন্দোলনসমূহৰ সমান্তৰালভাৱে 'সমালোচনাত্মক তত্ত্ব'ৰ উত্থান ঘটি

সকলোধৰণৰ সামাজিক আধিপত্যৰ পৰা মুক্তি লাভৰ লক্ষ্যৰে সামাজিক অনুসন্ধান প্রদান কৰিছিল।

সমালোচনাত্মক তত্ত্ববিদসকলে সদায় ইতিবাচক আৰু সমাজ বিজ্ঞানৰ পৰম্পৰাগত বুজাবুজিৰ পৰা লক্ষ্য, পদ্ধতি, তত্ত্ব আৰু ব্যাখ্যাৰ ৰূপ পৃথক কৰাৰ চেষ্টা কৰি আহিছে। তদুপৰি, তেওঁলোকে মত প্রকাশ কৰে যে সামাজিক অনুসন্ধানে দর্শন আৰু সমাজ বিজ্ঞানৰ সংমিশ্রণ ঘটাব লাগে, যাৰ ফলত কোনো এটা সামাজিক বাস্তৱতাৰ ব্যাখ্যাৰ লগতে যাতে বোধগম্যতাও লাভ কৰিব পাৰি। সমাজৰ এটা গাঁথনি বা সংৰচনাৰ পৰিৱর্তে, পৰিৱর্তনৰ সক্রিয় এজেণ্ট বা প্রতিভূ হিচাপে কাম কৰা ব্যক্তিসকলৰ এজেন্সীৰ ওপৰতো চকু দিব লাগে আৰু সেই সংৰচনাৰ ধাৰাবাহিকতাৰ লগতে প্রতিমানগততালৈও গুৰুত্ব দিব লাগে। সমালোচনাত্মক তত্ত্ববিদসকলৰ মতে এই ধৰণৰ পন্থাই তত্ত্বটোৰ সাৰমর্মক ইমানেই সমৃদ্ধ কৰে যে ই কেৱল ব্যৱহাৰিকতাৰ উপৰিও নৈতিক বা প্রতিমানগত মাত্রা প্রদান কৰে। হৰখেইমাৰৰ বিখ্যাত সংজ্ঞাৰ দৰে ই কেৱল এটা স্বতন্ত্র লক্ষ্যত উপনীত হোৱাৰ চেষ্টাই নহয়, বৰঞ্চ সঁচাকৈয়ে সামাজিক আধিপত্য আৰু অত্যাচাৰৰ পৰা 'মানৱ মুক্তি' লাভত অৰিহণা যোগোৱা ধাৰণা। হৰখেইমাৰে যুক্তি দিছিল যে - ওপৰৰ কথাখিনি দর্শন আৰু সমাজ বিজ্ঞানৰ মাজৰ আন্তঃক্রিয়াৰ জৰিয়তেহে বাস্তৱায়িত হ'ব পাৰে আৰু ইয়াক অভিজ্ঞতাভিত্তিক সামাজিক গৱেষণাৰ জৰিয়তে লাভ কৰিব লাগিব।

সমালোচনাত্মক তত্ত্বৰ আলোচনাত এটা গুৰুত্বপূর্ণ কথা যে সংকীর্ণ অর্থত সমালোচনাত্মক তত্ত্বক প্রায়ে হৰখেইমাৰ আৰু এডর্ণোৰ পৰা আৰম্ভ কৰি মার্কিউজ আৰু হেবাৰমাছলৈকে এই সময়খিনিক ফেংকফর্ট স্কুল বুলি কোৱা হয়। কিন্তু যিকোনো দার্শনিক দৃষ্টিভংগীৰ যদি ব্যৱহাৰিক লক্ষ্য একে হয় সেয়া সমালোচনাত্মক তত্ত্বৰ শ্রেণীত পৰিব। সেই যুক্তিৰে নাৰীবাদ, সমালোচনাত্মক প্রজাতীয় তত্ত্ব, উত্তৰ ঔপনিৱেশিক সমালোচনা আদি সকলোকে সমালোচনাত্মক তত্ত্ব বুলি বুজিব পাৰি।

এটা সমালোচনাত্মক তত্ত্বৰ কেইটামান মৌলিক বৈশিষ্ট্য থকা দেখা যায়। প্রথমতে ই ব্যাখ্যামূলক হ'ব লাগিব অর্থাৎ বর্তমানৰ সামাজিক বাস্তৱতাৰ প্রকৃততে কি ভুল আছে সেই বিষয়ে ব্যাখ্যা কৰিব লাগিব। দ্বিতীয়তে, ই ব্যৱহাৰিক হ'ব লাগিব অর্থাৎ ই বাস্তৱতাক সলনি কৰিব পৰা প্রতিভূ বা ব্যক্তিসকলক চিনাক্ত কৰিব লাগিব আৰু তৃতীয়তে, ই প্রতিমানগত হ'ব লাগিব অর্থাৎ ই বর্তমানৰ সামাজিক বাস্তৱতাক সমালোচনা কৰিবলৈ স্পষ্ট নীতি-নিয়ম দিব লাগিব আৰু একে সময়তে সামাজিক পৰিৱর্তন সাধনৰ বাবে সম্ভৱপৰ আৰু ব্যৱহাৰিক উপায়ৰ পৰামর্শ দিব লাগিব। সমালোচনাত্মক তত্ত্ব অনুসৰি মানুহেই নিজস্ব ঐতিহাসিক জীৱনৰ ৰূপৰ উৎপাদক। ইয়াৰ দ্বাৰা পুনৰ সামাজিক সত্ত্বাক নিজৰ সামাজিক চেতনাৰ উৎপাদন হিচাপে ধাৰণা কৰা মৌলিক যুক্তিলৈ আমাক ঘূৰাই নিয়ে। সামাজিকভাৱে যি দিয়া হয় তাৰ প্রতি সমালোচনাত্মক দৃষ্টিভংগীয়ে সামাজিক বাস্তৱতা, নীতি-নিয়ম আৰু মূল্যবোধ ব্যৱস্থাৰ প্রতিষ্ঠিত গাঁথনিৰ ওপৰত গুৰুত্ব আৰোপ কৰে যিয়ে সমাজৰ কিছুমান বিশেষ শ্রেণীৰ ওপৰত নিয়ন্ত্রণ, জো�ৰ-জৱৰদস্তি আৰু নিয়ম প্রয়োগ কৰি তাৰ প্রান্তীয়কৰণ কৰে, যাৰ ফলত শেষত সামাজিক পৰিৱর্তন ঘটে। মানৱ জাতিৰ ইতিহাস হৈছে পৰিৱর্তনৰ ইতিহাস। বিশ্লেষণৰ আহিলা হিচাপে সমালোচনাত্মক

তত্ত্বই এই পৰিৱর্তনসমূহৰ প্রক্রিয়া আৰু আৰ্হিৰ বিষয়ে ভাবিবলৈ সক্ষম কৰি তোলে, যাৰ ফলত সামাজিক বাস্তৱতাসমূহ কিয় এতিয়া থকাৰ দৰে আছে আৰু সম্ভৱতঃ কেনেধৰণৰ হ'ব লাগে সেই বিষয়ে ভালদৰে বুজিব পৰা যায়, যাতে উন্নত, ন্যায়সংগত আৰু বসোপযোগী সমাজ এখন লাভ কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ সমালোচনাত্মক তত্ত্ব বুলিলে কি বুজে?

.....

.....

১১.৪ ফ্রেংকফর্ট স্কুলৰ চিন্তাবিদ ঃ চমু আভাস

১১.৪.১ থিয়ডৰ এডর্ণো

থিয়ডৰ ডব্লিউ এডর্ণোক দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ যুগৰ অন্যতম গুৰুত্বপূর্ণ দার্শনিক আৰু সামাজিক সমালোচক হিচাপে গণ্য কৰা হয়। ফ্রেংকফর্ট স্কুলৰ দার্শনিক চিন্তাধাৰাৰ প্রথম প্রজন্মৰ সমালোচনাত্মক তত্ত্ববিদসকলৰ ভিতৰত এডর্ণো অন্যতম আছিল। তেখেত পাশ্চাত্য দার্শনিক পৰম্পৰাৰ এজন অন্যতম বিশ্লেষক হোৱাৰ লগতে সমসাময়িক পাশ্চাত্য সমাজৰ এজন সমালোচক আছিল। মেক্স হৰখেইমাৰৰ সৈতে একেলগে লিখা তেওঁৰ বহু প্রশংসিত গ্রন্থ 'Dialectic of Enlightenment' (১৯৪৭) ত এডর্ণোৱে এক গুৰুত্বপূর্ণ সমালোচনা আগবঢ়াই আধুনিকতাই পশ্চিমীয়া সমাজখনক মৌলিকভাৱে ৰূপান্তৰিত কৰা বুলি দাবী কৰিছিল। তেওঁ যুক্তি দিছিল যে — নৱজাগৰণৰ পৰিঘটনাই পশ্চিমীয়া সমাজখনক বিভিন্ন ধৰণৰ বৈষম্যৰ পৰা মুক্তি দিছিল। বিজ্ঞান, যুক্তি আৰু কাৰণৰ প্রৱর্তনে এনে এখন যুক্তিবাদী সমাজ প্রদান কৰাৰ প্রতিশ্রুতি দিছিল, য'ত ৰাজতন্ত্র, সামন্তীয় অভিজাত শ্রেণী আৰু গীর্জাৰ ক্ষমতাই কোঙা কৰা জনসাধাৰণৰ দুর্দশাৰ অন্ত পৰিব আৰু তেওঁলোকে সামাজিক সমতা লাভ কৰিব। কিন্তু এডর্ণোৱে যুক্তি দিছিল যে 'আধুনিকতাই' কেৱল এটা নির্দিষ্ট শ্রেণীৰ লোককহে সেৱা আগবঢ়াইছিল যিসকলে তাৰ পিছত ইয়াক একচেটিয়া কৰি ৰাখিছিল। ই কেৱল সামাজিক আৰু অর্থনৈতিকভাৱে সামর্থ্য থকাসকলককহে মুক্ত কৰিছিল। কিন্তু এনেধৰণৰ বিজ্ঞানৰ ব্যৱহাৰ আৰু যুক্তিৰ অনুশীলন এডর্ণোৰ মতে সন্দেহজনক হৈ পৰে কাৰণ, ক্ষমতা থকা বিশেষ সুবিধাপ্রাপ্ত অংশটোৱে বিজ্ঞানক অস্ত্র হিচাপে ব্যৱহাৰ কৰি অযুক্তিকৰ কার্যকলাপ চলাই থাকে। ইয়াৰ আটাইতকৈ সহজ উদাহৰণ হৈছে দুটা বিশ্বযুদ্ধৰ ধ্বংসলীলা। বিজ্ঞানৰ সৃষ্টি পৰমাণু বোমাই হিৰোচিমা আৰু নাগাচাকিক ধ্বংস কৰাৰ লগতে মানৱ জীৱন ৰক্ষাৰ মৌলিক কাৰণ আৰু যুক্তিক অৱজ্ঞা কৰিছিল। এডর্ণোৱে নৱজাগৰণৰ প্রতি

সমালোচনাত্মক স্থিতি গ্রহণ কৰিছিল আৰু কৈছিল যে নৱজাগৰণ পৰিঘটনা হিচাপে সিমান যুক্তিসংগত নহয়। কাৰণৰ (Reason) বিষয়ে পৰম্পৰাগত ধাৰণাটোৰ প্রতি সমালোচনাত্মক দৃষ্টিভংগী নিক্ষেপ কৰি এডর্ণো আৰু হৰখেইমাৰে কাৰণক অযুক্তিকৰ বুলি বিবেচনা কৰিছিল। সেয়েহে তাৰ শিপা বিচাৰি দুয়োজনে প্রাক-আধুনিক সমাজখনৰ প্রতি গুৰুত্ব আৰোপ কৰিছিল যি তেওঁলোকৰ বাবে এই পশ্চাদমুখিতাৰ ধর্মীয় আৰু দার্শনিক পক্ষপাতিত্বৰ আধাৰ আছিল। তেওঁলোকে যুক্তি দিছিল যে — আধুনিকতাৰ সমালোচনা প্রাক্-আধুনিকতাৰো সমালোচনা হ'ব লাগিব। পিছলৈ ঘূৰি চালে আৰু অতীতৰ ঐতিহাসিক ভুলবোৰৰ ওপৰত চিন্তা কৰিলেহে বর্তমানৰ উত্তৰ আধুনিক সমাজে প্রকৃত মুক্তিৰ আশা কৰিব পাৰে।

'Dialectic of Enlightenment' নামৰ গ্রন্থখনত এডর্ণো আৰু হৰখেইমাৰে 'সংস্কৃতি উদ্যোগ' শব্দটোৰ প্রৱর্তন কৰি উপভোক্তাবাদৰ সংস্কৃতিক বুজায়, য'ত 'আনন্দ' আৰু 'স্ফূর্তি'ক বজাৰৰ সামগ্রী হিচাপে বিক্রী কৰা হৈছিল। এই ধাৰণাটোৱে কার্ল মার্ক্সৰ কমোডিটি ফেটিচিজমৰ ধাৰণাটোক মনত পেলায় য'ত পণ্যৰ প্রতি থকা অতৃপ্ত ইচ্ছা এটা গণ-সংস্কৃতিত বর্তি থাকে। সংস্কৃতি উদ্যোগে সংস্কৃতিৰ পণ্যকৰণৰ পৰামর্শ দিয়ে য'ত জনসাধাৰণে পণ্যৰূপী আৱেগ আৰু মনোৰঞ্জনক স্বাভাৱিকভাৱে গ্রহণ কৰিব নোৱাৰে আৰু নিষ্ক্রিয় গ্রাহক হৈ পৰে। সংস্কৃতিৰ উদ্যোগীকৰণৰ অর্থ হ'ল বিভিন্ন সাংস্কৃতিক সামগ্রীসমূহ উপভোগৰ বাবে জনসাধাৰণৰ সন্মুখত প্রমাণীকৃতভাৱে উপস্থাপন কৰা হয়। সকলো সামগ্রীকে উৎপাদিত সামগ্রীলৈ হ্রাস কৰা হয়। ইয়াৰ অর্থ এইটো যে ব্যক্তিগত আৱেগক পর্যায়ক্রমে ব্রেণ্ডিঙৰ জৰিয়তে গতানুগতিকভাৱে ব্যৱহাৰযোগ্য সামগ্রী হিচাপে গঢ়ি তুলিব পৰা যায়। সংস্কৃতি উদ্যোগে সুখ, দেশপ্রেম, প্রেম আদি আৱেগক নির্ধাৰিত মানযুক্ত ৰূপত বিক্রী কৰিছিল যাতে জনসাধাৰণৰ ভোগবাদী প্রয়োজনীয়তা পূৰণ কৰিব পৰা যায়। ইয়াৰ উপৰিও ই জনসাধাৰণৰ মাজত বাস্তৱ আৰু সত্যৰ পৰা আঁতৰত প্রমাণীকৃত আৰু গতানুগতিক ধৰণৰ ইচ্ছা সৃষ্টি কৰাত সহায় কৰিছিল যাৰ ফলত প্রকৃত মানৱীয় আৱেগ আৰু সম্পর্কৰ প্রতি উদাসীন গ্রাহক সংস্কৃতিৰ সৃষ্টি হৈছিল। এইদৰে এডর্ণো আৰু হৰখেইমাৰে নৱজাগৰণক 'গণ প্রতাৰণা' বুলি অভিহিত কৰিছিল।



অগ্রগতি পৰীক্ষা

প্রশ্ন ২ ঃ 'সংস্কৃতি উদ্যোগ' কি?

.....

.....

১১.৪.২ মেক্স হৰখেইমাৰ

মেক্স হৰখেইমাৰৰ লেখনীসমূহ ফ্ৰেংকফৰ্ট স্কুলৰ সমালোচনাত্মক তত্ত্বৰ জ্ঞানতাত্ত্বিক আৰু পদ্ধতিগত দিগ্‌দর্শনৰ বাবে বহুপৰিমাণে দায়বদ্ধ আছিল। বিশেষকৈ ১৯৩০ ৰ দশকত তেওঁ বিভিন্ন লেখনীৰ জৰিয়তে সমালোচনাত্মক তত্ত্বৰ ভেঁটি গঢ়ি তোলাত যথেষ্ট সহায় কৰিছিল যি মার্ক্সবাদৰ দর্শন আৰু চিন্তাধাৰাৰ দ্বাৰা অনুপ্রাণিত হৈছিল।

জনপ্রিয় গ্রন্থ 'Traditional and Critical Theory' (১৯৩৭) ত হৰখেইমাৰে পৰম্পৰাগত তত্ত্ব আৰু সমালোচনাত্মক তত্ত্বৰ মাজৰ পার্থক্য উলিয়াবলৈ চেষ্টা কৰিছিল। হৰখেইমাৰৰ মতে, এটা পৰম্পৰাগত তত্ত্ব প্রধানতঃ কার্যকৰীতাৰ ওপৰত নির্ভৰশীল, অর্থাৎ এনে তত্ত্বৰ প্রধান বৈশিষ্ট্য হ'ল সমন্বয় য'ত সকলো অংশই একেলগে সু-সংগতভাৱে এক সমগ্রতা গঠন কৰে, ইয়াৰ দ্বাৰা এটা পৰম্পৰাগত তত্ত্বৰ বেছিভাগেই বৈপৰীত্যৰ পৰা মুক্ত হৈ পৰে। এনেধৰণৰ তত্ত্বসমূহ বেছিভাগেই প্রাকৃতিক বিজ্ঞানৰ ক্ষেত্রতহে প্রযোজ্য। কিন্তু সমাজবিজ্ঞানৰ ক্ষেত্রত যিবোৰে প্রত্যক্ষবাদী দৃষ্টিভংগী গ্রহণ কৰে সেইসমূহক প্রাকৃতিক বিজ্ঞানৰ সমকক্ষ হিচাপে ধৰিব পাৰি আৰু পৰম্পৰাগত তত্ত্বৰ বৈশিষ্ট্যসমূহ ধৰি ৰখা প্রত্যক্ষ কৰিব পাৰি। সেই ক্ষেত্রত পৰম্পৰাগত তত্ত্বৰ মূল লক্ষ্য হৈছে — ইয়াক দিয়া নির্দিষ্ট কামটো সম্পন্ন কৰা। ই দক্ষতাৰ ক্ষেত্রত কাম কৰে আৰু তাৰবাবে ধাৰণা আৰু সূত্রৰ এটা নির্দিষ্ট গোট ব্যৱহাৰ কৰে। উত্তৰ নৱজাগৰণৰ সময়ৰ প্রাকৃতিক আৰু সমাজ বিজ্ঞান উভয়তে থকা অনুৰূপ ধৰণৰ আনুষ্ঠানিকতাবাদক হৰখেইমাৰে সমালোচনা কৰিছিল। বৈজ্ঞানিক দৃষ্টিভংগীক প্রভাৱিত কৰা বিশেষাধিকাৰ আৰু ক্ষমতাৰ অৱস্থানক স্বীকৃতি দি হৰখেইমাৰে যুক্তি আগবঢ়াই যে পৰম্পৰাগত তত্ত্ব হৈছে সমাজত বিশেষ সুবিধাপ্রাপ্ত স্থানত থকাসকলৰ, অর্থাৎ সমাজৰ স্থিতাৱস্থাৰ তত্ত্ব।

পৰম্পৰাগত তত্ত্বৰ বিপৰীতে সমালোচনাত্মক তত্ত্বই প্রান্তীয়সকলৰ লগতে যিসকলক সমাজৰপৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰা হয় তেওঁলোকক সাঙুৰি ল'বলৈ চেষ্টা কৰে। হৰখেইমাৰে যুক্তি আগবঢ়ায় যে সমালোচনাত্মক তত্ত্বৰ "প্রতিটো দিশতে জীৱনৰ যুক্তিসংগত পৰিস্থিতিৰ প্রতি থকা চিন্তাই আধিপত্য বিস্তাৰ কৰে।" ই 'উন্নত, উপযোগী, উপযুক্ত, উৎপাদনশীল আৰু মূল্যৱান' কি সেই সম্পর্কীয় বিচাৰৰ পৰা নিজৰ মনোযোগ স্থানান্তৰিত কৰে, অর্থাৎ উপযোগিতাৰ বাহিৰলৈ গৈ প্রকৃততে স্বাভাৱিকতে কি চলি আছে তাক জানিবলৈ চেষ্টা কৰে। সমালোচনাত্মক তত্ত্ববিদসকলৰ মতে পৃথিৱীখনক দুটা ধৰণে চাব পাৰি — প্রথমটো হৈছে কাৰণ আৰু ইচ্ছাৰ জগতখন য'ত মানুহ নিজেই নিজৰ জগতখনৰ সৃষ্টিকর্তা আৰু নির্মাতা, দ্বিতীয়তে পুঁজিৰ জগতখন যি কাৰণ আৰু ইচ্ছাৰ জগতখনৰ বিৰোধিতা কৰে আৰু যি সম্পূর্ণ যান্ত্রিক আৰু প্রাকৃতিক প্রক্রিয়াৰ দ্বাৰা প্রভাৱিত হয়, এই জগতৰ বেছিভাগেই বিশেষ সুবিধাপ্রাপ্ত শ্রেণীৰ দ্বাৰা

আৰোপিত আৰু প্রান্তীয়সকলৰ দ্বাৰা অনুধাৱন কৰা হয়। এই ধাৰণাটোৱে কান্টৰ যুক্তিক প্রতিফলিত কৰে য'ত তেওঁ কৈছিল যে যুক্তি এটা সম্পূর্ণৰূপে গঢ়ি উঠিবলৈ হ'লে মানুহে নিজৰ অপৰিপক্কতাৰ পৰা ওলাই আহিব লাগিব, অর্থাৎ যুক্তিৰ অবিহনে কেৱল সাধাৰণ জীৱ হিচাপে কাম কৰাটো বন্ধ কৰিব লাগিব। হৰখেইমাৰে পুঁজিৰ জগতখনক সমালোচনা কৰে কাৰণ ই মানৱ জীৱনৰ সকলো দিশক নির্দেশ দিয়ে। তেওঁৰ মতে, সমালোচনাত্মক তত্ত্ববিদসকলে পুঁজিৰ জগতখনৰ বিৰোধিতা কৰে কিয়নো তেওঁলোকৰ মতে মানুহক প্রকৃত যুক্তিৰ আধাৰত পৰিচালিত কৰিব লাগে। হৰখেইমাৰৰ বাবে সমালোচনাত্মক তত্ত্বৰ বিষয়বস্তু হৈছে "এজন নির্দিষ্ট ব্যক্তিৰ অন্য ব্যক্তি আৰু গোটৰ সৈতে থকা সম্পর্ক, এটা বিশেষ শ্রেণীৰ সৈতে থকা সংঘাত আৰু শেষত সামাজিক সমগ্রতা আৰু প্রকৃতিৰ সৈতে থকা সম্পর্কৰ ফলশ্রুতিস্বৰূপ জাল"। তদুপৰি হৰখেইমাৰে যুক্তি আগবঢ়াই যে সমালোচনাত্মক তত্ত্ববিদজন নিজেই যিহেতু সমাজৰ সদস্য গতিকে তেওঁ সামাজিক সমগ্রতাৰ অংশ হিচাপে নিজৰ অস্তিত্বৰ প্রতি সচেতন হোৱা উচিত।

১১.৪.৩ জর্গেন হেবাৰমাছ

হেবাৰমাছ পূর্বৰ সমালোচনাত্মক তত্ত্ববিদসকলে বিকাশ কৰা বেছিভাগ বিষয়বস্তুৰ সৈতে জড়িত। হেবাৰমাছে স্বাধীনতা, ন্যায়, সুখ আৰু যুক্তিৰ শক্তিৰ দৰে সমাজক সকলো বেয়াৰ পৰা নিৰাময় কৰি ৰূপান্তৰিত কৰিব পৰা জ্ঞানোদয়ৰ আদর্শসমূহত বিশ্বাস কৰিছিল। এটা বিষয় হিচাপে দর্শনে জ্ঞানৰ ক্ষেত্রখনৰ ওপৰত কর্তৃত্ব দাবী কৰি আছিল আৰু নিজকে প্রায়োগিক ক্ষেত্রৰ বাহিৰত ৰাখিছিল। কিন্তু হেবাৰমাছে জানিছিল যে কেৱল দর্শনে সামাজিক সমস্যাৰ বিৰুদ্ধে যুঁজিব নোৱাৰে আৰু ন্যায়পৰায়ণ আৰু মুক্ত সমাজ এখন লাভ কৰিবলৈ হ'লে সমাজ বিজ্ঞান আৰু প্রাকৃতিক বিজ্ঞান একত্রিত হ'ব লাগিব। গতিকে তেওঁ তত্ত্ব আৰু প্রয়োগৰ মাজৰ দূৰত্বক দূৰ কৰাৰ বাবে কাম কৰিছিল। আচলতে এই ব্যৱধান দূৰ কৰাত জার্গেন হেবাৰমাছৰ ভূমিকা আৰু অৱদানক সকলো সমালোচনাত্মক তত্ত্ববিদৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ বুলি গণ্য কৰা হয়।

হেবাৰমাছৰ সময়ৰ ফালে ইতিমধ্যে প্রত্যক্ষবাদী পৰম্পৰা তীব্র সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। অৱশ্যে সেই সময়ৰ বৌদ্ধিক চিন্তাধাৰা আৰু সাংস্কৃতিক জীৱনত তথাপিও ই বৃহৎ পৰিমাণে আধিপত্য বিস্তাৰ কৰিছিল। আধুনিক প্রত্যক্ষবাদৰ প্রাক-ঐতিহাসিক পুনর্গঠনৰ বাবে হেবাৰমাছৰ দার্শনিক বিধিক কান্টীয় 'যুক্তি' ধাৰণাৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত বুলি বুজিব পাৰি। হেবাৰমাছে কান্টৰ ধাৰণাৰ আধাৰতে কৈছিল যে, যুক্তি আত্মপ্রতিফলিত হোৱাৰ লগতে আত্মসমালোচনাৰ পৰা মুক্ত হয়। কাণ্টে যুক্তি দিছিল যে জ্ঞানোদয়ৰ অর্থ হ'ল মানুহৰ নিজৰ 'আত্ম-আৰোপিত' অপৰিপক্কতাৰ পৰা ওলাই অহা, যিটো মুক্তিৰ বাবে মূল কথা। কান্টৰ বাবে যুক্তিৰ

ধাৰণাবোৰ গঠনমূলক নহয়, অধিক নিয়ন্ত্রণমূলকহে। অর্থাৎ তেওঁলোকে ইয়াক গঠন নকৰে বৰঞ্চ কেৱল নিয়ন্ত্রণ কৰে। হেবাৰমাছৰ আগৰ সমালোচনাত্মক তত্ত্ববিদসকলে এই ধাৰণাটোক সমালোচনা কৰিছিল।

১৯৬২ চনত প্রকাশিত তেওঁৰ গ্রন্থ 'Structural Transformation of the Public Sphere' এ হেবাৰমাছক প্রথম জনপ্রিয় কৰি তুলিছিল। এই গ্রন্থত ১৮ শতিকাৰ চেলুনসমূহত উৎপত্তি হোৱাৰ পৰা পুঁজিবাদ-চালিত গণমাধ্যমৰ প্রভাৱৰ জৰিয়তে হোৱা ৰূপান্তৰলৈকে বুর্জোৱা ৰাজহুৱা ক্ষেত্রৰ বিকাশৰ এক বিশদ সামাজিক ইতিহাস উপস্থাপন কৰিছিল। চেলুনসমূহত হোৱা পাৰস্পৰিক আন্তঃক্রিয়াৰ বর্ণনাৰ জৰিয়তে হেবাৰমাছে সামাজিক আৰু অর্থনৈতিক চাপৰ পৰা মুক্ত সর্বাংগীন সমালোচনাত্মক আলোচনাৰ ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল য'ত ব্যক্তিসকলে ইজনে সিজনক সমান বুলি গণ্য কৰে আৰু এটা উদ্বেগ বা সমস্যাক বুজাৰ এক উমৈহতীয়া ভিত্তি বা আধাৰত উপনীত হোৱাৰ বাবে সহযোগিতামূলক প্রচেষ্টা চলায়। কিন্তু ১৯ শতিকাত এই সৰু সৰু আলোচনা সমাজবোৰ জনসমাজলৈ বিকশিত হোৱাৰ লগে লগে ধাৰণাবোৰ পণ্য হৈ পৰিল আৰু গণমাধ্যমৰ ব্যৱহাৰ বা উপভোগ অর্থনীতিৰ লগত একত্রিত হ'ল। হেবাৰমাছে ৰাজহুৱা যুক্তিৰ ধাৰণাটো এৰি দিয়াত বিশ্বাস কৰা নাছিল। বৰঞ্চ তেওঁ ঐতিহাসিকভাৱে অর্থপূর্ণ, নীতিগতভাৱে সমাজ-কল্যাণমূলক ৰাষ্ট্রৰ প্রয়োজনীয়তা পূৰণ কৰা আৰু একে সময়তে তাত্ত্বিক আৰু অভিজ্ঞতাভিত্তিকভাৱে স্পষ্ট আৰু চিনাক্তকৰণযোগ্য সামাজিক আৰু সংস্থাগত দুয়োটা পর্যায়তে সম্ভৱপৰ জনমত গঠনৰ ধাৰণা এটাৰ বাবে মতামত আগবঢ়ায়। তেওঁ মূলতঃ ৰাজহুৱা ক্ষেত্রখনৰ সংৰচনাগত ৰূপান্তৰৰ বাবে যুক্তি দিছিল যাৰ জৰিয়তে জনমত গঠনৰ এনে ধাৰণা কার্যকৰী কৰিব পৰা যাব।

ৰাজনৈতিক দিশৰ প্রতি থকা আগ্রহৰ বাবেই হেবাৰমাছে দার্শনিক অধ্যয়ন আৰু সমালোচনাত্মক-সামাজিক বিশ্লেষণ আৰম্ভ কৰে। তেওঁৰ 'Towards a Rational Society' (১৯৭০) নামৰ গ্রন্থখন হল তেওঁৰ যুক্তিবাদী তত্ত্বক সমসাময়িক সমাজৰ সমালোচনাত্মক বিশ্লেষণত প্রয়োগ কৰাৰ প্রয়াস। টেকন'ক্রেচি অর্থাৎ বৈজ্ঞানিক বিশেষজ্ঞ আৰু আমোলাতন্ত্রৰ শাসনৰ সমালোচনাত তেওঁ মানৱ প্রজাতিৰ স্বার্থ অনুসৰি সংঘটিত হোৱা 'পাৰস্পৰিক আন্তঃক্রিয়া'ৰ পৰা 'কাম'ক পৃথক কৰিছে। 'কাম' দক্ষ মাধ্যমৰ যুক্তিসংগত পছন্দৰ ওপৰত ভিত্তি কৰি কৰা কার্যৰ ওপৰত নির্ভৰ কৰে, আনহাতে পাৰস্পৰিক আন্তঃক্রিয়া যোগাযোগমূলক ক্রিয়াৰ ৰূপৰ ওপৰত নির্ভৰ কৰে। 'কামে' গুৰুত্বপূর্ণ আৰু কৌশলগত কার্যৰ প্রকাৰসমূহক বুজায়, আনহাতে 'পাৰস্পৰিক আন্তঃক্রিয়া'ত অভিকর্তাসকলে সহমতৰ নীতিৰ ভিত্তিত নিজৰ আচৰণৰ সমন্বয় সাধন কৰে। হেবাৰমাছে বিজ্ঞান আৰু প্রযুক্তিক 'মতাদর্শ' বুলি ব্যাপকভাৱে সমালোচনা কৰে। তেওঁৰ মতে, জীৱনৰ ব্যৱহাৰিক সমস্যাক বিশেষজ্ঞৰ বাবে কাৰিকৰী সমস্যালৈ হ্রাস

কৰি সমসাময়িক অভিজাত শ্রেণীয়ে মূল্যবোধৰ গণতান্ত্রিক আলোচনাক উলাই কৰি জনসাধাৰণ আৰু তেওঁলোকৰ মতামতৰ প্রয়োজনীয়তা নাইকিয়া কৰে। ইয়াৰ দ্বাৰা জনসাধাৰণ ৰাজনৈতিক চেতনাৰ পৰা কৌশলগতভাৱে আঁতৰি যায়। প্রকৃতিৰ কাৰিকৰী নিয়ন্ত্রণৰ প্রতি মানুহৰ আগ্রহে এইদৰে এক মতাদর্শ হিচাপে আৰু শাসকীয় গাঁথনিৰ মূল্যবোধেৰে ভৰা মুখখন ঢাকিবলৈ মুখা হিচাবে কাম কৰে যিয়ে সাধাৰণতে পুঁজিবাদী স্থিতাৱস্থাৰেই সমর্থন কৰে।

হেবাৰমাছৰ আন্তঃবিদ্যাৱর্তী সমালোচনাত্মক তত্ত্বৰ কাঠামো প্রদানৰ প্রচেষ্টা তেওঁৰ আন এখন গুৰুত্বপূর্ণ গ্রন্থ 'Knowledge and Human Interests' (১৯৬৮)ত দেখা যায়। তেওঁ বিজ্ঞানৰ সেইসময়ৰ প্রভাৱশালী দর্শন প্রত্যক্ষবাদী দর্শনৰ পদ্ধতিগত সমালোচনাৰ জৰিয়তে সমালোচনাত্মক তত্ত্বক জ্ঞানৰ এক সন্মানীয় আৰু সুকীয়া ৰূপ হিচাপে প্রতিষ্ঠা কৰিব বিচাৰিছিল। তেনে কৰিবলৈ তেওঁ 'জ্ঞান-গঠনমূলক স্বার্থ'ৰ এনে এক তত্ত্ব গঢ়ি তুলিছিল যি মানৱ প্রজাতিৰ প্রাকৃতিক ইতিহাস আৰু জীৱনৰ সামাজিক-সাংস্কৃতিক ৰূপৰ আৱশ্যকতা দুয়োটাৰে সৈতে জড়িত, কিন্তু কেৱল ইয়াতৈকে সীমিত নহয়।

মানুহ জ্ঞান আহৰণৰ আগ্রহৰ দ্বাৰা পৰিচালিত হয় বুলি ধাৰণা কৰি হেবাৰমাছে নিজৰ তত্ত্ব আগবঢ়াইছিল। তেওঁ ভাষাক আধাৰ হিচাপে গঢ়ি তুলিছিল আৰু সামাজিক জীৱনক বৈধতা প্রদান কৰা নীতিগত দাবীৰ আলোচনামূলক গঠনৰ আধাৰ হিচাপে আন্তঃব্যক্তিগত সম্পর্কক গুৰুত্ব দিছিল। তেওঁ বৈজ্ঞানিক দৃষ্টিভংগীক আদৰণি জনাইছিল যদিও বৈজ্ঞানিক পদ্ধতিৰ সার্বজনীনতাক মানি লোৱা নাছিল। হেবাৰমাছৰ তাৎপর্য নিহিত হৈ আছে সমালোচনাত্মক তত্ত্বক স্ববিৰোধিতাৰ হাতো�ৰাৰ পৰা উদ্ধাৰ কৰাত, যি তেওঁৰ পূর্বৰ হৰখেইমাৰ, এড'র্ণো আৰু মার্কিউজৰ দৰি চিন্তাবিদসকলে কৰা নাছিল। তেওঁলোকে সমাজ আৰু জ্ঞনোদয়ৰ প্রতি মোহভংগ হোৱাৰ বাবে জ্ঞানোদয়ৰ সর্বাত্মক প্রৱণতাক সমালোচনা কৰাৰ কামত নিজকে সীমাবদ্ধ কৰা যেন দেখা গ'ল। হেবাৰমাছে সমালোচনাত্মক তত্ত্বক তেওঁৰ 'ভাষাৰ আর্হি'ৰ জৰিয়তে এক নতুন মোৰ দিছিল যিটো 'চেতনা'ৰ বিষয়নিষ্ঠ পক্ষপাতিত্বৰ পৰা মুক্ত আছিল। তেওঁ সমালোচনাত্মক তত্ত্বৰ যুক্তিসংগত সমালোচনাক সমালোচনাত্মক আত্মপ্রতিফলন আৰু যুক্তিসংগত পুর্নগঠন হিচাপে পুনৰ বিবেচনা কৰিছিল। তেওঁ তত্ত্ব-প্রয়োগ সমস্যাক ফলপ্রসূভাৱে সমাধান কৰাৰ উদ্দেশ্যেৰে সার্বজনীন বাস্তৱবিদ্যাৰ প্রৱর্তন কৰিছিল, যিটো যোগাযোগমূলক ক্রিয়াৰ ভেঁটি হৈ পৰিছিল। এইদৰে হেবাৰমাছে দৈনন্দিন ভাষাৰ ব্যৱহাৰেৰে সাধাৰণ লোকৰ মাজত বিতর্কত বিশেষ তথ্য কঢ়িয়াই আনিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ 'Structural Transformation of the Public Sphete' গ্রন্থখন কোনো লিখিছিল?

.....

.....

১১.৫ উপসংহাৰ

জ্ঞানোদয়ৰ যুক্তিৰ সৈতে এক সমালোচনাত্মক সংযোগ উত্তৰ আধুনিক দর্শনৰ সমালোচনাত্মক তত্ত্বৰ কেন্দ্রবিন্দু। এড'র্ণো আৰু হেবাৰমাছ— প্রত্যেকেই নিজৰ নিজৰ ধৰণেৰে আধুনিকতাৰ সীমাবদ্ধতাৰ বাহিৰলৈ গৈ উত্তৰ আধুনিকতাবাদী দৃষ্টিভংগীৰে চাবলৈ চেষ্টা কৰে। হেবাৰমাছে জ্ঞানোদয়ৰ দর্শনক সমর্থন কৰিবলৈ চেষ্টা কৰে যদিও ইয়াক সমালোচনাও কৰে, আৰু আধুনিকতা সম্পর্কে উত্তৰ আধুনিক তত্ত্ববিদসকলৰ মোহভংগ আৰু আধুনিকতাৰ পৰা উদ্ভৱ হোৱা যেন লগা সমস্যাসমূহৰ ব্যৱহাৰিক সমাধানৰ মাজৰ দূৰত্ব নাইকিয়া কৰিবলৈ চেষ্টা কৰে। তিনিওজনে নিজৰ নিজৰ ধৰণেৰে সমালোচনাত্মক তত্ত্বৰ বহুমুখী সত্ত্বাক এটা ধাৰণা হিচাপে উপস্থাপন কৰে। যদিও পদ্ধতি বেলেগ বেলেগ, তথাপিও তেওঁলোকৰ লক্ষ্যৰ সাদৃশ্য আছে, আৰু সেয়েহে সমালোচনাত্মক তত্ত্বৰ মৌলিক লক্ষ্য হৈছে সমাজৰ প্রান্তীয় শক্তিৰ পৰা মানুহক স্বাধীন আৰু মুক্ত কৰা। এইদৰে সমালোচনাত্মক তত্ত্বই স্পষ্টভাৱে নীতিগত বিষয়সমূহৰ প্রতি এনে এক দৃষ্টিভংগী আগবঢ়ায় যিয়ে সমাজ বিজ্ঞানৰ সৈতে অ-হ্রাসকাৰীভাৱে সহযোগ কৰে। ইয়াৰ মূল ক্ষেত্র হৈছে সামাজিক কার্যকলাপৰ প্রতিমানগত দিশ, বিশেষকৈ অভিকর্তাসকলে বিভিন্ন প্রসংগত জটিল দৃষ্টিকোণৰ পৰা নিজৰ ব্যৱহাৰিক জ্ঞান আৰু প্রতিমানগত মনোভাৱ কেনেকৈ ব্যৱহাৰ কৰে তাৰ অনুসন্ধান। ইয়াৰ উপৰিও বিভিন্ন অৱস্থাত থকা প্রতিভূৰ দৃষ্টিকোণৰ পৰা সামাজিক তথ্যসমূহক সমস্যাজনক পৰিস্থিতি হিচাপে বিবেচনা কৰিব লাগিব।

এইদৰে ফ্রেংকফর্ট স্কুলে উন্নত পুঁজিবাদী সমাজৰ ক্ষেত্রত মার্ক্সবাদৰ এক হেগেলিয়ান পুনৰ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। ই উন্নত পুঁজিবাদী সমাজৰ বিকাশৰ ওপৰত সমালোচনাত্মক দৃষ্টি নিক্ষেপ কৰিছিল। সমালোচনাত্মক তত্ত্বই সমাজ বিজ্ঞানৰ বহল জগতখনৰ পৰা লাভ কৰা জ্ঞানৰ আধাৰত সমাজ আৰু সংস্কৃতিৰ পৰীক্ষা আৰু সমালোচনা কৰাৰ চেষ্টা কৰিছিল। পৰম্পৰাগত তত্ত্ববিদসকলে সমাজ বিজ্ঞানীক অধ্যয়নৰ বস্তুৰ পৰা স্বাধীন বুলি ভাবে যাদিও সমালোচনাত্মক তত্ত্ববিদসকলে স্বীকাৰ কৰে যে সমাজ বিজ্ঞানীগৰাকী তেওঁ অধ্যয়ন কৰা সমাজখনৰেই এক অংশ, আৰু সেয়েহে তেওঁৰ দৃষ্টিভংগীক তেওঁ বাস কৰা সমাজখনৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ফ্রেংকফ'র্ট চিন্তাধাৰা বিভিন্ন প্রজন্মৰ বিভিন্ন দার্শনিক আৰু সামাজিক তত্ত্ববিদৰ দ্বাৰা গঠিত আছিল যিসকলে মানৰ বিকাশৰ বিভিন্ন তত্ত্বসমূহৰ ওপৰত সমালোচনাত্মক দৃষ্টিভংগী নিক্ষেপ কৰিছিল।
- সমালোচনাত্মক তত্ত্বই মানুহক পৰম্পৰাগত বুজাবুজিৰ বান্ধোন আৰু সীমাৰ পৰা মুক্ত আৰু স্বাধীন কৰিব বিচাৰে, আৰু এনে এখন পৃথিৱী সৃষ্টি কৰিব বিচাৰে য'ত মানুহৰ প্রয়োজনীয়তা সঁচাকৈয়ে পূৰণ হয়।
- সমালোচনাত্মক তত্ত্ব ব্যাখ্যামূলক, ব্যৱহাৰিক আৰু প্রতিমানগত হ'ব লাগিব।
- সমালোচনাত্মক তত্ত্ব পৰম্পৰাগত তত্ত্বৰ পৰা পৃথক এই দিশত যে সমালোচনাত্মক তত্ত্বৰ এটা নির্দিষ্ট ব্যৱহাৰিক উদ্দেশ্য থাকে আৰু ই সামাজিক সমস্যাৰ সমাধানৰ ব্যৱহাৰিক পথৰ সন্ধান কৰে।
- সামাজিক আন্দোলনসমূহৰ সমান্তৰালভাৱে সমালোচনাত্মক তত্ত্বৰ উত্থান ঘটিছিল আৰু সকলো ধৰণৰ সামাজিক আধিপত্যৰ পৰা মুক্তি লাভৰ লক্ষ্যৰে সামাজিক অনুসন্ধানৰ ভিত্তি প্রদান কৰিছিল।
- জ্ঞানোদয় যুক্তিৰ সৈতে এক সমালোচনাত্মক সংযোগ উত্তৰ আধুনিক দর্শনৰ সমালোচনাত্মক তত্ত্বৰ কেন্দ্রবিন্দু।
- 'সংস্কৃতি উদ্যোগ' বুলিলে ভোগবাদৰ সংস্কৃতিৰ বুজোৱা হয় য'ত আনন্দ আৰু স্ফূর্তি বজাৰৰ পণ্য হিচাপে বিক্রী কৰা হৈছিল।
- সংস্কৃতি উদ্যোগে সংস্কৃতিৰ পণ্যকৰণৰ পৰামর্শ দিয়ে য'ত জনসাধাৰণে পণ্যৰূপী আৱেগ আৰু মনোৰঞ্জনক স্বাভাৱিক বুলি ভাবিব আৰু গ্রহণ কৰিব নোৱাৰে আৰু তাৰ নিষ্ক্রিয় গ্রাহক হৈ পৰে।
- সমালোচনাত্মক তত্ত্বই সমাজ আৰু সংস্কৃতিৰ পৰীক্ষা আৰু সমালোচনা আগবঢ়োৱাৰ চেষ্টা কৰিছিল আৰু সমাজ বিজ্ঞানৰ বহল জগতখনৰ জ্ঞানৰ আধাৰত সেই কাম কৰিবলৈ চেষ্টা কৰিছিল।
- সমালোচনাত্মক তত্ত্বৰ বিষয়বস্তু হৈছে "অন্য ব্যক্তি আৰু গোটৰ সৈতে তেওঁৰ প্রকৃত সম্পর্কত, এটা বিশেষ শ্রেণীৰ সৈতে তেওঁৰ সংঘাতত আৰু শেষত সামাজিক সমগ্রতা আৰু প্রকৃতিৰ সৈতে সম্পর্কৰ ফল হৈছে এজন নির্দিষ্ট ব্যক্তি।"
- পৰম্পৰাগত তত্ত্ববিদসকলে সমাজ বিজ্ঞানীক অধ্যয়নৰ বস্তুৰ পৰা স্বাধীন বুলি ভাবে যদিও সমালোচনাত্মক তত্ত্ববিদসকলে স্বীকাৰ কৰে যে সমাজ বিজ্ঞানীগৰাকী তেওঁ অধ্যয়ন কৰা সমাজখনৰেই এটা অংশ, আৰু সেয়েহে তেওঁৰ দৃষ্টিভংগীক তেওঁ বাস কৰা সমাজৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি।



১১.৭ অধিক জানিবলৈ

1) Habermas, J. (1984, 1987). *The Theory of Communicative Action*, Volumes 1 and 2. Boston: Beacon Press.
2) Habermas, J. (1985). *The Philosophical Discourse of Modernity*, Cambridge: MIT Press.
3) Habermas, J. (1991). *Structural Transformation of the public Sphere*, Cambridge: MIT Press.
4) Horkheimer, M. (1972). *Critical Theory*, New York: Seabury Press; reprinted Continuum: New York, 1982
5) Horkheimer, M. and T.W. Adorno (1972). *Dialectic of Enlightenment*, New York: Seabury.

https://globalcenterforadvancedstudies.org/the-critique-of-criticaltheory/

https://plato.stanford.edu/entries/critical-theory/

http://www.unipune.ac.in/snc/cssh/ipq/english/IPQ/21-25%20volumes/25%2002/PDF/25-2-7.pdf

http://www.unipune.ac.in/snc/cssh/ipq/english/IPQ/26-30%20volumes/26-3-6.pdf



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সমালোচনাত্মক তত্ত্বত বহুতো তত্ত্ব আৰু দর্শন অন্তর্ভুক্ত কৰা হৈছে যিয়ে মানৰ বিকাশৰ সমালোচনাত্মক তত্ত্বসমূহৰ প্রতি সমালোচনাত্মক দৃষ্টিভংগী আগবঢ়ায়।

২ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতি উদ্যোগে উপভোগৰ সংস্কৃতিক বুজায় য'ত মনোৰঞ্জন, আনন্দ আদিক পণ্য কৰি বজাৰৰ সামগ্রীৰ দৰে বিক্রী কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ জর্গেন হেবাৰমাছ।



১১.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ ফ্ৰেংকফৰ্ট স্কুল কি আছিল? সমালোচনাত্মক তত্ত্বৰ উল্লেখ কৰি ইয়াৰ প্ৰাথমিক বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ 'সংস্কৃতি উদ্যোগ' শব্দটো কোনে উদ্ভাৱন কৰিছিল? ধাৰণাটোৰ চমু বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ পৰম্পৰাগত তত্ত্ব আৰু সমালোচনাত্মক তত্ত্বৰ মাজত চমুকৈ পাৰ্থক্য লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ 'সমালোচনাত্মক তত্ত্বই মানুহক তেওঁলোকৰ আধিপত্যৰ অৱস্থাৰ পৰা মুক্ত কৰিব বিচাৰে।' আপুনিও একমত নেকি? প্ৰধান সমালোচনাত্মক তত্ত্ববিদসকলৰ উল্লেখ কৰি আপোনাৰ কাৰণসমূহ দিয়ক।

প্ৰশ্ন ২ ঃ সমালোচনাত্মক তত্ত্ব পৰম্পৰাগত তত্ত্বৰ পৰা কেনেকৈ পৃথক। মেক্স হৰখেইমাৰৰ সমালোচনাত্মক তত্ত্বৰ বৰ্ণনাৰ উল্লেখ কৰি বিশদভাৱে লিখক।

প্ৰশ্ন ৩ ঃ হেবাৰমাছৰ ৰাজহুৱা ক্ষেত্ৰৰ ধাৰণা আৰু ইয়াৰ ৰূপান্তৰৰ তাৎপৰ্য্য চমুকৈ পৰীক্ষা কৰক।

প্ৰশ্ন ৪ ঃ এড'র্নোৰ জ্ঞানোদয়ৰ সমালোচনা সমালোচনাত্মকভাৱে বিশ্লেষণ কৰক।

*** ***** ****

অধ্যায় ১২ ঃ এণ্টনিঅ' গ্রামচি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ গ্রামচিৰ কাম আৰু চিন্তাধাৰা
১২.৪ গ্রামচিৰ তত্ত্ব
১২.৫ গ্রামচিৰ শ্রেণী সংগ্রামৰ তত্ত্ব
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গ্রামচিৰ পৰৱৰ্তী কামক প্রভাৱিত কৰা প্রাৰম্ভিক জীৱন আৰু চিন্তাধাৰা বুজিব পাৰিব,
- আধিপত্যৰ ধাৰণা, আংগিক বুদ্ধিজীৱীৰ বিষয়ে জানিব পাৰিব,
- গ্রামচিৰ দ্বাৰা প্রস্তাৱিত শ্রেণী সংগ্রামৰ তত্ত্বৰ বিষয়ে আভাস লাভ কৰিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয়

এণ্টনিঅ' ফ্রান্সেস্কো গ্রামচি এজন বিখ্যাত ইটালীয় মার্ক্সবাদী দার্শনিক আৰু ৰাজনীতিবিদ আছিল। তেওঁ ৰাজনৈতিক তত্ত্ব, ভাষাতত্ত্বৰ লগতে সমাজতত্ত্বকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত লিখিছিল। গ্রামচিক এজন নব্য-মার্ক্সবাদী হিচাপে গণ্য কৰা হয় কাৰণ তেওঁ মার্ক্সবাদৰ ওপৰত আধাৰিত অর্থনৈতিক নির্ণয়বাদৰ পৰম্পৰাগত চিন্তাধাৰাৰ পৰা আঁতৰি যাবলৈ চেষ্টা কৰিছিল। গ্রামচি কার্ল মার্ক্স, চার্লছ ডাৰউইন, চিগমণ্ড ফ্রইড, ফ্রেড্রিক এঙ্গেলছ, নিৎশ্চে আদিৰ দ্বাৰা প্রভাৱিত হৈছিল। তেওঁ ইটালীৰ কমিউনিষ্ট পার্টিৰ প্রতিষ্ঠাপক সদস্য আছিল আৰু বেনিটো মুছোলিনিৰ ফেছিষ্ট শাসনৰ সময়ত কাৰাগাৰত বন্দী হৈছিল।

এণ্টনিঅ' গ্রামচিৰ জন্ম হৈছিল চার্ডিনিয়া দ্বীপৰ আলেছত। গ্রামচিৰ পিতৃ 'আৰবেৰেশ' বংশৰ বংশধৰ আছিল আৰু তেওঁ মাতৃ স্থানীয় জমিদাৰ পৰিয়ালৰ আছিল। পিতৃৰ সৈতে তেওঁৰ এক সমস্যাপূর্ণ সম্পর্ক আছিল যদিও মাতৃৰ সৈতে তেওঁৰ এক ঘনিষ্ঠ সম্পর্ক আছিল, যাৰ ধৈর্য আৰু কাহিনী কোৱাৰ কলাই শৈশৱত তেওঁৰ ওপৰত বিস্তৰ প্রভাৱ পেলাইছিল। তেওঁৰ পৰিয়ালৰ আর্থিক দুৰৱস্থা আৰু আৰক্ষীৰ সৈতে হোৱা সংঘাতে তেওঁলোকৰ পৰিয়ালক অৱশেষত ঘিলার্জাত

স্থায়ীভাৱে বসতি স্থাপন কৰাৰ আগলৈকে চার্ডিনিয়াৰ এখন গাঁৱৰ পৰা আন এখন গাঁৱলৈ স্থানান্তৰিত হ'বলৈ বাধ্য কৰিছিল। ১৮৯৮ চনত ফ্রান্সেস্কোক আত্মসাৎ কৰাৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছিল আৰু কাৰাগাৰত বন্দী কৰি তেওঁৰ পৰিয়ালক নিঃস্ব কৰি তুলিছিল। ১৯০৪ চনত পিতৃয়ে মুক্তি নোপোৱা পর্যন্ত এণ্টনিঅ'ই স্কুলীয়া শিক্ষা ত্যাগ কৰি বিভিন্ন কাম কৰিবলগীয়া হৈছিল। অৱশ্যে তেওঁ ব্যক্তিগতভাৱে তেওঁৰ শিক্ষা অব্যাহত ৰাখিছিল আৰু মাধ্যমিক বিদ্যালয়ৰ পৰা স্নাতক ডিগ্রী লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত কেগ্লিয়াৰীৰ ডেচ'পি লাইচিয়মত ভাতৃ গেনাৰোৰ সৈতে একেটা কোঠাতে থকাৰ সময়ছোৱাত তেওঁ প্রথমবাৰৰ বাবে শ্রমিক শ্রেণীৰ সংগঠিত খণ্ড আৰু প্রগতিশীল আৰু সমাজবাদী ৰাজনীতিৰ সংস্পর্শলৈ আহিছিল। এই প্রভাৱে তেওঁৰ জীৱন আৰু ভৱিষ্যতক ব্যাপকভাৱে প্রভাৱিত কৰিছিল। ল'ৰা অৱস্থাত গ্রামছিয়ে স্বাস্থ্যজনিত সমস্যাত ভুগিছিল, বিশেষকৈ মেৰুদণ্ডত এটা বিকৃতিৰ ফলত তেওঁৰ বৃদ্ধি স্তব্ধ হৈ পৰিছিল আৰু তেওঁ কোঁজা হৈ পৰিছিল। কেগ্লিয়াৰীত মাধ্যমিক শিক্ষা সম্পূর্ণ কৰাৰ পিছত ১৯১১ চনত গ্রামছিয়ে টুৰিন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ বৃত্তি লাভ কৰিছিল। টুৰিনত মাত্তেও বার্টোলীৰ অধীনত অধ্যয়ন কৰাৰ সময়ছোৱাত ভাষাতত্ত্বৰ প্রতি গভীৰ আগ্রহ গঢ় লৈ উঠিছিল। গ্রামচিৰ দুর্বল আর্থিক অৱস্থা আৰু স্বাস্থ্য তেওঁৰ পঢ়া-শুনা অব্যাহত ৰখাত এক বাধা আছিল, কিন্তু এটা সময়ত তেওঁ পঢ়া-শুনা এৰি দিয়ালৈকে ইতিহাস আৰু দর্শনৰ এক বিস্তৃত জ্ঞান আহৰণ কৰিছিল।

টুৰিনত থকাৰ সময়ত গ্রামছিয়ে চার্ডিনিয়া আৰু তেওঁৰ নিজৰ ঠাইখিনিত সংঘটিত হোৱা ব্যাপক পৰিৱর্তনসমূহ প্রত্যক্ষ কৰিছিল। ব্যাপক ঔদ্যোগিকৰণৰ ফলশ্রুতি হিচাপে ফিয়াট আৰু লেঞ্চিয়াৰ কাৰখানাবোৰে দৰিদ্র অঞ্চলৰ পৰা শ্রমিক নিযুক্তি দি আছিল। এই সামাজিক পৰিৱর্তনে তেওঁৰ বিশ্বদর্শন গঠন কৰিছিল আৰু সেয়েহে ১৯১৩ চনৰ শেষৰ ফালে ইটালীয়ান সমাজবাদী দলত যোগদান কৰিছিল। ১৯১৭ চনৰ অক্টোবৰত বলশ্বেভিক বিপ্লৱৰ প্রভাৱে বিপ্লৱী চেতনা আৰু বাকী থকা যুদ্ধৰ প্রতি তেওঁৰ আগ্রহ অধিক উজ্জীৱিত কৰিছিল আৰু তাৰ পিছৰ বছৰবোৰত গ্রামাছিয়ে নিজকে ৰাছিয়ান বিপ্লৱী নেতৃত্বৰ পদ্ধতি আৰু লক্ষ্যৰ সৈতে আৰু সমগ্র উন্নত পুঁজিবাদী বিশ্বৰ সমাজবাদী ৰূপান্তৰকৰণৰ কাৰণৰ সৈতে ঘনিষ্ঠভাৱে জড়িত কৰিছিল।

গ্রামচি আছিল বিংশ শতিকাৰ অন্যতম গুৰুত্বপূর্ণ মার্ক্সবাদী চিন্তাবিদ। তেওঁ পশ্চিমীয়া মার্ক্সবাদৰ বিকাশৰো এক বিশেষ গুৰুত্বপূর্ণ চিন্তাবিদ। তেওঁৰ চিন্তাধাৰা প্রধানকৈ সংগঠিত বাওঁপন্থাৰ পৰা উদ্ভূত যদিও সাংস্কৃতিক অধ্যয়ন আৰু সমালোচনামূলক তত্ত্বৰ ক্ষেত্রখনতো তেওঁ এজন লেখত ল'বলগীয়া ব্যক্তি আছিল। সোঁপন্থা আৰু কেন্দ্রীয় চিন্তাৰ ৰাজনৈতিক তত্ত্ববিদসকলেও তেওঁৰ ধাৰণাসমূহক ব্যাপক প্রশংসা কৰিছে, উদাহৰণস্বৰূপে গ্রামচিৰ আধিপত্যৰ ধাৰণাটো ব্যাপকভাৱে উল্লেখিত। সমসাময়িক ৰাজনীতি বিজ্ঞানত তেওঁৰ প্রভাৱ বিশেষভাৱে শক্তিশালী। তেওঁৰ কর্মই জনপ্রিয় সংস্কৃতি অধ্যয়নৰ ওপৰত বৌদ্ধিক আলোচনাক যথেষ্ট প্রভাৱিত কৰিছিল, য'ত বহুতে প্রভাৱশালী চৰকাৰ আৰু ব্যৱসায়িক স্বার্থৰ বিৰুদ্ধে ৰাজনৈতিক বা আদর্শগত প্রতিৰোধৰ সম্ভাৱনীয়তা বিচাৰি পাইছে। পূর্বৰ অধ্যায়ত আমি ফ্রাংকফুর্ট স্কুলৰ সৈতে জড়িত তিনিজন

গুৰুত্বপূৰ্ণ চিন্তাবিদৰ অৱদানৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টোত আমি এন্টনিঅ' গ্ৰামচিৰ জীৱন আৰু কৰ্মৰ বিষয়ে আলোচনা কৰিম।

১২.৩ গ্ৰামচিৰ কৰ্ম আৰু দৰ্শন

এন্টনিঅ' গ্ৰামচিৰ ৰাজনৈতিক আৰু সামাজিক লেখাক বহলভাৱে দুটা সময়সীমাৰ ভাগ কৰিব পাৰি ঃ প্ৰাক কাৰাগাৰ (১৯১০-১৯২৬) আৰু কাৰাগাৰ (১৯২৯-৩৫)। তেওঁৰ কাৰাগাৰৰ পূৰ্বৰ লিখনিসমূহৰ বিষয়বস্তু ৰাজনৈতিক আছিল আৰু অন্যহাতে, কাৰাগাৰৰ লিখনিসমূহ অধিক ঐতিহাসিক আৰু তাত্ত্বিক প্ৰকৃতিৰ আছিল।

১৯২১ চনৰ পৰা ১৯২৬ চনৰ মাজৰ বছৰবোৰ বৌদ্ধিকভাৱে উৎপাদনশীল আৰু ঘটনাবহুল হোৱাৰ বাবে গ্ৰামছিয়ে তেওঁৰ জীৱনৰ এই বিশেষ সময়ছোৱাক 'লোহা আৰু জুইৰ সময় (of iron and fire) বুলি দাবী কৰে। 'Avanti' ৰ টুৰিন সংস্কৰণত তেওঁৰ স্তম্ভলেখ আৰু তেওঁৰ নাটকৰ পৰ্যালোচনা ব্যাপকভাৱে পঢ়া আৰু বিতৰণ কৰা হৈছিল। গ্ৰামচিয়ে শ্ৰমিকসকলৰ অধ্যয়ন-চক্ৰৰ ভিতৰত বিভিন্ন বিষয়ৰ ওপৰত বিস্তৃত ৰাজহুৱা বক্তৃতা দিছিল, কিয়নো তেওঁ এই শ্ৰেণীটোৰ প্ৰতি এক বিশেষ ধৰণৰ আত্মীয়তা অনুভৱ কৰিছিল। অৱশ্যে গ্ৰামচিয়ে কাৰাগাৰত থাকোঁতে লিখা বৌদ্ধিক লিখনিসমূহ দ্বিতীয় বিশ্বযুদ্ধৰ কেইবছৰমানৰ পিছতহে পোহৰলৈ আহিছিল, যেতিয়া নোটবুকৰ (Prison notebooks) কিছুমান টুকুৰাৰ লগতে কাৰাগাৰত তেওঁ লিখা কিছুমান চিঠি প্ৰকাশ পাইছিল। ১৯৫০ চনৰ ভিতৰত তেওঁৰ কাৰাগাৰৰ লিখনিসমূহ প্ৰকাশ পাইছিল আৰু ব্যাপকভাৱে প্ৰচাৰ হৈছিল যিয়ে কেৱল পশ্চিমতে নহয় বৰঞ্চ উন্নয়নশীল দেশসমূহতো ব্যাপক আগ্ৰহ আৰু সমালোচনামূলক মন্তব্য লাভ কৰিছিল। তেওঁৰ কিছুমান অৱধাৰণা বাওঁপন্থীসকলৰ বাবে প্ৰভাৱশালী পৰিভাষা হৈ পৰিছিল, উদাহৰণস্বৰূপে 'আধিপত্য'ৰ ধাৰণা, যি ধাৰণা তেওঁ বিশ্বব্যাপী সমাজবাদী দৃষ্টিভংগীৰ সফলতা আৰু বিফলতা দুয়োটাৰ কাৰণ ব্যাখ্যা কৰিবলৈ আৰু ঔদ্যোগিক বিশ্বত বিৰাজমান পৰিস্থিতিৰ ভিতৰত এক সম্ভৱপৰ কৌশলৰ জৰিয়তে সমাজবাদী কাৰ্যসূচীৰ সপোন বাস্তৱায়িত কৰিবলৈ প্ৰধানকৈ ব্যৱহাৰ কৰিছিল।

এণ্টনিঅ' গ্ৰামচিৰ দ্বাৰা লিখিত গ্ৰন্থ ঃ

- Prison notebooks
- An Antonio Gramsci Reader
- Selections from cultural writings
- The Southern Question
- Letters from Prison
- The Modern Prince and Other Writings
- A Great and Terrible World



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ Prison notebooks গ্রন্থখন কোনে লিখিছিল ?

.....

.....

গ্রামচিৰ মার্ক্সবাদ ঃ

এণ্টনিঅ' গ্রামচিয়ে ১৯১৭ চনৰ ৰাছিয়া আৰু অধিক উন্নত পশ্চিমীয়া পুঁজিবাদী দেশসমূহৰ মাজত বিদ্যমান অদ্ভুত পার্থক্যবোৰ বুজ লোৱাৰ চেষ্টা কৰিছিল। তেতিয়াৰ পৰা তেওঁ অতি-গাঁথনিমূলক আৰু আন্তঃগাঁথনিমূলক বিবেচনাৰ পৰিসৰৰ পৰা শ্রেণীৰ ক্ষমতাক বিশদভাৱে বিশ্লেষণ কৰাৰ চেষ্টা কৰিছিল। তেওঁ শ্রেণীৰ ক্ষমতা আৰু শ্রেণী শাসনৰ মাজৰ দ্বান্দ্বিক সম্পর্ক আৰু তাৰ পৰা সৃষ্টি হব পৰা এক সুস্থ বিপ্লৱী অনুশীলনৰ এক পুংখানুপুংখ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল।

১২.৪ গ্রামচিৰ তত্ত্বৰ মূল ধাৰণাসমূহ

গ্রামচিৰ প্রায়োগিক দর্শন ঘাইকৈ আদর্শ, আধিপত্য আৰু আংগিক বুদ্ধিজীৱীৰ ধাৰণাঃ এই তিনিটা মূল অৱধাৰণাৰ ওপৰত আধাৰিত। তিনিওটা ধাৰণাৰ সংহতি লক্ষণীয় কাৰণ গ্রামচিয়ে সঘনাই গুৰুত্ব আৰোপ কৰিছিল যে আদর্শ আৰু নাগৰিক সমাজৰ অতি-গাঁথনিক অর্থনৈতিক দৃষ্টিকোণৰ পৰা বস্তুনিষ্ঠভাৱে বিবেচনা কৰা উচিত। এই ধাৰণাসমূহে শ্রেণীৰ ক্ষমতাৰ জটিল প্রকৃতিক নিয়ন্ত্রণ কৰে আৰু পুঁজিবাদী শ্রেণীৰ শাসন আৰু পুঁজিবাদী সমাজব্যৱস্থাক সফলতাৰে প্রত্যাহ্বান জনাব পৰা আৰু উৎখাত কৰিব পৰা এক সুস্থ বিপ্লৱী সংগ্রামৰ বাবে প্রয়োজনীয় দিশবোৰৰ ৰূপৰেখা দাঙি ধৰে। যিদৰে লেনিনে শ্রেণী সংগ্রামত শ্রমিক শ্রেণীৰ ৰাজনৈতিক নেতৃত্বৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, তেনেদৰে গ্রামচিয়ে শ্রেণী সংগ্রামৰ প্রচাৰৰ বাবে শ্রেণীসমূহৰ মাজত নৈতিক আৰু বৌদ্ধিক নেতৃত্বৰ দৰে অনা-অর্থনৈতিক কাৰকসমূহক গুৰুত্ব দিছিল। ইয়াত গ্রামচি প্রকৃত আৰু বিপ্লৱী মার্ক্সবাদৰ আদর্শৰ গুৰুত্ব অনুধাৱন কৰোৱাৰ বাবে কৃতিত্বৰ যোগ্য।

গ্রামচিৰ মার্ক্সবাদত আদর্শৰ ধাৰণা ঃ

গ্রামচিৰ আদর্শৰ ধাৰণা তেওঁৰ পূর্বসূৰীসকলৰ পৰা পৃথক আছিল কাৰণ তেওঁ উপবস্তুবাদ (Epiphenomenalism) আৰু শ্রেণী হ্রাসবাদ (Class reductionism) দুয়োটাৰ প্রৱণতা অতিক্রম কৰিছিল, যাৰ প্রতি তেওঁৰ বেছিভাগ উত্তৰসূৰীৰে অনুৰাগ আছিল। আদর্শগত উপবস্তুবাদ মূলতঃ এই দাবীৰে গঠিত আছিল যে আদর্শগত অতিগাঁথনিটো অর্থনৈতিক আন্তঃগাঁথনিৰ দ্বাৰা যান্ত্রিকভাৱে নির্ধাৰিত আৰু সেই আদর্শৰ সমাজৰ অর্থনৈতিক জীৱন আৰু ইয়াৰ অনুমিত বিপ্লৱী চৰিত্রত কোনো কার্যকৰী ভূমিকা নাছিল। দাবী কৰা অনুসৰি অর্থনৈতিক উৎপাদন পদ্ধতিৰ

ওপৰত আধাৰিত অর্থনৈতিক উত্তেজনা আৰু দ্বন্দ্বই বৈপ্লৱিক বৈপৰীত্যৰ সৃষ্টি কৰে। সৰল ভাষাত ক'বলৈ গ'লে, উৎপাদনৰ সম্পর্ক আৰু উৎপাদনৰ শক্তিৰ মাজত থকা উত্তেজনাৰ লগতে বিপৰীত শ্রেণীৰ অর্থনৈতিক বৈপৰীত্যৰ ফলত সংকটৰ সময়ত সামাজিক ব্যৱস্থাৰ প্রতিষ্ঠানিক আৰু আদর্শগত গঠনত এক গুণগত পৰিৱর্তন ঘটি অৱশেষত এক বিপ্লৱলৈ ৰূপান্তৰিত হয়, যাৰ ফলশ্রুতিত পুঁজিবাদী ব্যৱস্থাৰ পতন ঘটে।

শ্রেণী হ্রাসবাদৰ ধাৰণাই আদর্শ আৰু বিপ্লৱৰ সংমিশ্রণত যুক্তি দিয়ে যে আদর্শৰ অৱশ্যেই এটা শ্রেণীগত চৰিত্র থাকে, অর্থাৎ পুঁজিবাদী শ্রেণীৰ এক আদর্শ আছে আৰু শ্রমিক শ্রেণীৰো আদর্শ আছে, দুয়োটা আদর্শই বিৰোধী আৰু ইয়াৰ প্রত্যেকটোৱেই সম্পূর্ণভাৱে একচেটিয়া বা স্বতন্ত্র।

এণ্টনিঅ' গ্রামচিয়ে প্রায়োগিক, ৰাজনৈতিক-আদর্শগত আলোচনা আৰু উপাদানৰ ক্ষেত্রত আদর্শবাদৰ ধাৰণাক পুনৰ সংজ্ঞায়িত কৰিছিল। গ্রামচিৰ আদর্শৰ ধাৰণাৰ আটাইতকৈ বিশেষ দিশটো হ'ল তেওঁৰ 'আংগিক আদর্শবাদ' (Organic ideology) ৰ ধাৰণা। স্পষ্টভাৱে আদর্শবাদক শ্রেণী শাসনৰ এক ব্যৱস্থা, অর্থাৎ আধিপত্যৰ আধাৰত সংজ্ঞায়িত কৰা হৈছিল, য'ত এক প্রণালীবদ্ধ ব্যৱস্থাত সকলো আদর্শগত উপাদনৰ এক জৈৱিক বা আংগিক বিন্যাস আছিল। এই জটিল বিন্যাসে এক আংগিক আদর্শ গঠন কৰিছিল — যি হৈছে সামাজিক গোটৰ সামূহিক জীৱনৰ অভিব্যক্তি য'ত এটা শ্রেণীৰ হাতত ৰাষ্ট্রৰ ক্ষমতা আছিল আৰু তাৰ আধাৰতে সামাজিক আধিপত্য ৰক্ষা কৰিছিল। সেয়েহে এক নির্দিষ্ট আধিপত্যবাদী ব্যৱস্থাত, এক আধিপত্যবাদী শ্রেণীয়ে ইয়াৰ অর্থনৈতিক আধিপত্যৰ জৰিয়তে ৰাষ্ট্রীয় ক্ষমতা দখল কৰিছিল আৰু অন্যান্য বিষয়ৰ লগতে ইয়াৰ সামর্থ্যৰ জৰিয়তে সফলতাৰে এক সুসংগত, একত্রিত ধৰণে নাগৰিক সমাজৰ নিম্ন শ্রেণীসমূহৰ আদর্শগত আলোচনাৰ আটাইতকৈ প্রয়োজনীয় উপাদানসমূহ প্রকাশ কৰিছিল। এই ক্ষেত্রত আমি ক'ব পাৰো যে এক আংগিক আদর্শ সমগ্র নাগৰিক সমাজত (সামাজিক সংস্থা আৰু সংৰচনা যেনে ঃ পৰিয়াল, গীর্জা, সংবাদ মাধ্যম, বিদ্যালয়, আইনী ব্যৱস্থা আৰু অন্যান্য সংগঠন যেনে ট্রেড ইউনিয়ন, চেম্বাৰ অৱ কমার্চ আৰু অর্থনৈতিক সংগঠন) আর্থ-সামাজিক সম্পর্কৰ এক একত্রিত পদ্ধতিত বিভিন্ন শ্রেণীৰ স্বার্থ আৰু অনুশীলনৰ একত্রীকৰণৰ দ্বাৰা বিস্তৃত হয়।

এতিয়া, এক আংগিক আদর্শৰ উদ্ভৱ হয় গ্রামছিয়ে 'আংগিক বুদ্ধিজীৱী' বুলি কোৱা সামাজিক প্রতিনিধিসকলে কৰা অভিব্যক্তিৰ গতিশীল কার্যৰ পৰা। আৰু এই 'আংগিক বুদ্ধিজীৱীসকল'ৰ কাম হৈছে আংগিক মতাদর্শৰ গঠন আৰু প্রসাৰ। অন্য অর্থত ক'বলৈ গ'লে তেওঁলোক হৈছে আধিপত্যশীল শ্রেণী বা আধিপত্য আৰু চূড়ান্ত ৰাষ্ট্রীয় ক্ষমতাৰ বাবে উচ্চাকাংক্ষী শ্রেণীৰ মাজত মিত্রতা স্থাপন কৰা সামাজিক প্রতিনিধি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ ঃ গ্রামচিৰ মতে আংগিক বুদ্ধিজীৱিসকল কোন?

.....

.....

গ্রামচিৰ আধিপত্যৰ ধাৰণা ঃ

আধিপত্যৰ ধাৰণাটো প্রথমে গ্রামছিয়ে তেওঁৰ "Notes on the Southern Question" (১৯২৬) ত প্রৱর্তন কৰিছিল য'ত 'আধিপত্য'ৰ অর্থ হৈছে বৌদ্ধিক আৰু নৈতিক নেতৃত্ব আৰু তাৰ পিছত সৃষ্টি হোৱা শ্রেণী সংঘবদ্ধতাৰ অন্তর্ভুক্তিৰে হোৱা এক সৰল শ্রেণী সংঘবদ্ধতা আৰু ৰাজনৈতিক নেতৃত্ব। অৱশ্যে, "Prison Notebooks" গ্রন্থত তেওঁ পুনৰ এক অধিক পৰিপক্ক আৰু উন্নত ধাৰণা আগবঢ়াইছিল। সেয়েহে 'আধিপত্য'ৰ উন্নত ধাৰণাটোত দুটা দিশ অন্তর্ভুক্ত হৈ আছে ঃ প্রথমতে ই অনুমান কৰে যে 'আধিপত্যশীল শ্রেণী'য়ে যি শ্রেণী আৰু গোটৰ ওপৰত ইয়াৰ 'আধিপত্য' প্রয়োগ কৰে তেওঁলোকৰ স্বার্থত গুৰুত্ব দিয়ে। দ্বিতীয়তে, 'আধিপত্য'ৰ অর্থ হৈছে এক মৌলিক শ্রেণী অর্থাৎ সম্পর্কৰ এক মৌলিক মেৰুত অৱস্থিত এটা শ্রেণী। অর্থাৎ, আধিপত্যৰ অর্থ হৈছে এটা শ্রেণীৰ বাবে, ব্যৱস্থাটোৰ অন্যান্য শ্রেণীৰ তুলনাত অর্থনৈতিক, ৰাজনৈতিক, নৈতিক আৰু বৌদ্ধিক স্তৰত নেতৃত্বৰ ভূমিকা পালন। কিন্তু এই সমাৱস্থা আধিপত্যশীল শ্রেণীৰ ফালৰ পৰা কিছুমান কর্প'ৰেট স্বার্থ ত্যাগ কৰাৰ পিছতহে উপনীত হয়। এণ্টনিঅ' গ্রামচিৰ দ্বাৰা প্রস্তাৱিত ক্ষমতাৰ ধাৰণাত আধিপত্যৰ এই ধাৰণাটো স্পষ্ট।

গ্রামচিৰ ক্ষমতাৰ ধাৰণা ঃ

গ্রামচিৰ মতে, ক্ষমতা শক্তি সম্পর্কৰ দুটা স্তম্ভৰ ওপৰত আধাৰিত — বাধ্যতা (Dominio) আৰু সন্মতি (Direzione)। নেতা আৰু নেতৃত্বাধীন হিচাপে চিনাক্ত কৰা সামাজিক শক্তিৰ মাজত সমতুল্যতা বজাই ৰখাৰ বাবে ক্ষমতাৰ এই দুটা স্তম্ভ অতি গুৰুত্বপূর্ণ। এই ভাৰসাম্যৰ অৱস্থাটো এক আংগিক সমগ্রতা গঠন কৰা শ্রেণীসমূহৰ এক মিত্রজোঁটেৰে গঠিত যাৰ ভিতৰত বল প্রয়োগ বিপদজনক যদিহে আধিপত্যশীল অৱস্থান আৰু আধিপত্যশীল ব্যৱস্থাৰ নেতৃত্বধাৰী শ্রেণীৰ শাসকীয় অৱস্থাৰ প্রতি ভাবুকি কঢ়িয়াই অনা কোনো জৈৱিক সংকটৰ উদ্ভৱ নহয়। স্পষ্টভাৱে এনেদৰে সংজ্ঞায়িত আধিপত্যশীল শ্রেণীৰ দ্বাৰা ৰাজনৈতিক বা ৰাষ্ট্রীয় শাসন হ'ব এনে এক শাসন য'ত সন্মতিয়ে বাধ্যতাক প্রভাৱিত কৰে। গ্রামচিৰ মতে, নাগৰিক সমাজত সন্মতি আছে আৰু সেয়েহে তাত জয়ী হ'ব লাগিব। আনহাতে, বাধ্যতা ৰাষ্ট্রৰ হাতত থাকে, বিশেষকৈ 'ৰাজনৈতিক সমাজ'ৰ স্তৰত। সেই অনুসৰি, বাধ্যতাৰ ওপৰত সন্মতিৰ প্রাধান্য থকা আধিপত্যশীল শাসনে বহল অর্থত ৰাজনৈতিক সমাজ বা ৰাষ্ট্র আৰু নাগৰিক সমাজৰ মাজৰ ভাৰসাম্যতাক প্রতিনিধিত্ব কৰে। কোৱাৰ প্রয়োজন নাই যে গ্রামচিৰ বাবে ৰাষ্ট্রই ৰাষ্ট্র, আমোলাতন্ত্র, সামৰিক বাহিনী, আৰক্ষী আৰু আদালতৰ দৰে ৰাজহুৱা (বলপূর্বক) সংগঠনৰ সৈতে ভাৰসাম্য বজাই

ৰাখি তথাকথিত ব্যক্তিগত প্রতিষ্ঠান যেনে গীর্জা, ট্রেড ইউনিয়ন, বিদ্যালয় আদিৰ জৰিয়তে সমগ্র সমাজৰ ওপৰত এটা গোটৰ আধিপত্য প্রদর্শন কৰে। সেয়েহে ৰাষ্ট্রৰ সন্মতিৰ ওপৰত বাধ্যতাৰ প্রাধান্যৰ প্রয়োজন নোহোৱাকৈ শক্তি আৰু সন্মতিৰ তাৎক্ষণিক পৰিৱর্তনৰ ওপৰত ৰাষ্ট্রৰ ক্ষমতা নির্ভৰ কৰে।

আমি আৰু সংযোগ কৰিব পাৰো যে জৈৱিক সংকটৰ মাজেৰে পাৰ হৈ থকা যিকোনো আধিপত্যশীল ব্যৱস্থাত, সেই ব্যৱস্থাত ৰাষ্ট্রীয় ক্ষমতাৰ প্রতি আগ্রহী এটা নিম্নবর্গীয় কিন্তু মৌলিক শ্রেণীয়ে নাগৰিক সমাজৰ ভিতৰত আধিপত্য অর্জন কৰিবলৈ এফালে প্রভাৱশালী শ্রেণীক প্রত্যাহ্বান জনাই আন নিম্ন বর্গীয় শ্রেণীৰ স্বার্থ আৰু আকাংক্ষাৰ সৈতে নিজকে খাপ খুৱাই লৈ কাম কৰিব লাগিব। ইয়াক 'সন্মতিৰ দ্বাৰা প্রাধান্য' (শাসনৰ বৈধতা) আৰু ব্যৱস্থাটোৰ ভিতৰত থকা আন শ্রেণীৰ তুলনাত শাসন কৰাৰ বৈধতা লাভ কৰা বুলি কোৱা হয়।

শাসনৰ সন্মতি/বৈধতাৰ দ্বাৰা শাসনৰ অর্থ অধিক ব্যাখ্যা কৰিবলৈ গ্রামচিয়ে তেওঁৰ আদর্শৰ ধাৰণাৰ সহায় লৈছে। গ্রামচিৰ মতে, আধিপত্য ('সন্মতিৰ দ্বাৰা প্রাধান্য') হৈছে এনে এক অৱস্থা য'ত এটা মৌলিক শ্রেণীয়ে এক সাধাৰণ বিশ্বদর্শন বা 'আংগিক আদর্শ'ৰ দ্বাৰা একত্রিত আধিপত্যশীল ব্যৱস্থাৰ ভিতৰত ৰাজনৈতিক, বৌদ্ধিক আৰু নৈতিক নেতৃত্ব বহন কৰে। এই ব্যৱস্থাৰ ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রত এনে ভূমিকাৰ প্রয়োগত বৌদ্ধিক আৰু নৈতিক সংস্কাৰৰ প্রক্রিয়া অন্তর্ভুক্ত হৈ থাকে যাৰ জৰিয়তে 'পূর্বৰ আদর্শগত অৱস্থানৰ ৰূপান্তৰ আৰু আধিপত্যমূলক গাঁথনি আৰু প্রতিষ্ঠানসমূহক এক নতুন ৰূপলৈ পুনৰ নির্ধাৰিত কৰা হয়'। এই ৰূপান্তৰণ আৰু পুনর্নির্ধাৰণ আদর্শগত উপাদানসমূহক এক নতুন বিশ্ব-দৃষ্টিভংগীলৈ পুনৰ গঠনৰ জৰিয়তে সম্ভৱপৰ হয় যি তাৰ পিছত এক 'নতুন সামূহিক ইচ্ছা'ৰ বাবে একত্রীকৰণ নীতি হিচাপে কাম কৰে। এই নতুন বিশ্ব দৃষ্টিভংগীয়ে ব্যৱস্থাটো আৰু ইয়াৰ ভিতৰৰ নিম্নবর্গীয় শ্রেণীসমূহক এটা নতুন আধিপত্যশীল গোটৰ বাবে একত্রিত কৰে যি নতুন আধিপত্যশীল শ্রেণী আৰু ব্যৱস্থাৰ এক নতুন আংগিক আদর্শ গঠন কৰে। তথাপিও, আমি বুজিব লাগিব যে এই নতুন আংগিক আদর্শ নিম্নবর্গীয় শ্রেণীসমূহৰ প্রতি আধিপত্যশীল শ্রেণীয়েপোষণ কৰা পূর্বৱর্তী বিশ্ব-দৃষ্টিভংগীৰ সম্পূর্ণ প্রতিস্থাপন নহয়। ইয়াৰ পৰিৱর্তে এই 'নতুন' বিশ্ব দৃষ্টিভংগী উচ্চাকাংক্ষী আধিপত্যশীল শ্রেণী আৰু ইয়াৰ সন্মতিপূর্ণ নিম্নবর্গীয় শ্রেণীৰ দ্বাৰা তেওঁলোকৰ ধাৰণাত ইতিপূর্বে থকা আদর্শগত উপাদানসমূহৰ পৰা 'সৃষ্ট' বা 'ৰূপায়িত'। এই নতুন আংগিক আদর্শৰ সৃষ্টি 'আদর্শগত সংগ্রাম'ৰ জৰিয়তে দ্বান্দ্বিকভাৱে উপলব্ধি কৰা হয়, অর্থাৎ, আন শব্দত, আন সামাজিক শ্রেণীৰ আদর্শগত উপাদানসমূহক বিবেচনাত লৈ সমাজৰ নতুন সামূহিক ইচ্ছা হিচাপে পুনৰ সংজ্ঞায়িত, পুনৰ নির্ধাৰণ, পুনৰ গঠন আৰু একত্রিকৰণৰ দ্বাৰা ইয়াৰ সৃষ্টি হয়। ইয়াত, গ্রামচিয়ে এটা শ্রেণীৰ চৰিত্র থকা আদর্শৰ ধাৰণাক নাকচ কৰি কয় যে আদর্শগত উপাদানসমূহ কোনো প্রয়োজনীয় শ্রেণীৰ অন্তর্ভুক্ত নহয়, ইপ্রায়ে বহুতো শ্রেণীৰ মাজৰ উমেহতীয়া হয়, আৰু যিহেতু নতুন আধিপত্যশীল ব্যৱস্থা আন সামাজিক শ্রেণীৰ আদর্শগত ঐক্যমতৰ ওপৰত নির্ভৰ কৰে, সেয়ে আধিপত্য আদর্শগত প্রভূত্ব নহয়।

গ্রামচিৰ 'আংগিক বুদ্ধিজীৱি'ৰ ধাৰণা ঃ

গ্রামচিৰ বাবে, 'বুদ্ধিজীৱি' হৈছে সামাজিক প্রতিনিধিৰ এক বিস্তৃত গোট য'ত কেৱল পণ্ডিত আৰু শিল্পী বা তেওঁৰ নিজৰ শব্দত 'সংস্কৃতিৰ সংগঠকে'ই নহয় বৰঞ্চ সমাজত 'কাৰিকৰী' বা 'নির্দেশাত্মক' ক্ষমতা প্রয়োগ কৰা কর্মীসকলকো অন্তর্ভুক্ত কৰা হয়। তেওঁলোকৰ ভিতৰত আমি প্রশাসক আৰু আমোলা, ঔদ্যোগিক ব্যৱস্থাপক আৰু ৰাজনীতিবিদসকলকো বিচাৰি পাওঁ। গ্রামচিয়ে এই বুদ্ধিজীৱিসকলক দুটা ভাগত শ্রেণীবিভাগ কৰিছে ঃ উলম্ব আৰু আনুভূমিক।

উলম্ব ভাগত আমি 'বিশেষজ্ঞসকলক' বিচাৰি পাওঁ যিসকলে বিশেষকৈ 'পুঁজিপতি'ৰ বাবে উদ্যোগ সংগঠিত কৰে (ঔদ্যোগিক ব্যৱস্থাপক আৰু নিৰীক্ষককে ধৰি)। ইয়াত, আমি 'নির্দেশক'কো বিচাৰি পাওঁ, তেওঁলোক হৈছে সাধাৰণতে সমাজৰ আয়োজকসকল।

আনুভূমিক ভাগত, গ্রামচিয়ে বুদ্ধিজীৱিসকলক পৰম্পৰাগত আৰু আংগিক বুদ্ধিজীৱি হিচাপে শ্রেণীবদ্ধ কৰে। পৰম্পৰাগত বুদ্ধিজীৱিসকল হৈছে পৰম্পৰাৰ সৈতে জড়িত সেই বুদ্ধিজীৱিসকল; যিসকল তেওঁলোকৰ সমাজৰ অর্থনৈতিক গাঁথনিৰ সৈতে প্রত্যক্ষভাৱে জড়িত নহয়; কোনো নির্দিষ্ট শ্রেণী বা ৰাজনৈতিক মতাদর্শৰ সৈতেও তেওঁলোকৰ কোনো সম্পর্ক নাথাকে। আনহাতে, আংগিক বুদ্ধিজীৱিসকল তেওঁলোকৰ সমাজৰ অর্থনৈতিক গাঁথনিৰ সৈতে সম্পর্কিত আৰু প্রকৃততে জৈৱিক বা আংগিক আদর্শৰ বিস্তাৰ আৰু প্রচাৰ কৰাৰ ক্ষেত্রত তেওঁলোকৰ ভূমিকা গুৰুত্বপূর্ণ। এই শ্রেণীৰ বুদ্ধিজীৱিসকলে "অর্থনৈতিক ক্ষেত্রত তথা ৰাজনৈতিক আৰু সামাজিক পর্যায়ত তেওঁলোকৰ শ্রেণী সমজাতীয়তা আৰু নিজৰ কার্যৰ বিষয়ে সজাগতা প্রদান কৰে"। গ্রামচিয়ে সমাজৰ অতি-গাঁথনিমূলক স্তৰৰ আনুভূমিক দিশৰ ভিতৰত এই বুদ্ধিজীৱিসকলৰ স্থিতি সম্পর্কে স্পষ্টতা দেখোৱাৰ লগতে প্রভাৱশালী আৰু শ্রমিক শ্রেণীৰ 'আংগিক বুদ্ধিজীৱি" ৰ মাজৰ পার্থক্যসমূহো বর্ণনা কৰিছে। সেয়েহে প্রভাৱশালী শ্রেণীৰ আংগিক বুদ্ধিজীৱিসকলে ৰাজনৈতিক সমাজৰ দমনমূলক অংশসমূহৰ বাবে জনবল আগবঢ়ায়। তথাপিও, আধিপত্যৰ বাবে আগ্রহী এটা শ্রেণীৰ সংগ্রামত, ইয়াৰ আংগিক বুদ্ধিজীৱিসকলে পোনপটীয়াভাৱে সন্মতি পাবৰ বাবে কাম কৰে আৰু সেয়েহে দমনমূলক ৰাজনৈতিক গাঁথনিত বলপূর্বক ভিত্তিত কাম কৰাৰ কোনো স্থিতি নাই। অন্যান্য শ্রেণীৰ পৰম্পৰাগত বুদ্ধিজীৱিসকলক একাত্মকৰণ আৰু পৰাভূত কৰিবলৈ আৰু সংহতিৰ ব্যৱস্থা এটা সৃষ্টি কৰিবলৈ আৰু পুঁজিবাদী সমাজৰ ভেঁটি জোকাৰি যোৱাকৈ প্রগতিশীল হৈ থাকিবলৈ আধিপত্যৰ বাবে এক শ্রেণীৰ সংগ্রামত তেওঁলোকে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

১২.৫ গ্রামচিৰ শ্রেণী সংগ্রামৰ তত্ত্ব

গ্রামচিৰ বাবে, ৰাষ্ট্রীয় ক্ষমতা প্রয়োগ কৰাৰ আগতে শ্রমিক শ্রেণীয়ে নেতৃত্ব লাভ কৰিব লাগিব — অর্থাৎ, "ৰাজনৈতিক, সাংস্কৃতিক আৰু নৈতিক ক্ষেত্রত শাসক শ্রেণী হিচাপে নিজৰ দাবী প্রতিষ্ঠা কৰিব লাগিব। কিন্তু ইয়াক শাসক শ্রেণী বুলি দাবী কৰিবৰ বাবে শ্রমিক শ্রেণীৰ প্রথমে ৰাজনৈতিক ক্ষমতাৰ বাবে হোৱা সংগ্রামত শ্রেণী সচেতনতা থাকিব লাগিব।" ইয়াত

গ্রামচিয়ে প্রক্রিয়াটোৰ দুটা পর্যায়ৰ মাজত পার্থক্য দেখুৱাইছে ঃ প্রথমে কর্প'ৰেট - অর্থনৈতিক পর্যায়, য'ত শ্রেণীটোৱে নিজকে ইয়াৰ সংহত উপাদনসমূহৰ কর্প'ৰেট - অর্থনৈতিক স্বার্থজড়িত এক অর্থনৈতিক গোট হিচাপে চিনাক্ত কৰে। তাৰ পিছত শুদ্ধ "ৰাজনৈতিক পর্যায়", য'ত শ্রেণীটোৱে ইয়াৰ নিজৰ অর্থনৈতিক পৰিধিৰ বাহিৰলৈ গৈ শোষিত শ্রেণীৰ অর্থনৈতিক স্বার্থক প্রতিনিধিত্ব কৰে। এইটো সম্পূর্ণৰূপে ৰাজনৈতিক পর্যায়, "যি গাঁথনিৰ পৰা অতি-ৰূপ বা অতি-গাঁথনিলৈ যোৱাটো বুজায়"। এই মুহূর্তত যেতিয়া শ্রমিক শ্রেণীয়ে নিজকে এক সামাজিক শ্রেণী হিচাপে উপলব্ধি কৰে, তেতিয়া শ্রমিক শ্রেণীয়ে এক ব্যাপক বিশ্ব-দৃষ্টিভংগী (আংগিক আদর্শ) বিকশিত কৰিবলৈ আৰু এক ৰাজনৈতিক কার্যসূচী আগবঢ়াই নিয়াৰ বাবে কাম কৰিব পাৰে আৰু আন আগশাৰীৰ নিম্নবর্গীয় শ্রেণীৰ আকাংক্ষা আৰু স্বার্থবোৰ গ্রহণ কৰিবলৈ বিচৰা এক প্রগতিশীল ৰাজনৈতিক দলৰ ভূমিকা পালন কৰিব পাৰে। আৰু এনে প্রসংগতে শ্রেণী সংগ্রাম 'কৌশলৰ যুদ্ধ'ৰ পৰা 'স্থিতিৰ যুদ্ধ' লৈ সলনি হয়।

গ্রামচিয়ে সাধাৰণ অর্থনৈতিক সংগ্রামৰ পৰা শ্রমিক শ্রেণীৰ জটিল ৰাজনৈতিক সংগ্রামৰ ক্ষেত্রলৈ বিৱর্তন আৰু এক আদর্শগত সংগ্রাম হিচাপে সাংস্কৃতিক ক্ষেত্রত প্রৱেশ কৰাটো 'স্থিতিৰ যুদ্ধ' বুলি অভিহিত কৰিছে। এই আদর্শগত সংগ্রামত শ্রমিক শ্রেণীয়ে অর্থনৈতিক, ৰাজনৈতিক আৰু বৌদ্ধিক উদ্দেশ্যৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ চেষ্টা কৰে আৰু কর্প'ৰেট পর্যায়ৰ সংগ্রামৰ পৰা সার্বজনীন পর্যায়লৈ উন্নীত হৈ ইতিপূর্বে প্রচলিত আদর্শগত উপাদানসমূহৰ গঠন-বিঘটনত জড়িত হৈ পৰে।

ইয়াত গ্রামচিয়ে প্রতিফলিত কৰে যে আদর্শৰ কেতিয়াও শ্রেণীৰ চৰিত্র থাকিব নোৱাৰে আৰু ইয়াক কেৱল দুটা বিপৰীত শ্রেণীৰ (বুর্জোৱা আৰু প্রলিটেৰিয়েট শ্রেণী) মাজৰ সংঘর্ষতে সীমিত ৰখাটো ভুল। ইয়াৰ পৰিৱর্তে, ই 'অধিগ্রহণ"ৰ বাবে দুটা আধিপত্যশীল নীতিৰ মাজত হোৱা প্রকৃত সংগ্রামহে, য'ত আদর্শগত উপাদানসমূহ আৰোপিত কৰা নহয়, যাৰ ফলত পূর্বৰ আদর্শগত ক্ষেত্রৰ বিঘটন হ'ব পাৰে আৰু আদর্শগত উপাদানসমূহ পুনৰ এক নতুন ৰূপলৈ ৰূপান্তৰিত হ'ব পাৰে যি তাৰ পিছত এক নতুন সামূহিক ইচ্ছা প্রকাশ কৰে আৰু নতুন ঐক্যমত আৰু কার্যকৰী আধিপত্যশীল শাসনৰ আধাৰ হিচাপে কাম কৰে। আধিপত্য লাভ কৰি বিপ্লৱৰ বাবে এই পদ্ধতি আৰু ৰণনীতি দ্বান্দ্বিকভাৱে একত্রিত হয় আৰু পুঁজিবাদী সমাজৰ ভেঁটি জোকাৰিবলৈ শ্রমিক শ্রেণীৰ বাবে ব্যৱহাৰিকভাৱে প্রাসংগিক হৈ পৰে।



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এণ্টনিঅ' গ্রামচিয়ে পৰম্পৰাগত মার্ক্সবাদী চিন্তাবিদসকলৰ অর্থনৈতিক নির্ণয়বাদক নাকচ কৰিছিল আৰু আদর্শ আৰু সংস্কৃতিৰ দৰে অনা-অর্থনৈতিক কাৰকসমূহক গুৰুত্ব দিছিল য'ত শাসক শ্রেণী বা পুঁজিবাদী সমাজে সন্মতিৰে শ্রমিক শ্রেণীৰ ওপৰত শাসন কৰিছিল।

- এই আধিপত্য "ৰাজনৈতিক সমাজ" আৰু নাগৰিক সমাজ" ত সন্মতি আৰু বাধ্যতা দুয়োটাৰে মিশ্রণৰ দ্বাৰা প্রাপ্ত হয়।
- গ্রামচিয়ে আদর্শ, আধিপত্য আৰু আংগিক বুদ্ধিজীৱীৰ দৰে তিনিটা মৌলিক ধাৰণাৰ সহায়ত মার্ক্সবাদী তত্ত্বৰ ধাৰণা সম্প্রসাৰিত কৰিছিল আৰু শাসক পুঁজিবাদী শ্রেণী অর্থাৎ বুর্জোৱা শ্রেণীয়ে কেনেদৰে কোনো হিংসা অবিহনে কিন্তু সন্মতিৰ দ্বাৰা শ্রমিক শ্রেণীৰ ওপৰত ইয়াৰ বাধ্যতা প্রতিষ্ঠা আৰু ৰক্ষণাবেক্ষণ কৰে তাৰ এক বস্তুনিষ্ঠ তত্ত্ব প্রস্তুত কৰিছিল।
- এই সন্মতি 'নাগৰিক সমাজ'ত 'ৰাজনৈতিক সমাজ'ৰ ৰাজনৈতিক আৰু অর্থনৈতিক বাধ্যতাৰ সৈতে আদর্শৰ জৰিয়তে প্রাপ্ত কৰা হয়।



১২.৭ অধিক জানিবলৈ

1) Althusser, Louis (1977). *For Marx*. London: New Left Books.
2) Althusser, Louis. (2001). *Lenin and Philosophy*. New York: MonthlyReview Press.
3) Gramsci, Antonio. (1971). *Selections from the Prison Notebooks*. NewYork: International Publishers.



১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ এণ্টনিঅ' গ্রামচি।

২ নং প্রশ্নৰ উত্তৰ ঃ আংগিক বুদ্ধিজীৱীসকল হৈছে সামাজিক অভিকর্তাৰ এটা শ্রেণী যি এক আধিপত্যশীল শ্রেণীৰ সৈতে মিত্রতা বহন কৰে আৰু আংগিক মতাদর্শ প্রচাৰৰ বাবে দায়বদ্ধ হৈ থাকে।



১২.৯ আহিঁ প্রশ্ন

ক) সংক্ষিপ্ত প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দত দিয়ক)

প্রশ্ন ১ ঃ আংগিক বুদ্ধিজীৱীসকল কোন?

প্রশ্ন ২ ঃ গ্রামচিয়ে "আধিপত্য" শব্দটোৰ দ্বাৰা কি বুজায়?

প্রশ্ন ৩ ঃ গ্রামচিয়ে কেনেদৰে ক্ষমতাৰ ধাৰণা আগবঢ়াইছিল?

খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দত দিয়ক)

প্রশ্ন ১ ঃ এন্টনিঅ' গ্রামচিৰ পৰম্পৰাগত মার্ক্সবাদৰ সমালোচনা আৰু শ্রেণী সংগ্রামৰ বিষয়ে তেওঁৰ বোধগম্যতা বিশ্লেষণ কৰক।

প্রশ্ন ২ ঃ গ্রামচিৰ প্রায়োগিক তত্ত্বৰ মূল ধাৰকসমূহৰ বিষয়ে বর্ণনা কৰক।

*** ***** ****

অধ্যায় ১৩ ঃ লুইছ আলথুছাৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ৰাষ্ট্ৰৰ তত্ত্ব
১৩.৪ পুনৰ উৎপাদন
১৩.৫ বিপ্লৱ বিজ্ঞান
১৩.৬ ৰাজনীতি
১৩.৭ আপেক্ষিক স্বায়ত্ত্বতা
১৩.৮ অত্যাধিক নির্ধাৰণ তত্ত্ব
১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১০ অধিক জানিবলৈ
১৩.১১ অগ্রগতিৰ খতিয়ান
১৩.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মাৰ্ক্সবাদী পৰম্পৰালৈ আলথুছাৰৰ অৱদান বুজিবলৈ সক্ষম হ'ব।
- ৰাষ্ট্ৰ, আপেক্ষিক স্বায়ত্ত্বতা, অত্যাধিক নির্ধাৰণ আৰু পুনৰ উৎপাদনৰ বিষয়ে তেওঁ আগবঢ়োৱা তত্ত্বসমূহ ব্যাখ্যা কৰিব পাৰিব।
- মাৰ্ক্সবাদী তত্ত্বসমূহৰ ভিতৰত থকা দ্বন্দ্ব আৰু গতিশীলতাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

লুই পিয়েৰ আলথুছাৰ বিংশ শতিকাৰ অন্যতম প্ৰভাৱশালী মাৰ্ক্সবাদী দাৰ্শনিক আছিল। মাৰ্ক্সবাদী চিন্তাধাৰাৰ নৱীকৰণৰ লগতে মাৰ্ক্সবাদক দাৰ্শনিকভাৱে সন্মানীয় কৰি তোলাৰ উদ্দেশ্যেৰে ১৯৬০-ৰ দশকত মাৰ্ক্সবাদী দৰ্শনৰ বিষয়ে তেওঁ আগবঢ়োৱা দাবীবোৰ বিশ্বজুৰি আলোচনা আৰু বিতর্ক কৰা হৈছিল। ১৯৯০-ৰ দশকৰ মাজভাগতে সংকলিত আৰু অনুদিত হোৱা স্বত্ত্বেও, আলথুছাৰৰ ১৯৬১ চনৰ আগৰ লিখনিসমূহৰ ওপৰত শেহতীয়া সময়লৈকে তুলনামূলকভাৱে কম সমালোচনামূলক গুৰুত্ব দিয়া হৈছিল। মাৰ্ক্সবাদী তত্ত্ববোৰ পুনৰুজ্জীৱিত কৰি মাৰ্ক্সবাদী পৰম্পৰালৈ তেওঁ আগবঢ়োৱা অৱদান সমাজতাত্ত্বিক আলোচনাৰ বাবে প্ৰাসংগিক। সেয়ে এই

অধ্যায়টোত আলথুছাৰৰ বিভিন্ন তত্ত্বৰ ওপৰত আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে যিয়ে মার্ক্সবাদক বুজি পোৱাৰ এক নতুন পথ প্রশস্ত কৰিব।

১৩.৩ ৰাষ্ট্র সম্পর্কীয় সিদ্ধান্তসমূহ

মার্ক্সবাদী পৰম্পৰা অনুসৰি, ৰাষ্ট্রক স্পষ্টভাৱে এক দমনমূলক সঁজুলি হিচাপে বিবেচনা কৰা হয়। ৰাষ্ট্র হৈছে দমনৰ এক 'আহিলা' বা 'যন্ত্র', যাৰ জৰিয়তে ৰাহি মূল্যৰ আহৰণ (surplus value extortion) কৰি (অর্থাৎ, পুঁজিবাদী শোষণ) শাসক শ্রেণীয়ে শ্রমিক শ্রেণীৰ ওপৰত তেওঁলোকৰ আধিপত্য নিশ্চিত কৰে। সেয়েহে ৰাষ্ট্রক সর্বপ্রথমে মার্ক্সবাদীসকলে এক আহিলা বুলি অভিহিত কৰিছে। এই শব্দটোৱে কেৱল আৰক্ষী, আদালত, কাৰাগাৰকে ধৰি ৰাজ্যখনৰ আইন নির্ণয়কাৰীকেই অন্তর্ভুক্ত নকৰে, বৰঞ্চ সেনাবাহিনী, ৰাষ্ট্রৰ মুৰব্বী, চৰকাৰ আৰু প্রশাসনকো অন্তর্ভুক্ত কৰে। সেয়েহে ক'ব পাৰি যে শ্রমিক শ্রেণীৰ বিৰুদ্ধে বুর্জোৱা আৰু সহযোগীসকলে চলোৱা শ্রেণী সংগ্রামত 'শাসক শ্রেণীৰ স্বার্থত' দমনমূলক ৰূপায়ণ আৰু হস্তক্ষেপৰ এক শক্তি হিচাপে ৰাষ্ট্রক ৰাষ্ট্র আহিলাই সংজ্ঞায়িত কৰে, আৰু ইয়ে ইয়াৰ মৌলিক 'কার্য'ৰ নির্দিষ্ট সংজ্ঞা দিয়ে।

আলথুছাৰৰ মতে, ৰাষ্ট্রৰ প্রকৃতিৰ এই উপস্থাপন এতিয়াও আংশিকভাৱে বর্ণনামূলক। তেওঁৰ মতে ৰাষ্ট্রৰ এই বর্ণনামূলক তত্ত্বটো নিঃসন্দেহে তত্ত্বটোৰ অপৰিৱর্তনীয় আৰম্ভণি। এই তত্ত্বটোৰ বর্ণনামূলক উপস্থাপনত এই 'বৈপৰীত্য'ৰ প্রভাৱ হিচাপে, তত্ত্বটোক এনেভাৱে বিকাশ কৰাৰ প্রয়োজন আছে, যি 'বর্ণনাধর্মিতা'ৰ বাহিৰলৈ যায়। এইদৰে ৰাষ্ট্রৰ বর্ণনামূলক তত্ত্বটোৱে তত্ত্বটোৰ বিন্যাসৰ এটা পর্যায়ক প্রতিনিধিত্ব কৰে যি নিজেই এই পর্যায়টোৰ 'অতিৰিক্তকৰণ' দাবী কৰে। আলথুছাৰৰ বাবে, প্রতিটো বর্ণনামূলক তত্ত্বই তত্ত্বৰ বিকাশক 'বাধা' দিয়াৰ বিপদাশংকা বহন কৰে যদিও তাৰ বাবে এই বিকাশ অত্যাৱশ্যকীয়। সেয়েহে, ৰাষ্ট্রৰ কার্যকলাপৰ প্রণালীবোৰ অধিক বুজাৰ বাবে, ৰাষ্ট্রৰ ধ্রুপদী সংজ্ঞাত ৰাষ্ট্র আহিলা হিচাপে কিবা এটা সংযোগ কৰাটো অপৰিহার্য।

বর্ণনামূলক তত্ত্বৰ পৰা তত্ত্বলৈ ওপৰোক্ত পৰিৱর্তন ব্যাখ্যা কৰি, আলথুছাৰে ৰাষ্ট্র সম্পর্কীয় নিজা তত্ত্ব প্রদান কৰিবলৈ চেষ্টা কৰে। তেওঁৰ মতে, ৰাষ্ট্র ক্ষমতা হিচাপে কাম কৰাৰ বাহিৰে ৰাষ্ট্রৰ কোনো অর্থ নাই। সমগ্র ৰাজনৈতিক শ্রেণী সংগ্রাম ৰাষ্ট্রক কেন্দ্র কৰি চলি থাকে। ইয়াৰ অর্থ হৈছে এটা নির্দিষ্ট শ্রেণীৰ দ্বাৰা অথবা শ্রেণী ভগ্নাংশ বা শ্রেণীৰ মাজত মিত্রতাৰ দ্বাৰা ৰাষ্ট্র ক্ষমতাৰ দখল আৰু সংৰক্ষণ। ৰাষ্ট্র আৰু ৰাষ্ট্র ক্ষমতাৰ মাজৰ পার্থক্য মার্ক্সে দাঙি ধৰিছিল আৰু দাবী কৰিছিল যে ঃ ১) ৰাষ্ট্র হৈছে দমনমূলক ৰাষ্ট্র আহিলা। ২) ৰাষ্ট্র ক্ষমতা আৰু ৰাষ্ট্র আহিলা পৃথক হব লাগিব। ৩) শ্রেণী সংগ্রামৰ উদ্দেশ্য ৰাষ্ট্র ক্ষমতাৰ সৈতে সম্পর্কিত, আৰু ইয়াৰ ফলস্বৰূপে ৰাষ্ট্র ক্ষমতা ধৰি ৰখা শ্রেণীসমূহে তেওঁলোকৰ শ্রেণীৰ উদ্দেশ্য সিদ্ধিৰ বাবে ৰাষ্ট্র আহিলাক ব্যৱহাৰ কৰে, আৰু ৪) শ্রমিক শ্রেণীয়ে প্রচলিত বুর্জোৱা ৰাষ্ট্র আহিলা ধ্বংস কৰিবলৈ

হ'লে ৰাষ্ট্ৰ ক্ষমতা দখল কৰিব লাগিব আৰু প্ৰথম পৰ্যায়ত ইয়াক সম্পূৰ্ণ পৃথক প্ৰলিটেৰিয়ান ৰাষ্ট্ৰ আহিলালৈ সলনি কৰিব লাগিব, তাৰ পিছত পৰৱৰ্তী পৰ্যায়ত এক সংস্কাৰকামী প্ৰক্ৰিয়া আৰম্ভ কবি লাগিব, যিটো হ'ল ৰাষ্ট্ৰৰ ধ্বংস।

ৰাষ্ট্ৰ, ৰাষ্ট্ৰ আহিলা আৰু ৰাষ্ট্ৰ ক্ষমতাৰ মাজৰ পাৰ্থক্য ব্যাখ্যা কৰা স্বত্বেও, আলথুছাৰৰ মতে, ৰাষ্ট্ৰৰ মাৰ্ক্সবাদী তত্ত্ব বৰ্ণনামূলক প্ৰকৃতিৰ আছিল। ইয়াৰ পৰিৱৰ্তে, আলথুছাৰে আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ (Ideological State Apparatus) ধাৰণাৰ জৰিয়তে ৰাষ্ট্ৰৰ তত্ত্বটো আগুৰাই নিয়াৰ চেষ্টা কৰিছিল।

আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা দমনমূলক ৰাষ্ট্ৰ আহিলাৰ পৰা পৃথক। ওপৰত আলোচনা কৰা অনুসৰি দমনমূলক ৰাষ্ট্ৰ আহিলাত চৰকাৰ, প্ৰশাসন, সেনা, আৰক্ষী, আদালত আৰু কাৰাগাৰ অন্তৰ্ভুক্ত থাকে। এই ৰাষ্ট্ৰ আহিলাসমূহে 'হিংসাৰ দ্বাৰা কাম কৰে'। আনহাতে, আলথুছাৰে নিম্নোল্লিখিত সংস্থাসমূহক আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা (ISA) হিচাপে গণ্য কৰিছেঃ

- ধৰ্মীয় আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- শৈক্ষিক আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- পৰিয়াল আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- আইনী আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- ৰাজনৈতিক আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- শ্ৰমিক সংঘ আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- যোগাযোগ আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা
- সাংস্কৃতিক আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা

দমনমূলক ৰাষ্ট্ৰ আহিলা আৰু আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ মাজৰ পাৰ্থক্যবোৰৰ ভিতৰত আছে ঃ

- এক দমনমূলক ৰাষ্ট্ৰ আহিলাৰ বিপৰীতে আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ বহুত্ব আছে।
- দমনমূলক ৰাষ্ট্ৰ আহিলা সম্পূৰ্ণৰূপে ৰাজহুৱা ক্ষেত্ৰৰ অন্তৰ্গত, আনহাতে আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা বৃহৎ অংশ ব্যক্তিগত ক্ষেত্ৰৰ অন্তৰ্গত।
- দমনমূলক ৰাষ্ট্ৰ আহিলাই 'হিংসাৰ দ্বাৰা' কাম কৰে, আনহাতে আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাই 'আদৰ্শৰ দ্বাৰা' কাম কৰে।

এই কথাটো আলোচনা কৰোঁতে আলথুছাৰে এই কথা স্পষ্ট কৰি দিয়ে যে দমনমূলক ৰাষ্ট্ৰ আহিলা আৰু আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা উভয়েই হিংসা আৰু আদৰ্শৰ দ্বাৰা কাম কৰে। দমনমূলক ৰাষ্ট্ৰ আহিলাৰ ক্ষেত্ৰত ই প্ৰাথমিকভাৱে হিংসাৰ দ্বাৰা কাম কৰে আৰু দ্বিতীয়তে ই আদৰ্শৰ কাম কৰে। আনহাতে আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাই প্ৰাথমিকভাৱে আদৰ্শৰ দ্বাৰা আৰু দ্বিতীয়তে দমনৰ দ্বাৰা কাম কৰে। ইয়াৰ পৰা আলথুছাৰে কয় যে কোনো শ্ৰেণীয়েই একে সময়তে আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ ওপৰত নিজৰ আধিপত্য প্ৰয়োগ নকৰাকৈ দীঘলীয়া সময়ৰ বাবে ৰাষ্ট্ৰৰ ক্ষমতা ধৰি ৰাখিব নোৱাৰে।

১৩.৪ পুনৰ উৎপাদন (Reproduction)

মার্ক্সে উৎপাদন পদ্ধতিৰ ধাৰণাৰ জৰিয়তে ঐতিহাসিক বস্তুবাদক ব্যাখ্যা কৰিছিল। উৎপাদনৰ উপাদান আৰু উৎপাদনৰ সম্পৰ্কৰে উৎপাদনৰ পদ্ধতি গঠিত হয়। উৎপাদনৰ উপাদান হৈছে ভূমি, প্ৰাকৃতিতক সম্পদ, প্ৰযুক্তি, সামগ্ৰী উৎপাদনৰ বাবে প্ৰয়োজনীয় শ্ৰম আদি। আনহাতে, উৎপাদনৰ সম্পৰ্ক হৈছে মানুহে উৎপাদনৰ উপাদানসমূহ আহৰণ আৰু ব্যৱহাৰ কৰাৰ সময়ত সৃষ্টি হোৱা সামাজিক সম্পৰ্ক। মার্ক্সে লক্ষ্য কৰিছিল যে যিকোনো সমাজৰ ভিতৰত উৎপাদনৰ উপাদান আৰু উৎপাদনৰ সম্পৰ্ক সলনি হোৱাৰ লগে লগে উৎপাদনৰ পদ্ধতি সলনি হয়। মার্ক্সৰ মতে উৎপাদনৰ চূড়ান্ত অৱস্থা হৈছে উৎপাদনৰ অৱস্থাৰ পুনৰ উৎপাদন। ই অতি সৰলো হ'ব পাৰে (উৎপাদনৰ ঠিক পূৰ্বৰ চৰ্তবোৰ পুনৰ সৃষ্টি কৰা) বা এক সম্প্ৰসাৰিত পৰিসৰতো হ'ব পাৰে (ইয়াক বিস্তাৰিত কৰা)। অস্তিত্ব বজাই ৰাখিবলৈ হ'লে, উৎপাদনৰ পদ্ধতি অনুসৰণ কৰা প্ৰতিটো সামাজিক সংৰচনাই ইয়াৰ উৎপাদনৰ পৰিস্থিতিৰ পুনৰ উৎপাদন কৰিব লাগিব আৰু উৎপাদন কৰিবলৈ সক্ষম হ'ব লাগিব। সেয়েহে ই উৎপাদনশীল শক্তি আৰু প্ৰচলিত উৎপাদন সম্পৰ্কসমূহ সৃষ্টি কৰিব লাগিব। উৎপাদন শক্তিৰ সন্দৰ্ভত, আলথুছাৰে আন এটা দিশৰ ওপৰতো আলোকপাত কৰিছে — শ্ৰম শক্তিৰ পুনৰ উৎপাদন। শ্ৰম শক্তিৰ পুনৰ উৎপাদনে কেৱল দক্ষতাৰ পুনৰ উৎপাদনকে নুবুজাই, বৰঞ্চ শাসক শ্ৰেণীৰ আদৰ্শৰ প্ৰতি ইয়াৰ বশ্যতাৰ পুনৰ উৎপাদনো বুজাই, যি আদৰ্শগত বশ্যতাৰ যোগেদি শ্ৰম শক্তিৰ দক্ষতাৰ পুনৰ উৎপাদনৰ ব্যৱস্থা কৰা হয়।

উৎপাদন সম্পৰ্কৰ পুনৰ উৎপাদন ব্যাখ্যা কৰিবলৈ, আলথুছাৰে দমনমূলক ৰাষ্ট্ৰ আহিলা আৰু আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ ধাৰণাসমূহৰ সহায় লৈছে। এক দমনমূলক ব্যৱস্থা হোৱাৰ বাবে মূলতঃ উৎপাদন সম্পৰ্কৰ পুনৰ উৎপাদনৰ ৰাজনৈতিক পৰিস্থিতি বলপূৰ্বকভাৱে সুৰক্ষিত কৰাত দমনমূলক ৰাষ্ট্ৰ আহিলাই ভূমিকা পালন কৰে, যাক শোষণৰ অন্তিম উপায় বা পদ্ধতি বুলি ক'ব পাৰি। ইয়াৰ উপৰিও, আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাই দমনমূলক ৰাষ্ট্ৰ আহিলাই প্ৰদান কৰা 'ঢাল'ৰ আঁৰত উৎপাদন সম্পৰ্কৰ পুনৰ উৎপাদনক বহুলাংশে সুৰক্ষিত কৰে। ইয়াতেই ৰাষ্ট্ৰ ক্ষমতা অধিকাৰ কৰা শাসকৰ আদৰ্শৰ ভূমিকা যথেষ্ট পৰিমাণে কেন্দ্ৰীভূত হৈ আছে। শাসকৰ আদৰ্শৰ মধ্যস্থতাই দমনমূলক ৰাষ্ট্ৰ আহিলা আৰু আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ মাজত তথা অন্যান্য বিভিন্ন আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ মাজত এক সম্প্ৰীতি নিশ্চিত কৰে। শাসক শ্ৰেণীৰ দ্বাৰা সৃষ্টি হোৱা এই আন্তঃসংযোগে উৎপাদন সম্পৰ্কৰ পুনৰ উৎপাদন কৰে। এই সন্দৰ্ভত আলথুছাৰে সাৰাংশ দাঙি ধৰিছে যে ঃ

- সকলো আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাই, সেইবোৰ লাগিলে যিয়েই নহওঁক, একেটা ফলাফলতে অৰিহণা যোগায় ঃ উৎপাদনৰ সম্পৰ্কৰ পুনৰ উৎপাদন, অৰ্থাৎ শোষণৰ পুঁজিবাদী সম্পৰ্ক।
- ইয়াৰ প্ৰত্যেকেই এই একক ফলাফলৰ প্ৰতি সঠিকভাৱে অৰিহণা যোগায়। উদাহৰণস্বৰূপে, ৰাজনৈতিক আহিলাই ব্যক্তিসকলক ৰাজনৈতিক ৰাষ্ট্ৰৰ আদৰ্শৰ অধীন

কৰি এনে কৰে। সংবাদ মাধ্যম, ৰেডিঅ' আৰু দূৰদৰ্শনৰ দৰে মাধ্যমৰ জৰিয়তে প্ৰতিজন নাগৰিকক জাতীয়তাবাদ, উগ্ৰ জাতীয়তাবাদ, উদাৰতাবাদ, নৈতিকতাবাদ আদিৰে দৈনিক আৱৰি ৰাখি যোগাযোগ আহিলাই এনে কৰে।

- এই প্ৰক্ৰিয়াটো বৰ্তমানৰ শাসক শ্ৰেণীৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত।
- তথাপিও এটা আদৰ্শমূলক ৰাষ্ট্ৰ আহিলাৰ নিশ্চিতভাৱে প্ৰভাৱশালী ভূমিকা আছে আৰু সেইয়া হ'ল শিক্ষানুষ্ঠান।

এনেদৰে দমনমূলক আৰু আদৰ্শমূলক ৰাষ্ট্ৰ আহিলা দুয়োটাই শ্ৰেণী সংগ্ৰামৰ দ্বাৰা ইয়াৰ অস্তিত্বৰ দ্বাৰা ভাবুকিৰ সন্মুখীন হোৱা উৎপাদন পদ্ধতিৰ উৎপাদন সম্পৰ্কৰ পুনৰ উৎপাদনত এক নিৰ্ণায়ক ভূমিকা পালন কৰে।

১৩.৫ বিপ্লৱ বিজ্ঞান (Revolutionary Science)

মাৰ্ক্সবাদী আৰু বিপ্লৱী তত্ত্বৰ ওপৰত বৰ্তমানৰ বিতৰ্কৰ ৰূপ আৰু বিষয়বস্তু দুয়োটাতে আলথুছাৰে যথেষ্ট প্ৰভাৱ পেলাইছে। মানৱতাবাদৰ দৰে সকলো 'আদৰ্শগত' ফান্দৰ পৰা মুক্ত এক 'বৈজ্ঞানিক' মাৰ্ক্সবাদৰ বাবে আপোচবিহীনভাৱে আলথুছাৰে মাৰ্ক্সবাদী তত্ত্বৰ পৰা পৃথক হোৱাৰ এক নতুন বিন্দুক উপস্থাপন কৰিবলৈ চেষ্টা কৰে। তেওঁৰ নতুন ধাৰণাসমূহ পুৰণি চিন্তাসমূহৰ পুনৰ ব্যাখ্যাৰ এক ৰূপ, য'ত তেওঁ সঠিক মাৰ্ক্সবাদী বিজ্ঞান আৰু তত্ত্বৰ বিবৃতি প্ৰতিনিধিত্ব কৰা বুলি ধাৰণা কৰা এক বিমূৰ্ত তাত্ত্বিক প্ৰণালী ব্যাখ্যা কৰিছে। এই পুনৰ ব্যাখ্যা কেৱল নিষ্ক্ৰিয় নহয়, বৰঞ্চ ইয়াত আলথুছাৰে তেওঁৰ নিজৰ জ্ঞান আৰু দাৰ্শনিক ব্যুৎপত্তি প্ৰয়োগ কৰিছে, যি ধ্ৰুপদী মাৰ্ক্সবাদৰ পুনৰ ব্যাখ্যাৰ লগতে আৰু মৌলিক অন্তৰ্দৃষ্টি আৰু তত্ত্ব প্ৰদান কৰে।

আলথুছাৰৰ লক্ষ্য হৈছে ৰূপ (মাৰ্ক্সবাদ জ্ঞানতাত্ত্বিক স্থিতি) আৰু বিষয়বস্তু (মাৰ্ক্সবাদী বিজ্ঞানে কৰা প্ৰকৃত আৱিষ্কাৰ) দুয়োটা দৃষ্টিকোণৰ পৰা মাৰ্ক্সবাদৰ এক নিৰ্দিষ্ট ধাৰণা আৰু ব্যাখ্যা আগবঢ়োৱা। তেওঁৰ মূল লক্ষ্য আছিল মাৰ্ক্সবাদী দৰ্শনৰ অনুসন্ধান, বিশেষকৈ জ্ঞানতাত্ত্বিক দৃষ্টিকোণৰ পৰা। তেওঁৰ নিজৰ পৰিভাষাত তেওঁৰ আলোচনা এটা 'তত্ত্ব সম্পৰ্কীয় তত্ত্ব' আৰু এটা বিজ্ঞানৰ তত্ত্বৰ সৈতে জড়িত।

আলথুছাৰৰ জ্ঞানতাত্ত্বিক স্থিতি হ'ল যে জ্ঞান আৰু কাৰ্যৰ সকলো প্ৰশ্নৰ উত্তৰ প্ৰাকৃতিক বিজ্ঞানৰ পদ্ধতিৰ দ্বাৰা সৰ্বশ্ৰেষ্ঠভাৱে দিয়া হয় আৰু প্ৰাকৃতিক বিজ্ঞানে নিজাববীয়াকৈ যিকোনো আৰু সকলো পৰিঘটনা ব্যাখ্যা কৰিব পাৰে। যদিও আলথুছাৰে নিশ্চিতভাৱে বৈজ্ঞানিক অনুশীলনক সমৰ্থন কৰিছিল, তেওঁ জ্ঞান আৰু কাৰ্যৰ সকলো প্ৰশ্নৰ প্ৰাকৃতিক বিজ্ঞানৰ পদ্ধতিৰ দ্বাৰা দিয়া উত্তৰ সৰ্বশ্ৰেষ্ঠ বুলি বিশ্বাস কৰা নাছিল। উদাহৰণস্বৰূপে, তেওঁ যুক্তি দিছিল যে শৈল্পিক আৰু দাৰ্শনিক অনুশীলনে বিশ্ব সম্পৰ্কে সমালোচনামূলক সজাগতা সৃষ্টি কৰিব পাৰে আৰু এই অনুশীলনে আনকি সামাজিক পৰিৱৰ্তনৰো সৃষ্টি কৰিব পাৰে। তেওঁ এইটোও ভবা নাছিল যে প্ৰাকৃতিক বিজ্ঞানে যিকোনো পৰিঘটনাৰ সত্য ব্যাখ্যা কৰিব পাৰে বা সামাজিক জগত আৰু ইয়াৰ ইতিহাস প্ৰাকৃতিক জগতৰ নিয়মসমূহৰ আধাৰত সম্পূৰ্ণৰূপে ব্যাখ্যা কৰিব পৰা যায়। তেওঁ

সম্পূর্ণ বিশ্বাস কৰা নাছিল যে সমাজ বিজ্ঞানে আমাক নিজৰ বিষয়ে, আমাৰ ব্যক্তিগত আৰু সামূহিক প্ৰকৃতিৰ বিষয়ে, বা আমাৰ ভৱিষ্যতৰ সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ বিষয়ে সত্য জনাব পাৰে। সেয়েহে তেওঁৰ কাম বিজ্ঞানবাদৰ সংজ্ঞাৰ সৈতে সঠিকভাৱে খাপ নাখায়। তথাপিও, আলথুছাৰে ধাৰাবাহিকভাৱে যুক্তি দিছিল যে বিজ্ঞান হৈছে একমাত্ৰ মানৰ তাত্ত্বিক অনুশীলন যিয়ে আমাক সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক গাঁথনিবোৰ নিৰ্ভৰযোগ্যভাৱে বুজিবলৈ অনুমতি দিয়ে যাতে ইচ্ছাকৃতভাৱে সেইবোৰৰ ৰূপান্তৰত সহায় কৰা সম্ভৱপৰ হৈ পৰে। বিজ্ঞান, আৰু বিশেষকৈ ইতিহাসৰ মাৰ্ক্সবাদী বিজ্ঞান, ঐতিহাসিক বস্তুবাদে এনে কৰিব পাৰে, কিয়নো তেওঁ যুক্তি দিছিল, ই আমাক সমাজৰ বাবে কি ভাল আৰু ৰাজনৈতিকভাৱে কি কৰিব লাগে সেই বিষয়ে আমাৰ আদৰ্শগত ধাৰণাৰ উৎপত্তি বুজিবলৈ সুযোগ দিয়ে। ইয়াৰ উপৰিও ই আমাক এই ধাৰণাবোৰ সমালোচনা কৰিবলৈ আৰু বিজ্ঞানসন্মত বোধগম্যতাৰে সিহঁতক সলনি কৰিবলৈ সক্ষম কৰি তোলে, যিয়ে বুজাই দিয়ে যে আমি কিয় চিন্তা কৰোঁ আৰু আমি কিয় কৰি থকা ধৰণে কাম কৰোঁ। ইয়াৰ ফলস্বৰূপে, এই জ্ঞানে আমাক ৰাজনৈতিক কাৰ্যৰ বাবে নতুন পৰিকল্পনা কৰিবলৈ অনুমতি দিয়ে, যিবোৰ এক বিশেষ ঐতিহাসিক পৰিসৰত কাম কৰা প্ৰকৃত প্ৰক্ৰিয়া আৰু ইয়াৰ সম্ভাব্য ৰূপান্তৰৰ সমালোচনামূলক আৰু বিজ্ঞানসন্মত বুজাবুজিৰ ওপৰত আধাৰিত। সাধাৰণতে প্ৰচলিত আৰ্থ-সামাজিক সম্পৰ্কসমূহৰ পুনৰ উৎপাদন কৰা আদৰ্শগত অনুশীলনৰ বিপৰীতে আলথুছাৰৰ বাবে ঐতিহাসিক বস্তুবাদৰ গুৰুত্বপূৰ্ণ দিশ হ'ল এবাৰ প্ৰতিষ্ঠা হোৱাৰ পিছত ইয়াৰ অনুশীলনে আমাৰ সামাজিক আৰু প্ৰাকৃতিক সম্পৰ্কৰ বিষয়ে প্ৰচলিত ধাৰণাসমূহ সলনি কৰিবলৈ চেষ্টা কৰে, যাৰ ফলত বিশ্বখনৰ বিষয়ে নতুন আৰু নিৰ্ভৰযোগ্য জ্ঞানৰ সৃষ্টি হয়। এই নতুন সজাগতা আৰু সামাজিক সম্পৰ্কৰ এই নতুন জ্ঞান হৈছে ব্যৱহাৰিক জ্ঞান। যিমানদূৰ সঠিক, ই আমাক নিজকে সলনি কৰিবলৈ আৰু আমাৰ পৃথিৱীক সলনি কৰিবলৈ সক্ষম কৰি তোলে। আলথুছাৰৰ মতে ইয়ে হৈছে বিপ্লৱ বিজ্ঞান য'ত তেওঁৰ বাবে বিজ্ঞান হৈছে ঐতিহাসিক বস্তুবাদ।

আলথুছাৰৰ মতে, মাৰ্ক্সবাদী বিজ্ঞান বা ঐতিহাসিক বস্তুবাদ ইয়াৰ বিষয়বস্তু, শ্ৰেণী সংগ্ৰামৰ ইতিহাস, আৰু পদ্ধতিৰ ফালৰ পৰা অন্যান্য সমাজ বিজ্ঞানৰ পৰা পৃথক, আৰু ই সংশ্লেষিত আৰু সমালোচনামূলক। অৱশ্যে ই বিজ্ঞান হোৱাৰ ক্ষেত্ৰত পৃথক নহয় কিয়নো ই পৰীক্ষা-নিৰীক্ষা, পৰ্যবেক্ষণ আৰু পৰিমাণকৰণকে ধৰি ধাৰণা আৰু বিমূৰ্ত অনুশীলনৰ এক প্ৰক্ৰিয়াৰ মাজেৰে নতুন জ্ঞান বিকশিত কৰে।

১৩.৬ ৰাজনীতি (POLITICS)

আলথুছাৰে ৰাজনীতিক আদৰ্শৰ সৈতে তুলনা কৰিছিল। 'The German Ideology' ত আদৰ্শবাদক এক বিশুদ্ধ বিভ্ৰম, এক বিশুদ্ধ সপোন, অৰ্থাৎ একোৱেই নাই বুলি বিবেচনা কৰা হৈছে। ইয়াৰ সকলো বাস্তৱ ইয়াৰ বাবে বাহ্যিক। সেয়েহে আদৰ্শবাদক এক কাল্পনিক ধাৰণা বুলি ভবা হয়। আলথুছাৰৰ মতে, মাৰ্ক্সৰ বাবে আদৰ্শ হৈছে এক কাল্পনিক সমাৱেশ, এক বিশুদ্ধ

সপোন, খালী আৰু অর্থহীন, যি কেৱল সম্পূর্ণ আৰু ইতিবাচক বাস্তৱিকতাৰ পৰা 'দিনৰ অৱশিষ্ট'ৰ দ্বাৰা গঠিত, যি হৈছে বস্তুগতভাৱে নিজৰ অস্তিত্ব সৃষ্টি কৰা ব্যক্তিসকলৰ প্রকৃত বস্তুগত ইতিহাস। এইদৰে আলথুছাৰে দুটা গুৰুত্বপূর্ণ বিষয়ৰ ওপৰত আলোকপাত কৰি ইয়াৰ সাৰাংশ দাঙি ধৰিছেঃ

- আদর্শবাদ এতিয়ালৈকে একো নহয় যিহেতু ই এক বিশুদ্ধ সপোন।
- আদর্শৰ কোনো ইতিহাস নাই, যাৰ অর্থ এইটো নহয় যে ইতিহাসৰ একো অস্তিত্বই নাই, কেৱল আদর্শৰহে নিজৰ কোনো ইতিহাস নাই।
- আদর্শৰ গঠন আৰু কার্যকলাপ বুজিবলৈ, আলথুছাৰে তিনিটা সিদ্ধান্ত উপস্থাপন কৰিছেঃ
  - **আদর্শবাদে ব্যক্তিসকলৰ অস্তিত্বৰ প্রকৃত অৱস্থাৰ সৈতে থকা কাল্পনিক সম্পর্কক 'উপস্থাপন' কৰে।**

    আদর্শৰ ক্ষেত্রত 'মানুহে' 'নিজকে উপস্থাপন কৰা অৱস্থা'টো তেওঁলোকৰ অস্তিত্বৰ প্রকৃত অৱস্থা বা প্রকৃত জগত নহয়, কিন্তু সর্বোপৰি এয়া তেওঁলোকৰ সমসাময়িক পৰিস্থিতিৰ সৈতে তেওঁলোকৰ সম্পর্ক যি তেওঁলোকক প্রতিনিধিত্ব কৰে। এই সম্পর্কটোৱেই বাস্তৱ জগতৰ প্রতিটো আদর্শগত, অর্থাৎ কাল্পনিক উপস্থাপনৰ কেন্দ্রবিন্দু। এই সম্পর্কতে সেই 'কাৰণ' অন্তর্ভুক্ত হৈ আছে যিয়ে বাস্তৱ জগতৰ আদর্শগত উপস্থাপনৰ কাল্পনিক বিকৃতি ব্যাখ্যা কৰিব। এই সিদ্ধান্তক আগবঢ়াই নিবৰ বাবে সকলো আদর্শৰ মাজত পর্যবেক্ষণ কৰিব পৰা সকলো কাল্পনিক বিকৃতিৰ অন্তর্নিহিত সম্পর্কৰ কাল্পনিক প্রকৃতি অন্তর্নিহিত হৈ থকা সিদ্ধান্তক আগবঢ়াব লাগিব। মার্ক্সবাদী দৃষ্টিকোণৰ পৰা ক'বলৈ গ'লে, যদি উৎপাদন, শোষণ, দমন, আদর্শবাদ আৰু বৈজ্ঞানিক অনুশীলনৰ প্রতিভূৰ পদত অধিষ্ঠিত ব্যক্তিসকলৰ অস্তিত্বৰ উপস্থাপন উৎপাদন সম্পর্কৰ পৰা উদ্ভৱ হোৱা কথাটো সঁচা হয়, তেন্তে এইটো ক'ব পাৰি সকলো আদর্শই নিজৰ কাল্পনিক বিকৃতিৰ মাজেৰে উৎপাদনৰ বাস্তৱিক সম্পর্কৰ পৰিৱর্তে ব্যক্তিসকলৰ উৎপাদন সম্পর্ক আৰু ইয়াৰ পৰা সৃষ্টি হোৱা সম্পর্কৰ সৈতে থকা সম্পর্ককহে প্রতিনিধিত্ব কৰে। সেয়েহে আদর্শত যি উপস্থাপন কৰা হয় সেয়া ব্যক্তিৰ অস্তিত্ব নিয়ন্ত্রণ কৰা প্রকৃত সম্পর্কৰ ব্যৱস্থা নহয়, বৰঞ্চ সেই ব্যক্তিসকলৰ তেওঁলোকে পালন কৰা প্রকৃত সম্পর্কৰ সৈতে থকা কাল্পনিক সম্পর্ক।
  - **আদর্শৰ এক বস্তুগত অস্তিত্ব আছে।**

    আদর্শৰ মূল ধাৰণাটোৱে ইয়াৰ কাল্পনিক বিকৃতিৰ স্বত্ত্বেও স্বীকাৰ কৰে যে মানুহৰ 'ধাৰণা' তেওঁৰ কার্যবোৰত বিদ্যমান বা তেওঁৰ কার্যবোৰত থকা উচিত, আৰু যদি সেইটো নহয়, ই তেওঁক তেওঁ কৰা কার্যবোৰৰ সৈতে সংগতি থকা আন আন ধাৰণা প্রদান কৰে। এই কার্যবোৰ অনুশীলনত অন্তর্ভুক্ত কৰা হয়। এই অনুশীলনবোৰ এক আদর্শগত আহিলাৰ ভৌতিক বা বস্তুগত অস্তিত্বৰ ভিতৰত উল্লিখিত ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত হয়। ইয়াৰ পৰা আলথুছাৰে দুটা সংযোগী

দিশ উল্লেখ কৰিছে যে অনুশীলন কেৱল আদর্শৰ জৰিয়তে আৰু আদর্শৰ বাবে থাকে আৰু একেদৰে আদর্শ কেৱল ব্যক্তিৰ জৰিয়তে আৰু ব্যক্তিৰ বাবেই থাকে। ধাৰণাবোৰ এনেদৰে হেৰাই গৈছে যে এইসমূহৰ অস্তিত্ব এটা আদর্শগত আহিলাৰ দ্বাৰা সংজ্ঞায়িত ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত অনুশীলনৰ কার্যতহে দেখা হৈছে। সেয়েহে দেখা যায় যে ব্যক্তিয়ে তেতিয়াহে কার্য কৰে, যেতিয়া তেওঁ নিম্নোল্লিখিত প্রণালীৰ দ্বাৰা প্রভাৱিত হয় ঃ এক বস্তুগত আদর্শগত আহিলাত বিদ্যমান আদর্শ, যিয়ে বস্তুগত নীতিৰ দ্বাৰা নিয়ন্ত্রিত আচৰণসমূহক নির্দেশনা দিয়ে। এই আচৰণসমূহ ব্যক্তিৰ বস্তুগত কার্যকলাপত প্রকাশ পায়, যিয়ে নিজৰ বিশ্বাসৰ সৈতে সংগতিপূর্ণভাৱে পূর্ণ সজাগতাৰে কার্য কৰে।

- **আদর্শই ব্যক্তিসকলক বিষয় হিচাপে ব্যাখ্যা কৰে।**

আদর্শ সদায় বিষয়ৰ দ্বাৰা আৰু বিষয়ৰ বাবেই থাকে। প্রকৃত বিষয়ৰ বাহিৰে কোনো আদর্শ নাই, আৰু আদর্শৰ বাবে এই গন্তব্য কেৱল বিষয়ৰ দ্বাৰাহে সম্ভৱ হয় ঃ বিষয়ৰ শ্রেণী আৰু ইয়াৰ কার্যকলাপৰ দ্বাৰা। বিষয়ৰ শ্রেণী বা ভাগ সকলো আদর্শৰ সমন্বয়ত গঠিত, কাৰণ সকলো আদর্শই প্রকৃত ব্যক্তিসকলক বিষয় হিচাপে 'গঠন' কৰাৰ কার্য সমাপন কৰে। এই দ্বৈত গঠনৰ পাৰস্পৰিক আন্তঃক্রিয়াত সকলো আদর্শৰ কার্যকলাপ বিদ্যমান, আদর্শ সেই কার্যকলাপৰ বস্তুগত ৰূপৰ বাহিৰে একো নহয়। সকলো আদর্শই বিষয়ৰ শ্রেণীটোৰ কার্যকলাপৰ দ্বাৰা প্রকৃত ব্যক্তিসকলক প্রকৃত বিষয় হিচাপে প্রশংসা বা ব্যাখ্যা কৰে। আদর্শই এনেদৰে কাম কৰে যে ই ব্যক্তিসকলৰ মাজত বিষয় নিয়োগ কৰে বা ব্যক্তিসকলক আন্তঃবিন্যাস (interpellation) হিচাপে জনাজাত অতি নিখুঁত কার্যৰ দ্বাৰা বিষয়লৈ ৰূপান্তৰিত কৰে। লগতে, ব্যক্তিসকল সদায় বিষয় হৈ থাকে। আনকি, জন্ম হোৱাৰ আগতেই তেওঁলোক বিষয় হয়।

১৩.৭ আপেক্ষিক স্বায়ত্ত্বতা (RELATIVE AUTONOMY)

আলথুছাৰে যুক্তি দিয়ে যে মার্ক্সে সমাজক 'আন্তঃগাঁথনি' (অর্থনৈতিক ভিত্তি, উৎপাদনৰ শক্তি আৰু উৎপাদনৰ সম্পর্ক) আৰু 'অতিগাঁথনি' হিচাপে বিবেচনা কৰে, যাৰ দুটা স্তৰ আছে, ৰাজনৈতিক আইনী (আইন আৰু ৰাষ্ট্র) আৰু আদর্শগত। অতিগাঁথনি ইয়াৰ আধাৰৰ (base) পৰা স্বাধীনভাৱে থাকিব নোৱাৰে। শেষ মুহূর্তত এই আধাৰেই অতিগাঁথনিটো নির্ধাৰণ কৰে। আলথুছাৰে পৰামর্শ দিয়ে যে ইয়াৰ ফলত দুটা পৃথক মার্ক্সবাদী ধাৰণাৰ সৃষ্টি হয় ঃ

১) অতিগাঁথনিৰ 'আপেক্ষিক স্বায়ত্ত্বতা'।

২) আধাৰৰ ওপৰত অতিগাঁথনিৰ 'পাৰস্পৰিক ক্রিয়া'।

মার্ক্সৰ বাবে, আধাৰ আৰু অতিগাঁথনিৰ 'গাঁথনিগত' ৰূপটো অতিগাঁথনি আৰু আধাৰৰ

সম্পর্কৰ ফালে আঙুলিয়াই দিয়া এক বর্ণনামূলক বিৱৰণ হিচাপে উপযোগী কিয়নো ই নির্ধাৰণৰ প্রয়োজনীয়তা, এই নির্ধাৰণত আধাৰৰ চূড়ান্ত ভূমিকা আৰু এই নির্ধাৰণ প্রক্রিয়াৰ জটিলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আলথুছাৰৰ বাবে কোনো সাধাৰণ অর্থনৈতিক নির্ধাৰণ নাই, কিন্তু আধাৰ আৰু অতিগাঁথনিৰ মাজত এনে এক জটিল সম্পর্ক আছে যে শেষ মুহূর্তত যেতিয়া আধাৰে অতিগাঁথনি নির্ধাৰণ কৰে, তেতিয়া আধাৰৰ পৰা অতিগাঁথনিৰ এক আপেক্ষিক স্বায়ত্ত্বতা পৰিলক্ষিত হয়। আলথুছাৰৰ মতে ঃ 'অনা-অর্থনৈতিক উপাদানসমূহৰ বাবে অর্থনীতিয়ে নিজৰ আৰু এটাৰ আনটোৰ সম্পর্কত নিজ নিজ স্বায়ত্ত্বতা/নির্ভৰশীলতাৰ মাত্রা নির্ধাৰণৰ যোগেদি সিহঁতৰ নির্দিষ্ট কার্যকাৰিতাৰ পার্থক্যৰ মাত্রা নির্ধাৰণ কৰে। ই যিকোনো নির্দিষ্ট সময়ত নিজকে প্রভাৱশালী বা অ-প্রভাৱশালী হিচাপে নির্ধাৰণ কৰিব পাৰে, আৰু অ-প্রভাৱশালীৰ ক্ষেত্রত ই নির্ধাৰণ কৰে যে আন উপাদানসমূহৰ কোনটো প্রভাৱশালী হ'ব।

১৩.৮ অত্যাধিক নির্ধাৰণ তত্ত্ব (Over Determination)

আলথুছাৰৰ অত্যাধিক নির্ধাৰণ তত্ত্ব হৈছে সকলো ধৰণৰ অত্যাৱশ্যকীয়তাবাদৰ এক নিৰন্তৰ সমালোচনা। জ্ঞানতত্ত্বত, ই অত্যাৱশ্যকীয়তাবাদৰ প্রতি তেওঁলোকৰ উমৈহতীয়া প্রতিশ্রুতি প্রকাশ কৰি অভিজ্ঞতাবাদ আৰু যুক্তিবাদৰ মাজৰ দ্বৈত বিৰোধীতাক পুনৰ গঠন কৰে। এফালে, আলথুছাৰে সকলো ধৰণৰ অত্যাৱশ্যকীয়তাবাদক বুর্জোৱা জ্ঞানতত্ত্ব বুলি নস্যাৎ কৰে, আৰু আনফালে, তেওঁ অত্যাৱশ্যকীয়তাবাদৰ মার্ক্সীয় সংস্কৰণসমূহকো মার্ক্সবাদৰ ভিতৰৰ বুর্জোৱা চিন্তাধাৰাৰ অস্তিত্ব আৰু পুনৰ উত্থান বুলি প্রত্যাখ্যান কৰে। তত্ত্ববিজ্ঞানত (Ontology), আলথুছেৰিয়ানে অত্যাধিক নির্ধাৰণবাদে বস্তুবাদ আৰু আদর্শবাদৰ মাজৰ বিৰোধী দ্বৈততাক নস্যাৎ কৰে। ই ইয়াৰ অন্তর্নিহিত ধাৰণাটো মুকলি কৰি দিয়ে যে যিমানেই জটিল ৰূপৰ হওক, যিকোনো প্রদত্ত সম্পূর্ণতাৰ সাৰ বস্তুগত নে আদর্শগত আৰু এই সাৰ প্রথম বা শেষ বিশ্লেষণত পোৱা যাব নে নাযায় তাক জানিবলৈ ইয়াৰ গভীৰতাৰ পৰা বিশ্লেষণ কৰিব পাৰি।

অত্যাধিক নির্ধাৰণ পৰিভাষাটো ব্যৱহাৰ কৰি, আলথুছাৰে অৱশেষত মার্ক্সবাদক কেৱল অর্থনৈতিক নির্ণয়বাদৰ পৰাই নহয়, সকলো ধৰণৰ নির্ণয়বাদৰ পৰাই মুক্ত কৰাটো সম্ভৱ কৰি তোলে। তেওঁৰ মতে, উৎপাদনৰ পদ্ধতি কেৱল চূড়ান্ত বিশ্লেষণতহে এক নির্ণায়ক কাৰক আৰু অর্থনৈতিক পৰিস্থিতি হৈছে ইয়াৰ আধাৰ। কিন্তু অতিগাঁথনিৰ বিভিন্ন উপাদান যেনে — শ্রেণী সংগ্রামৰ ৰাজনৈতিক ৰূপ আৰু ইয়াৰ ফলাফল, এক সফল যুদ্ধৰ পিছত বিজয়ী শ্রেণীৰ দ্বাৰা স্থাপিত সংবিধান আদি, ন্যায়িক ব্যৱস্থা, আৰু আনকি অংশগ্রহণকাৰীসকলৰ মগজুৰ এই সকলো প্রকৃত সংগ্রামৰ প্রতিক্রিয়া, ৰাজনৈতিক, কলাত্মক, আইনী, দার্শনিক তত্ত্ব, ধর্মীয় দৃষ্টিভংগী আৰু মতবাদৰ প্রণালীৰ অধিক উত্তৰণ আদিয়ে — ঐতিহাসিক সংগ্রামৰ গতিপথত নিজৰ প্রভাৱ প্রয়োগ কৰে আৰু বহুতো ক্ষেত্রত ৰূপ নির্ধাৰণ কাৰত গুৰুত্ব দিয়ে। আলথুছাৰে যুক্তি দিয়ে যে ই তেওঁৰ 'অত্যাধিক নির্ধাৰণ'ৰ ধাৰণাৰ ওপৰত আলোকপাত কৰে। এই দৃষ্টিকোণৰ পৰা, অতিগাঁথনিয়ে আধাৰত যিমান প্রভাৱ পেলায় সিমানেই বিপৰীত দিশতো প্রভাৱ পেলায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰাষ্ট্র আহিলাৰ প্রকাৰ দুটা উল্লেখ কৰক।

.....

.....

প্রশ্ন ২ ঃ তিনিটা আদর্শমূলক ৰাষ্ট্র আহিলাৰ নাম লিখক।

.....

.....

প্রশ্ন ৩ ঃ আদর্শৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন ৪ ঃ আদর্শৰ সংজ্ঞাক সমর্থন কৰা সিদ্ধান্তসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৫ ঃ আলথুছাৰৰ মতে অত্যাধিক নির্ধাৰণ কি?

.....

.....



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লুই পিয়েৰ আলথুছাৰ বিংশ শতিকাৰ অন্যতম প্রভাৱশালী মার্ক্সবাদী আছিল।
- ৰাষ্ট্র হৈছে দমনৰ এক 'আহিলা', যিয়ে শাসক শ্রেণীক শ্রমিক শ্রেণীৰ ওপৰত তেওঁলোকৰ আধিপত্য নিশ্চিত কৰিবলৈ সক্ষম কৰি তোলে আৰু এনেদৰে শাসকে শ্রমিকক ৰাহি মূল্যৰ আহৰণ প্রক্রিয়াৰ অধীন কৰিবলৈ সক্ষম কৰে।
- আলথুছাৰৰ মতে, ৰাষ্ট্রৰ প্রকৃতিৰ এই উপস্থাপন এতিয়াও আংশিক বর্ণনামূলক।
- বর্ণনামূলক তত্ত্বৰ পৰা তত্ত্বলৈ হোৱা পৰিৱর্তন ব্যাখ্যা কৰি, আলথুছাৰে ৰাষ্ট্রৰ নিজা তত্ত্ব প্রদান কৰিবলৈ চেষ্টা কৰিছে। তেওঁৰ মতে, ৰাষ্ট্র ক্ষমতাৰ কার্য হিচাপে কাম কৰাৰ বাহিৰে ৰাষ্ট্রৰ কোনো অর্থ নাই।
- ইয়াৰ পৰিৱর্তে, আলথুছাৰে আদর্শমূলক ৰাষ্ট্র আহিলা ধাৰণাৰ দ্বাৰা ৰাষ্ট্রৰ তত্ত্বটো বিকাশ সাধন কৰিবলৈ চেষ্টা কৰিছিল।
- আদর্শমূলক ৰাষ্ট্র আহিলা দমনমূলক ৰাষ্ট্র আহিলাৰ পৰা পৃথক।

- বিশ্বজোৰা শ্রেণী সংগ্রামৰ দ্বাৰা ইয়াৰ অস্তিত্বৰ দ্বাৰা ভাবুকিৰ সন্মুখীন হোৱা উৎপাদন পদ্ধতিৰ উৎপাদন সম্পর্কৰ পুনৰ উৎপাদনত দমনমূলক আৰু আদর্শমূলক ৰাষ্ট্র আহিলা দুয়োটাই নির্ণায়ক ভূমিকা পালন কৰে।
- আলথুছাৰৰ বাবে বিজ্ঞান হৈছে ঐতিহাসিক বস্তুবাদ।
- আলথুছাৰে ৰাজনীতিক আদর্শৰ সৈতে তুলনা কৰিছিল।
- আলথুছাৰৰ মতে, মার্ক্সৰ বাবে আদর্শ হৈছে এক কাল্পনিক সমাৱেশ, এক বিশুদ্ধ সপোন, খালী আৰু অর্থহীন, একমাত্র সম্পূর্ণ আৰু ইতিবাচক বাস্তৱিকতাৰ পৰা 'দিনৰ অৱশিষ্ট'ৰ দ্বাৰা গঠিত, যি হৈছে বস্তুগতভাৱে নিজৰ অস্তিত্ব সৃষ্টি কৰা প্রকৃত বস্তুগত ব্যক্তিৰ প্রকৃত ইতিহাস।
- আলথুছাৰৰ বাবে, কোনো সৰল অর্থনৈতিক নির্ধাৰণ নাই, কিন্তু আধাৰ আৰু অতিগাঁথনিৰ মাজত এনে এক জটিল সম্পর্ক আছে যে শেষ মুহূর্তত যেতিয়া আধাৰে অতিগাঁথনি নির্ধাৰণ কৰে, তেতিয়া আধাৰৰ পৰা অতিগাঁথনিৰ এক আপেক্ষিক স্বায়ত্ত্বতা পৰিলক্ষিত হয়।
- অত্যাধিক নির্ধাৰণ শব্দটো ব্যৱহাৰ কৰি, আলথুছাৰে মার্ক্সবাদক কেৱল অর্থনৈতিক নির্ণয়বাদৰ পৰাই নহয়, সকলো ধৰণৰ নির্ণয়বাদৰ পৰা মুক্ত কৰাটো সম্ভৱ কৰি তোলে।



১৩.১০ অধিক জানিবলৈ

1) Althusser, L. (2001). "Ideology and Ideological State Apparatuses (NotesTowards An Investigation)," *Lenin and Philosophy and Other Essays, trans*. Ben Brewster. New York Monthly Review Press.



১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দমনমূলক আৰু আদর্শমূলক ৰাষ্ট্র আহিলা।

২ নং প্রশ্নৰ উত্তৰ ঃ ধর্মীয়, শৈক্ষিক আৰু পৰিয়াল।

৩ নং প্রশ্নৰ উত্তৰ ঃ আলথুছাৰৰ মতে, মার্ক্সৰ বাবে আদর্শ হৈছে এক কাল্পনিক সমাৱেশ, এক বিশুদ্ধ সপোন, খালী আৰু অর্থহীন, যি একমাত্র সম্পূর্ণ আৰু ইতিবাচক বাস্তৱিকতাৰ পৰা 'দিনৰ অৱশিষ্ট'ৰ দ্বাৰা গঠিত, যি হৈছে বস্তুগতভাৱে নিজৰ অস্তিত্ব সৃষ্টি কৰা প্রকৃত বস্তুগত ব্যক্তিসকলৰ প্রকৃত ইতিহাস।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১) আদর্শবাদ হৈছে ব্যক্তিসকলৰ অস্তিত্বৰ প্রকৃত অৱস্থাৰ সৈতে কাল্পনিক

সম্পর্কৰ এক 'উপস্থাপন'। ২) আদর্শৰ এক বস্তুগত অস্তিত্ব আছে। ৩) আদর্শই ব্যক্তিসকলক বিষয় হিচাপে ব্যাখ্যা কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মার্ক্সৰ বাবে, ই হৈছে অর্থনৈতিক আধাৰ যাৰ অতিগাঁথনিৰ ওপৰত প্ৰভাৱ আছে। এয়া অত্যাধিক নির্ধাৰণ। আলথুছাৰে এটা বিকল্প বিচাৰি উলিয়াইছিল য'ত তেওঁ কৈছিল যে অতিগাঁথনিয়ে আধাৰত যিমান প্ৰভাৱ পেলায় সিমানেই বিপৰীত দিশত প্ৰভাৱ পেলায়।



১৩.১২ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ টা শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ দমনমূলক ৰাষ্ট্ৰ আহিলা আৰু আদর্শমূলক ৰাষ্ট্ৰ আহিলাৰ মাজৰ পার্থক্য উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ আপেক্ষিক স্বায়ত্ত্বতা ব্যাখ্যা কৰক।

খ) ৰচনাধর্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ টা শব্দত দিয়ক)

প্ৰশ্ন ১ ঃ আদর্শৰ সংজ্ঞা দিয়ক। ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ আধাৰৰ অতি গাঁথনি আৰ্হিৰ সহায় লৈ মার্ক্সবাদী বিশ্লেষণৰ সন্দর্ভত অতিৰিক্ত নির্ধাৰণ ব্যাখ্যা কৰক।

*** ***** ****

অধ্যায় ১৪ ঃ পিটাৰ এল. বার্গাৰ আৰু থমাছ্ লাকমেন

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ বাস্তৱতাৰ সামাজিক নির্মাণ ঃ অর্থ আৰু সংজ্ঞা
১৪.৩.১ দৈনন্দিন জীৱনত জ্ঞানৰ ভেঁটি
১৪.৩.২ বস্তুনিষ্ঠ বাস্তৱ হিচাপে সমাজ
১৪.৩.৩ বিষয়ভিত্তিক বাস্তৱ হিচাপে সমাজ
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- বাস্তৱতাৰ সামাজিক নির্মাণৰ বিষয়ে জানিব পাৰিব।
- দৈনন্দিন জীৱনত জ্ঞানৰ প্রভাৱ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব।
- বস্তুনিষ্ঠ আৰু বিষয়ভিত্তিক বাস্তৱ হিচাপে সমাজৰ কার্যৰ বিষয়ে আভাস পাব।

১৪.২ পৰিচয়

মানুহ হিচাপে আমি যিকোনো এটা বস্তু বাস্তৱ বা অবাস্তৱ বুলি তেতিয়াহে বিশ্বাস কৰো যেতিয়া তাক আমাৰ সন্মুখত উপস্থাপন কৰা হয়। যেতিয়া বাস্তৱৰ দিশবোৰে আমাৰ মনত বিশ্বাস জন্মাই, তেতিয়া আমি সেইবোৰক 'বাস্তৱতা'ৰ মর্যাদা প্রদান কৰোঁ। কিন্তু ব্যক্তিৰ মতামত, দৃষ্টিভংগী আৰু মানসিকতা বেলেগ বেলেগ হোৱাৰ বাবে আমাৰ বাবে যিটো বাস্তৱিক সেয়া কিছুমানৰ বাবে অবাস্তৱ হ'ব পাৰে আৰু ইয়াৰ বাবে মতামতবোৰ ভিন্ন হ'ব পাৰে। প্রতিটো 'বাস্তৱতা'ৰ পৰা জ্ঞান পোৱা যায়। ব্যক্তি সাপেক্ষে জ্ঞানৰ দখল ভিন্ন হ'ব পাৰে। বাস্তৱতা আৰু জ্ঞানক সহজভাৱে লোৱা হয় যদিও কিছুমান বাস্তৱতাক পৃথকধৰণে ব্যাখ্যা কৰা হয় আৰু সেয়েহে এজন ব্যক্তিৰ সংগৃহীত জ্ঞানৰ দ্বাৰা বাস্তৱতাক গঢ়ি তুলিব পাৰি। আনকি আমাৰ দৈনন্দিন জীৱনতো আমি এনেকুৱা ঘটনাৰ কথা বুজাব পাৰো য'ত আমাৰ জীৱনত চলি থকা ঘটনা যেনে বিভিন্ন চিন্তা, কার্য আৰু ব্যাখ্যাৰ সৈতে এটা নতুন ধাৰণাৰে এটা বাস্তৱ বা আমি জনা সত্যৰ সৃষ্টি হয়। ইয়াতেই মানুহৰ প্রতিক্রিয়া আৰু ভূমিকা সলনি হয়। ইয়াতেই বাস্তৱক সমাজে গঢ়ি তুলিছে

বা সামাজিকভাৱে গঢ় লৈ উঠিছে বুলি কোৱা হয়। এই অধ্যায়টিৰ জৰিয়তে দৈনন্দিন জীৱনত জ্ঞানৰ ভেঁটি, বস্তুনিষ্ঠ বাস্তৱ আৰু বিষয়ভিত্তিক বাস্তৱ হিচাপে সমাজৰ বিষয়ে আলোচনা কৰা হ'ব। এইক্ষেত্ৰত পিটাৰ এল বাৰ্গাৰ আৰু থমাছ লাকমেনৰ গ্ৰন্থ 'The Social Construction of Reality' ত প্ৰস্তাৱ কৰা মূল ধাৰণাসমূহক বিষয়বস্তু হিচাপে গুৰুত্ব আৰোপ কৰা হ'ব।

১৪.৩ বাস্তৱতাৰ সামাজিক নিৰ্মাণ ঃ অৰ্থ আৰু সংজ্ঞা

এক তত্ত্ব হিচাপে 'বাস্তৱতাৰ সামাজিক নিৰ্মাণে' (Social Constructio of Reality) জ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যিহেতু আমি জানো যে জ্ঞানী হোৱাটো গুৰুত্বপূৰ্ণ, এই তত্ত্বটোৱে কেৱল তাত্ত্বিক জ্ঞানৰ ওপৰত গুৰুত্ব নিদিয়ে বৰঞ্চ সামাজিক জগত, ৰীতি-নীতি, মূল্যবোধ, প্ৰজ্ঞা, নৈতিকতা আদি জ্ঞানৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। সমাজত বহু সময়ত আমি বাস্তৱক নিজৰ অভিজ্ঞতা বা কামৰ ফলাফল হিচাপে নহয় বৰঞ্চ জনসাধাৰণে সামাজিকভাৱে গ্ৰহণ কৰা বস্তুৰ ভিত্তিত গ্ৰহণ কৰোঁ। ইয়াৰ অৰ্থ হ'ল বাস্তৱতা গঢ় লৈ উঠে আৰু আমি ইয়াক সহজভাৱে লোৱাৰ প্ৰৱণতা ৰাখোঁ। মানুহৰ মাজত পাৰস্পৰিক ক্ৰিয়া-কলাপ আৰু সামাজিকীকৰণৰ জৰিয়তে বাস্তৱতা গঢ় লৈ উঠে। আনহাতে বাস্তৱতাৰ প্ৰতি আমাৰ ধাৰণা পৰিয়াল আৰু সমাজৰ বিশ্বাস, মূল্যবোধ বা পটভূমিৰ দ্বাৰা গঢ় লৈ উঠে। বাস্তৱতাৰ সামাজিক নিৰ্মাণৰ এটা স্পষ্ট উদাহৰণ হ'ল এজন ধনী মানুহ আৰু এজন দুখীয়া মানুহৰ বস্তুগত আহৰণ। এজন ধনী মানুহৰ বাবে এক নিৰ্দিষ্ট সময়ৰ ভিতৰত বস্তুগত সম্পত্তিৰ গুৰুত্ব হয়তো সৰ্বোচ্চ কাৰণ, সেইবোৰেই হৈছে তেওঁৰ প্ৰয়োজনীয়তা যাক তেওঁ সৰুৰে পৰাই পূৰণ কৰি আহিছে। আনহাতে এজন দুখীয়া মানুহৰ জীৱনশৈলী ধনীজনৰ পৰা পৃথক হ'ব পাৰে অৰ্থাৎ তেওঁৰ বাবে এইবোৰ প্ৰয়োজনীয় নহ'বও পাৰে। কাৰণ দুখীয়া মানুহজনে সৰুৰে পৰাই সাধাৰণ জীৱন যাপন কৰে আৰু সেই অনুসৰি তেওঁৰ জীৱন প্ৰক্ৰিয়া আৰু বিশ্বাস গঢ় লৈ উঠে।

যিহেতু বাস্তৱতাক সামাজিকভাৱে গঢ় লৈ উঠে বুলি কোৱা হয়, সেয়েহে সমাজতত্ত্বই বাস্তৱতাৰ নিৰ্মাণৰ প্ৰক্ৰিয়া বিশ্লেষণ কৰাটো প্ৰয়োজন। বাস্তৱতাক স্বাধীন চৰিত্ৰ থকা পৰিঘটনা বুলি সংজ্ঞায়িত কৰিব পাৰি য'ত আমি আমাৰ ইচ্ছাক ব্যৱহাৰ কৰিব নোৱাৰো। আনহাতে জ্ঞানক বাস্তৱিক পৰিঘটনাবোৰৰ কিছুমান নিৰ্দিষ্ট সত্য বা নিশ্চয়তা বুলি সংজ্ঞায়িত কৰিব পাৰি। আকৌ আমি জনাটো প্ৰয়োজন যে এজন সাধাৰণ মানুহ আৰু এজন সমাজতত্ত্ববিদৰ বাস্তৱতা আৰু জ্ঞানৰ ক্ষেত্ৰত বেলেগ বেলেগ ব্যাখ্যা থাকিব পাৰে। যেনে ঃ এজন সাধাৰণ মানুহৰ বাবে বিবাহে পৰিয়াল আৰু বংশধৰক বুজায়। আনহাতে এজন সমাজতত্ত্ববিদৰ বাবে বিবাহ বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত পাৰিবাৰিক আৰ্হি, বিবাহৰ ৰূপ, প্ৰথা, আচাৰ-ব্যৱহাৰ আদি থকা সামাজিক সংস্থা হিচাপে পৰিগণিত হ'ব পাৰে।

১৪.৩.১ দৈনন্দিন জীৱনত জ্ঞানৰ ভেঁটি

আমি যিদৰে জানো যে সমাজৰ প্ৰতিটো গাঁথনি বা আৰ্হিৰ ভিত্তি বা ভেঁটি থাকে, একেদৰে জ্ঞানৰো ভেঁটি থাকে যাৰ ওপৰত বাস্তৱতা নিৰ্ভৰশীল হৈ থাকে আৰু গতানুগতিক জীৱনত চলি থকা কাৰ্যকলাপ অনুসৰি মানুহে ইয়াৰ ব্যাখ্যা কৰে। জ্ঞানৰ ভেঁটি প্ৰধানকৈ তিনিটা ভাগত বিভক্ত। তলত সেইবিষয়ে আলোচনা কৰা হৈছে —

- **দৈনন্দিন জীৱনৰ বাস্তৱতা ঃ** ইয়াত গতানুগতিক জীৱনৰ সাধাৰণ জ্ঞান (Common sense) আৰু দৈনন্দিন জীৱনৰ সেইখিনি 'বাস্তৱতা'ৰ বিষয়ে কোৱা হৈছে, যিবোৰ নিজৰ চিন্তা আৰু কৰ্মৰ দ্বাৰা গঢ় দিয়া হয়। সেয়েহে দৈনন্দিন জীৱনক সমাজৰ লোকসকলে সহজাতভাৱে লোৱা নাই। জ্ঞানৰ ভেঁটি প্ৰত্যক্ষ চেতনা বা ইন্দ্ৰিয়ৰ উপলব্ধি বা পৰ্যবেক্ষণৰ প্ৰপঞ্চতাত্ত্বিক বিশ্লেষণ বা প্ৰতিফলনৰ ওপৰত নিৰ্ভৰশীল। চেতনাক জ্ঞানৰ সংৰচনা বা গাঁথনিৰ অন্তৰ্ভুক্ত কৰা হয় যি সদায় ইচ্ছাকৃত বা বস্তুৰ প্ৰতি নিৰ্দেশিত হয়। আমাৰ পূৰ্বতে অনুভৱ কৰা কিছুমান পৰিঘটনাৰ প্ৰতি সচেতন হৈ থকাৰ প্ৰৱণতা থাকে। যেনে ঃ কাৰোবাক মেকুৰীয়ে আঁচোৰ মৰা—তাৰ পিছত সেই আচোঁৰ মৰা ঘটনাটোৱে ক্ৰমান্বয়ে মেকুৰীটোৰ প্ৰতি ভয়ৰ সৃষ্টি কৰে যাৰবাবে মেকুৰীৰ সৈতে মুখামুখি নহ'বলৈ সচেতন হোৱা দেখা যায়। ইয়াত আমি ক'ব পাৰো যে চেতনাই বাস্তৱতাৰ ক্ষেত্ৰত সৰ্বোচ্চ হিচাপে কাম কৰে। বাস্তৱতাৰ 'ইয়াত' আৰু 'এতিয়া'ই কোনো ব্যক্তিৰ পৰিস্থিতিৰ সৈতে ঘনিষ্ঠতা বা দূৰত্বৰ মাত্ৰাক বুজায় আৰু এই 'ইয়াত' আৰু 'এতিয়া' ইজনে সিজনৰ লগত যোগাযোগ আৰু পাৰস্পৰিক আন্তঃক্ৰিয়াৰ মাধ্যমেৰে গঢ় লৈ উঠে। 'ইয়াত' আৰু 'এতিয়া'ৰ অৰ্থ হ'ল যে এনে কিছুমান ক্ষেত্ৰ থাকিব যিবোৰ ব্যৱহাৰিক বা প্ৰায়োগিক পৰিস্থিতিৰ দ্বাৰা সুলভ হ'ব আৰু এনেকুৱা ক্ষেত্ৰও থাকিব যিবোৰ আমাৰ ভৌতিক উপস্থিতিৰ পৰা বহু দূৰত থাকিব। এইদৰে বাস্তৱতাৰ গাঁথনিবোৰৰ চিন্তা, কৰ্ম, চেতনা আৰু যোগাযোগৰ বিভিন্ন ভিত্তিত নিজৰ জ্ঞান থাকে।
- **দৈনন্দিন জীৱনত সামাজিক আন্তঃক্ৰিয়া ঃ** মানুহে প্ৰতিদিনে ইজনে সিজনৰ লগত যোগাযোগ কৰে আৰু ইয়াতেই দৈনন্দিন জীৱনৰ বাস্তৱতাৰ ভাগ-বতোৱাৰা কৰা হয়। মুখামুখি পাৰস্পৰিক আন্তঃক্ৰিয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কাৰণ ই যোগাযোগৰ বিভিন্ন লক্ষণ আৰু বিষয়ক প্ৰকাশ কৰে। মুখামুখি পাৰস্পৰিক আন্তঃক্ৰিয়া আনজনৰ কাৰ্যকলাপ সম্পূৰ্ণ বাস্তৱ কাৰণ তেওঁৰ চলি থকা কাৰ্যসমূহ আমাৰ সন্মুখত হুবহু উপস্থাপন কৰে। আনহাতে আমাৰ নিজৰ কাৰ্যসমূহ আত্ম-অভিজ্ঞতাৰ বাবে কম বাস্তৱ হ'ব পাৰে বা কাৰ্যত বাধা বা অতীতৰ প্ৰতিফলন থাকিব পাৰে। মুখামুখি আন্তঃক্ৰিয়াক

নমনীয় বুলি কোৱা হয়। অৰ্থাৎ আনজন ব্যক্তিৰ আচৰণ যিদৰে আছে আমাৰ সন্মুখত তেনেদৰেই উপস্থাপন কৰা হ'ব, যদিও আমাৰ তেওঁৰ নেতিবাচক মনোভাৱৰ বিষয়ে পূৰ্বধাৰণা থাকিব পাৰে। আকৌ এনে কিছুমান আদৰ্শগত পূৰ্বধাৰণা (typifications) থাকিব পাৰে— উদাহৰণস্বৰূপে আমি হয়তো কোনো ব্যক্তিক কিছুমান বিশেষ বৈশিষ্ট্য বা পেছাৰ দ্বাৰা চিনি পাওঁ, সেয়ে আমাৰ পাৰস্পৰিক আন্তঃক্ৰিয়া সেই আৰ্হিসমূহৰ আধাৰত পৰিচালিত হ'ব যেতিয়ালৈকে আমি উপলব্ধি নকৰো যে তেওঁৰ বৈশিষ্ট্যসমূহ আগতে জনাতকৈ পৃথক। একেদৰে আনজন ব্যক্তিৰ ফালৰপৰাও এনে হ'ব পাৰে, অৰ্থাৎ প্ৰথম ব্যক্তিজনৰ সম্পৰ্কেও তেওঁৰ কিছুমান আদৰ্শগত পূৰ্বধাৰণা থাকিব পাৰে। এটা পাৰস্পৰিক আন্তঃক্ৰিয়াত গোপনীয়তাৰ এক মাত্ৰা থাকে যি এজন ব্যক্তিৰ প্ৰতি থকা ঘনিষ্ঠতা বা আগ্ৰহৰ দ্বাৰা নিৰ্ধাৰিত হয়। যেনে ঃ আমাৰ ঘনিষ্ঠতা বা ঘনিষ্ঠতাৰ মাত্ৰা দোকানী এজনতকৈ আমাৰ পৰিয়ালৰ সদস্যৰ সৈতে বেছি হ'ব।

- **দৈনন্দিন জীৱনত ভাষা আৰু জ্ঞান ঃ** মুখামুখি পৰিস্থিতিৰ বাহিৰেও দৈনন্দিন জীৱনৰ আন কিছুমান দিশ বা নিৰ্ণায়ক আছে যিয়ে ব্যক্তিৰ মাজত মানৱীয় অভিব্যক্তি বৃদ্ধি কৰে। প্ৰথমতে, সামগ্ৰীসমূহ উৎপাদকসকলে নিৰ্মাণ কৰে আৰু মানুহে গ্ৰহণ কৰে। সেইবোৰ হৈছে বস্তুনিষ্ঠতা যাৰ জৰিয়তে অভিব্যক্তিক চিত্ৰিত কৰা হয়। উদাহৰণস্বৰূপে, চকলেট কিনাৰ জৰিয়তে এটা আনন্দৰ মুহূৰ্তক বস্তুনিষ্ঠ কৰি তুলিব পাৰি। বস্তুনিষ্ঠতাৰ দ্বিতীয়টো ক্ষেত্ৰ হৈছে মানুহৰ উৎপাদন আৰু চিহ্ন ব্যৱহাৰ। ইয়াৰ মৌলিকতাৰ পৰা বিচ্যুত হ'ব পৰা বিষয়নিষ্ঠ অৰ্থ প্ৰদান কৰিবলৈ চিহ্নবোৰক ইয়াৰ প্ৰকৃতিৰ দ্বাৰা অন্যান্য বস্তুনিষ্ঠতাৰ পৰা পৃথক কৰিব পাৰি। উদাহৰণস্বৰূপে, চকলেট হয়তো মিঠা সুস্বাদু হিচাপে প্ৰস্তুত কৰা হৈছে কিন্তু সুখ আৰু আনন্দত মানুহক সম্ভাষণ জনোৱাৰ বাবেও ব্যৱহাৰ কৰা হৈছে। চিহ্ন ব্যৱস্থাই বিভিন্ন ৰূপ ল'ব পাৰে যেনে— শৰীৰৰ গতি, মুখৰ ভাৱ, বিভিন্ন সংস্কৃতিৰ চিহ্ন ইত্যাদি। দৈনন্দিন যোগাযোগ বা বস্তুনিষ্ঠতাসমূহ ভাষা নামেৰে জনাজাত এক ধ্বনিগত চিহ্ন ব্যৱস্থাৰ দ্বাৰা গঢ় লৈ উঠে। আন কিছুমান মৌখিক অভিব্যক্তি যেনে ইননি-বিননি, গেঙেৰী মৰা আৰু ভোৱভোৱাই থকা এইবোৰ ভাষাৰ অন্তৰ্গত নহয় বৰঞ্চ কিছুমান বিশেষ অভিব্যক্তিৰ মাধ্যম। দৈনন্দিন জীৱনৰ বাস্তৱতা বুজিবলৈ ভাষা ব্যৱহাৰ কৰা হয় ঃ ইয়াক আন প্ৰজন্মলৈ আগবঢ়াই নিবলৈ আৰু চিহ্নৰ সঞ্চাৰণৰ বিনিময় কৰিবলৈ সংৰক্ষণ কৰা হয়। মুখামুখি পৰিস্থিতি ভাষা আৰু ইয়াৰ পাৰস্পৰিকতাৰ ভূমিকা চিন্তাশক্তিয়ে আগবঢ়াই লৈ যায়। যেনে, এজনে ভবাৰ

দৰে কথা কয় আৰু আনজনেও তেনেকৈয়ে কথা কয়। ভাষাৰ প্ৰতীকসমূহৰ সৈতে এক সম্পৰ্ক থাকে যিয়ে দৈনন্দিন জীৱনৰ বাস্তৱতাক এক নতুন মাত্ৰা প্ৰদান কৰে।

১৪.৩.২ বস্তুনিষ্ঠ বাস্তৱ হিচাপে সমাজ

মানুহে যি পৰিৱেশৰ জৰিয়তে নিজৰ কাৰ্যকলাপসমূহ কৰে তাৰ সৈতে এক সম্পৰ্কৰ সৃষ্টি কৰে। জীৱ হিচাপে মানুহে সামাজিকভাৱে নিৰ্ধাৰিত পৰিৱেশত ক্ৰমান্বয়ে নিজৰ মানৱ সত্ত্বাক বিকশিত কৰে। একেদৰে মানুহে সামাজিক ব্যৱস্থা আৰু সাংস্কৃতিক পৰিৱেশৰ সৈতে আন্তঃসম্পৰ্ক স্থাপন কৰে য'ত তেওঁ নিজৰ কাৰ্যকলাপ বিকশিত কৰে, নিজৰ প্ৰকৃতি গঢ়ি তোলে আৰু সমাজৰ কাৰ্যকলাপ বা কাৰ্যসমূহৰ ভিন্ন পৰিস্থিতি অনুসৰি নিজকে প্ৰস্তুত কৰে। সমাজ ব্যৱস্থাক মানৱ উৎপাদিত বুলি কোৱা হয় আৰু ইয়াক প্ৰকৃতিৰ নিয়মৰ পৰা উলিয়াব নোৱাৰি। পৰিৱেশৰ সৈতে মানুহৰ পাৰস্পৰিক ক্ৰিয়াৰ বাহ্যিকীকৰণ প্ৰক্ৰিয়াত জৈৱিক তথ্যৰ দ্বাৰা পৰিচালিত মানুহৰ কাৰ্যকলাপৰ দ্বাৰা সমাজ ব্যৱস্থা উৎপন্ন হোৱা বুলি কোৱা হয়।

এতিয়া সমাজ ব্যৱস্থাৰ উৎপাদন, উত্থান, ৰক্ষণাবেক্ষণ আৰু সঞ্চাৰণ অধ্যয়ন কৰিবলৈ, আনুষ্ঠানিকৰণ বা সংস্থাকৰণৰ (Institutionalization) তত্ত্ব বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। আমি জানো যে মানুহে নিজৰ কাৰ্যকলাপ প্ৰতিদিনে কৰে যিয়ে এটা অভ্যাসৰ ৰূপ লয়। যেনে — আমি ৰাতিপুৱা টোপনিৰ পৰা উঠো, তাৰ পিছত খোজ কাঢ়ো বা যোগাসন কৰো, সতেজ হওঁ, ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰো, কামত যাওঁ ইত্যাদি ইত্যাদি। এই কাৰ্যকলাপসমূহে এটা আৰ্হি বা অভ্যাস প্ৰক্ৰিয়াৰ লগতে জ্ঞানৰ ভাণ্ডাৰ (Stock of knowledge) গঠন কৰে। অভ্যাসগত কাৰ্যকলাপৰ প্ৰতিক্ৰিয়া পুনৰ সংস্থাকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা হয় য'ত ইটো সিটোৰ নিয়ন্ত্ৰণত থাকে। ওপৰৰ উদাহৰণটোত এই কাৰ্যকলাপবোৰ হয়তো এটা বিশেষ পৰিয়ালৰ ৰুটিন বা ব্যৱস্থা আছিল, যাৰ জৰিয়তে পৰিয়ালটোৱে নিজৰ সদস্যসকলক নিয়ন্ত্ৰণ কৰে আৰু নিজৰ কাৰ্যকলাপসমূহ পৰিচালিত কৰে। সংস্থাসমূহ বাহ্যিক বাস্তৱ হিচাপে বিদ্যমান আৰু ব্যক্তি এজনে ইয়াৰ আৰ্হি অনুসৰণ কৰিবলগীয়া হয়। অৱশ্যে ইয়াৰ প্ৰণালীসমূহ তেওঁৰ বাবে বোধগম্য হব লাগিব। তেওঁ ইয়াৰ উৰ্ধ্বত গৈ সংস্থাসমূহত কি আছে সেইটো জানিবলৈ চেষ্টা কৰিব লাগিব আৰু সেইবোৰ শিকিব লাগিব। মনত ৰাখিব লাগিব যে মানৱ কাৰ্যকলাপৰ বাহ্যিককৃত উৎপাদনে লাভ কৰা সংস্থাগত জগতখনৰ বস্তুনিষ্ঠতাক বস্তুগতকৰণ (objectivation) বোলা হয় যিটো হৈছে মানৱ নিৰ্মিত আৰু উৎপাদিত। বাহ্যিকীকৰণ আৰু বস্তুগতকৰণৰ প্ৰক্ৰিয়াটো এটা দ্বান্দ্বিক প্ৰক্ৰিয়া, অৰ্থাৎ মানুহ আৰু তেওঁৰ সামাজিক জগতখনে পৰস্পৰে আন্তঃক্ৰিয়াত মিলিত হৈ থাকে। এইক্ষেত্ৰত

সংশ্লিষ্টকৰণৰ (Internalization) আন এটা প্ৰক্ৰিয়া হ'ল সামাজিকৰণ প্ৰক্ৰিয়াত মানুহজনৰ চেতনালৈ পুনৰ প্ৰৱেশ কৰা।

সংস্থাসমূহৰ বৈধতা থকাটো প্ৰয়োজন যাতে পৰম্পৰা হিচাপে পৰৱৰ্তী প্ৰজন্মলৈ হস্তান্তৰিত হোৱাৰ লগে লগে সংস্থাসমূহৰ ন্যায্যতা বাহাল থাকে। বৈধতাই মূল্যবোধ আৰু জ্ঞান দুয়োটাকে বুজাই যিয়ে সংস্থাসমূহক নতুন অৰ্থ দিয়ে। নতুন প্ৰজন্মক নীতিৰ লগত খাপ খুৱাবলৈ হ'লে সংস্থাসমূহৰ নিযেধাজ্ঞা আৰু কৰ্তৃত্ব থাকিব লাগিব। বস্তুনিষ্ঠ সামাজিক জগতখনত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে য'ত ভাষিক ক্ষেত্ৰখনে বৈধতাৰ ক্ষেত্ৰ গঠন কৰে। বৈধতাৰ চাৰিটা ভিন্ন স্তৰ আছে। প্ৰথমটো হ'ল প্ৰাৰম্ভিক বৈধতা যিটো মানৱ অভিজ্ঞতা হস্তান্তৰিত হ'লে ভাষিক বস্তুনিষ্ঠতাৰ ব্যৱস্থা হিচাপে বৰ্তি থাকে। উদাহৰণ স্বৰূপে, এটা শিশুৱে 'সহোদৰ' বা 'ককা-আইতা'ৰ বিষয়ে শিকিব লাগিব, যিয়ে স্বজনতাৰ গাঁথনিক বৈধতা প্ৰদান কৰে। দ্বিতীয়তে অৰ্ধবিকশিত ৰূপত থকা তাত্ত্বিক স্থিতিসমূহৰ বৈধতা। আমি ব্যৱহাৰ কৰা প্ৰবাদ, মহৎ বাণী আদি এই স্তৰৰ অন্তৰ্গত, যিবোৰ প্ৰায়োগিক আৰু আমি জীৱনত কৰা কামসমূহৰ লগত সম্পৰ্কিত। তৃতীয় স্তৰত বৈধতাপূৰ্ণ জ্ঞানৰ ভাণ্ডাৰৰ তত্ত্বৰ কথা কোৱা হৈছে যিবোৰ নিৰ্দিষ্ট ব্যক্তিৰ জৰিয়তে আনলৈ প্ৰেৰণ কৰা হয়। উদাহৰণস্বৰূপে, যিকোনো স্বজনতাৰ পৰিভাষা আৰু ব্যৱহাৰ বয়সস্থ ব্যক্তিয়ে সৰুসকলক বুজাব। বৈধতাৰ শেষ স্তৰটো হ'ল প্ৰতীকী বিশ্বব্ৰহ্মাণ্ডখন য'ত তাত্ত্বিক পৰম্পৰাসমূহ সান্নিৰিষ্ট কৰা হৈছে যিবোৰৰ দৈনন্দিন অভিজ্ঞতাৰ পৰিৱৰ্তে অৰ্থ আৰু বাস্তৱতাৰ বিভিন্ন দিশ আছে। উদাহৰণস্বৰূপে, সপোন বা ভ্ৰমৰ অভিজ্ঞতা বাস্তৱৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু ইয়াৰ অৰ্থ এক নিজস্ব বাস্তৱতাৰে সজ্জিত হ'ব পাৰে।

মানুহৰ অভিজ্ঞতাৰ এটা সৰু অংশ অৱশিষ্ট হিচাপে চেতনাই ধৰি ৰাখে আৰু এইবোৰ ভৱিষ্যতৰ বাবে স্মৰণীয় সত্ত্বা হিচাপে থাকে। এই স্মৰণীয় সত্ত্বাবোৰ ভাষাৰ সহায়ত পৰম্পৰা হিচাপে আন প্ৰজন্মলৈও বিয়পি পৰে আৰু ভাষিক ক্ষমতাৰ সহায়ত এনে অভিজ্ঞতাবোৰ স্মৰণ কৰিব পৰা যায়। যিকোনো সামাজিক সংস্থাৰ অন্তৰ্গত ব্যক্তিৰে কিছুমান ভূমিকা থাকে। এই ভূমিকাসমূহ ভাষিকভাৱে বস্তুনিষ্ঠ হোৱাৰ লগতে সমাজৰ বস্তুনিষ্ঠ বাস্তৱতাৰো এক অবিচ্ছেদ্য অংগ। যেতিয়া এই বস্তুনিষ্ঠ ভূমিকাসমূহ ব্যক্তিসকলে উপলব্ধি কৰি লয়, তেতিয়া সামাজিক জগতখন ব্যক্তিৰ বাবে এক বিষয়নিষ্ঠ বাস্তৱলৈ ৰূপান্তৰিত হয়। যিহেতু ভূমিকাসমূহ সংস্থাৰ লগত সম্পৰ্কিত, সেয়েহে ই সংস্থাগত শৃংখলাক দুটা ৰূপত উপস্থাপন কৰে। প্ৰথমতে, নিৰ্দিষ্ট ভূমিকা পালনৰ দ্বাৰা নিজকে উপস্থাপন কৰে। উদাহৰণস্বৰূপে অভিনয়ত নিয়োজিত হোৱাটো হ'ল অভিনেতাৰ ভূমিকাক উপস্থাপন কৰা। দ্বিতীয়তে, ভূমিকাই আচৰণৰ এক সম্পূৰ্ণ সংযোগক উপস্থাপন কৰে। উদাহৰণস্বৰূপে, অভিনেতাই আন অভিনেতাৰ সৈতে সম্পৰ্কিতভাৱে কাম কৰে,

যিয়ে মনোৰঞ্জনৰ সংস্থাক প্ৰতিনিধিত্ব কৰে।

সামৰণিত আমি ক'ব পাৰো যে বাস্তৱতা সামাজিকভাৱে সংজ্ঞায়িত, আৰু অধ্যয়ন কৰা পৰিৱৰ্তনসমূহক বাস্তৱতাক সংজ্ঞায়িত কৰিবৰ বাবে সংস্থাই অনুমতি দিয়ে। অভ্যাস, বৈধতা, ভূমিকা আৰু সংস্থা, এই সকলোবোৰে বস্তুনিষ্ঠভাৱে সংজ্ঞায়িত কৰা সমাজৰ বাস্তৱতাৰ এটা অংশ গঠন কৰে।

১৪.৩.৩ বিষয়ভিত্তিক বাস্তৱ হিচাপে সমাজ

সমাজখন ব্যক্তিৰ বাবে, কিন্তু ব্যক্তিজন জন্মতে সমাজৰ সদস্য নহয়। বৰঞ্চ সময়ৰ সোঁততহে তেওঁ সমাজৰ সদস্য হৈ পৰে। তেওঁ কিছুমান বৈশিষ্ট্য আহৰণ কৰে যাৰফলত কালক্ৰমত ব্যক্তিজন সমাজৰ অন্তৰ্ভুক্ত হৈ পৰে। এই সামাজিক অংশগ্ৰহণ হৈছে পৰিঘটনাৰ সংশ্লিষ্টকৰণ যি প্ৰথমতে বস্তুনিষ্ঠ বাস্তৱ হয় আৰু পিছলৈ ইয়াৰ অৰ্থ ব্যক্তিজনে বিষয়নিষ্ঠভাৱে অনুধাৱন কৰে।

অৰ্থ আৰু ঘটনাৰ সংশ্লিষ্টকৰণৰ দ্বাৰা ব্যক্তি এজন সমাজৰ সদস্য হৈ পৰে। ই সামাজিকীকৰণৰ দুটা প্ৰক্ৰিয়াৰ জৰিয়তে সংঘটিত হয় ঃ প্ৰাথমিক সামাজিকীকৰণ আৰু গৌণ সামাজিকীকৰণ। প্ৰাথমিক সামাজিকীকৰণ হৈছে ব্যক্তি এজনৰ শৈশৱকালৰ প্ৰথম সামাজিকীকৰণ, যাৰ জৰিয়তে তেওঁ সমাজৰ সদস্য হৈ পৰে। ইতিমধ্যে সামাজিক হৈ পৰা ব্যক্তি এজনক তেওঁৰ সমাজৰ বস্তুনিষ্ঠ জগতখনৰ নতুন খণ্ড বা শাখাত অন্তৰ্ভুক্ত কৰা প্ৰক্ৰিয়াটোৱেই হৈছে গৌণ সামাজিকীকৰণ।

আমি প্ৰথমে প্ৰাথমিক সামাজিকীকৰণৰ দিশবোৰ চাওঁ। ই ব্যক্তিৰ জীৱনৰ আটাইতকৈ অবিচ্ছেদ্য অংশ যাৰ ওপৰত গৌণ সামাজিকীকৰণৰ মৌলিক গাঁথনি নিৰ্ভৰশীল। এজন ব্যক্তিয়ে জন্ম লোৱা বস্তুনিষ্ঠ সামাজিক সংৰচনাত এজন উল্লেখনীয় অন্য ব্যক্তিৰ (A significant other) সন্মুখীন হয়। উল্লেখনীয় আনজন ব্যক্তিয়ে উক্ত ব্যক্তিজনৰ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ দায়িত্ব লয় আৰু তেওঁ নিজকে সেই ব্যক্তিজনৰ ওপৰত আৰোপিত কৰে। প্ৰাথমিক সামাজিকীকৰণ হ'ল এক বিশুদ্ধ জ্ঞানমূলক প্ৰক্ৰিয়া য'ত শিশুৱে আনৰ পৰা শিকে আৰু আৱেগিকভাৱে সংযুক্ত হৈ থাকে। ইয়াত সংশ্লিষ্টকৰণ প্ৰক্ৰিয়াৰ লগতে চিনাক্তকৰণ প্ৰক্ৰিয়াও জড়িত হৈ থাকে। উল্লেখনীয় আনসকলৰ (significant others) ভূমিকা, আচৰণ আৰু মনোভাৱ শিশুৱে উপলব্ধি কৰি আয়ত্ব কৰি লয় আৰু ইয়াক নিজৰ কৰি তোলে। এইদৰে উল্লেখনীয় আনজনৰ বস্তুনিষ্ঠ বাস্তৱতা শিশুৱে বিষয়নিষ্ঠভাৱে আহৰণ কৰি দুয়োটাৰ মাজত এক দ্বান্দ্বিক প্ৰক্ৰিয়াৰ সৃষ্টি কৰে। প্ৰাথমিক সামাজিকীকৰণে শিশুৰ মনোভাৱৰ পৰা প্ৰগতিশীল বিমূৰ্ততা বা ধাৰণাসমূহৰ সৃষ্টি কৰে। যেনে— দৌৰাৰ কাৰ্যত ঘৰৰ চাৰিবেৰৰ ভিতৰত শিশুটি পৰিব পাৰে বুলি মাকক অধিক সাৱধানী কৰি তোলা হয়। এইদৰে শিশুটিয়ে ধাৰণা গঢ়ি তুলিব যে

যিকোনো ঠাইত দৌৰিলে তেওঁ পৰিব আৰু আন সকলো ব্যক্তিকে শিশুটিৰ প্ৰতি সাৱধানী কৰি তুলিব। ইয়াৰ অৰ্থ হ'ল শিশুৱে নিজকে এজন উল্লেখনীয় অন্য ব্যক্তিৰ (ইয়াত মাতৃ) ভূমিকাৰ লগতে বহুকেইজন উল্লেখনীয় অন্য ব্যক্তিৰ (অন্য ব্যক্তি) ভূমিকাৰ সৈতে চিনাক্ত কৰে যাক সাধাৰণীকৃত অন্য বা আন (Generalized other) বোলা হয়। এইদৰে বাহিৰত যিটো বাস্তৱ সেয়া প্ৰকৃততে বাস্তৱ হৈ পৰিব বা বস্তুনিষ্ঠ বাস্তৱ বিষয়ভিত্তিক বাস্তৱলৈ পৰিণত হ'ব। শিশুৰ প্ৰেৰণা আৰু গুণৰ সংশ্লিষ্টকৰণত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দৈনন্দিন ভূমিকা, অভ্যাস বা মূল্যবোধৰ নিৰ্দিষ্ট বিষয়বস্তু শিশুটিৰ বাবে জীৱনৰ পিছৰ পৰ্যায়লৈকে প্ৰযোজ্য হ'ব। এই কথা ভাষাৰ মাধ্যমেৰে উপস্থাপন কৰিব পাৰি। উদাহৰণস্বৰূপে, সততা আৰু বীৰত্বৰ মূল্যবোধে শিশুটিক শৈশৱৰ লগতে জীৱনৰ পিছৰ পৰ্যায়তো তাক ধৰি ৰাখিবলৈ বা মানি চলিবলৈ অনুপ্ৰাণিত কৰিব। প্ৰাথমিক সামাজিকীকৰণত প্ৰতিটো পৰ্যায়তে শিক্ষণৰ ক্ৰম জড়িত হৈ থাকে আৰু সেই অনুসৰি শিশুটিয়ে সামাজিক স্বীকৃতি লাভ কৰে।

কোনো ব্যক্তিয়ে শৈশৱত প্ৰাথমিক সামাজিকীকৰণৰ মাজেৰে পাৰ হোৱাৰ পিছত গৌণ সামাজিকীকৰণ ঘটে। ইয়াক সংস্থাগত বা সংস্থা ভিত্তিক সংশ্লিষ্টকৰণ বুলি কোৱা হয়। শ্ৰম বিভাজনৰ জটিলতা আৰু ইয়াৰ লগত জড়িত জ্ঞানে গৌণ সামাজিকীকৰণৰ চৰিত্ৰ নিৰ্ধাৰণ কৰে। ভূমিকাসাপেক্ষ জ্ঞান আহৰণ আৰু শ্ৰম বিভাজনত প্ৰত্যক্ষ বা পৰোক্ষভাৱে শিপাই থকা ভূমিকাসমূহ গৌণ সামাজিকীকৰণৰ সৈতে জড়িত। গৌণ সামাজিকীকৰণক প্ৰাথমিক সামাজিকীকৰণত আহৰণ কৰা আধাৰ-জগতখনৰ (base world) বিপৰীতে আংশিক বাস্তৱ বুলি কোৱা হয়। গৌণ সামাজিকীকৰণত কিছুমান বিশেষ বৈশিষ্ট্য শিকিবলৈ কিছুমান বিশেষ জ্ঞানৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে, ধনুৰ্বিদ্যাৰ কলা আয়ত্ত কৰিবলৈ প্ৰশিক্ষণৰ প্ৰয়োজন।

গৌণ সামাজিকীকৰণে প্ৰাথমিক সামাজিকীকৰণৰ দ্বাৰা গঠিত এক সত্ত্বাৰ সৈতে মোকাবিলা কৰিব লগা হয়। ই কেতিয়াবা সমস্যাৰ সৃষ্টি কৰে কাৰণ গৌণ সামাজিকীকৰণৰ নতুন বিষয়বস্তু বা দিশসমূহ প্ৰাথমিক সামাজিকীকৰণৰ দ্বাৰা ইতিমধ্যে গঠিত আত্মসত্ত্বাৰ মাজত সুমুৱাই দিবলৈ চেষ্টা কৰা হয় য'ত গৌণ সামাজিকীকৰণৰ ফলত হব লগা পৰিৱৰ্তনক প্ৰতিহত কৰাৰ চেষ্টা হ'ব পাৰে। আমি গম পাইছোঁ যে যেতিয়া শিশু তেওঁৰ উল্লেখনীয় অন্য ব্যক্তিৰ সৈতে আৱেগিকভাৱে সংযুক্ত আৰু চিনাক্ত হয়, তেতিয়াই প্ৰাথমিক সামাজিকীকৰণ হয়। আনহাতে বেছিভাগ গৌণ সামাজিকীকৰণ ব্যক্তিৰ মাজৰ যোগাযোগৰ ফলত হোৱা ন্যূনতম বা পাৰস্পৰিক চিনাক্তকৰণৰ দ্বাৰা সংঘটিত হয়। উল্লেখনীয় অন্য ব্যক্তিজনে স্থাপন কৰা বাস্তৱতা হৈছে প্ৰাথমিক সামাজিকীকৰণত শিশুৰ বাবে বাস্তৱতা। আনহাতে, গৌণ সামাজিকীকৰণে নিৰ্দিষ্ট সংস্থাগত প্ৰসংগক তেওঁৰ বাস্তৱতা হিচাপে স্বীকৃতি দিয়ে।

প্ৰাথমিক সামাজিকীকৰণৰ বাস্তৱতা বহু সময়ত জীৱনৰ পিছৰ সময়চোৱাত শেষ হৈ যায়। আনহাতে গৌণ সামাজিকীকৰণৰ বাস্তৱতাক আঁতৰাই ৰখা বা ব্যাখ্যা কৰা সহজ। প্ৰাথমিক সামাজিকীকৰণত বাস্তৱ আৰু জ্ঞান অৰ্ধ-স্বয়ংক্ৰিয় কাৰণ ঘৰখনকে শিশুৰ বাবে চূড়ান্ত বাস্তৱ হিচাপে গণ্য কৰা হয়। আনহাতে গৌণ সামাজিকীকৰণত জ্ঞানৰ বাস্তৱতা কিছুমান প্ৰসংগ বা নিৰ্দিষ্ট শিক্ষাবিজ্ঞানৰ কৌশলৰ জৰিয়তে মানি লোৱা হয়। যেনে ঃ মাতৃভাষা হৈছে শৈশৱত আহৰণ কৰা প্ৰথম ভাষা কিন্তু ক্ৰমান্বয়ে এজনৰ বিকাশ আৰু বৃদ্ধিৰ লগে লগে তেওঁ / তাই নতুন ভাষা শিকাৰ কলা আহৰণ কৰিব পাৰে।

মন কৰিবলগীয়া যে নিৰ্দিষ্ট সামাজিক সংৰচনাৰ ভিতৰতে সামাজিকীকৰণ ঘটে। সামাজিক-সংৰচনাগত পৰিস্থিতি আৰু সামাজিক-সাংস্কৃতিক পৰিণতিয়েই সামাজিকীকৰণৰ সফলতা নিৰ্ধাৰণ কৰে। সফল সামাজিকীকৰণে বস্তুনিষ্ঠ আৰু বিষয়ভিত্তিক বাস্তৱতাৰ মাজত উচ্চ মাত্ৰাৰ সামঞ্জস্যতাক নিৰ্দেশ কৰে আৰু ই সৰল শ্ৰম বিভাজন আৰু জ্ঞানৰ ন্যূনতম বিতৰণ থকা সমাজত প্ৰতিফলিত হয়। যেতিয়া বিভিন্ন উল্লেখনীয় অন্য ব্যক্তিয়ে ব্যক্তিৰ বাবে বিভিন্ন বস্তুনিষ্ঠ বাস্তৱতাৰ যোগান ধৰে, তেতিয়া সামাজিকীকৰণ অসফল হোৱা বুলি কোৱা হয়। আকৌ পৰিচয়ক সামাজিক প্ৰক্ৰিয়াৰ দ্বাৰা গঠিত বিষয়নিষ্ঠ বাস্তৱতাৰ এটা মূল উপাদান বুলি কোৱা হয়। ই সমাজৰ সৈতে দ্বান্দ্বিক সম্পৰ্কত বৰ্তি থাকে। সামাজিক সংৰচনাই সামাজিক প্ৰক্ৰিয়াত পৰিচয়ৰ গঠন আৰু পালন নিৰ্ধাৰণ কৰে। এবাৰ স্ফটিকীয় (Crystalized) হৈ পৰিলে পৰিচয়বোৰক সামাজিক সম্পৰ্কই পৰিৱৰ্তন আৰু পুনৰ গঠন কৰে বুলি কোৱা হয়। বস্তুনিষ্ঠ সামাজিক বাস্তৱতাই তুলনামূলকভাৱে সুস্থিৰ সামাজিক সামগ্ৰী উৎপন্ন কৰে বুলি কোৱা হয় যিবোৰক পৰিচয়ৰ প্ৰকাৰ বুলি জনা যায়।

মানুহ এটা জীৱ আৰু যদিও তেওঁৰ পশুত্বক সামাজিকীকৰণলৈ ৰূপান্তৰিত কৰা হয়, তথাপিও বাস্তৱ নিৰ্মাণ প্ৰক্ৰিয়া তেওঁৰ জীৱৰ বৈশিষ্ট্যৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়। মানুহে নিজৰ জীৱৰ গুণ আৰু সামাজিকতাক একে সময়তে ব্যৱহাৰ কৰিবলৈ সক্ষম। যেনে, মানুহে খাব পাৰে আৰু একে সময়তে কোনো গুৰুত্বপূৰ্ণ বিষয়ত সমনীয়াৰ সৈতে গীত ৰচনা কৰিব পাৰে বা কথা পাতিব পাৰে। মানুহৰ পশুত্ব আৰু তেওঁৰ সামাজিকীকৰণৰ অভ্যাসৰ মাজত চলি থকা এইটো এটা দ্বান্দ্বিক সম্পৰ্ক য'ত মানুহে বাস্তৱৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে আৰু বিদ্যমান বাস্তৱত নিজকে উপস্থাপন কৰে। এইদৰে আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে সামাজিকীকৰণ প্ৰক্ৰিয়াই মানুহক জীৱ হিচাপে আৰু নিজৰ পৰিচয়েৰে সমাজত বাস্তৱতাক গঢ় দিয়াত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বাস্তৱতাৰ সামাজিক নির্মাণে কি দিশত গুৰুত্ব আৰোপ কৰে।

.....

.....

প্রশ্ন ২ ঃ বাস্তৱতাৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন ৩ ঃ জ্ঞানৰ ভেঁটি যিবোৰ অংশত বিভক্ত হৈছে সেইবোৰৰ নাম লিখা।

.....

.....

প্রশ্ন ৪ ঃ জ্ঞানৰ ক্ষেত্রত বৈধতাৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন ৫ ঃ জ্ঞানৰ সংজ্ঞা দিয়া?

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাস্তৱতা মানুহৰ চিন্তা, কর্ম আৰু জ্ঞানেৰে সামাজিকভাৱে গঢ় লৈ উঠে বুলি কোৱা হয়।
- মানুহৰ মাজত হোৱা পাৰস্পৰিক ক্রিয়া-কলাপ আৰু সামাজিকীকৰণ প্রক্রিয়াৰ জৰিয়তে বাস্তৱতা গঢ় লৈ উঠে।
- জ্ঞানৰ ভেঁটি তিনিটা অংশৰ ওৰত নির্ভৰশীল ঃ দৈনন্দিন জীৱনৰ বাস্তৱতা, দৈনন্দিন জীৱনৰ সামাজিক আন্তঃক্রিয়া আৰু দৈনন্দিন জীৱনৰ ভাষা আৰু জ্ঞান।
- সমাজত সামাজিক ব্যৱস্থা পাৰস্পৰিক আন্তঃক্রিয়া আৰু বাহ্যিকীকৰণৰ প্রক্রিয়াত মানুহৰ কার্যকলাপৰ দ্বাৰা উৎপন্ন হোৱা বুলি কোৱা হয়।
- সংস্থাকৰণৰ তত্ত্বই সমাজ ব্যৱস্থা বজাই ৰাখে য'ত অভ্যাসকৰণৰ প্রক্রিয়া, সংস্থাসমূহৰ বৈধতা আৰু ব্যক্তিৰ ভূমিকা অন্তর্ভুক্ত কৰা হয়।
- প্রাথমিক সামাজিকীকৰণ শৈশৱৰ প্রাৰম্ভিক দিনকেইটাত সংঘটিত হয় যাৰ যোগেদি এজন ব্যক্তি সমাজৰ সদস্য হৈ পৰে।

- কোনো ব্যক্তিৰ প্ৰাথমিক সামাজিকীকৰণৰ সম্পূৰ্ণ হোৱাৰ পিছত গৌণ সামাজিকীকৰণ ঘটে।
- উল্লেখনীয় অন্য ব্যক্তিৰ প্ৰাথমিক সামাজিকীকৰণত ভূমিকা থাকে, আনহাতে গৌণ সামাজিকীকৰণ পাৰস্পৰিক আন্তঃক্ৰিয়াৰ জৰিয়তে ঘটে।



১৪.৫ অধিক জানিবলৈ

1) Berger, Peter. and L. Thomas Lukman (1991). *Social Construction of Reality: A Treatise in the Sociology of Knowledge*. England: Penguin Books.



১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বাস্তৱতাৰ সামাজিক নিৰ্মাণে জ্ঞানৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বাস্তৱতাক ইয়াৰ স্বাধীন চৰিত্ৰ থকা পৰিঘটনা বুলি সংজ্ঞায়িত কৰিব পাৰি য'ত আমি আমাৰ ইচ্ছা ব্যৱহাৰ কৰিব নোৱাৰো।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দৈনন্দিন জীৱনৰ বাস্তৱতা, দৈনন্দিন জীৱনত সামাজিক পাৰস্পৰিক ক্ৰিয়াকলাপ, দৈনন্দিন জীৱনত ভাষা আৰু জ্ঞান।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৈধতাই মূল্যবোধ আৰু জ্ঞান দুয়োটাকে বুজায় যিয়ে সংস্থাসমূহক নতুন অৰ্থ প্ৰদান কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞানক কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য থকা সেই পৰিঘটনাবোৰৰ সত্য বা নিশ্চয়তা হিচাপে সংজ্ঞায়িত কৰিব পাৰি, যিবোৰ প্ৰকৃততে বাস্তৱ।



১৪.৭ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বাস্তৱতাৰ সামাজিক নিৰ্মাণ বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ চাৰিপ্ৰকাৰৰ বৈধতা ব্যাখ্যা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ জ্ঞানৰ ভেটিৰ ভাগ বা অংশসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ বিষয়ভিত্তিক বাস্তৱ হিচাপে সমাজ বুলিলে কি বুজে?

*** ***** ****

অধ্যায় ১৫ ঃ পিয়েৰ বৌর্ডিউ (PIERRE BOURDIEU)

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ সামাজিক পুঁজি
১৫.৪ অভ্যাস (habitus)
১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৬ অধিক জানিবলৈ
১৫.৭ অগ্রগতিৰ খতিয়ান
১৫.৮ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজতত্ত্বৰ ক্ষেত্রখনলৈ বৌর্ডিউৰ অৱদান জানিব পাৰিব।
- পুঁজিৰ ধাৰণা, সমাজত ইয়াৰ বিভিন্ন উপযোগিতা সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- অভ্যাস আৰু ক্ষেত্রৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

দক্ষিণ ফ্রান্সৰ ডেংগুইন নামৰ এখন সৰু গাঁৱত শ্রমিক শ্রেণীৰ পৰিয়ালত পিয়েৰ বৌর্ডিউৰ জন্ম হৈছিল। বৌর্ডিউৰ পিতৃ আছিল এজন সৰু কৃষক, আৰু সামান্য আনুষ্ঠানিক শিক্ষা থকা এজন ডাক কর্মী। বৌর্ডিউৱে ফ্রান্সৰ অন্যতম প্রতিষ্ঠিত বিশ্ববিদ্যালয় পেৰিছৰ ইক'ল নর্মাল চুপিৰিয়েৰত নামভর্তি কৰে, য'ত তেওঁ বিখ্যাত মার্ক্সবাদী চিন্তাবিদ লুই আলথাছাৰৰ অধীনত দর্শন অধ্যয়ন কৰে। ডক্টৰেট ডিগ্রী লাভ কৰাৰ পিছত বৌর্ডিউৱে ১৯৫৮ চনত আলজেৰিয়াৰ আলজিয়ার্ছত শিক্ষকৰ পদ গ্রহণ কৰে। সেই সময়ত আলজেৰিয়া ফ্রান্সৰ উপনিবেশ আছিল যদিও ফ্রান্স আৰু আলজেৰিয়াৰ স্বাধীনতা আন্দোলনৰ সমর্থকসকলৰ মাজত যুদ্ধ চলি আছিল। এই সময়ছোৱাত বৌর্ডিউৱে আলজেৰিয়াৰ সর্ববৃহৎ খিলঞ্জীয়া গোট কাবিলৰ (Kabyle) মাজত নৃতাত্ত্বিক ক্ষেত্রভিত্তিক কাম হাতত লয়। তেওঁৰ ক্ষেত্রভিত্তিক কামৰ ভিত্তিত বৌর্ডিউৱে তেওঁৰ প্রথমখন গ্রন্থ 'The Algerians' প্রকাশ কৰে। পিছলৈ বৌর্ডিউৱে তেওঁৰ ক্ষেত্রভিত্তিক কামৰ সহায়ত তেওঁৰ প্রথম আৰু আটাইতকৈ প্রভাৱশালী তাত্ত্বিক ৰচনাসমূহৰ ভিতৰত অন্যতম 'Outline of a Theory of Practice' লিখিছিল।

এজন আগশাৰীৰ সামাজিক তত্ত্ববিদ হিচাপে বৃদ্ধি পোৱা সুনামৰ বাবে বৌর্ডিউ ইক'ল প্রেকটিক ডেছ হ'টেড ইটুডছৰ অধ্যয়ন সঞ্চালক পদত আৰু পিছলৈ ১৯৮১ চনত কলেজ ডি

ফ্রান্সৰ সমাজতত্ত্বৰ অধ্যক্ষ হিচাপে অধিষ্ঠিত হয়। বৌর্ডিউ আছিল এজন সুদক্ষ শৈক্ষিক লেখক। তেওঁ ২৫ খনতকৈও অধিক গ্ৰন্থ আৰু ৩০০ ৰো অধিক প্ৰবন্ধ ৰচনা আৰু প্ৰকাশ কৰে। তেওঁ ফ্রান্সৰ এজন আগশাৰীৰ বুদ্ধিজীৱিও আছিল, তেওঁ নব্য উদাৰবাদী অর্থনৈতিক নীতি আৰু বিশ্বয়নৰ অন্যায় আৰু শোষণমূলক বুলি ভবা দিশসমূহৰ বিৰুদ্ধে মাত মাতিছিল আৰু প্ৰতিবাদৰ আয়োজন কৰিছিল। ২০০২ চনত মৃত্যুৰ সময়ত বৌর্ডিউ ফ্রান্সৰ অন্যতম শ্ৰেষ্ঠ পণ্ডিত আৰু বিশ্বৰ অন্যতম প্ৰভাৱশালী সামাজিক তত্ত্ববিদ হিচাপে পৰিচিত আছিল। সামাজিক তত্ত্বৰ ওপৰত বৌর্ডিউৰ প্ৰভাৱক অতিমাত্ৰা অনুমান কৰাটো কঠিন। বৌর্ডিউৰ ৰচনাসমূহ দুই ডজনৰো অধিক ভাষালৈ অনুবাদ কৰা হৈছে আৰু তাৰে অধিকাংশকে ইতিমধ্যে সমাজ বিজ্ঞান আৰু মানৱীয় বিজ্ঞানৰ বিভিন্ন শাখাত ক্লাছিক বা ধ্ৰুপদী বুলি গণ্য কৰা হৈছে। কেৱল সমাজতত্ত্ববিদেই নহয়, নৃতত্ত্ব, সাংস্কৃতিক অধ্যয়ন আৰু শিক্ষাৰ ক্ষেত্ৰতো বৌর্ডিউৰ ৰচনা পঢ়িব লগীয়া। বৌর্ডিউৱে সমাজতত্ত্বক সমাজ জীৱনৰ অন্তর্নিহিত গাঁথনিসমূহক সমালোচনাত্মকভাৱে গ্ৰহণ কৰা আৰু উন্মোচন কৰা 'যুদ্ধ ক্ৰীড়া' (combat sport) হিচাপে বুজাই শৈক্ষিক ক্ষেত্ৰখনতো প্ৰবল প্ৰভাৱ পেলাইছে। এই অধ্যায়ত আমি পিয়েৰ বৌর্ডিউৱে বিকশিত কৰা দুটা অতি গুৰুত্বপূৰ্ণ ধাৰণা (concept) ৰ বিষয়ে আলোচনা কৰিম।

১৫.৩ সামাজিক মূলধন

`Forms of Capital' ত বৌর্ডিউয়ে পুঁজিৰ 'অবস্তুগত' আৰু 'অনা-অর্থনৈতিক' ৰূপসমূহ, বিশেষকৈ সাংস্কৃতিক আৰু সামাজিক পুঁজিক অন্তর্ভুক্ত কৰিবৰ বাবে পুঁজিৰ ধাৰণাটোক ইয়াৰ অর্থনৈতিক ধাৰণাৰ বাহিৰলৈ সম্প্ৰসাৰিত কৰিছে যিয়ে বস্তুগত বিনিময়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভিন্ন ধৰণৰ পুঁজি কেনেকৈ আহৰণ কৰিব পাৰি, বিনিময় ৰূৰিব পাৰি, আৰু আন ৰূপলৈ ৰূপান্তৰিত কৰিব পাৰি সেই বিষয়ে তেওঁ বুজাইছে। যিহেতু পুঁজিৰ গাথনি আৰু বিতৰেণও সামাজিক জগতৰ অন্তর্নিহিত গাথনিটোক প্ৰতিনিধিত্ব কৰে, সেয়েহে বৌর্ডিউৱে যুক্তি আগবঢ়াই যে পুঁজিৰ একাধিক ৰূপৰ বিষয়ে বুজিলে সামাজিক জগতখনৰ গাঁথনি আৰু কার্যকলাপ স্পষ্টকৈ বুজাত সহায়ক হ'ব।

সাংস্কৃতিক পুঁজি শব্দটোৱে অনা-অর্থনৈতিক শক্তি যেনে পাৰিবাৰিক পটভূমি, সামাজিক শ্ৰেণী, শিক্ষা আৰু বিভিন্ন সম্পদৰ ভিন্ন বিনিয়োগ আৰু প্ৰতিশ্ৰুতি আদিক প্ৰতিনিধিত্ব কৰে যিয়ে শৈক্ষিক সফলতাক প্ৰভাৱিত কৰে। বৌর্ডিউৱে সাংস্কৃতিক পুঁজিৰ তিনিটা ৰূপৰ ব্যাখ্যা আগবঢ়াইছে। মূৰ্ত অৱস্থাটো ব্যক্তিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আৰু ই তেওঁলোকে যি জানে আৰু কৰিব পাৰে তাক প্ৰতিনিধিত্ব কৰে। শিক্ষণৰ ৰূপত আত্ম উন্নতিৰ বাবে সময় বিনিয়াগ কৰি মূৰ্ত পুঁজি (embodied capital) বৃদ্ধি কৰিব পাৰি। ব্যক্তিৰ লগত মূৰ্ত পুঁজি একত্ৰিত হোৱাৰ লগে লগে ই এক প্ৰকাৰৰ অভ্যাস (habitus) ত পৰিণত হয় আৰু সেয়েহে ইয়াক নিমিষতে সঞ্চাৰিত কৰিব নোৱাৰি। সাংস্কৃতিক পুঁজিৰ বস্তুনিষ্ঠ অৱস্থাক সাংস্কৃতিক সামগ্ৰী যেনে কিতাপ, চিত্ৰকলা, বাদ্যযন্ত্ৰ বা যন্ত্ৰৰ দ্বাৰা উপস্থাপন কৰা হয়। অর্থনৈতিক পুঁজিৰ সৈতে বস্তুগতভাৱে

আৰু মূর্ত পুঁজিৰ (embodied capital) জৰিয়তে প্রতীকীভাৱে দুয়োটা দিশতে ইয়াক অধিগ্রহণ কৰি ল'ব পাৰি। শেষত, সাংস্কৃতিক পুঁজিৰ প্রতিষ্ঠানিক অৱস্থাত এনে শৈক্ষিক প্রমাণপত্র আৰু অর্হতা প্রদান কৰিছিল যিয়ে "সাংস্কৃতিক দক্ষতাৰ প্রমাণপত্রৰ সৃষ্টি কৰি ইয়াৰ ধাৰণকাৰীক ক্ষমতাসাপেক্ষে এক গতানুগতিক, নিৰন্তৰ, আইনীভাৱে নিশ্চিত মূল্য প্রদান কৰে।" এই শৈক্ষিক অর্হতাক তাৰ পিছত সাংস্কৃতিক আৰু অর্থনৈতিক পুঁজিৰ মাজত ৰূপান্তৰৰ হাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

সাংস্কৃতিক পুঁজিৰ বিষয়ে কৰা সমগ্র আলোচনাতে বৌর্ডিউ 'প্রকৃতি' সম্পর্কীয় যুক্তিৰ পৰিৱর্তে 'প্রতিপালন'ৰ পক্ষপাতী। তেওঁ কয় যে এজন বক্তিৰ ক্ষমতা আৰু প্রতিভা মূলতঃ তেওঁলোকৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ বাবে বিনিয়োগ কৰা সময় আৰু সাংস্কৃতিক পুঁজিৰ আধাৰত নির্ধাৰিত হয়। একেদৰে বৌর্ডিউৱে যুক্তি আগবঢ়াই যে 'শৈক্ষিক ক্রিয়াৰ পৰা পোৱা বিদ্যায়তিনক উৎপাদন নির্ভৰ কৰে পৰিয়ালে পূর্বতে বিনিয়োগ কৰা সাংস্কৃতিক পুঁজিৰ ওপৰত' আৰু 'আৰম্ভণিতে, বিলম্ব নকৰাকৈ, সময় নষ্ট নকৰাকৈ, কেৱল শক্তিশালী সাংস্কৃতিক পুঁজিসমৃদ্ধ পৰিয়ালৰ সন্তানৰ বাবে প্রতিবিধ উপযোগী সাংস্কৃতিক পুঁজিৰ দ্রুত, সহজ আহৰণৰ পূর্বচর্ত সাংস্কৃতিক পুঁজিৰ প্রাৰম্ভিক আহৰণৰ পৰাই আৰম্ভ হয়' । এই দাবীসমূহৰ ভিত্তিত দেখা যায় যে সাংস্কৃতিক পুঁজিয়ে নিজকে অভ্যাসৰ দৰেই নিয়ন্ত্রণ আৰু পুনৰুৎপাদন কৰে। এই আর্হি অনুসৰি কোনো এটা প্রদত্ত সাংস্কৃতিক পৰিয়ালে সমান পৰিমাণৰ সাংস্কৃতিক পুঁজিৰে সন্তান উৎপাদন কৰিব পাৰিছিল। ইয়াৰ জৰিয়তে বৌর্ডিউৱে পুনৰুৎপাদনবাদী আর্হিত অৰিহণা যোগাইছিল।

বৌর্ডিউৱে সামাজিক পুঁজিৰ সংজ্ঞা এইদৰে আগবঢ়াইছে, "প্রকৃত বা সম্ভাব্য সম্পদৰ সমষ্টি যিবোৰ পাৰস্পৰিক চিনাকি আৰু স্বীকৃতিৰ কম বেছি পৰিমাণে প্রতিষ্ঠানিক সম্পর্কৰ স্থায়ী নেটৱর্কৰ অধিকাৰৰ সৈতে জড়িত।" বক্তিৰ সামাজিক পুঁজি নির্ধাৰণ হয় তেওঁলোকৰ সম্পর্কৰ নেটৱর্কৰ আকাৰ, ইয়াৰ সঞ্চিত সম্পদৰ যোগফল (সাংস্কৃতিক আৰু অর্থনৈতিক উভয়ে) আৰু ব্যক্তিজনে সেইবোৰক কিমান সফলতাৰে গতিশীল কৰি তুলিব পাৰে, তাৰ আধাৰত। বৌর্ডিউৰ মতে, ভৰিষ্যতে ইয়াক দ্রুতভাৱে লাভ কৰিবলৈ হ'লে সময়ৰ লগে লগে সামাজিক নেটৱর্কসমূহ অবিৰতভাৱে ৰক্ষণাবেক্ষণ আৰু প্রতিপালন কৰিব লাগিব।

শেষত বিভিন্ন ধৰণৰ পুঁজিৰ মাজত ৰূপান্তৰৰ আলোচনাত বৌর্ডিউৱে স্বীকাৰ কৰিছে যে পৰিৱর্তনৰ বিভিন্ন প্রচেষ্টাৰ জৰিয়তে অর্থনৈতিক পুঁজিৰ পৰা সকলো ধৰণৰ পুঁজি আহৰণ কৰিব পাৰি। বৌর্ডিউৱে এইটোও কৈছে যে সাংস্কৃতিক আৰু সামাজিক পুঁজি মৌলিকভাৱে অর্থনৈতিক পুঁজিৰ মাজত শিপাই আছে যদিও ইয়াক কেতিয়াও সম্পূর্ণৰূপে অর্থনৈতিক ৰূপলৈ সীমিত কৰিব নোৱাৰি। বৰঞ্চ সামাজিক আৰু সাংস্কৃতিক পুঁজি ফলপ্রসূ বা কার্যকৰী হৈয়েই থাকে কাৰণ ই অর্থনৈতিক পুঁজিৰ সৈতে নিজৰ সম্পর্ক লুকুৱাই ৰাখে।

ওপৰৰ আলোচনাই বৌর্ডিউৰ পুঁজিৰ ধাৰণা আৰু ইয়াৰ অর্থনৈতিক পুঁজিৰ বাহিৰেও অন্যান্য বিভিন্ন উপাদান বুজিবলৈ এক বহল পটভূমি প্রদান কৰে। আহক আমি এতিয়া সামাজিক পুঁজিৰ ধাৰণাটো বহল অর্থত বুজি লওঁ। ১৯৭৩ চনত পেছাদাৰীসকলে নিজৰ আৰু সন্তানৰ স্থান

কেনেকৈ সুৰক্ষিত কৰে সেই সম্পর্কে আলোচনাত বৌর্ডিউৱে সামাজিক পুঁজিৰ সংজ্ঞা দিছিল এইদৰে ঃ "সামাজিক সম্পর্ক ৰ এটা মূলধন যিয়ে প্রয়োজন হ'লে সন্মানীয়তা (honourability) আৰু সন্মানীয়তাৰ মূলধন (respectability) ৰ মাধ্যমেৰ উপযোগী 'সমর্থন' প্রদান কৰিব, যি সামাজিকভাৱে উচ্চ স্থানলৈ ব্যক্তিসকলক আকর্ষণ কৰিবৰ বাবে প্রায়ে অপৰিহার্য আৰু যিয়ে ৰাজনৈতিক কেৰিয়াৰৰ দৰে ক্ষেত্রত মুদ্রা হিচাপে কাম কৰিব পাৰে"। পিছলৈ তেওঁ ১৯৯২ চনত নিজৰ স্থিতি পৰিশোধন কৰি সামাজিক পুঁজিক পাৰস্পৰিক চিনাকি আৰু স্বীকৃতিৰ কম-বেছি পৰিমাণে প্রতিষ্ঠানিক সম্পর্কৰ স্থায়ী নেটৱর্ক থকাৰ ফলত কোনো ব্যক্তি বা গোটৰ বাবে জমা হোৱা সর্বমুঠ প্রকৃত বা বাস্তৱ সম্পদ হিচাপে সংজ্ঞায়িত কৰে। বৌর্ডিউৱে পৰামর্শ দিছিল যে সামাজিক পুঁজিৰ মূল্য বজাই ৰাখিবলৈ হ'লে মানুহে ইয়াৰ ওপৰত কাম কৰিব লাগিব। তেওঁ এই ধাৰণাটোক সাংস্কৃতিক পুঁজিৰ সংযোজক বা মাত্রা হিচাপে লয়। তেওঁৰ মূল ধাৰণা সামাজিক পদানুক্রম আৰু বৈষম্যৰ বুজা বুজিৰ সৈতে জড়িত আছিল। সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক পুঁজিৰ ধাৰণা আৰু ইয়াৰ সংমিশ্রণৰ জৰিয়তে বৌর্ডিউৱে বৈষম্যৰ কেনেকৈ সৃষ্টি আৰু পুনৰুৎপাদন হয় সেই কথা বুজিবলৈ চেষ্টা কৰিছিল। তেওঁ উকীল বা চিকিৎসকৰ দৰে বৃত্তিৰ পৰা উদাহৰণ লৈ সংযোগ, সাংস্কৃতিক আৰু অর্থনৈতিক পুঁজিৰ মাজৰ আন্তঃক্রিয়াৰ উদাহৰণ দাঙি ধৰিছিল যিয়ে নিজৰ সামাজিক পুঁজিৰ অর্থাৎ, উচ্চ সমাজৰ গ্রাহকৰ (clientele in high society) আস্থা লাভ কৰিবলৈ 'সামাজিক সংযোগ, সন্মানীয়তা আৰু সন্মানীয়তাৰ মূলধন' শোষণ কৰে , আনকি ৰাজনীতিত কেৰিয়াৰ গঢ়িবও পাৰে। ইয়াৰ বিপৰীতে যিসকলে নিজৰ শিক্ষাগত অর্হতাৰ ওপৰত নির্ভৰ কৰে, তেওঁলোক হৈছে 'বিশ্বাসযোগ্যতাৰ সংকোচন' (credential deflation) ৰ ক্ষেত্রত আটাইতৈক অসুৰক্ষিত, কেৱল তেওঁলোকৰ সম্পর্কৰ অভাৱৰ বাবেই নহয় বৰঞ্চ তেওঁলোকৰ দুর্বল সাংস্কৃতিক মূলধনে বিশ্বাসযোগ্যতাৰ বাবে বজাৰত তাৰতম্যৰ বিষয়ে তেওঁলোকৰ জ্ঞান হ্রাস কৰে।

সংযোগৰ নেটৱর্ক প্রকৃতি প্রদত্ত বা সামাজিক প্রদত্ত নহয়, যিটো পৰিয়ালৰ ক্ষেত্রত উপস্থাপন কৰা সংস্থাৰ প্রাৰম্ভিক কার্যৰ দ্বাৰা সকলোৰে বাবে গঠন কৰা হয়। ই হৈছে সংস্থাবোৰত এক অন্তহীন প্রচেষ্টাৰ উৎপাদন যি স্থায়ী, উপযোগী সম্পর্ক প্রস্তুত আৰু পুনৰুৎপাদন কৰে যি বস্তুগত বা সাংকেতিক লাভ সুৰক্ষিত কৰিব পাৰে। অর্থাৎ সম্পর্কৰ নেটৱর্ক হৈছে বিনিয়োগ কৌশলৰ উৎপাদন। সামাজিক মূলধনৰ পুনৰুৎপাদেন সামাজিকতাৰ এক অবিৰাম প্রচেষ্টাৰ ধাৰণা দিয়ে, এক নিৰন্তৰ বিনিময়ৰ শৃংখলা য'ত স্বীকৃতি অন্তহীনভাৱে নিশ্চিত আৰু পুনৰ নিশ্চিত কৰা হয়।

১৫.৪ অভ্যাস (HABITUS)

বৌর্ডিউৰ মতে ক্ষমতা সাংস্কৃতিক আৰু প্রতীকীভাৱে সৃষ্টি হয়, আৰু সংস্থা (agency) আৰু সংৰচনাৰ আন্তঃক্রিয়াৰ জৰিয়তে অহৰহ পুনৰ বৈধতা প্রদান কৰা হয়। ইয়াৰ মূল উপায় হ'ল 'অভ্যাস' (habitus) বা সামাজিক নিয়ম বা প্রৱণতা যাৰ দ্বাৰা আচৰণ আৰু চিন্তাধাৰাক পথ

প্রদর্শন কৰা হয় । অভ্যাস (habitus) হৈছে সমাজখন স্থায়ী প্রবৃত্তিৰ ৰূপত ব্যক্তিসকলে গ্রহণ কৰা ধাৰণা বা নির্দিষ্ট ধৰণে চিন্তা, অনুভৱ আৰু কাম কৰাৰ প্রশিক্ষিত ক্ষমতা আৰু সংগঠিত প্রৱণতা, যি পিছত তেওঁলোকক পথ প্রদর্শন কৰে। ব্যক্তিগত প্রক্রিয়াৰ পৰিৱর্তে সামাজিক প্রক্রিয়াৰ জৰিয়তে অভ্যাসৰ সৃষ্টি হয়, যিয়ে স্থায়ী আৰু এটা প্রসংগৰ পৰা আন এটা প্রসংগলৈ হস্তান্তৰযোগ্য আর্হিৰ সৃষ্টি কৰে, কিন্তু এইবোৰ নির্দিষ্ট প্রসংগ আৰু সময়ৰ লগে লগে সলনিও হয়। অভ্যাস নির্দিষ্ট বা স্থায়ী নহয়, আৰু অপ্রত্যাশিত পৰিস্থিতিত বা দীর্ঘ ঐতিহাসিক সময়ত ইয়াক সলনি কৰিব পাৰি। অভ্যাস স্বাধীন ইচ্ছাৰ ফল নহয়, গঠনৰ দ্বাৰাও নির্ধাৰিত নহয, বৰঞ্চ সময়ৰ লগে লগে দুয়োটাৰে মাজত এক ধৰণৰ আন্তঃক্রিয়াৰ দ্বাৰা সৃষ্টি হয়ঃ এনে ব্যৱস্থা যিবোৰ অতীতৰ পৰিঘটনা আৰু গাঁথনিৰ দ্বাৰা গঢ় লৈ উঠে, আৰু যিয়ে বর্তমানৰ প্রথা আৰু গাঁথনিক গঢ় দিয়ে আৰু লগতে, গুৰুত্বপূর্ণভাৱে, এইবোৰৰ প্রতি আমাৰ ধাৰণাক চর্তসাপেক্ষ কৰি তোলে। এই অর্থত, 'কোনো ইচ্ছাকৃত সংবদ্ধতাৰ সন্ধান নকৰাকৈ, কোনো সচেতন একাগ্রতা নোহোৱাকৈ' অভ্যাস (habitus) অজ্ঞাতে সৃষ্টি আৰু পুনৰুৎপাদন কৰা হয়।

এই ধাৰণাটোৰ সৈতে জড়িত হৈছে 'ক্ষেত্র'ৰ ধাৰণা। ক্ষেত্র হৈছে বিভিন্ন সামাজিক আৰু প্রতিষ্ঠানিক ক্ষেত্র য'ত মানুহে নিজৰ প্রৱণতা প্রকাশ আৰু পুনৰুৎপাদন কৰে আৰু বিভিন্ন ধৰণৰ মূলধন বিতৰণৰ বাবে প্রতিযোগিতা কৰে। ক্ষেত্র হৈছে বৌদ্ধিক, ধর্মীয়, শৈক্ষিক, সাংস্কৃতিক আদিৰ নেটৱর্ক, সংৰচনা বা সম্পর্কৰ গোট। মানুহে এটা নির্দিষ্ট মুহূর্তত কোনটো ক্ষেত্রত আছে তাৰ ওপৰত নির্ভৰ কৰি ক্ষমতাৰ অভিজ্ঞতা প্রায়ে বেলেগ বেলেগ ধৰেণেৰ অনুভৱ কৰে যাৰ প্রভাৱ অভ্যাসৰ ওপৰত পৰে।

বৌর্ডিউৱে সংজ্ঞায়িত কৰা তাত্ত্বিক ধাৰণা হিচাপে অভ্যাসক (habitus) বহলভাৱে চাওঁ আহক। বৌর্ডিউৰ মতে, অভ্যাস (habitus) হৈছে দীর্ঘম্যাদী, পৰিৱর্তনীয় প্রৱণতা আৰু সংগঠিত সংৰচনাৰ ব্যৱস্থা যি গাঁথনিগত সংৰচনা হিচাপে কাম কৰিবলৈ পূর্বনির্ধাৰিত হৈ থাকে, অর্থাৎ নীতি হিচাপে যি অনুশীলন আৰু উপস্থাপন সৃষ্টি আৰু সংগঠিত কৰে যাক এক সচেতন লক্ষ্য বা সেইবোৰ প্রাপ্ত কৰাৰ বাবে প্রয়োজনীয় কার্যকলাপৰ এক স্পষ্ট পাৰদর্শিতা অনুমান নকৰাকৈ তাৰ ফলাফলৰ সৈতে বস্তুনিষ্ঠভাৱে খাপ খুৱাব পাৰি। অভ্যাসক বস্তুনিষ্ঠভাৱে 'নিয়ন্ত্রিত' আৰু 'নিয়মিত' কোনো ধৰণৰ নিয়মৰ আনুগত্যৰ উৎপাদন নহৈ আৰু কোনো পৰিচালকৰ সংগঠিত কার্যৰ উৎপাদন নোহোৱাকৈ সামূহিকভাৱে সংগঠিত কৰিব পাৰি। দ্বিতীয় প্রকৃতি হিচাপে অন্তর্নিহিত আৰু ইতিহাস হিচাপে পাহৰি যোৱা অভ্যাস-সান্নিবিষ্ট ইতিহাস হৈছে সমগ্র অতীতৰ সক্রিয় উপস্থিতি যাৰ ই উৎপাদন। সেই হিচাপে, ইয়েই অনুশীলনসমূহক তাৎক্ষণিক বর্তমানৰ বাহ্যিক নির্ণয়ৰ ক্ষেত্রত তেওঁলোকৰ আপেক্ষিক স্বায়ত্ত্বতা প্রদান কৰে। এই স্বায়ত্ত্বতা হৈছে অতীতৰ প্রণোদিত আৰু কার্যকৰীকৃত, যিয়ে সঞ্চিত পুঁজি হিচাপে কাম কৰি ইতিহাসৰ ভিত্তিত ইতিহাস উৎপন্ন কৰে আৰু তেনেকৈয়ে পৰিৱর্তনৰ স্থায়িত্ব নিশ্চিত কৰে যিয়ে ব্যক্তিগত প্রতিভূ বা এজেণ্টক পৃথিৱীৰ ভিতৰৰ এখন পৃথিৱী হিচাপে গঢ়ি তোলে। অভ্যাস হৈছে চেতনা বা ইচ্ছাহীন স্বতঃস্ফূর্ততা। যান্ত্রিক তত্ত্বত ইতিহাসবিহীন বস্তুৰ যান্ত্রিক প্রয়োজনীয়তাৰ যি বৈপৰীত্য, সেয়া

যুক্তিবাদী তত্ত্বত "জড়তাহীন" (without inertia) বিষয়ৰ প্ৰতিক্ৰিয়াশীল স্বাধীনতাৰ বৈপৰীত্যৰ অনুৰূপ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মূলধনৰ প্ৰকাৰবোৰৰ নাম লিখক।

প্ৰশ্ন ২ ঃ সাংস্কৃতিক মূলধনৰ প্ৰকাৰবোৰৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ ক্ষেত্ৰ কি?



৭.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- দক্ষিণ ফ্ৰান্সৰ ডেংগুইন এখন সৰু গাৱঁত শ্ৰমিক শ্ৰেণীৰ পৰিয়ালত পিয়েৰ বৌর্ডিউৰে জন্মগ্ৰহণ কৰিছিল। বৌর্ডিউৰ পিতৃ এজন সৰু কৃষকলৈ পৰিণত হোৱা ডাকঘৰৰ কৰ্মচাৰী আছিল আৰু তেওঁৰ আনুষ্ঠানিক শিক্ষাও কম আছিল।
- সামাজিক জীৱনৰ অন্তৰ্নিহিত গাঁথনিসমূহক সমালোচনাত্মকভাৱে গ্ৰহণ কৰা আৰু উন্মোচন কৰা "যুদ্ধ ক্ৰীড়া" হিচাপে সমাজতত্ত্বৰ ধাৰণাই শৈক্ষিক ক্ষেত্ৰখনত প্ৰবল প্ৰভাৱ পেলাইছে।
- 'পুঁজিৰ ৰূপ'ত বৌর্ডিউৱে পুঁজিৰ ধাৰণাটোত পুঁজিৰ "অবস্তুগত" আৰু "অনা-অর্থনৈতিক" ৰূপসমূহ, বিশেষকৈ সাংস্কৃতিক আৰু সামাজিক পুঁজিক অন্তৰ্ভুক্ত কৰিবলৈ ইয়াৰ অর্থনৈতিক ধাৰণাটোৰ বাহিৰলৈ সম্প্ৰসাৰিত কৰিছে যিয়ে বস্তুগত বিনিময়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- বৌর্ডিউৰ বাবে মূলধন হৈছে সঞ্চিত শ্ৰম।
- সাংস্কৃতিক পুঁজি শব্দটোৱে অনা-অর্থনৈতিক শক্তি যেনে পাৰিবাৰিক পটভূমি, সামাজিক শ্ৰেণী, শিক্ষাৰ ভিন্ন বিনিয়োগ আৰু প্ৰতিশ্ৰুতি, বিভিন্ন সম্পদ আদিৰ সংগ্ৰহক প্ৰতিনিধিত্ব কৰে যিয়ে শৈক্ষিক সফলতাক প্ৰভাৱিত কৰে।
- বৌর্ডিউৱে সাংস্কৃতিক পুঁজিক তিনি প্ৰকাৰত ভাগ কৰিছে —মূৰ্ত, (embodied state) বস্তুনিষ্ঠ আৰু প্ৰতিষ্ঠানিক।
- বৌর্ডিউৱে সামাজিক পুঁজিৰ সংজ্ঞা এইদৰে কৰিছে, "প্ৰকৃত বা সম্ভাব্য সম্পদৰ সমষ্টি যিবোৰ পাৰস্পৰিক চিনাকি আৰু স্বীকৃতিৰ কম বেছি পৰিমাণে প্ৰতিষ্ঠানিক সম্পর্কৰ স্থায়ী নেটৱর্কৰ অধিকাৰৰ সৈতে জড়িত।"
- সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক পুঁজিৰ ধাৰণা আৰু ইয়াৰ সংমিশ্ৰণৰ জৰিয়তে বৌর্ডিউৱে বৈষম্য কেনেকৈ সৃষ্টি আৰু পুনৰুৎপাদন হয় সেই কথা বুজিবলৈ চেষ্টা কৰিছিল।
- বৌর্ডিডৰ মতে ক্ষমতা সাংস্কৃতিক আৰু প্ৰতীকীভাৱে সৃষ্টি হয় আৰু সংস্থা আৰু গাঁথনিৰ আন্তঃক্ৰিয়াৰ জৰিয়তে অহৰহ পুনৰ বৈধতা প্ৰদান কৰা হয়।

- Habitus (অভ্যাস) হৈছে 'ব্যক্তিৰ মাজত স্থায়ী স্বভাৱৰ ৰূপত সমাজখন জমা হোৱাৰ ধৰণ, বা নির্ণায়কভাৱে চিন্তা, অনুভৱ আৰু কাম কৰাৰ প্রশিক্ষিত ক্ষমতা আৰু গাঁথনিগত প্রৱণতা, যিয়ে তেতিয়া তেওঁলোকক পথ প্রদর্শন কৰে'।
- 'ক্ষেত্র' হৈছে বিভিন্ন সামাজিক আৰু প্রতিষ্ঠানিক ক্ষেত্র য'ত মানুহে স্বভাৱ প্রকাশ আৰু পুনৰুৎপাদন কৰে, আৰু য'ত তেওঁলোকে বিভিন্ন ধৰণৰ পুঁজি বিতৰণৰ বাবে প্রতিযোগিতাত অৱতীর্ণ হয়।



১৫.৬ অধিক জানিবলৈ

1) Bourdieu, P. (1986). "The Forms of Capital", (ed) in J. Richardson, *Handbook of Theory and Research for the Sociology of Education*. NewYork



১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক পুঁজি।

২ নং প্রশ্নৰ উত্তৰ ঃ মূর্ত, বস্তুনিষ্ঠ আৰু প্রতিষ্ঠানিক অৱস্থা।

৩ নং প্রশ্নৰ উত্তৰ ঃ 'ক্ষেত্র', হৈছে বিভিন্ন সামাজিক আৰু প্রতিষ্ঠানিক ক্ষেত্র য'ত মানুহে নিজৰ স্বভাৱ প্রকাশ আৰু পুনৰুৎপাদন কৰে, আৰু য'ত তেওঁলোকে বিভিন্ন ধৰণৰ পুঁজিৰ বিতৰণৰ বাবে প্রতিযোগিতা কৰে।



১৫.৮ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ বৌর্ডিউৱে প্রস্তাৱ কৰা বিভিন্ন ধৰণৰ মূলধনৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ সাংস্কৃতিক পুঁজিৰ বিভিন্ন অৱস্থাৰ সন্ধান কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়ক)

প্রশ্ন ১ ঃ সামাজিক পুঁজিৰ বৈশিষ্ট্য আৰু সমাজত ইয়াৰ কার্যসমূহৰ বিষয়ে বহলভাৱে আলোচনা কৰক।

প্রশ্ন ২ ঃ অভ্যাস আৰু ইয়াৰ কার্যৰ সংজ্ঞা দিয়ক।

*** ***** ****



প্রসংগ গ্রন্থসমূহ

1.